# বিমলা প্ৰসাদ চলিহা
# মহাবিদ্যালয় আলোচ…

3
1983-84

৩য় সংখ্যা

তত্ত্বাৱধায়ক
ৰঞ্জিত কুমাৰ বৰা

সম্পাদকদ্বয়
দীপেন্দ্ৰ পাঠক
ৰফিকুল হাছান

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

নগৰবেৰা ।। কামৰূপ ।। অসম

বছৰ ঃ ১৯৮৩-৮৪ ইংৰাজী

তৃতীয় সংখ্যা

## সম্পাদনা সমিতি

সভাপতি :

অধ্যক্ষ শ্ৰীদেৱপ্ৰসাদ শইকীয়া।

তত্ত্বাৱধায়ক :

অধ্যাপক ৰঞ্জিত কুমাৰ বৰা।

উপদেষ্টাদ্বয় :

অধ্যাপক এম. হবিব উল্লাহ।

অধ্যাপক উমেশ চন্দ্ৰ কৰ।

সম্পাদকদ্বয় :

দীপেন্দ্ৰ পাঠক।

এম. ৰফিকুল হাছান।

সদস্যবৃন্দ :

পবিত্ৰ কুমাৰ পাঠক।

কুমাৰী মিনতি শৰ্মা।

মহঃ মুক্তাৰ হুছেইন।

বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

বছৰেকীয়া প্ৰকাশ

১৯৮৩—৮৪ চন

তৃতীয় সংখ্যা


প্ৰকাশক ঃ

দীপেন্দ্ৰ পাঠক

এম. ৰফিকুল হাছান

পাণ্ডুলিপি প্ৰস্তুতকৰণত ঃ

শ্বাহ নেওৱাজ ৰহমতুল্লাহ

ভৱেশ তালুকদাৰ

জগন্নাথ ঠাকুৰীয়া

পবিত্ৰ পাঠক

আৰু

অধ্যাপক এম. হবিব উল্লাহ

প্ৰচ্ছদ-পট শিল্পী ঃ

পবিত্ৰ কুমাৰ নাথ

শলাগৰ পাত্ৰ ঃ

প্ৰফুল্ল ৰাভা

মুদ্ৰণ ঃ

মণি-মাণিক প্ৰেছ,

উজান বজাৰ,

গুৱাহাটী-৭৮১০০১


প্ৰচ্ছদ-পটৰ আঁৰৰ কথা.....................

"প্ৰগতিৰ পথত ঘাত-প্ৰতিঘাত কিম্বা বিপ্লৱৰ মুখামুখী হৈয়ো মানৱ জীৱনৰ প্ৰকৃত সত্তাই আগুৱায় মাথো শান্তি আৰু পোহৰৰ সন্ধানত......... ।"

**Prof. J. M. Choudhury, M. Sc.**
D. I. C., Ph. D. (Lond.),
**Vice-Chancellor**
GAUHATI UNIVERSITY

Phone : No.-88412
Res.-88408
GAUHATI-781014
(India)

21 August 1984

MESSAGE

I am happy to learn that the Students' Union of the B. P. Chaliha College, Nagarbera is bringing out the third issue of the College Magazine very soon.

I hope the magazine will be able to give ample scope to the student community of the college to develop their literary talent besides highlighting various activities of the College.

I hope the magazine will receive appreciation from all concerned.

*Sd/ J.M. Choudhury*
**( J. M. Choudhury )**
Vice-Chancellor
Gauhati University

*Md Sader Ali*
*Retd. Superintendent of Supply*
*and Literary Pensioner.*
Bidyanagar, Guwahati-14

*Dated—12.8.84*

# এটি শুভেচ্ছা বাণী

নগৰবেৰা হৈছে কামৰূপ জিলাৰ অন্তৰ্গত এখনি বৰ পিচপৰা ঠাই। এই অঞ্চলত কোনো কলেজ বা মহাবিদ্যালয় নাছিল। ১৯৭২ খৃষ্টাব্দত ইয়াত বিমলা প্ৰসাদ চলিহা নামৰ মহাবিদ্যালয় খনি স্থাপন হোৱাত বাইজৰ আৰু স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলৰ এটা বৰ ডাঙৰ অভাৱ পূৰণ হ'ল। এই সময় হোৱাত মহা-বিদ্যালয়খনিৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাত এখনি বছৰেকীয়া আলোচনীও ওলাল। দুটা সংখ্যা ওলাই যোৱাৰ পিছত বৰ্তমান তৃতীয় সংখ্যাটো প্ৰকাশ হৈ আছে।

এইটো আমাৰ অসমীয়া জাতিৰ কাৰণে বৰ গৌৰবৰ বিষয় যে এই আলোচনী খনিয়ে মহাবিদ্যালয়খনিৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চৰ্চাত এটা ডাঙৰ অভাৱ দূৰ কৰিলে। লিখক-লিখিকা সকলৰ চেষ্টা আৰু পৰিশ্ৰম অতি প্ৰশংসনীয়।

পৰম করুণাময় অনন্ত দয়ালু আল্লাহ তাআলাৰ ওচৰত দোৱা কৰিছোঁ এই আলোচনী খনিয়ে যেন মহাবিদ্যালয় খনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

মোহাম্মদ চাদেৰ আলী
১২।৮।৮৪

# শুভেচ্ছা বাণী

জীৱন-দৰ্শন নহ'লে বিদ্যা লক্ষ্যহীন আৰু ৰসহীন হোৱাৰ শঙ্কা হয়। বিদ্বান লোকেই আজি ৰাজনীতিজ্ঞ হয়, কিন্তু জীৱন-দৰ্শন নথকাৰ ফলত ক্ষমতা হাটৰ বেচা-কিনা বস্তু হৈ পৰে। আজি এজন এম-এল-এ ৰ দাম ২৫ লাখ হৈছেগৈ হেনো। বিদ্বানেই পাণ্ডিত্য আৰু গুৰুগিৰিৰ মোল নুবুজি সাম্প্ৰদায়িকতা আৰু অন্যান্য ভেদাভেদ বঢ়াই সমাজত অকাৰণ গৃহযুদ্ধ লগায়। পুঁজিবাদী ব্যৱস্থাত বিদ্যাও বজাৰৰ বস্তু হৈ পৰিছে। যিসকল বজাৰৰ অধিকাৰী, সেই সকলে পুঁজিৰ মোহত অন্ধ হৈ সকলোকে অন্ধ আৰু মূলৰ পৰা বিচ্ছিন্ন কৰিবলৈ যত্ন কৰিছে। জীৱন-দৰ্শনৰ অভাৱত আমাৰ কৰ্মৰ নৈতিক বিচাৰো নোহোৱা হৈছে। নৈতিকতাৰ আধাৰ জ্ঞান আৰু জ্ঞানৰ আধাৰ কঠোৰ জীৱন-জিজ্ঞাসা। আমাৰ জীৱন লক্ষ্যহীন আৰু ৰসহীন নহয়। মানুহ হ'বলৈকে আমাক সমাজ, ৰাষ্ট্ৰ, ধৰ্ম, পৰিয়াল, স্কুল, কলা, শিক্ষা, স্বাস্থ্য আৰ্থিক সঙ্গতিৰ আৱশ্যক। সভ্যতা আৰু সংস্কৃতি পৰিবৰ্তনশীল। মানুহ হ'ব পৰা পৰিবেশ যদি দিব নোৱাৰে, তেন্তে তুয়োটাৰে আৱশ্যকীয় পৰিবৰ্তন কৰাৰ অধিকাৰ আমাক মনুষ্যত্বই দিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য
গুৱাহাটী-৪
২৬।৭।৮৪

# তেজ ৰঙা স্মৃতিৰ চকুলো…

হে
শ্বহীদ!
বন্দুক, বেয়নেট
বা কামানৰ হিংস্ৰতাই
কাঢ়ি নিলেও তোমালোক কিন্তু
হেৰাই যোৱা নাই। 'দুগুণ মৰণ ভুগি'
তোমালোক 'মাটিৰ মানুহ' মিলি যোৱা নাই মাটিত।
তোমালোকৰ বুকুৰ তেজৰ চিটিকনি আমাৰ বুকুতো বৈ গ'ল
তেজ ৰঙা কেঁচা স্মৃতি হৈ। এতিয়াও হিয়াত বৈ বৈ বাজে
তোমালোকৰ উদাত্ত কণ্ঠৰ বজ্ৰ বাণী। ত্যাগ, প্ৰেম আৰু সততাৰ
আদৰ্শ হৈ তোমালোক জীয়াই
থাকিবা আমাৰ মানসত। প্ৰেৰণা
আৰু সাহসৰ উৎস হৈ সদায় জ্বলি ৰবা
আমাৰ হিয়াৰ নেদেখা কোনো এক গোপন
কোণৰ ভক্তিৰ ফুলৰ শৰাইত।
ধৈৰ্যৰ নিয়াৰিত এতিয়া হৃদয়
পিটিছোঁ সাহসৰ হাতুৰীৰে। হে শ্বহীদ – তোমালোকলৈ
সশ্ৰদ্ধ প্ৰণাম, চকুলোৰে তিতা এপাহ শুকুলা ফুল।

সম্পাদকদ্বয়

# সূচী-পত্ৰ


| নাম | | লিখক | পৃষ্ঠা |
|---|---|---|---|
| **প্ৰবন্ধমালা :** | | | |
| ১। নগৰবেৰাৰ সামাজিক ঐতিহ্য আৰু উন্নয়ন | .. | শ্ৰীউদয় শঙ্কৰ ঠাকুৰীয়া | ১ |
| ২। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা | .. | শ্ৰীনগেন্দ্ৰ মেধি | ১১ |
| ৩। অসমীয়া লোক বিশ্বাস | .. | প্ৰফুল্ল কুমাৰ ৰাভা | ১৫ |
| ৪। সাম্প্ৰতিক অসমীয়া কবিতাত যুগৰ ভয়াবহ চিত্ৰ | .. | অধ্যাপক ভাৰত কলিতা | ১৮ |
| **কবিতা-কানন :** | | | |
| ৫। সংকল্প | .. | শ্ৰীদীপেন ঠাকুৰীয়া | ২৭ |
| ৬। মই এজন দেশ নেতা | .. | অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস | ২৮ |
| ৭। জীৱন সংগ্ৰাম | .. | শ্ৰীহৰমোহন নাথ | ২৯ |
| ৮। অনুভূতি | .. | কুমাৰী মিনতি শৰ্ম্মা | ২৯ |
| ৯। সংকল্প-শিখা | .. | অধ্যাপক এম, হবিব উল্লাহ | ৩০ |
| ১০। বিকল্প | .. | অধ্যাপক নীলকমল বৰদলৈ | ৩১ |
| ১১। উপলব্ধি | .. | ” ” ” | ৩১ |
| ১২। নিষ্ফল আশা | .. | শ্ৰীদীনেশ কলিতা | ৩২ |
| ১৩। প্ৰতীক্ষা | .. | শ্বাহ নেওৱাজ ৰহমাতুল্লাহ | ৩২ |
| ১৪। তুমি মোক ভাল পোৱা আৰু | .. | মহঃ মুক্তাৰ হুছেইন | ৩৩ |
| ১৫। মনৰ জোঁৱাৰ | .. | এম. ৰফিকুল হাছান | ৩৩ |
| **গীতৰ শৰাই** | | | |
| ১৬। এটি বিহুসুৰীয়া গীত | .. | মঃ অব্দুল হাফিজ | ৩৭ |
| ১৭। মৰহা ফুলৰ সপোন | .. | শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া | ৩৭ |
| ১৮। দুটি সমবেত সঙ্গীত | .. | অধ্যাপক ৰঞ্জিত কুমাৰ বৰা | ৩৮ |
| **গল্পাঞ্জলি :** | | | |
| ১৯। অধীৰ অপেক্ষা | .. | শ্ৰীপবিত্ৰ কুমাৰ পাঠক | ৪১ |
| ২০। পদক্ষেপ | .. | জলিম উদ্দিন আহমেদ | ৪৭ |
| ২১। গতিপথ | .. | শ্ৰীপ্ৰাণেশ্বৰ কলিতা | ৫০ |
| ২২। পোহৰৰ মৃত্যু | .. | আয়নাল হক চৌধুৰী | ৫৬ |
| ২৩। স্ফুলিঙ্গ | .. | শ্ৰীদীপেন্দ্ৰ পাঠক | ৬৩ |
| ২৪। ৰোমন্থন | .. | মোঃ কবিৰ হুছেইন | ৭৩ |

| নাম | লিখক | পৃষ্ঠা |
|---|---|---|
| ২৫। বছৰটিৰ অন্যান্য দিশত এটি দৃষ্টিপাত .. | অধ্যাপক এম হবিব উল্লাহ<br>অধ্যাপক ৰঞ্জিত কুমাৰ বৰা .. | ৭৯ |
| ২৬। মহাবিদ্যালয়ৰ ভিতৰ-চৰ'াত এভূমুকি .. | অধ্যাপক এম হবিব উল্লাহ<br>অধ্যাপক ৰঞ্জিত কুমাৰ বৰা | ৮৭ |
| ২৭। সাক্ষাৎকাৰ .. | .. | ৯৭ |
| **প্ৰতিবেদন সমূহ :** | | |
| ২৮। আহ্বায়কদ্বয়ৰ প্ৰতিবেদন .. | শ্যামাচৰণ ঠাকুৰীয়া<br>জালিম উদ্দিন আহমেদ | ১০৩ |
| ২৯। সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন .. | দীপেন্দ্ৰ পাঠক | ১০৬ |
| ৩০। সাংস্কৃতিক বিভাগৰ সম্পদকীয় প্ৰতিবেদন .. | ভৈৰৱ ৰয় আৰু কবিৰ হুছেইন | ১০৭ |
| ৩১। সংগীত বিভাগৰ সম্পাদকীয় প্ৰতিবেদন .. | পবিত্ৰ কুমাৰ পাঠক | ১০৯ |
| ৩২। খেল-বিভাগৰ সম্পাদকীয় প্ৰতিবেদন .. | প্ৰাণেশ্বৰ কলিতা<br>সুৰুজ্জ উদ্দিন আহমেদ .. | ১১০ |
| ৩৩। গৰুখেল বিভাগীয় সম্পাদকীয় প্ৰতিবেদন .. | বাহাৰুল হক .. | ১১২ |
| ৩৪। লঘুখেল বিভাগীয় প্ৰতিবেদন .. | বিপুল কুমাৰ মেধি .. | ১১৩ |
| ৩৫। সমাজ সেৱা বিভাগীয় সম্পাদকীয় প্ৰতিবেদন .. | বিভূতি ঠাকুৰীয়া | ১১৪ |
| ৩৬। মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ : .. | .. | ১১৫ |

# অশ্ৰু অঞ্জলি যাচিছোঁ

**চাগৰ আলী আকন্দ!** সমাজ-সেৱক আৰু শিক্ষানুৰাগী সেই নব্বৈ বছৰীয়া মানুহজন! মহাবিদ্যালয়ৰ ভেটিত প্ৰথমটো খুটা পোতাৰে পৰা আৰম্ভ কৰি সৌ সিদিনা ১৯৮৪ চনৰ ৭ আগষ্টলৈকে মহাবিদ্যালয়ৰ প্ৰতিটো উন্নয়নমূলক কামত জড়িত আছিল। মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত আছিল তেখেতৰ প্ৰগাঢ় আত্মীয়তা। মহাবিদ্যালয়ৰ প্ৰতিটো খুটা, প্ৰতিখন বেৰত আমি দেখিবলৈ পাওঁ তেখেতৰ হাতৰ পৰশ। আজি তেখেত নাই। কিন্তু তেখেতৰ দুখলগা স্মৃতি আছে...।

**মৰহুম চাগৰ আলী আকন্দ**
জন্ম : ইংৰাজী ১৮৯৪ চন
মৃত্যু : ৭ আগষ্ট, মঙ্গলবাৰ
১৯৮৪ চন

**দুলাল মালো (দাস)!** মানুহে ভাবে কল্পনা কৰে, সপোন দেখি ভাল পায়। এইদৰেইতো জীয়াই থাকে মানুহ। কিন্তু সপোনবোৰ দিঠক নোহওঁতেই মানুহৰ মৃত্যু হয়, পৃথিবীৰ মায়া এৰি গুচি যায় মানুহ, আৰু আমি হেৰুৱাওঁ বহুত কিবা-কিবি। যিদৰে আমি হেৰুৱালোঁ স্নাতক দ্বিতীয় বাৰ্ষিকৰ নীৰৱ প্ৰতিভা 'দুলাল মালো'ক...।
ক্ষণে ক্ষণে যিজনৰ অনুপস্থিতি আমি এতিয়াও উপলব্ধি কৰোঁ দুখেৰে...।

**দুলাল মালো (দাস)**
জন্ম : ১ আগষ্ট, ১৯৫৭ চন
মৃত্যু : ২৫ মাৰ্চ, ৰবিবাৰ,
১৯৮৩ চন

**কামাখ্যা কলিতা!** কামাখ্যা দাদা, কামাখ্যা ককাইদেউ, হয়তো কাৰোবাৰ ককাইটি; যিজনৰ কথাই চুইছিল আমাৰ হিয়া, যিজনৰ হাঁহিত আমি পাইছিলোঁ সাহস, সেইজন কামাখ্যা কলিতা। নগৰবেৰা আঞ্চলিক ছাত্ৰসন্থাৰ সক্ৰিয় সদস্য আৰু মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বাৰ্ষিকৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সন্মান পাঠ্যক্ৰমৰ ছাত্ৰ, স্নাতকৰ শিক্ষান্ত পৰীক্ষা দি থাকোঁতেই যাক আমি হেৰুৱালোঁ কল্পনাতীত ভাৱে। আজি কামাখ্যা ককাইদেউ নাই, আছে মাথোঁ এবুকু দুখলগা সোঁৱৰণী, এসাগৰ চকুপানী...।

**কামাখ্যা কলিতা**
জন্ম : ৭ জানুৱাৰী, ১৯৫৯
মৃত্যু : ২৪ মে, ১৯৮৪ চন
বৃহস্পতিবাৰ

**ভূপেন তালুকদাৰ।** লাহী, ওখ, বগা ভূপেন; আমাৰ মৰমৰ ভাইটি। লহে লাহে কথা কোৱা, হাৰমনিয়াম বজাই ভালপোৱা, উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ ভূপেন। ফুলিব খোজা এটি যেন কলি, যেন আধাফুলা এটি ফুল। ফুলিব নৌপাওঁতেই নিষ্ঠুৰ নিয়তিয়ে যাক লৈ গ'ল আমাৰ মাজৰ পৰা অকালতে। যি সম্ভাবনাৰ অকাল বিয়োগে আমাক ভবাই তোলে।...

ভূপেন তালুকদাৰ
জন্ম: ৮ এপ্ৰিল, ১৯৬৪ চন
মৃত্যু: ৭ আগষ্ট, মঙ্গলবাৰ
১৯৮৪ চন

আমি কাক কিমান ভাল পাওঁ, কিমান মৰম কৰোঁ, সেইজনৰ প্ৰতি আমাৰ আন্তৰিক টান কিমান—সেয়া আমি উপলব্ধি কৰোঁ সেইজনৰ অনুপস্থিতিতহে। যিদৰে উপলব্ধি কৰিছোঁ 'দিলীপক'। দিলীপ কলিতাক। কাৰোবাৰ দাদা, কাৰোবাৰ ভাইটি, আৰু কাৰোবাৰ বন্ধু, উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ দিলীপ কলিতা। দিলীপে বিশ্বাস কৰিছিল 'মানুহে শব্দ কৰি হাঁহিব লাগে, দুখবোৰ পাতলে। কিন্তু! নাই! আমাক হুহুৱাৰ পৰা দিলীপৰ সেই হাঁহিটো আমি হেৰুৱালোঁ, আমি হেৰুৱালোঁ এটি বিপ্লৱী সত্বা।...

দিলীপ কলিতা
জন্ম: ২৩ অক্টোবৰ, ১৯৬৪
মৃত্যু: ৮ ডিচেম্বৰ, ১৯৮৪
শনিবাৰ

......... সময় গতিশীল। অনিৰ্বাণ জন্ম-মৃত্যু। নিয়তি কি বাৰু? কাল, মহাকাল বুলি আমি কাক কওঁ, কিয় কওঁ, বাৰু?? আমি বহুত হেৰুৱালোঁ। নেদেখাজনক মাথোঁ মনে মনে খাটিছোঁ 'আৰু যেন নেহেৰুৱাও। কিন্তু হেৰুৱাও কিয়! কিয় এই অবিচাৰ!? আশা-আকাংক্ষাবোৰ মনতে বৈ যাব-লগীয়া হয় কিয়!?? যিদৰে বৈ গ'ল 'দুলাল মালো', 'কামাখ্যা কলিতা', 'ভূপেন তালুকদাৰ' আৰু 'দিলীপ কলিতা'ৰ মনত। 'মৰহুম সাগৰ আলী আকন্দ'ৰ পৰাও সমাজে আৰু বহুত কিবা-কিবি পোৱাৰ আশা ৰাখিছিল।...যিসকলক আমি কাহানিও নাপাহৰোঁ, পাহৰিব নোৱাৰোঁ। যাৰ স্মৃতি এবোজা দুখহে থাকি গ'ল আমাৰ হিয়াৰ আঁহে-আঁহে, কলিজাৰ কোঁহে-কোঁহে।

এওঁলোকক দিবলৈ আমাৰ একো নাই। মাথোঁ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু বিদ্যাৰ্থী বৃন্দই এওঁলোকৰ মৃত্যুত যাচিছোঁ অশ্ৰু অঞ্জলি।...

॥ সম্পাদকদ্বয় ॥

# চকুলোৰে স্মুৰঁৰিছোঁ।......

• প্ৰয়াত ইন্দিৰা গান্ধী — ভাৰতৰ প্ৰধানমন্ত্ৰী, গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সভানেত্ৰী, আধুনিক বিশ্বৰ শ্ৰেষ্ঠা ৰাজনীতিজ্ঞা।

• প্ৰয়াত যশৱন্ত ৰাও বলৱন্ত ৰাও চহ্বন — ভাৰতৰ ভূতপূৰ্ব উপ-প্ৰধানমন্ত্ৰী, অষ্টম বিত্ত আয়োগৰ সভাপতি।

• প্ৰয়াত ড° অশোক মেহতা — অক্লান্ত স্বাধীনতা, সংগ্ৰামী, ভূতপূৰ্ব কেন্দ্ৰীয় মন্ত্ৰী, খ্যাতনামা অৰ্থনীতিবিদ আৰু প্ৰসিদ্ধ পণ্ডিত।

• প্ৰয়াত ধৰমবীৰ — ভাৰতৰ শ্ৰম আৰু পুনৰ-সংস্থাপন মন্ত্ৰী, প্ৰবীন কংগ্ৰেছ কৰ্মী, একনিষ্ঠ সমাজ সেৱক।

• প্ৰয়াত য়ুৰি এন্দ্ৰপভ্ — ছোভিয়েত-গণতান্ত্ৰিক-ৰাষ্ট্ৰৰ সভাপতি।

• প্ৰয়াত মাৰ্ছাল ডিমিত্ৰি উষ্টিনভ্ — ছোভিয়েত প্ৰতিৰক্ষা মন্ত্ৰী, ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ পলিটবুৰ্‌ৰ জ্যেষ্ঠ সদস্য।

• প্ৰয়াত কামাখ্যা প্ৰসাদ ত্ৰিপাঠী — স্বাধীনতা সংগ্ৰামী, একনিষ্ঠ সমাজ-সেৱী, অসমৰ ভূতপূৰ্ব বিত্তমন্ত্ৰী, দৰং মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ।

• প্ৰয়াত বাৰীণ চৌধুৰী — নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ অসম শাখাৰ সাধাৰণ সম্পাদক, ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য।

• প্ৰয়াত ইবতুম্বা সিঙ — গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰখ্যাত ন্যায়াধীশ।

• প্ৰয়াত সত্যেন্দ্ৰ নাথ বৰকটকী — কলিকতা বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্যৰ কৃতী অসমীয়া ছাত্ৰ, অসমীয়া আৰু ইংৰাজী ভাষাৰ ২৫ খনতো অধিক প্ৰসিদ্ধ গ্ৰন্থ ৰচক, অসম লোকসেৱা আয়োগৰ ভূতপূৰ্ব সভাপতি।

• প্ৰয়াত ৰজা অজিত নাৰায়ণ দেৱ — অসম বিধান সভাত একেৰাহে তিনিবাৰৰ কাৰ্যকালৰ সদস্য, অসম লোকসেৱা আয়োগৰ ভূতপূৰ্ব সদস্য।

• প্ৰয়াত মহেন্দ্ৰ নাথ তালুকদাৰ — সাহসী আৰু জনপ্ৰিয় স্বাধীনতা সংগ্ৰামী, দক্ষ আইনজ্ঞ, সমাজসেৱী, গুৱাহাটী লোকেলবৰ্ডৰ প্ৰাক্তন সদস্য।

• প্ৰয়াত দীনেশচন্দ্ৰ শৰ্মা — কৃতী আৰু জনপ্ৰিয় শিক্ষক, সুসংগঠক, বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক।

• প্ৰয়াত হৰেন্দ্ৰ কুমাৰ দাস – কৃতী শিক্ষক, সাংস্কৃতিক দিশৰ একনিষ্ঠ সেৱক, ৰঙিয়া মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক।

• প্ৰয়াত প্ৰফুল্ল শৰ্মা কটকী — নগাওঁ মহাবিদ্যালয়, (নগাঁৱৰ) বাণিজ্য বিভাগৰ মূৰব্বী অধ্যাপক।

• প্ৰয়াত সুৰেণ ডেকা — মঙ্গলদৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক।

• প্ৰয়াত অন্নৰাম বৰুৱা — বিশিষ্ট শিক্ষাবিদ, ক্ৰীড়াবিদ, অভিনেতা, কটন কলেজিয়েট স্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক।

• প্ৰয়াত যোগেশ্বৰ শৰ্মা — প্ৰখ্যাত শিক্ষাবিদ আৰু সাহিত্যিক।

• প্ৰয়াত ঊষা বেজবৰুৱা — প্ৰবীন মহিলা শিক্ষাবিদ, ঐতিহ্যমণ্ডিত 'বাঁহী' আলোচনীৰ এযুগ কালৰ সহকাৰী সম্পাদিকা।

• প্ৰয়াত সুৰেশ চন্দ্ৰ গোস্বামী — প্ৰখ্যাত নৃত্য-শিল্পী, সাহিত্যিক, 'কুমুমী' কথাছবিৰ প্ৰযোজক অসম কলাকেন্দ্ৰৰ প্ৰতিষ্ঠাপক।

• প্ৰয়াত আই. এচ. জোহৰ — প্ৰখ্যাত কথাছবি অভিনেতা, প্ৰযোজক আৰু নাট্যকাৰ।

• প্ৰয়াত ফাইজ আহমদ ফাইজ — সমাজ-সচেতন অবিসম্বাদী উৰ্দু কবি আৰু ইংৰাজী আৰু আৰবী সাহিত্যৰ অধ্যাপক।

• প্ৰয়াত অম্বিকা ফুকন — অসমৰ প্ৰবীন ক্ৰীড়াবিদ আৰু নাট্যকাৰ।

• প্ৰয়াত সতীশ দাস — সুপৰিচিত গীতিকাৰ, জনপ্ৰিয় নাট্যকাৰ, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ গঞ্জা, ৰেডিঅ' চ'ৰাৰ সহকাৰী সম্পাদক।

• প্ৰয়াত জয়ন্ত বৰুৱা — 'এজাক চৰাই উৰি উৰি যায়'ৰ জনপ্ৰিয় গীতিকাৰ, নৃত্য-নাটিকা ৰচক।

• প্ৰয়াত মোৱাজ্জিন আলি — প্ৰয়াত ব্ৰজেন বৰুৱাৰ 'মুকুতা' কথাছবিৰ 'ভকুচেল' নামেৰে অসমৰ সৰ্বত্ৰ সু-পৰিচিত কৌতুক অভিনেতা, 'নিমিলা অঙ্ক', 'সন্ধ্যাপাত', 'চাকনৈয়া', 'ইটো-সিটো-বহুতো', 'ললিতা' আদি কথাছবি আৰু মঞ্চ-জগতৰ অলেখ নাটকৰ জনপ্ৰিয় চৰিত্ৰাভিনেতা।

• প্ৰয়াত শ্যাম আউৰঙ্গবাদ কাৰ ভাৰতৰ সু-প্ৰসিদ্ধ ফটোগ্ৰাফাৰ।


• প্ৰয়াত মমতা স্বেচ্ছাচাৰিয়া — গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ কৃতী ছাত্ৰী।

• প্ৰয়াত জেনিফাৰ কাপুৰ - হিন্দী, ইংৰাজী বোলছবিৰ খ্যাতনামা অভিনেত্ৰী আৰু যশস্বী অভিনেতা শশীকাপুৰৰ পত্নী।

……আৰু খ্যাত-অখ্যাত যিসকল ব্যক্তিয়ে আমাক বিগত বছৰটোত এৰি থৈ গুচি গ'ল সেই সকলোলৈকে আমাৰ শ্ৰদ্ধাৰ্ঘ নিবেদিছোঁ……

॥ সম্পাদনা সমিতি ॥

আমাৰ অধ্যক্ষ.........



কৰ্মৰত অৱস্থাত অধ্যক্ষ শ্ৰীদেৱপ্ৰসাদ শইকীয়াদেৱ

শইমনি নামৰ সুৱদি সুৰীয়া এই গাওঁখনিতেই ( ডাকঘৰ : চেলেংহাট, যোৰহাট-১ ) ইংৰাজী ১৯৪০ চনৰ ২ ফেব্ৰুৱাৰীত জন্ম গ্ৰহণ কৰিছিল, বৰ্ত্তমান বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়া'দেৱ ॥ পিতৃ স্বৰ্গীয় ৰাধানাথ শইকীয়া আৰু মাতৃ স্বৰ্গীয়া কণ শইকীয়া। ঢেঁওবাৰী প্ৰাথমিক বিদ্যালয়তে ফলি লৈ শিক্ষা-জীৱনৰ পাতনি মেলি ক্ৰমে শঙ্কৰদেৱ চেমিনাৰী ( অষ্টমমান পৰ্যন্ত. ১৯৫৬ চনলৈ ), আৰু আমগুৰি হাইস্কুলৰ পৰা ১৯৫৮ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৬০ চনত আই, এছচি পাছ কৰি ১৯৬২ চনত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা বি. এ. পাছ কৰে। ইং ১৯৬৬ চনত আৰু ১৯৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ক্ৰমে বুৰঞ্জী আৰু ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

আমগুৰি ছোৱালী হাইস্কুলত শিক্ষকতাৰেই ১৯৫৮ চনত তেওঁ নিজৰ ভৰিত নিজে থিয় হবলৈ শিকে। তাৰ পাছৰ পৰাই ক্ৰমে ১৯৫৯-৬২ লৈ আমগুৰি হাইস্কুলত শিক্ষকতা, ১৯৬২-৬৭ চনলৈ চেলেংহাট হাইস্কুলত শিক্ষকতা আৰু ১৯৬৭-৭২ চনলৈকে আমগুৰি মহাবিদ্যালয়ত অধ্যাপনা আৰু শেষৰ বছৰটিত উপাধ্যক্ষতাৰে বিচিত্ৰ কৰ্ম-জীৱনেৰে আগুৱাই আহি ১৯৭২ চনত নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত অধ্যক্ষ পদত অধিষ্ঠিত হয়।

অধ্যক্ষজনাৰ আৰু এটি পৰিচয়—তেখেত এজন সাহিত্যানুৰাগী, ক্ৰীড়ানুৰাগী ব্যক্তি আৰু নিজে এজন খেলুৱৈও। এসময়ত তেখেত 'সাদিনীয়া নৱযুগ' আৰু 'অসম বাতৰি' আলোচনী-কাকতৰ লগতো সাংবাদিকৰূপে জড়িত আছিল। আনকালে খেলুৱৈৰূপে তেখেতৰ ফুটবল আৰু ক্ৰিকেট খেলত পাৰদৰ্শিতা প্ৰশংসনীয়। আমি তেখেতৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

॥ সম্পাদনা সমিতি ॥

# সম্পাদকীয়

## দেশৰ সাম্প্ৰতিক পৰিস্থিতিত আমাৰ কৰ্তব্য

সাম্প্ৰতিক আন্দোলনত চৰকাৰৰ ৰাজনৈতিক কুচক্ৰই যে আমাক বিস্তৰ ক্ষতি কৰিলে, সেয়া প্ৰত্যেক চিন্তাশীল বা সচেতন ব্যক্তিয়ে স্বীকাৰ কৰিব লাগিব। আমাৰ ন্যায্য দাবীক, আমাৰ সমস্যাক সমগ্ৰ ভাৰতৰেই সমস্যা বুলি মানি লোৱাতো ইয়াৰ সমাধানত চৰকাৰে অৱহেলা কৰি আহিছে। ইয়ে বাৰু ইয়াকে সুস্পষ্ট কৰে যে আমাৰ সমস্যাটোক সৰ্বভাৰতীয় সমস্যা বুলি মানি লৈ চৰকাৰে আমাক ফুচুলাব খুজিছে নাইবা সঘন পক্ষপাতিত্ব মূলক আলোচনাৰ গইনা লৈ আন্দোলন স্থগিত ৰাখি প্ৰচাৰ (অপপ্ৰচাৰৰ) জৰিয়তে আন্দোলনটো ধ্বংস কৰাৰ চেষ্টা কৰিছে।

অসমবাসীয়ে নিৰ্ব্বাচনৰ প্ৰচণ্ড বিৰোধিতা কৰা সত্ত্বেও চৰকাৰে তেওঁলোকৰ স্বাৰ্থ পূৰণৰ বাবেই, 'গাদী'ৰ লোভৰ বাবেই গণতন্ত্ৰৰ দোহাই দি নিজকে একছত্ৰী হিচাবে প্ৰতিষ্ঠিত কৰিবলৈ অসমত জোৰ পূৰ্ব্বক নিৰ্ব্বাচন জাপি দিলে। ভাই-ভাইৰ মাজত বিদ্বেষ আনি দিলে আমি পৰস্পৰে পৰস্পৰক ভুল বুজিলোঁ। ৰক্তপাত হ'ল, বহুত শ্বহীদ হ'ল। আমি হেৰুৱালোঁ আমাৰ শক্তি, আমাৰ ঐক্য। কপালৰ সেন্দুৰ মচ খোৱা বহুতেই আজিও বিগত দিনৰ কথাকে সুঁৱৰি মৃত্যুৰ ক্ষণ গণি আছে। চৰকাৰে দিল্লীৰ শীত-তাপ নিয়ন্ত্ৰিত প্ৰসাদত বহি ঘৰিয়ালৰ চকুপানী টুকিলে। অনাৰ্তৰ যোগে শোক (?) জ্ঞাপন কৰিলে। আটা, চাউল, ডাল্‌ডা খাই জীয়াই থাকিবলৈ দিলে।

কিন্তু চৰকাৰে ঘূৰাই দিব পাৰিবনে আমাৰ হেৰোৱা সম্পদ, আমাৰ হেৰোৱা ঐক্য?

আকৌ Divide and Rule নীতি অনুকৰণ কৰি ভাষা সম্প্ৰদায়ৰ ভিত্তিত কেইখনমান নতুন জিলাৰ সৃষ্টি কৰা হ'ল। দেখ দেখকৈ আমাৰ মাজত সাম্প্ৰদায়িক মনোভাৱ সৃষ্টি কৰিবলৈ বিচ্ছিন্নতা বাদী চৰকাৰে কৰা এয়া এক নিৰ্লজ্জ অপচেষ্টা। এইবোৰক সহায় কৰিলে আমাৰ মাজৰেই কিছুমান স্বাৰ্থান্ধ, মেৰুদণ্ডহীন, পশুতুল্য ৰাজনৈতিক নেতা আৰু তথাকথিত, 'ডাঙৰ মানুহ' কিছুমানে।

কিন্তু আমি প্ৰতিজন অসমবাসীয়ে এই বিলাকৰ প্ৰতি সচেতন হ'ব লাগিব। চৰকাৰৰ এনে ধৰণৰ কামৰ আঁৰত থকা নিহিতাৰ্থক আমি বুজিব লাগিব, প্ৰতিবাদ জনাব লাগিব। আমিয়েই ঘূৰাই আনিব লাগিব আমাৰ ঐক্য, গঢ়িব লাগিব শক্তি। আমাৰ ন্যায্য দাবীক আমি আমাৰ সততা, সাহস আৰু সমূহীয়া প্ৰচেষ্টাৰে প্ৰতিপন্ন কৰিবই লাগিব। আমি ওফৰাব লাগিব চৰকাৰৰ প্ৰতিটো কুচক্ৰান্তক, আমি আন্দোলন চলাবই লাগিব, আমি জয়ী হ'বই লাগিব। নহলে আমি অসমীয়া বোৰৰ উত্তৰ পুৰুষৰ বাবে এইখন অসমত আমাৰ বুলিবলৈ একো নাথাকিব।

# সাহিত্য আৰু আমি

কোৱা শুনা যায় যে অসমীয়া মানুহে কিতাপ নপঢ়ে। কিতাপ নপঢ়ে নহয়, অসমীয়া কিতাপ নপঢ়ে, নিকিনে। কিন্তু "এটা জাতিৰ সাহিত্যই হ'ল সেই জাতিৰ প্ৰতিভা।" জাতি বা ভাষা এটাক উচ্চ বা নিম্ন বুলি অভিহিত কৰা হয় তাৰ সাহিত্য বাজিৰ ওপৰত নিৰ্ভৰ কৰিছে। কিন্তু অসমীয়া মানুহে 'মৃত্যুঞ্জয়'ৰ দৰে পুৰস্কাৰ পোৱা কিতাপ নহ'লে কিতাপ নিকিনে। অসমীয়া ভাষাত ছপাৰ প্ৰকাশ পোৱা কিতাপৰ সংখ্যা খুবেই কম কিয়? জাতি বা ভাষা এটাক ৰক্ষা কৰাৰ বাবে প্ৰত্যেকৰে ব্যক্তিগত ভাৱে-একোটা দায়িত্ব আছে। অথচ সেই দায়িত্ব আমি অস্বীকাৰ কৰোঁ কিয়? আমি বাৰু আত্ম বিস্মৃত নেকি?' আমাৰ ভাষাৰ সাহিত্য আৰু আমাৰ মাজত এই অহি-নকুল সম্পৰ্ক কিয়??? ইয়াৰ কাৰণ বিশ্লেষণ কৰিবলৈ গলে বহুত কথাই ক'ব পাৰি।

প্ৰথমেই উল্লেখিয়াব পাৰি কিতাপৰ দুৰ্মূল্য। এইয়া আমি অৱশ্যেই স্বীকাৰ কৰিব লাগিব যে অইন ভাষাৰ কিতাপৰ তুলনাত আমাৰ অসমীয়া কিতাপৰ মূল্য খুবেই বেছি। যাৰ বাবে হয়তো জীয়াই থকাৰ সংগ্ৰামত অহৰহ লিপ্ত হৈ থাকিব লগীয়া হোৱাত আমাৰ কিতাপ কিনি পঢ়াৰ স্পৃহাটোও লাহে লাহে কমি আহিব ধৰিছে। কিতাপৰ দোকানত সোমায়ো মূল্যৰ সংখ্যা জানি মন কোঁচ খায় বা সম্ভাব্য মূল্যৰ কথা চিন্তা কৰি দোকানত সোমাবলৈ সাহস নহয়।

আমাৰ বেছি ভাগৰেই কিতাপ কিনি পঢ়াৰ সামৰ্থ নাই। কিন্তু যি কেইজনৰ কিতাপ কিনি পঢ়াৰ বা পঢ়ুওৱাৰ ক্ষমতা আছে তেওঁলোকে বাৰু কিনি পঢ়েনে? নপঢ়ে। কাৰণ অসমীয়া কিতাপ মানেই নিম্ন মান বিশিষ্ট বা 'পঢ়িব পৰা বস্তু নহয়' বুলি তেওঁলোকৰ মনত থকা এটা জন্মগত ধাৰণা। অইন ভাষাৰ কিতাপ মাত্ৰেই ভাল বা উচ্চ মানদণ্ডৰ বুলি তেওঁলোকৰ মনত থকা এটা বদ্ধমূল ধাৰণা। অসমীয়া কিতাপ এখনৰ দুটা পাত লুটিয়ায়েই বিতৃষ্ণাত জপাই থব পাৰে বা নিসংকোচে দলিয়াই থৈ 'বেয়া' বুলি কৈ দিব পাৰে। অইন ভাষাৰ কিতাপৰ উজ্জ্বল ৰংচঙীয়া বেটুপাত দেখিয়েই 'ভাল' বুলি সগৌৰৱে ক'ব পৰাটো যেন তেওঁলোকৰ কৃতিত্ব। অথচ কি বেয়া, কিয় বেয়া, কিমান বেয়া এইবোৰৰ বিশ্লেষণ নাই। ইয়ে বাৰু ইয়াকে বুজায় নে যে অসমীয়া কিতাপ মাত্ৰেই বেয়াটো এটা স্বতঃসিদ্ধ সত্য। যাৰ কাৰণ বা বিশ্লেষণ থাকিব নোৱাৰে। অনাৰ্থক সমালোচনা বা সুস্থ সমালোচনাৰ অভাৱ। ইয়ে ইয়াকে বুজায় যে আমি নিজকে নিজে পাহৰি গৈছো। আৰু ইয়াৰ বাবেই তেওঁলোকৰ চ'ৰা ঘৰৰ মেজত অসমীয়া কিতাপ এখনে শোভা পোৱাৰ সলনি 'ড্ৰইং ৰুমৰ টেবুলত' এখন 'ইংলিচ জাৰ্ণেল' পোৱাৰ এক নিৰ্লজ্জ প্ৰয়াস। নিজৰ ভাষাৰ সাহিত্যৰ প্ৰতি নিজেই দেখুওৱা অৱমাননাৰ কিযে এক আচৰিত ব্যতিক্ৰম।

প্ৰচাৰৰ অভাৱৰ বাবেও অসমীয়া মানুহে কিতাপ নিকিনিব পাৰে। কোন লেখকৰ কি কিতাপ

প্ৰকাশ হ'ল সেই বিষয়ে ইচ্ছুক পাঠক শ্ৰেণীয়ে গম নাপায়। কিতাপৰ দোকানেও সঠিক খবৰ দি সহায় কৰিব নোৱাৰে।

এইবিলাকৰ বাবেই আমাৰ অসমীয়া কিতাপ নোহোৱা হৈছে। কিনি পঢ়াৰ স্পৃহা হেৰাইছে। যাৰ বাবে লেখকসকলে লেখাৰ উৎসাহ হেৰুৱাইছে আৰু প্ৰকাশকৰো প্ৰকাশ কৰিবলৈ ইচ্ছা নাইকিয়া হৈছে।

সেয়ে কিতাপৰ দুৰ্মূল্য পাৰ্যমানে হ্ৰাস কৰি সুলভ 'মূল্য'ৰ কৰা হওঁক। মাথো বেয়া বুলি নকৈ 'কিমাননো বেয়া' পঢ়ি চাওঁক! কিয় বেয়া, কি বেয়া এই বিলাক দেখুৱাই দিয়ক। সুস্থভাৱে সমালোচনা কৰক। জাতি এটাৰ, ভাষা এটাৰ বৃহত্তৰ স্বাৰ্থৰ কথা ভাবিয়েই অন্ততঃ অসমীয়া কিতাপ পঢ়াৰ অভ্যাস এটা গঢ়ি তোলক। অসমীয়া কিতাপ মাত্ৰেই নিম্ন মানদণ্ডৰ বুলি থকা ধাৰণাটো মনৰ পৰা আঁতৰাই থাওক, কিছু ত্যাগ কৰক, নিজকে নিজে বিশ্লেষণ কৰক বা মনত পেলাওক।

## মনৰ কথা

সম্পাদকৰ দায়িত্ব লৈ প্ৰত্যেকে ভবাৰদৰে আমিও ভাবিছিলোঁ এখন সৰ্বাঙ্গসুন্দৰ আলোচনী ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিম বুলি। কিন্তু সেয়া হ'লনে নাই আমি নাজানো। নিজৰ প্ৰতিভা সম্পৰ্কে আমি নিজেই অজ্ঞ। আমি কি কৰিলোঁ, কি নকৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য্য।

সম্পাদকৰ দায়িত্ব লোৱাৰ পিছতেই আমাৰ বিষয়ে এচাম ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনা, সমালোচনা, 'কটু' সমালোচনা হৈছিল। কিন্তু তেওঁলোকৰ 'সেইবোৰে' আশাতীত ভাৱে আমাক কাম কৰিবলৈ উৎসাহহে যোগাইছিল পৰোক্ষভাৱে। গতিকে এই ছেগতে, এইখিনিতে তেওঁলোকলৈ আমাৰ মৰম জনাইছো, শুভেচ্ছা যাচিছো।

আলোচনীৰ বাবে লেখা বিচাৰি বোধহয় কোনো সম্পাদকে 'আঠখন'কৈ শেষ (?) জাননী দিব লগীয়া নহয়। এনেকি লেখা বিচাৰি ব্যক্তিগত ভাৱে বহুতৰে পদযুগল চুবলৈহে বাকী থাকিল। অনুকুল সঁহাৰিৰ সলনি বহুক্ষেত্ৰত পাইছো প্ৰতিকুল সঁহাৰি। সেইবাবে আলোচনী ছপা ৰূপত ওলাওঁতে যথেষ্ট দেৰী হ'ল, যাৰ বাবে আমি কাৰো ওচৰত ক্ষমা নিবিচাৰোঁ।

ক'বলগীয়া বহুত আছে যিবোৰ লিখিব নোৱাৰি। থাকক সেইবোৰ মনতে। কেতিয়াবা আমাৰ কাম, সততা আৰু আদৰ্শৰে বুজাব পাৰিম।

আলোচনীত ছপাবলৈ শুভেচ্ছা বাণীৰ ৰূপত দু-আষাৰ লেখি দিয়া বাবে জ্ঞানপীঠ বঁটা বিজয়ী ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ডাঙৰীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পুজনীয় যামিনী মোহন চৌধুৰী আৰু সাহিত্যিক পেচনাৰ মাননীয় হাদেৰ আলী মহাশয়ক সদায় কৃতজ্ঞতাৰে মনত ৰাখিম তেওঁলোকৰ মহানুভৱতা আৰু আমাৰ প্ৰতি থকা মৰমক আমি নাপাহৰোঁ কাহানিও।

লেখনি শেষ কৰাৰ আগেয়ে আমি ছপাশালত দিবলৈ পাণ্ডুলিপি প্ৰস্তুত কৰি দিয়াৰ বাবে

দাদালম খাহ নেওৱাজ ৰহমতুল্লা, বন্ধুবৰ ভবেশ তালুকদাৰ, জগন্নাথ ঠাকুৰীয়া আৰু 'বংস' ( পবিত্ৰ পাঠক )ক কৃতজ্ঞতা জনাইছোঁ। তত্ত্বাবধায়ক অধ্যাপক মাননীয় ৰঞ্জিত কুমাৰ বৰা ছাৰক কৃতজ্ঞতা জনাই সৰু নকৰোঁ। উপদেষ্টাদ্বয় পূজনীয় অধ্যাপক এম, হবিব উল্লাহ ছাৰ আৰু উমেশ চন্দ্ৰ কৰ ছাৰক সদায় মনত ৰাখিম। আলোচনীৰ বাবে লেখা দিয়া সকলকতো পাহৰিবই নোৱাৰিম। বান্ধৱী বাইদেউ ( মামনি চৌধুৰী ), চিত্ৰা ( চিত্ৰলেখা ঠাকুৰীয়া ) আৰু মুক্তাৰ হুছেইনক আকৌ এইখিনিতে মনত পেলাইছোঁ। আলোচনীৰ প্ৰচ্ছদ-পটটি আঁকি দিয়া বাবে বন্ধুবৰ পবিত্ৰ কুমাৰ নাথক মৰম মিহলি কৃতজ্ঞতা জনাইছোঁ।

একেবাৰে শেষত সম্পাদনাত বৈ যোৱা ভুল ত্ৰুটিবোৰৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকা বৰ্গৰ ওচৰত ক্ষমা বিচাৰিছোঁ ; যদিও আমি জানো যে আমি ক্ষমাৰ যোগ্য। আটাইলৈ বহুত ৰ-হু-ত মৰম আৰু শুভ ইচ্ছা যাচি, মহাবিদ্যালয়ৰ অনাগত উজ্বল ভৱিষ্যত কামনাৰে সামৰিছোঁ।

"জয়তু ভাষা জননী"
"জয় আই অসম"

সম্পাদকদ্বয়
শ্ৰীদীপেন্দ্ৰ পাঠক
এম, ৰফিকুল হাছান

## ।। সূচী-পত্ৰ ।।

# প্ৰবন্ধ মালা


* নগৰবেৰাৰ সামাজিক ঐতিহ্য আৰু উন্নয়ন

* কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

* অসমীয়া লোক বিশ্বাস

* সাম্প্ৰতিক অসমীয়া কবিতাত যুগৰ ভয়াবহ চিত্ৰ



॥ শ্ৰীউদয় শঙ্কৰ ঠাকুৰীয়া ॥

॥ শ্ৰীনগেন্দ্ৰ নাথ মেধি ॥

॥ শ্ৰীপ্ৰফুল্ল কুমাৰ ৰাভা ॥

॥ অধ্যাপক ভাৰত কলিতা ॥


"যদি গদ্য ৰচনাৰ অৱনতি ঘটে, চিন্তাৰো অৱনতি ঘটে, আৰু ভাৱৰ আদান-প্ৰদানৰ সকলো সুগম পথ বিচ্ছিন্ন হৈ যায়।"

—ই. এম ফৰষ্টাৰ

# নগৰবেৰাৰ সামাজিক ঐতিহ্য আৰু উন্নয়ন

শ্ৰীউদয় শঙ্কৰ ঠাকুৰীয়া

[কামৰূপ জিলাৰ গুৱাহাটী মহকুমাৰ দক্ষিণ-পশ্চিম প্ৰান্তত অৱস্থিত এখনি ঠাই নগৰবেৰা—ইতিহাসে গৰকা নগৰবেৰা। প্ৰাক্-স্বাধীনতা আৰু স্বাধীনোত্তৰ কালৰ নগৰবেৰাৰ ৰূপ আৰু পৰিচয় ভিন্ন হৈয়ো এক অভিন্ন পথেৰে আগবাঢ়ি আহি উন্নয়নৰ এক নতুন ধাৰাৰে প্ৰৱাহিত হৈছে। বিভিন্ন জাতি-উপজাতি আৰু ভাষা-গোষ্ঠীৰ মিলনক্ষেত্ৰ নগৰবেৰাৰ সমাজ আৰু উন্নয়নৰ ওপৰত আমাৰ অনুৰোধক্ৰমে আলোকপাত কৰি নগৰবেৰাৰ একনিষ্ঠ সমাজকৰ্মী, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু বৰ্ত্তমান মহাবিদ্যালয় পৰিচালনা সমিতিৰ অন্যতম সদস্য শ্ৰীযুত উদয় শঙ্কৰ ঠাকুৰীয়াদেৱে এই প্ৰবন্ধটি অশেষ কষ্টৰে যুগুতাই দিয়াত আমি তেখেতৰ ওচৰত কৃতজ্ঞ। — সম্পাদনা সমিতি ]

## অৱস্থান :

গুৱাহাটীৰ পৰা ১১৮ কিলোমিটাৰ নিলগত কামৰূপ জিলাৰ পশ্চিম-প্ৰান্তত বৰপেটা, গোৱালপাৰা আৰু কামৰূপ জিলাৰ সংযোগস্থলৰ এখনি ঠাই—নগৰবেৰা। ভৌগোলিক দিশৰ পৰা প্ৰায় ৯১°৮′২·৪″ পূব দ্ৰাঘিমা আৰু ২৬°৫′২৭·৬″ উত্তৰ অক্ষাংশত নগৰবেৰা অৱস্থিত। নগৰবেৰা যদিও এখনি সৰু ঠাই তথাপি মেৰিপাৰা, মালকা, কানুবাৰী, পথালিপাৰা, নাইটৰ, পলাহৰ টাৰি, দোকুছি, পিজুপাৰা, জামলাই, হেকৰা, যোগীপাৰা, বঙ্গেশ্বৰী, ভখুৰাদিয়া, টুপামাৰী আদি গাওঁবোৰক বাহিৰৰ লোকে নগৰবেৰা বুলিয়েই জানে।

## অতীতৰ বুকুত নগৰবেৰা :

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগতে এই নগৰবেৰা অঞ্চল সভ্যতাৰ বহু দিশৰ পৰা পিছপৰা অঞ্চল হৈ আছিল। বহিৰ্জগতৰ সৈতে ইয়াৰ যোগাযোগ প্ৰায়ে নাছিল। এই অঞ্চলটো এটা দ্বীপৰ নিচিনা আছিল। ইয়াৰ পৰা গুৱাহাটী মহানগৰীলৈ যাবলৈ হ'লে একেটা যাত্ৰাতে নাও, ম'হৰ গাড়ী, মটৰ গাড়ী আৰু ভৰিৰে খোজ কাঢ়ি যোৱা আদি যাতায়াতৰ প্ৰায়বোৰ মাধ্যমেই ব্যৱহৃত হৈছিল। শিক্ষা-দীক্ষা, চিকিৎসা আদিতো এই নগৰবেৰা অঞ্চল হৈ আছিল অৱহেলিত। এই অঞ্চলত চাৰি-পাঁচখন প্ৰাথমিক বিদ্যালয়ৰ বাহিৰে অন্য কোনো শিক্ষানুষ্ঠান নাছিলেই। আনহাতেদি যাতায়াতৰ সু-ব্যৱস্থা নথকাৰ কাৰণেই হওক বা নদী-খাল-বিল আদিৰ অৱস্থিতিৰ কাৰণেই হওক এই অঞ্চলটি এখনি ভোগালী ঠাইৰূপে পৰিগণিত হৈ পৰিছিল। জলজলী, কৰৈণ আদি নৈ, বহুতো সৰু-বৰ খাল-বিলৰ মাছ, অটব্য হাবি-বনাঞ্চলত পোৱা পশু, চৰাই আদিৰ মাংস আৰু গাখীৰেৰে উভৈনদী হৈ আছিল—এই অঞ্চল। দুই-এপদ সামগ্ৰীৰ বাহিৰে ইয়াত অন্যান্য বস্তুৰ বেচা-কিনা

প্ৰথা নাছিলেই।—ই হ'ল ১৯১৮-১৯ চনৰ আগৰ কথা।

সেই সময়ৰ অসমীয়া সমাজ-ব্যৱস্থা মতে প্ৰত্যেক গাওঁতে একোখন গাঁৱলীয়া কমিটিৰ দ্বাৰা ৰাজহুৱা কামবোৰ পৰিচালনা আৰু গোচৰ-বিবাদ আদি নিষ্পত্তি কৰাৰ ব্যৱস্থা আছিল। কিন্তু নগৰবেৰাৰ নিচিনা অঞ্চলটোৰ উন্নয়নৰ বাবে তেনেকুৱা সৰু-সৰু গোটে সহায় কৰাটো সম্ভৱ নাছিল। সেই-বাবে এই অঞ্চলৰ চিন্তাশীল ব্যক্তি স্বৰ্গীয় পদ্ম-লোচন চৌধুৰী আৰু স্বৰ্গীয় কমলাকান্ত দাস (মেনেজাৰ)—এই দুজন ব্যক্তিয়ে অঞ্চলটোৰ উন্নয়নৰ বাবে এটি সামূহিক গোটৰ কথা চিন্তা কৰে। তেওঁলোক দুয়োজনে এই অঞ্চলটোৰ ৰাইজৰ সৈতে আলোচনা কৰি মেধিপাৰাৰ পৰা যোগীপাৰালৈ আৰু নাইটৰৰ পৰা টুপামাৰীলৈ পোষ্কৰ-বিশখন ম'ন গাওঁ সামৰি "পৰগণীয়া সমিতি" নামেৰে এখন কমিটি গঠন কৰি স্বৰ্গীয় পদ্মলোচন চৌধুৰীদেৱক সভাপতি আৰু স্বৰ্গীয় কৃষ্ণচৰণ মেধিক সম্পাদক ৰূপে মনোনীত কৰে। এই সমিতিত কাৰ্যকৰী কমিটিৰ ব্যৱস্থা নাছিল। এই সমিতিৰ মাই উদ্দেশ্য আছিল অঞ্চলটোৰ সামূহিক উন্নয়নৰ হকে কাম কৰা আৰু সৰু-সৰু গাওঁবোৰে নিষ্পত্তি কৰিব নোৱাৰা বিবাদ আদি মীমাংসা কৰাটো। এই কমিটি পৰিচালনাৰ বাবে যি ধনৰ প্ৰয়োজন হৈছিল, সেই ধন মাইকৈ আহিছিল ঃ ৰাইজৰ বিচাৰ আদি নিষ্পত্তি কৰি দিয়াৰ বাবদ পোৱা 'সভেৰি' (উচৰ্গা) আৰু জৰিমনাৰ টকাৰ পৰা, লোকেলবোৰ্ডৰ পৰা' নগৰবেৰা বজাৰখন ডাকি আনি ইয়াত খাজানা আদায় কৰি যি ধন সংগ্ৰহ হয় তাৰ পৰা আৰু এই অঞ্চলৰ অ'ত-ত'ত সিঁচৰতি হৈ থকা খাল-বিল আদি মাছ মাৰিবৰ বাবে বিক্ৰী কৰি দি যি ধন পোৱা গৈছিল—তাৰ পৰা। উপৰ্যুক্ত পদ্ধতিৰে সংগৃহীত ধন এই পৰগণীয়া সমিতিৰ পুঁজিত জমা কৰাৰ ব্যৱস্থা কৰা হৈছিল। স্বৰ্গীয় পদ্মলোচন চৌধুৰীদেৱৰ নেতৃত্বত উক্ত সমিতিয়ে অঞ্চলটোৰ উন্নয়নৰ কথা চিন্তা কৰে। তেওঁক সক্ৰিয়ভাবে সহায় কৰে – সৰ্বস্বৰ্গীয় কমলাকান্ত দাসৰ উপৰিও মাধৱ মেধি, হৰেশ্বৰ পাঠক, গোবিন্দ ঠাকুৰীয়া, অৰুণ তালুকদাৰ, গাবো গাওঁবুঢ়া (পিজুপাৰা), আনন্দি কৈৱৰ্ত, হৰিমল ঠাকুৰীয়া, আনন্দি মণ্ডল, অতুল মেধি (পাহাৰপাৰা), অমৃত পাঠক, বদৰুদ্দিন পণ্ডিত, গজেন্দ্ৰ ঠাকুৰীয়া, শম্ভু মহাজন কাছেম গাওঁবুঢ়া, ফফো মিস্ত্ৰী (নগৰবেৰা), মহেশ্বৰ মেধি, ৰঘু পাঠক, ভেদো গাওঁবুঢ়া, বাহীৰাম ভৰালী, বৰিহনা পাঠক (মেধিপাৰা), মেধিৰাম দাস, ৰাজেশ্বৰ ঠাকুৰীয়া, সাধীৰাম কলিতা, হৰেণ পাঠক, বাহাৰ দেৱানী, খোদাবক্স মণ্ডল, আছেক দেৱানী আৰু সৰ্বশ্ৰী শৰৎ চৌধুৰী (পাহাৰপাৰা), কাছেম দেৱানী আৰু বুদ্ধিৰাম পাঠক প্ৰমুখ্যে ব্যক্তিসকলে সমূহ ৰাইজেও পূৰ্ণ সহযোগিতা আগবঢ়ায়।

১৯৪২ চনত নগৰবেৰা বজাৰ লুট হয়—কংগ্ৰেছ কৰ্মী মৰাৰ অজুহাত লৈ। তাৰ কিছুদিন পিছৰ পৰাই দুই নেতা স্বৰ্গীয় পদ্মলোচন চৌধুৰী আৰু কমলা মেনেজাৰৰ মনোমালিন্য ঘটে। তেতিয়া কমলা মেনেজাৰে হেকেৰালৈ উঠি গৈ দেওশিলা নদী সীমা কৰি হেকেৰা, যোগীপাৰা, দলগাওঁ, মন্দিৰা আদি গাওঁসমূহ তেওঁৰ এলেকাত লৈ আৰু লগতে গোৱাল-পাৰা জিলাৰ কিছু অঞ্চল, যেনে ঃ খুটাবাৰী, চাপলাই, ধানবৰী আদি গাওঁ সামৰি "কামৰূপ-গোৱালপাৰা উন্নয়ন সমিতি" নামকৰণেৰে এখন সমিতি গঠন

কৰি তাৰ জৰিয়তে সেই অঞ্চলৰ উন্নয়নৰ কামত ব্ৰতী হয়। মেনেজাৰদেৱ পৃথক হৈ বেলেগ সমিতি গঠন কৰাৰ পিছত পূৰ্বৰ পৰগণীয়া সমিতিখন নতুনকৈ "নগৰবেৰা আঞ্চলিক মৌজা কমিটি" নামেৰে পুনৰ্গঠন কৰা হয়। প্ৰসঙ্গক্ৰমে উল্লেখনীয় যে একালৰ পৰগণীয়া সমিতিয়েই নগৰবেৰা আঞ্চলিক মৌজা কমিটি নামেৰে প্ৰতিষ্ঠা লাভ কৰি এই নগৰবেৰা আৰু সমীপৱৰ্ত্তী অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ পৃষ্ঠপোষক আৰু শুভিধবোঁতা হৈ আজিলৈকে সুখ্যাতিৰে বৰ্ত্তি আছে।

**জাতীয় চৰকাৰ আৰু নগৰবেৰা :**

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত জাতীয় চৰকাৰে জনকল্যাণৰ হকে নানা ধৰণৰ উন্নয়নমূলক আঁচনি গ্ৰহণ কৰে। লোকেলবোৰ্ড ভাঙি দি মহামান্য মহাত্মাগান্ধীৰ পৰিকল্পনা ৰূপায়ণৰ বাবে ১৯৪৮ চনত পঞ্চায়ত পদ্ধতিৰ জন্ম দিয়ে। তেতিয়া দুখলপীয়া পঞ্চায়ত পদ্ধতি আছিল– কৰেল আৰু গাওঁ পঞ্চায়ত। প্ৰতি মৌজাতেই একোখনকৈ কৰেল পঞ্চায়ত আৰু ২৫০০ ( দুহেজাৰ পাঁচশ ) জনসংখ্যা সামৰি একোখনকৈ গাওঁ পঞ্চায়ত গঠন কৰি দিয়া হৈছিল। আমাৰ পশ্চিম চমৰীয়া মৌজাখন বৰ ডাঙৰ আৰু যাতায়াতৰ অসুবিধা হেতু ইয়াক দুভাগ কৰি নগৰবেৰা কৰেল' আৰু চমৰীয়া কৰেল' নামেৰে চৰকাৰে দুখন পঞ্চায়তৰ ব্যৱস্থা কৰি দিছিল। নগৰবেৰা কৰেল' পঞ্চায়তৰ সভাপতি পদলৈ নগৰবেৰা হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত কৃষ্ণকান্ত শৰ্মাদেৱ প্ৰথম নিৰ্বাচিত হৈছিল। এই পঞ্চায়তে সৰু-সৰু ৰাস্তাৰ কাম আৰু নলীনাদৰ ব্যৱস্থা কৰি খোৱাপানীৰ অসুবিধা কিছু দূৰ কৰিছিল। ১৯৫২ চনৰ ২ অক্টোবৰত ভাৰত চৰকাৰে গাওঁ উন্নয়ন বিভাগ এটা মুকলি কৰে আৰু গাওঁ উন্নয়নৰ বাবে 'উন্নয়ন প্ৰকল্পৰ কাৰ্য্যালয় ( Project Development Office )' স্থাপন কৰি তাৰ জৰিয়তে গাওঁবোৰৰ উন্নতিৰ ব্যৱস্থা কৰে। পঞ্চায়ত আৰু উন্নয়ন প্ৰকল্পৰ কাম একে হোৱাত একে ঠাইতে একে কামৰ বাবে পঞ্চায়ত আৰু প্ৰকল্পৰ মঞ্জুৰী হোৱাত ৰাইজৰ মাজত খেলি-মেলিৰ সৃষ্টি হয়। সেইবাবে ভাৰত চৰকাৰে এম, পি, বলবন্ত ৰায় মেহতাৰ নেতৃত্বত পৰামৰ্শৰ বাবে এখন কমিটি গঠন কৰি দিয়ে। উক্ত কমিটিৰ পৰামৰ্শমতে পঞ্চায়ত পদ্ধতি তিনি-খলপীয়া হ'ল— মহকুমা, আঞ্চলিক আৰু গাওঁ পঞ্চায়ত। উন্নয়ন প্ৰকল্পৰ নাম সলাই খণ্ড উন্নয়ন কাৰ্যালয় আৰু ইয়াক আঞ্চলিক পঞ্চায়তৰ সৈতে লগ লগাই আঞ্চলিক পঞ্চায়ত উন্নয়ন খণ্ডৰ কাৰ্য্যালয় হিচাবে কাৰ্য্যসম্পন্ন কৰিবলৈ পৰামৰ্শ দিয়ে। অসম চৰকাৰে ভাৰত চৰকাৰৰ পৰামৰ্শক্ৰমে পূৰ্বৰ পঞ্চায়ত পদ্ধতি সলনি কৰি তিনি-খলপীয়া পঞ্চায়ত আইন প্ৰৱৰ্ত্তন কৰে। এই আইনৰ মৰ্মে পশ্চিম চমৰীয়া মৌজাত এখনি আঞ্চলিক পঞ্চায়ত আৰু এটা খণ্ড উন্নয়ন কাৰ্যালয়ৰ মঞ্জুৰী পোৱা হয়। ইয়াৰ লগে লগে মৰহুম হাজী উচমান গনিক সভাপতি আৰু হৰেন্দ্ৰ নাৰায়ণ পাঠকক উপ-সভাপতি হিচাবে লৈ চৰকাৰে এখনি তদৰ্থ আঞ্চলিক পঞ্চায়ত কমিটি গঠন কৰি দিয়ে। এই আঞ্চলিক পঞ্চায়তৰ কাম সোণতলীৰ এটি ভাৰাঘৰত পোন-প্ৰথমবাৰৰ কাৰণে সভাপতিয়ে কাৰ্য্যালয় পাতি কিছুদিন চলায়। পিছত চৰকাৰৰ নিৰ্দেশমতে অস্থায়ী কাৰ্য্যালয় হেকেৰালৈ স্থানান্তৰ কৰা হয়। আঞ্চলিক পঞ্চায়তৰ প্ৰথম নিৰ্বাচন ১৯৬১ চনত অনুষ্ঠিত হয় আৰু নিৰ্বাচনত মৰহুম হাজী উচমান

গনি চাহাবেই সভাপতিৰূপে নিৰ্বাচিত হয়। তেওঁ এজন স্পষ্টবাদী সমাজকৰ্মী আছিল। সেই সময়তে চৰকাৰে আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয়ৰ স্থায়ী স্থান নিৰূপনৰ কাৰণে নিৰ্দেশ দিয়াত আঞ্চলিক পঞ্চায়তে চমৰীয়া, হেকেৰা, নগৰবেৰা আৰু সোণতলীৰ নাম প্ৰস্তাৱ কৰে। কিন্তু স্থায়ী স্থান নিৰ্বাচন নৌহওঁতেই ১৯৬৪ চনত দ্বিতীয় নিৰ্বাচন আহি পৰে। উক্ত নিৰ্বাচনত অঞ্চলবাসী ৰাইজৰ নিৰ্দেশত মযো আঞ্চলিক পঞ্চায়তৰ সভাপতি পদৰ বাবে প্ৰতিদ্বন্দিতা কৰোঁ আৰু সেই চনৰে আগষ্ট মাহত মই নিৰ্বাচিত হওঁ। সভাপতিৰ কাৰ্যাভাৰ গ্ৰহণ কৰিয়েই প্ৰথমে মই পঞ্চায়ত মন্ত্ৰী মৰহুম ফখৰুদ্দিন আলি আহমেদ, বিধায়ক স্বৰ্গীয় প্ৰবীন কুমাৰ চৌধুৰী আৰু কেইখনমান ঠাইৰ মুখিয়াল লোকৰ সৈতে আলোচনা কৰোঁ আৰু সেই মৰ্মে পঞ্চায়ত মন্ত্ৰীয়ে পঞ্চায়তৰ মুখ্য কাৰ্য্যালয় নগৰবেৰাত আৰু প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ সোণতলীত স্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে। ১৯৬৫ চনত চৰকাৰে দোকুছি বিজাৰ্ভত পঞ্চাশ বিঘা মাটি দিয়ে আৰু তাতেই পঞ্চায়তৰ মুখ্য কাৰ্য্যালয়ৰ কাম আৰম্ভ কৰা হয়। আঞ্চলিক পঞ্চায়তৰ মুখ্য কাৰ্য্যালয় নগৰবেৰাত স্থাপন হোৱাৰ পিছত ৰাইজৰ উদ্যম বেছিকৈ বাঢ়ে। ইতিমধ্যে চৰকাৰৰ সৈতে যোগাযোগ কৰি নগৰবেৰাত আৰু কেইটামান কাৰ্য্যালয় স্থাপন কৰা হয়।

**স্বাধীনতা সংগ্ৰামত নগৰবেৰাৰ ভূমিকা ঃ**

ভাৰতৰ স্বাধীনতা আন্দোলনত নগৰবেৰা অঞ্চলৰ ৰাইজৰ ভূমিকাৰ বিষয়ে আলোচনা নকৰিলে মোৰ এই প্ৰবন্ধ আধৰুৱা হৈ ৰ'ব। ১৯২১, ১৯৩১ আৰু ১৯৪২ চনৰ গণ-বিপ্লৱত এই অঞ্চলৰ ৰাইজে সক্ৰিয় সহযোগ আগবঢ়াই যি ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিছিল, সি ইতিহাসত স্মৰণীয় হৈ থাকিব। তেতিয়াৰ অসমৰ স্বাধীনতা আন্দোলনৰ সৰ্বশ্ৰেষ্ঠ নেতাসকল ক্ৰমে গোপীনাথ বৰদলৈ, তৰুণৰাম ফুকন, লক্ষ্মীধৰ বৰা, সিদ্ধিনাথ শৰ্মা, মহেন্দ্ৰ মোহন চৌধুৰী প্ৰমুখ্যে নেতৃবৰ্গ ই এই অঞ্চলতে আত্মগোপন কৰি আন্দোলন পৰিচালনা কৰিছিল। ১৯২১ চনৰ খাজানা বন্ধ আন্দোলনত কামৰূপৰ তদানীন্তন উপায়ুক্ত পদ্ধী চাহাবে কৰণৈ নদীৰ পাৰত বাহৰ পাতি 'পিউনিটিভ' (দণ্ড বিধায়ক) পুলিচ লগাই ৰাইজৰ ওপৰত নানান অত্যাচাৰ চলাইছিল আৰু অতুল মেধি, অচ্যুত পাঠক, গজেন্দ্ৰ ঠাকুৰীয়া, কমলা দাস মেনেজাৰ প্ৰমুখ্যে ব্যক্তিসকলক গুহমইীয়া ঠাওাত কৰণৈ নদীত বান্ধি থৈছিল।

১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে আৰু আমাৰ বিধায়ক গোপীনাথ বৰদলৈদেৱ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হয়। তেওঁক ১৯৫০ চনত নগৰবেৰালৈ আমন্ত্ৰণ কৰি অনা হয় আৰু এই উপলক্ষে বৰ্তমান নগৰবেৰা হাইস্কুল চৌহদৰ উত্তৰ পিনে থকা কেন্দুগছ জোপাৰ তলত এখনি বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই সভাতে তেওঁ বংজুলি-নগৰবেৰা পথটোৰ বাবে চৰকাৰী মঞ্জুৰী দিয়াৰ কথা ঘোষণা কৰে। এই ঘোষণাৰ কেইদিনমান পিছৰে পৰাই উক্ত পথৰ কাম ৰবতক ৰ [illegible] আৰম্ভ হয়। কিন্তু দুৰ্ভাগ্যবশতঃ ১৯৫০ চনতেই বৰদলৈদেৱৰ মৃত্যু হোৱাত সমগ্ৰ অসমবাসীৰ লগতে আমালৈ দুৰ্যোগৰ ঢল নামি আহে। ফলত বংজুলিনগৰবেৰা পথটিৰ কাম-কাজতো বেমেজালিয়ে দেখা দিয়ে।

**স্মৃতি-স্তম্ভ ঃ** স্বাধীনতা সংগ্ৰামত এই অঞ্চলৰ ৰাইজৰ কষ্টস্বীকাৰ আৰু ত্যাগৰ স্মৃতিচিহ্ন হিচাবে

এটি স্তম্ভ জলজলী-কৰণৈৰ সঙ্গমস্থলত নিৰ্মাণ কৰা হয়। অতীতৰ সেই স্বদেশপ্ৰেমৰ সৌৰৱণী আজিও এই স্মৃতি-স্তম্ভই সৌৰৱাই আছে।

**শিক্ষাৰ প্ৰসাৰ :** নগৰবেৰাত আগৰে পৰা থকা চাৰি-পাঁচখনমান প্ৰাথমিক বিদ্যালয়ৰ বাহিৰে শিক্ষাৰ ক্ষেত্ৰত এটা নিৰ্জন পৰিবেশ বিৰাজ কৰিছিল। উপৰ্যুক্ত স্বৰ্গীয় পদ্মলোচন চৌধুৰী, কমলা মেনেজাৰ আৰু কৃষ্ণচৰণ মেধি প্ৰমুখ্যে ব্যক্তিসকলৰ আশাসুধীয়া প্ৰচেষ্টাত গঠিত হোৱা পৰগণীয়া সমিতিয়ে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত পৰবৰ্ত্তী পদক্ষেপ গ্ৰহণ কৰে। ইতিমধ্যে পৰগণীয়া সমিতিৰ পুঁজিত বিভিন্ন উৎসৰ পৰা সংগৃহীত ধনেৰে ১৯২৫ চনত এই অঞ্চলৰ মধ্যস্থ গাওঁ দোকুছিত নগৰবেৰা এম, ই, স্কুল নামকৰণেৰে এখনি এম, ই, স্কুল স্থাপন কৰা হয় আৰু বামুন্দী গাৱঁৰ স্বৰ্গীয় উদয় চন্দ্ৰ দাসক প্ৰধান শিক্ষক হিচাবে নিযুক্তি দিয়া হয়। এম, ই স্কুল গঢ়ি উঠাৰ পিছত ক্ৰমাগতভাৱে বাঢ়ি অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু ভৱিষ্যত বংশধৰৰ উচ্চ শিক্ষাৰ কথাটো চিন্তা কৰি ৰাইজে এখনি হাইস্কুল স্থাপনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰে। এই উদ্দেশ্য সৰোগত কৰি ৰাইজে আৱশ্যকীয় ধন সংগ্ৰহৰ প্ৰচেষ্টাত ব্ৰতী হয়। ১৯৩৯-৪০ চনত চামতা নিবাসী শ্ৰীযুত কৃষ্ণকান্ত শৰ্মাক নগৰবেৰা মাইনৰ স্কুলৰ প্ৰধান শিক্ষক হিচাবে নিযুক্তি দিয়া হয়। কমিটিয়ে শ্ৰীযুত শৰ্মাদেৱক থকাৰ বাবে সকলো ব্যৱস্থা কৰি ঘৰ আদি সাজি দিয়ে। তেখেত ইয়ালৈ আহি নগৰবেৰা অঞ্চলৰ পৰিস্থিতি দেখি ইয়াত যে বহুতো জনকল্যাণমূলক কাম কৰিবলৈ আছে সেইটো উপলব্ধি কৰি শিক্ষকতাৰ উপৰিও পূৰ্বোক্ত নেতাদ্বয়ৰ লগত সামাজিক কামত আত্মনিয়োগ কৰে। তেখেতৰ উৎসাহতেই ১৯৪১ চনত নগৰবেৰা হাইস্কুলৰ প্ৰাৰম্ভিক পৰ্য্যায়ৰ শিক্ষাদান আৰম্ভ হয়। স্বৰ্গীয় চৌধুৰী আৰু মেনেজাৰৰ মাজত মনোমালিন্য ঘটাত ইতিমধ্যে আৰম্ভ হোৱা নগৰবেৰা হাইস্কুলৰ সম্প্ৰসাৰণৰ কাম অষ্টমমান শ্ৰেণীতে যতি পৰে। কিয়নো অন্যতম নেতা কমলা মেনেজাৰে নগৰবেৰা এৰি হেকেৰা অঞ্চলতে স্থায়ীভাৱে বসতি কৰিবলৈ লয় আৰু সেই অঞ্চলৰে উন্নয়নৰ কামতে নিজকে ব্ৰতী কৰে। তাৰেই ফলশ্ৰুতি হিচাবে তেখেতৰ প্ৰচেষ্টাত ১৯৪৯ চনত হেকেৰা হাইস্কুলে প্ৰতিষ্ঠা লাভ কৰে আৰু সেই হাইস্কুলখনেই আজি কলা আৰু বিজ্ঞান শাখাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হয়। তাৰ ঠিক এবছৰ পাছতেই ১৯৫০ চনত দোকুছি গাৱঁতেই আমাৰ ৰাইজেও বৰ্তমানৰ নগৰবেৰা হাইস্কুলখনি স্থাপন কৰে আৰু তেতিয়াৰ পৰা আজিলৈকে এই শিক্ষানুষ্ঠানটিয়ে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত এক উল্লেখযোগ্য বৰঙণি যোগাই আহিছে।

**শিক্ষাৰ অগ্ৰগতিত এক নতুন স্তম্ভ : মহাবিদ্যালয় :** নগৰবেৰা অঞ্চলৰ সমূহ ৰাইজে এই অঞ্চলৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এখন মহাবিদ্যালয়ৰ প্ৰয়োজনীয়তা বাৰকৈয়ে উপলব্ধি কৰে। কিন্তু নগৰবেৰা আঞ্চলিক মৌজা কমিটিৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী পদ্মলোচন চৌধুৰীৰ ১৯৬২ চনত মটৰ দুৰ্ঘটনাত আকস্মিকভাৱে মৃত্যু হোৱাত ৰাইজৰ মাজত এটি হতাশাৰ ভাৱ আহি পৰে। পদ্মলোচন চৌধুৰীদেৱৰ মৃত্যুৰ পিছত দোকুছি নিবাসী শ্ৰীহৰিমল ঠাকুৰীয়াক সভাপতি আৰু মহম্মদ আইজল হক মৌলৱীক উপ-সভাপতি আৰু কাল্লুবাৰী নিবাসী নগেন দাসক সম্পাদক হিচাবে লৈ নগৰবেৰা আঞ্চলিক মৌজা কমিটিখন

পুনৰ্গঠন কৰা হয়। এই সময়তে ১৯৬৬ চনত নগৰবেৰা আঞ্চলিক মৌজা কমিটিয়ে শ্ৰীযুত কৃষ্ণকান্ত শৰ্মাক সভাপতি আৰু ঘনশ্যাম চৌধুৰীক সম্পাদক হিচাবে লৈ এখন ১৩ জনীয়া তদৰ্থ কমিটি গঠন কৰি কলেজ স্থাপনৰ প্ৰস্তুতিৰ কাম কৰিবলৈ দায়িত্ব দিয়ে। উক্ত কমিটিয়ে ১৯৭০ চনতেই কলেজৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ আশা ৰাখিছিল। কিন্তু আঞ্চলিক মৌজা কমিটি তেতিয়া পঞ্চায়তৰ কামত ব্যস্ত থাকিবলগীয়া হোৱাত ১৯৭০ চনত কলেজ আৰম্ভ কৰাটো সম্ভৱ হৈ নুঠিল। ইফালে ১৯৭০ চনৰ ডিচেম্বৰ মাহত মৌজা কমিটিৰ সভাপতি হৰিমল ঠাকুৰীয়াৰো মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পিছত উপ-সভাপতি মহম্মদ আইজল হক মৌলবী সভাপতিৰূপে নিৰ্বাচিত হয়। ইতিমধ্যে মৌজা কমিটিয়ে কলেজৰ বাবে দুইলাখ টকা সংগ্ৰহ কৰি এই সম্পৰ্কে চৰকাৰৰ সৈতে যোগাযোগ কৰে। আমাৰ বিধায়ক প্ৰবীন কুমাৰ চৌধুৰীদেৱৰ নেতৃত্বত আমাৰ এটা সজাতীদলে তেতিয়াৰ মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীদেৱক সাক্ষাৎ কৰোঁ আৰু তেওঁক সকলো কথা বিবৰি কওঁ। মুখ্যমন্ত্ৰী দেৱে এখন ৰাজহুৱা সভা আহ্বান কৰাৰ পৰামৰ্শ দিয়ে আৰু উক্ত সভাখনত তেখেত আৰু আমাৰ বিধায়ক প্ৰবীন কুমাৰ চৌধুৰীদেৱো উপস্থিত থাকিব বুলি জনায়। সেই মৰ্মে এখন ৰাজহুৱা সভাৰ আহ্বান কৰি তেওঁলোকক আমন্ত্ৰণ কৰি অনা হয়। সেই ঐতিহাসিক স্মৰণীয় দিনটো আছিল ইংৰাজী ২০।৮।৭১ তাৰিখ। সেই সভাত কলেজ স্থাপন সম্পৰ্কে আমাৰ প্ৰস্তুতিৰ কথা তেওঁলোকক অবগত কৰাই ২ (দুই লাখ) টকা জমা হোৱা 'পাচবুক'খন তেওঁলোকক দেখুওৱা হয়। টকাৰ পৰিমাণ আৰু লগতে নগৰবেৰীয়া ৰাইজৰ উৎসাহ-উদ্দীপনা দেখি মুখ্যমন্ত্ৰীদেৱে বিস্ময় প্ৰকাশ কৰে আৰু নগৰবেৰাত অতি সোনকালে এখনি মহাবিদ্যালয় স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ নামকৰণ সম্পৰ্কে সেই সভাতেই আলোচনা-বিলোচনা কৰা হয়। তেওঁলোক দুয়োজনে মহাবিদ্যালয়খনিৰ নাম প্ৰাক্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাদেৱৰ শুভ-নামেৰে নামকৰণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। লগতে তেওঁলোকে ৰাইজক জানিবলৈ দিয়ে যে অসম চৰকাৰে বিমলা প্ৰসাদ চলিহাদেৱৰ স্মৃতি ৰক্ষাৰ্থে এটি ন্যাসৰ ব্যৱস্থা কৰিব আৰু তেতিয়া সেই ন্যাসৰ পৰা এই মহাবিদ্যালয়ৰ উন্নতিকল্পে কিছু আৰ্থিক অনুদান আগবঢ়াব পৰা যাব। অৱশেষত তেওঁলোকৰ পৰামৰ্শকেই ৰাইজে মানি লয় আৰু মহাবিদ্যালয়খনিৰ নাম "বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়" ৰাখিবলৈ সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত লয়। সেই সভাতেই প্ৰবীন কুমাৰ চৌধুৰীক সভাপতি, কৃষ্ণকান্ত শৰ্মাদেৱক উপ-সভাপতি, শ্ৰীউদয় শঙ্কৰ ঠাকুৰীয়াক সম্পাদক আৰু মহঃ আব্দুল কাদিৰক সহকাৰী সম্পাদকৰূপে লৈ এখন ২৫ জনীয়া সদস্যৰে উদ্যোক্তা কমিটি গঠন কৰা হয়। ৰাইজৰ পূৰ্ণ সহযোগত উদ্যোক্তা কমিটিয়ে মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগবাঢ়ে আৰু এই বিষয়ত যাবতীয় অনুমোদনৰ কাৰণে ১৯৭২ চনৰ জানুৱাৰী মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত আবেদন জনায়। পোনপ্ৰথমে এই বিৰাট অঞ্চলটিৰ শিক্ষাৰ অনগ্ৰসৰতা, দেশত দেখা দিয়া ক্ৰমবৰ্দ্ধমান বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ প্ৰয়োজনীয়তা আৰু দুখীয়া তথা মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এখন বিজ্ঞান মহাবিদ্যালয়ৰূপে ইয়াক গঢ় দিয়াৰ প্ৰচেষ্টা


হাতত লোৱা হৈছিল। কিন্তু বিশ্ববিদ্যালয় কর্তৃপক্ষই আৰম্ভণীতে কলা-শাখা নোখোলাকৈ কেৱল বিজ্ঞান শিক্ষাৰেই এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ অনুমতি নিদিয়াত সেই আঁচনি ত্যাগ কৰি কলা শিক্ষাৰেই এই মহাবিদ্যালয়খনি আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হয়। মহাবিদ্যালয় উদ্যোক্তা কমিটিৰ আবেদন মৰ্মে বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক শ্ৰীযুত চিদানন্দ দাসদেৱে নিজে আহি চৰজমীন তদন্ত কৰি যায় আৰু সেই মৰ্মে ইংৰাজী ২২-৬-৭২ তাৰিখে অসমীয়া, ইংৰাজী, ঐচ্ছিক অসমীয়া, অৰ্থবিজ্ঞান, ৰাজনীতি বিজ্ঞান, শিক্ষা, ভূগোল আৰু বুৰঞ্জী বিষয়ক লৈ মহাবিদ্যালয়খনৰ শিক্ষাদান আৰম্ভ কৰিবলৈ অনুমতি প্ৰদান কৰে। স্থায়ী অধ্যক্ষ নিয়োগত পলম হোৱাৰ বাবে উদ্যোক্তা কমিটিৰ উপ-সভাপতি তথা নগৰবেৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীযুত কৃষ্ণকান্ত শৰ্মাদেৱক অবৈতনিক অধ্যক্ষ ৰূপে ইংৰাজী ২-৮-৭২ তাৰিখৰ পৰা কাম চলাই যাবলৈ নিযুক্তি দিয়ে। তাৰ লগে লগে বিভিন্ন বিষয়ৰ অধ্যাপক নিযুক্তি দি ছাত্ৰ-ছাত্ৰীৰ ভৰ্ত্তিৰ কাম আৰম্ভ কৰা হয়। নগৰবেৰা হাইস্কুল চৌহদত অস্থায়ী ঘৰ সাজি ইংৰাজী ২৬-৮-৭২ তাৰিখে মহাবিদ্যালয়ৰ শ্ৰেণীৰ শুভ-আৰম্ভণি কৰা হয়। তাৰ পিছতহে শিৱসাগৰ (বৰ্ত্তমান যোৰহাট) জিলাৰ আমগুৰি নিবাসী শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱক স্থায়ী অধ্যক্ষ পদত নিয়োগ কৰা হয় আৰু তেখেতে ইংৰাজী ৫-৯-৭২ তাৰিখে কামত যোগদান কৰে। ইকালে কমিটিয়ে মহাবিদ্যালয়ৰ স্থায়ী গৃহ নিৰ্মাণৰ বাবে দোকুছি ৰিজাৰ্ভড মাটিৰ বাবে চৰকাৰৰ ওচৰত আবেদন জনায়। কমিটিৰ আবেদন অনুসৰি চৰকাৰে উক্ত ৰিজাৰ্ভড ৪০ (চল্লিশ) বিঘা মাটি পত্তন দিয়ে আৰু তাতেই স্থায়ী গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ স্থায়ী গৃহ নিৰ্মাণৰ বাবে দোকুছি গাওঁ নিবাসী শ্ৰীযুত ভূপেন দাসদেৱক সভাপতি হিচাবে লৈ এখনি গৃহ নিৰ্মাণ কমিটি গঠন কৰি দিয়া হয় আৰু তেওঁলোক নিষ্ঠা সহকাৰে উক্ত কামত অগ্ৰসৰ হয়। ১৯৭৪ চনত নতুন গৃহ নিৰ্মাণ হৈ উঠাত মহাবিদ্যালয়খনি হাইস্কুল চৌহদৰ অস্থায়ী গৃহৰ পৰা নৱনিৰ্মিত গৃহলৈ স্থানান্তৰ কৰা হয়। ১৯৭৫ চনত এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ত 'আৰবী' আৰু 'অঙ্ক' বিষয়ো নতুনকৈ প্ৰৱৰ্ত্তন কৰা হয়। ৰাইজৰ প্ৰচেষ্টাত ইংৰাজী ১-৪-৭৭ তাৰিখৰ পৰা মহাবিদ্যালয়খনিয়ে চৰকাৰৰ ফালৰ পৰা মাহিলী দুহেজাৰ টকাকৈ এটি তদৰ্থ মঞ্জুৰী লাভ কৰে। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে এই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ বিভিন্ন ক্ষেত্ৰত বিশেষভাৱে জড়িত নগৰবেৰাৰ শ্ৰীঘনশ্যাম চৌধুৰীদেৱ ইংৰাজী ২৭-৬-৭৭ তাৰিখে নিৰুদ্দেশ হয় আৰু এই ঘটনাই অঞ্চলটিত এটি অভাৱনীয় ভাৱাবেগৰ সৃষ্টি কৰে। এই বছৰটৰ পিছতেই স্নাতক মহলাত অৰ্থনীতি বিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানত সন্মানৰ পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰি মহাবিদ্যালয়খনিক উচ্চ শিক্ষাৰ পথত আৰু এখোপ আগবঢ়াই নিয়া হয়।

অৱশেষত সেই প্ৰতীক্ষিত দিনটো আহিল। ইংৰাজী ১৯৭৯ চনৰ ১ চেপ্তেম্বৰৰ পৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ে অসমৰ একে পৰ্যায়ৰ অন্যান্য তেৰখন মহাবিদ্যালয়ৰ লগতে অসম চৰকাৰৰ পৰা ঘাটি মঞ্জুৰী পোৱাৰ যোগ্যতা অৰ্জন কৰে। ইয়াৰ পিছতেই মই মহাবিদ্যালয়ৰ সম্পাদকৰ গুৰু-দায়িত্বৰ পৰা অব্যাহতি লওঁ আৰু চৰকাৰৰ নীতি-নিৰ্দেশনা

উচ্চ মাধ্যমিক বিদ্যালয় সমূহলৈ আঞ্চলিক মৌজা কমিটিয়ে বিত্তীয় সহায় আগবঢ়ায়। আজি সেই ঠাইসমূহ উন্নয়নৰ আন আন দিশেৰেও আগবাঢ়ি গৈছে।

**উপসংহাৰঃ** নগৰবেৰা অঞ্চলৰ এটা মহান বৈশিষ্ট্য হ'ল এয়ে যে অতীজৰে পৰা বিভিন্ন জাতি-উপজাতি, বিভিন্ন ধৰ্মাৱলম্বী মানুহৰ ই এক মিলনক্ষেত্ৰ। সাম্প্ৰদায়িক মিলা-প্ৰীতিয়ে এই অঞ্চলৰ মানুহক এক-তাৰ ডোলেৰে বান্ধ খুৱাই ৰাখিছে। ১৯৫০ চনৰ সাম্প্ৰদায়িক সংঘৰ্ষ, ১৯৬২ চনৰ ভাষা-আন্দোলন, ১৯৭১ চনৰ শিক্ষাৰ মাধ্যম আন্দোলন আৰু বৰ্তমান চলি থকা অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ মাজৰ ১৯৮৩ চনৰ অভিশপ্ত নিৰ্বাচনতো এই অঞ্চলত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা ঘটা নাই। অৱশ্যে এই আন্দোলনৰ আৰম্ভণিতে মানুহৰ মাজত উদ্ভৱ হোৱা কিছু ভুল বুজা-বুজিৰ ফলত সামাজিক বিশৃংখলা আহিছিল যদিও এতিয়া সকলোৰে মনৰ পৰা ক্ৰমাৎ সেই ভুল বুজা-বুজি আঁতৰি আকৌ পূৰ্বৰ অৱস্থালৈ প্ৰায় ঘূৰি আহিছে।

এই অঞ্চলৰ বিভিন্ন জন-গোষ্ঠীৰ উঠি অহা নতুন চাম পুৰুষৰ ওপৰতেই নিৰ্ভৰ কৰিছে বৰ্তমান নগৰবেৰা অঞ্চলৰ সম্প্ৰীতিৰ ঐতিহ্য আৰু ভৱিষ্যতৰ উন্নয়ন। আশাকৰোঁ। তেওঁলোকে নগৰবেৰা অঞ্চলৰ সুনাম আৰু সদ্ভাৱ অক্ষুণ্ণ ৰখাত যত্নৰ অকণো ত্ৰুটি নকৰিব। **



"মোৰ নিজৰ ওপৰত, মোৰ সামূহিক জীৱনৰ ওপৰত, মোৰ জাতীয় দেহৰ সীমা চেৰাই, একীভূত ( Assimilate ) হোৱাৰ পৰিবৰ্ত্তে, বিভিন্ন স্বাৰ্থ স্বত্বৰ নিচান উৰুৱাই বাহিৰৰ বা ভিতৰৰ যিবিলাক অবাধ শোষণ (Exploitation) আৰু আক্ৰমণ ( Aggression ) অবিৰত মোৰ ওপৰত চলি আছে, তাৰ পৰা মোক, মোৰ জাতিক, মোৰ দেশক সৰ্বতোভাৱে নিযুক্তি কৰি লোৱা-টোৱেই হ'ল মই ডেকাঅসমৰ আজি সৰ্বপ্ৰথম আৰু সৰ্বপ্ৰধান সাধনা।"

॥ অসমকেশৰী অম্বিকাগিৰি ৰায়চৌধুৰী ॥

# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

শ্ৰীনগেন্দ্ৰনাথ মেধি বি. এ. (সন্মান)

সুৰৰে দেউলৰে
ৰূপৰে শিকলি
ভাঙি দিয়া খুলি দুৱাৰ সোণোৱালী
পূজাৰী অ', সুন্দৰ পূজাৰী.........
যাউতি-যুগীয়া বৰগীত অমিয়া
গোৱা অসমীয়া মন প্ৰাণ ভৰি
পূজাৰী অ'............. ।"

জ্যোতি প্ৰসাদৰ জেউতি আৰু ৰাভাৰ আভা, এটি উজ্বল আৰু আনটি নিৰ্মল। দুয়োটিয়ে অসমৰ বৰ্ণাঢ্য সংস্কৃতিৰ আকাশ উজলাই তুলিছিল। কলাগুৰু ৰাভা একেধাৰে আছিল গায়ক, বাদক, গীতিকাৰ, সুৰকাৰ, কবি, অভিনেতা, নাট্যশিল্পী, চিত্ৰকৰ, খনিকৰ, ভাল খেলুৱৈ, কৃতী ছাত্ৰ। তেখেত স্থিৰ প্ৰতিজ্ঞ, মানুহৰ মুক্তিৰ সপোন দেখোঁতা, জীৱন অধ্যয়নকাৰী, স্ৰষ্টা, দ্ৰষ্টা, গৱেষক, লিখক, ভাবুক, দাৰ্শনিক, সত্যনিষ্ঠ, নিৰ্ভীক, মহৎ শিল্পী আৰু আছিল আজীৱন বিপ্লৱী। এখন হাতত 'ষ্টেন্‌গান' আৰু আনখন হাতত কলম লৈ বিষ্ণুপ্ৰসাদ ৰাভাই দলিত, শোষিত আৰু নিষ্পেষিত অসমীয়া সৰ্বহাৰাৰ অৰ্থনৈতিক মুক্তিৰ বাবে এদিন বিদ্ৰোহৰ অগনি জ্বলাই 'বিপ্লৱী' কমিউনিষ্ট' হৈছিল। এদিন এই বিপ্লৱী বীৰ জনাই আত্মগোপন কৰিছিল আৰু ৰাজবন্দীত্বও হেলাৰঙে বৰণ কৰিছিল।

১৯০৯ চনৰ জানুৱাৰী মাহৰ ৩১ তাৰিখে ঢাকা চহৰত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ জন্ম হয়। ৰাভাৰ পিতাক গোপাল চন্দ্ৰ ৰাভা ইষ্টাৰ্ণ ফ্ৰন্টিয়াৰ ৰাইফলচ্‌ বাহিনীৰ ক্ৰমে চুবেদাৰ, মেজৰ আছিল। পিছত তেওঁ পূৰ্ববংগ আৰু অসম গভৰ্ণৰৰ গাৰখীয়া বাহিনীৰ বিষয়া আছিল। বিষ্ণু ৰাভাই ঢাকাত তেওঁৰ প্ৰাথমিক শিক্ষা লাভ কৰে। তাৰ পিছত তেওঁ তেজপুৰলৈ আহে আৰু তেজপুৰৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯২৬ চনত প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। ইয়াৰ পিছত উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায় আৰু ১৯২৮ চনত কলিকতাৰ চেণ্ট্‌ পালচ্‌ কলেজৰ পৰা আই, এছ, চি, পৰীক্ষা প্ৰথম বিভাগত পাছ কৰি ৰাভাই ৰিপন কলেজত পদাৰ্থ বিজ্ঞানত অনাৰ্চ সহ বি, এছ, চি পঢ়িবলৈ যায়। কিন্তু এবছৰৰ পিছতে বিজ্ঞান এৰি দি কোচ বিহাৰলৈ আহি ভিক্টোৰিয়া কলেজত ইংৰাজীত অনাৰ্চ লৈ বি, এ পঢ়িবলৈ লয়। কোচবিহাৰত পঢ়ি থাকোঁতে ৰাভা আকৃষ্ট হয় স্বদেশী আন্দোলনৰ প্ৰতি আৰু ক্ৰমে তাৰ ছাত্ৰ সমাজৰ নেতা হৈ উঠে। সেই সময়ত কোচ বিহাৰত চলি থকা ৰিজেণ্ট আৰু দেৱান বিৰোধী আন্দোলনত ৰাভাই সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ৰাজবাৰীৰ সিংহদ্বাৰত :

'ৰাজ্যে আছে দুইটি পাঠা।
একটি কালো একটি সাদা॥
ৰাজ্যের যদি মংগল চাও।
দুইটি পাঠা বলি দাও॥"

বুলি বঙলাত 'ছড়া' ছন্দ লেখি ৰাভাই আঁৰি দিছিল। প্ৰতিফল স্বৰূপে তেওঁ কোচবিহাৰৰ পৰা বিতাড়িত হৈছিল। নানান খেলিমেলিৰ মাজত তেওঁৰ পঢ়া জীৱন আধৰুৱা হৈ ৰ'ল।

কলাগুৰু ৰাভা এজন বিখ্যাত খেলুৱৈও আছিল পঢ়া জীৱনত। ৰাভা ফুটবল, হকী, ক্ৰিকেট, তাং-গুটি, গুহু গুডু আদিত সমানে পাৰ্গত আছিল। ফুটবল খেলুৱৈ হিচাপে তেওঁ সেই সময়ৰ এগৰাকী শ্ৰেষ্ঠ 'চেন্টাৰ ফৰৱাৰ্ড' আছিল। তেওঁ বল পালে প্ৰতিপক্ষ চিন্তিত হৈ পৰিছিল। ১৯৩১ চনত তেওঁ ৰংপুৰৰ হকী দলৰ অধিনায়কো আছিল।

ৰাভা এজন সুন্দৰ বাদকো আছিল। তাল জ্ঞানত তেওঁ আছিল দক্ষ। তবলা, চেতাৰ, এচৰাজ, বাঁহী, বেঞ্জু, ক্লেৰিয়েট, বেহেলা, খোল আদি বিভিন্ন বাদ্য যন্ত্ৰতো তেওঁৰ হাত আছিল সমানে দক্ষ। এই বিৰাট প্ৰতিভাৰে তেখেতে গীত ৰচনা কৰে, সুৰ দিয়ে, তুলিৰে ৰং বোলাই ছবি আকেঁ, শিল কাটি মূৰ্ত্তি তৈয়াৰ কৰে। ঘণ্টাৰ পিছত ঘণ্টা ধৰি ব্যঞ্জনাময় শব্দেৰে সুন্দৰ শুৱলা ভাষাত আননি নলগাকৈ বক্তৃতা দিয়ে, প্ৰেৰণা যোগায়, উৎসাহ দিয়ে। সকলো পৰিস্থিতিতে অন্তৰৰ আনন্দ ৰূপৰ পৰা নিগৰি অহা মনজুৰোৱা অনাবিল হাঁহিটো মাৰিবলৈ তেখেতে কেতিয়াও পাহৰি নাযায়।

ৰাভাই অভিনয় প্ৰতিভাৰো স্বাক্ষৰ ৰাখি থৈ গৈছে। তেখেতৰ কণ্ঠস্বৰ আছিল গুৰু গম্ভীৰ। দেহৰ গঠন আছিল সুন্দৰ সুঠাম। মঞ্চত ওলায়েই তেখেতৰ ব্যক্তিত্বই দৰ্শকৰ মন আকৃষ্ট কৰিছিল। "কাৰেঙৰ লিগিৰী"ত "সুদৰ্শনৰ চৰিত্ৰত" "দিগ্‌বিজয়" নাটকত, "নাদিৰশ্বাহ"ৰ চৰিত্ৰত, "কংস" নাটকত 'পেটু'ৰ চৰিত্ৰত, "চিৰাজ"ত "আঘোণা"ৰ চৰিত্ৰত, "ছাজাহান"ত "ঔৰঙ্গজীৱ" আদি চৰিত্ৰত ৰাভাই যি সুস্থ-সবল, সুন্দৰ জীৱন্ত নিখুঁত অভিনয় কৰিছিল সেয়া বিৰল অভিনয় প্ৰতিভাৰে চানেকি। ৰাভাই কেইখনমান অসমীয়া কথা-ছবিতো সুন্দৰ অভিনয় কৰিছে। ৰাভা এজন বিখ্যাত নৃত্য শিল্পীও। তেওঁ নটৰাজৰ তাণ্ডৱ নৃত্যৰ মূলতাৰ নিখুঁত ভাৱে জীৱন্ত কৰি তুলিব পাৰিছিল নৃত্যৰ ছন্দেৰে। তেওঁক কলাগুৰু উপাধিৰে বিভূষিত কৰে বিশ্ব বিশ্ৰুত জ্ঞানী দাৰ্শনিক পণ্ডিত ৰাধা কৃষ্ণনে।

ৰাভাই ৰচনা কৰা সাহিত্য ৰাজিৰ সম্পূৰ্ণ প্ৰকাশ এতিয়ালৈ হোৱা নাই। অসমৰ দিহিঙে-দিপাঙে ঘূৰি ফুৰাৰ ফলত তেওঁ ৰচনা কৰা বহুতো অসমীয়া সাহিত্যৰ অমূল্য সম্পদ বিনাশ হয় আৰু ই এক অপূৰণীয় ক্ষতি অসমীয়া সাহিত্যৰ বাবে। তেওঁ "মানৱ জাতি", "অতীত অসম", "অসমীয়া কৃষ্টি", "বৰদৈ চিলা" "সৰুদৈ চিলা", আদি বহুতো সুন্দৰ সুন্দৰ প্ৰবন্ধ ৰচনা কৰি থৈ গৈছে। ন পৃথিবীৰ নতুন যুগ, 'বাংলো ঘৰত জুই লাগে' আদি নৃত্য নাটিকা আৰু 'গেণ্ডনি বেঙনি' আদি নাটক ৰচনা কৰে। ইয়াৰ উপৰিও 'মিচিং কনেঙ', উপন্যাস, 'পুং' আদি চুটি গল্প লিখে। বহুতো ভাৱণাৰজীয়েও অসমীয়া সাহিত্যৰ ভৰাঁল চহকী কৰিছে।

জীৱন-শিল্পী ৰাভা জনতাৰ পৰা আঁতৰত নাছিল, আছিল জনতাৰ মাজত। তেওঁলোকৰ লগত বহিছিল, খাইছিল আৰু সুখ-দুখৰ ভাগ

লৈছিল। সেয়ে তেওঁ জনতাৰ বৰ আপোন। জনতাৰ দুখ-দুৰ্গতি, আশা-আকাংক্ষা, নিৰাশা-হতাশাৰ মাজত তেওঁ লাভ কৰিছিল জীয়া অভিজ্ঞতা। সেয়ে তেওঁ আজিও জনতাৰ অন্তৰত অমৰ হৈ আছে। ৰাভা আৰু জ্যোতি সংগীতৰ সুৰত এনেকুৱা এটি মোহিনী যাদু আছে যিটোৰ প্ৰভাৱত অতি শীঘ্ৰে শ্ৰোতাৰ মন প্ৰাণ পুলকিত হৈ পৰে আৰু যিটো অসমীয়া আন সংগীতত পাবলৈ নাই। অসমীয়া সংগীতৰ জগতত ৰাভাৰ দান অতুলনীয়।

"বিষ্ণু প্ৰসাদৰ চঞ্চল, অস্থিৰ জীৱনলৈ মাক্স-বাদ, লেনিন বাদে আনিছিল সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা।" এক ধোঁৱা ধূলীয়া পৰিৱেশত দেশ স্বাধীন হৈছিল। কিন্তু ৰূপকোঁৱৰৰ চকুত তেতিয়াও সন্দেহ। কৌটি কৌটি দলিত মানুহৰ মুক্তিৰ এই স্বাধীনতাই জানো আনিলে—উত্তৰ বিচাৰি জ্যোতি প্ৰসাদৰ চকুত অগ্নি যুগৰ ফিৰিঙতি জ্বলিল। তকন ৰাভাই এই সময় খিনিতেই উৰুৱাইছিল তথা কথিত স্বাধীনতাৰ প্ৰতিবাদত ক'লা পতাকা—"ইয়ে আজাদী ঝুঠা হ্যায়"। ১৯৪৭ চনৰ বিশ্বাসঘাতক স্বাধীনতাৰ ইতিহাস আৰু পৰবৰ্ত্তী কালত সামাজিক, অৰ্থনৈতিক শোষণত জৰ্জৰিত ভাৰতীয় জন-গণৰ বাবে ভাৰতীয় বিপ্লৱী কমিউনিষ্ট দলে যি ঐতিহাসিক প্ৰয়োজনত বিদ্ৰোহৰ ফিৰিঙতি জ্বলাইছিল পূৰ্বাঞ্চলত ৰাভা আছিল তাৰেই জোৱাল জুইকুৰা। তেভেগা তেলেংগানা অথবা বেলতলা।

ভাৰতবৰ্ষৰ কৃষ্টি, কৃষি বিপ্লৱৰ সেন্দুৰ বৰণীয়া পতাকা খনৰ বাবে ৰাভাৰ সংকল্প আছিল : তেজৰ বোলেৰে লিখি যাম ইতিহাস। ৰাভাৰ আদৰ্শ নিষ্ঠা আৰু বজ্ৰ কঠিন গতিশীলতাৰ বাবেই সেই সময়ত অসমত সাম্যবাদী আন্দোলন বাৰিষাৰ চলৰ দৰে দ্ৰুতগতিত আগবাঢ়িছিল। লগতে এইটোও অনস্বীকাৰ্য্য, সংশোধন বাদৰ কুটিল মেৰঘৰত পাক-ঘূৰণি খাই এদিন ভাৰতীয় বিপ্লৱী সাম্যবাদী দলৰ ভাব-মূৰ্ত্তি, জনসাধাৰণৰ বহু দূৰত অৱস্থান কৰা সত্বেও ৰাভাৰ বৈপ্লৱিক ভাব-মূৰ্ত্তি ৰাইজৰ চকুৰ পৰা আঁতৰ হোৱা নাছিল, আজিও হোৱা নাই। স্বীকাৰ কৰিবই লাগিব ব্যৰ্থ বেলতলা, ৰঙিয়া, গোৰেশ্বৰ বিদ্ৰোহৰ পিছত অসমৰ ৰাইজে, বিপ্লৱী কমিউনিষ্ট পাৰ্টিতকৈ ৰাভাকহে বিচাৰিছিল অধিক। উল্লেখযোগ্য যে যি কমিউনিষ্ট পাৰ্টিয়ে তেভেগা তেলংগানা বিদ্ৰোহৰ জন্ম দিছিল, সেই পাৰ্টিয়ে কিন্তু সেই সময়তে ৰাভাৰ দৰে এজন বৈপ্লৱিক, সাংস্কৃতিক কৰ্ম্মীক ভাৰতবৰ্ষৰ আন ঠাইত জন্ম দিব পৰা নাছিল। ৰাভাই বুজিছিল যে সমাজ গঢ়ে কৃষক আৰু শ্ৰমিকেহে। কৃষক শ্ৰমিকক সচেতন ভাৱে সংগঠিত কৰি বিপ্লৱৰ জৰিয়তে শোষণহীন সমাজ গঢ়ি তুলিব নোৱাৰিলে এই শ্ৰম জীৱি লোকসকলৰ কল্যাণ সাধন অৰ্থাৎ সমাজৰ প্ৰকৃত সাংস্কৃতিক বিকাশ অসম্ভৱ। শোষণহীন সংস্কৃতি সম্পন্ন সমাজ গঢ়াৰ অৰ্থে তেওঁ নতুন গান ৰচনা কৰিবলৈ ল'লে—

"ব'ল ব'ল ব'ল ব'ল  
কৃষক শক্তি দল।  
অ' বন্ধুৱা অসমীয়া—  
আগবাঢ়ি যাওঁ বল।"

ৰাভাৰ গান হ'ল কৃষক শ্ৰমিকক জগাই তোলা একো একোপাত অস্ত্ৰ।

'জাগ জাগ্‌ জাগ্‌ জাগ  
মজদুৰ ন—জোৱান।

নিৰ্য্যাতিত নিপীড়িত
কৃষক শক্তিমান।

কৃষক শ্ৰমিকক আত্ম সচেতন কৰি তুলিবৰ অৰ্থে ৰাভাই গাইছিল —

"তোৰ বাহুতে আছে লুকাই
অসীম শক্তি বল।
ৰণৰ শিঙা বাজে শুন ঐ
আগবাঢ়ি যাওঁ ব'ল।
কিহৰনো ভয় ? আছে অভয়
বানী দেৱতাৰ
শতৰু সৌ চৌপাশে ৰয়
ধনী জমিদাৰ
শোহে কলিজাৰ ৰঙা তেজ
প্ৰজা দুখীয়াৰ
ধ্বংস কৰ ধ্বংস কৰ
ধনীৰ অহংকাৰ।
দয়া মায়া নকৰিবি
ক্ষমাৰ দিন যেন গ'ল
হাল কোৰ দা-হাতুৰী লৈ
আগবাঢ়ি যাওঁ ব'ল।"

কনিহাৰ সাংস্কৃতিক সন্মিলনৰ ভাষণত তেওঁ দ্বিধাহীন ভাৱে ঘোষণা কৰিছিল যে ধনী জমিদাৰ, হাকিম, পুঁজিপতি, চাহ বাগিছাৰ মালিক আদি "অসমীয়া নহয় আৰু ভাৰতৰ নাগৰিকো নহয়। পৃথিবীৰ আন আন দেশৰ সেই একেই শোষক সম্প্ৰদায়ৰ তেওঁলোক, যাৰ জাতি নাই, দেশ নাই, কেৱল সুবিধাবাদী, মুনাফাখোৰ, চোৰাংবজাৰী।" ৰাভাই কৈছে—"কম্যুনিজমৰ পোহৰে বাইজৰ অন্তৰৰ অজ্ঞতাৰ তিমিৰ—অন্ধকাৰ আঁতৰাই দিয়ে। পোহৰত মুকুতিৰ বাট মুকলি হয়—বিপ্লৱৰ বাট। আমি জ্বলাওঁ সেই জাৰি কাঠিৰ জুই-জুমুঠি।" (পাতনি : সোণপাহি)

কমিউনিষ্ট আদৰ্শ গ্ৰহণ কৰাৰ সময়ৰ পৰা মৃত্যুলৈকে কমিউনিষ্ট হোৱাৰ নিষ্ঠা বিষ্ণুপ্ৰসাদ ৰাভাৰ আছিল। এই কাৰণেই স্বাধীন ভাৰতৰ গণতান্ত্ৰিক অসম চৰকাৰে ৰাভা আৰু তেওঁৰ দলৰ বিৰুদ্ধে অগণতান্ত্ৰিক আৰু অমানৱীয় নিৰ্যাতন, নিষ্পেষণ চলোৱা সত্বেও ৰাভা আদৰ্শত অটল আছিল। চীন ভাৰতৰ' সংঘৰ্ষৰ সময়ত 'কলাগুৰু' বিষ্ণু প্ৰসাদ ৰাভাক বৰ নিকৃষ্ট ভাৱে অপমান কৰি কঁকালত জৰি লগাই বৰ ফাটেকলৈ টানি নিয়া সত্বেও ৰাভাই কমিউনিষ্ট আদৰ্শ বৰ্জন কৰা নাছিল। পুজিবাদী সমাজত সাধাৰণতে নেতৃবৰ্গই "কয় লিখে এক, কৰে ধৰে আন, লুটি পুটি গায় শান্তিৰ গান।" (অম্বিকাগিৰি ৰায় চৌধুৰী)।

ৰাভাৰ বিপ্লৱী জীৱন আছিল বিপ্লৱী কমিউনিষ্ট দলৰ লগত জড়িত। যদিও প্ৰথমৰ পৰাই ৰাভা মানুহজনৰ মাজত সংগ্ৰামী সত্বা এটা আছিল, সি আত্ম প্ৰকাশ কৰিছিল কৃষক নেতা হিচাপে এই দলৰ লগতেই। বিষ্ণুপ্ৰসাদ ৰাভাই সাধাৰণ শ্ৰম-জীৱি মানুহৰ মুক্তি সংগ্ৰামৰ এজন অগ্ৰণী হিচাপে নিজকে বিলাই দিছিল।

১৯৬৯ চনৰ ১৯ জুনত বহু গুণৰ আঁকৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দুৰাৰোগ্য কেন্সাৰ ৰোগত জীৱনৰ পৰি-সমাপ্তি ঘটে আৰু লগে লগে অসমীয়া জাতীয় জীৱনলৈ নামি আহে এক আঁউসীৰ অন্ধকাৰ ৰাতি। অসমৰ কলা সংস্কৃতিৰ মান উন্নত কৰাত ৰাভাদেৱৰ অৱদান অবিস্মৰণীয়। বৰলুইতৰ পাৰৰ অসমীয়া জাতিৰ ইতিহাস বিষ্ণুপ্ৰসাদ ৰাভাই ভাল-দৰে হৃদয়ঙ্গম কৰিব পাৰিছিল। অসমৰ

ৰঙীণ ভাষা-সংস্কৃতি, নানা জাতি-জনজাতি আৰু উপজাতিৰ মিলনৰ সেতু বান্ধিবলৈ ৰাভা হৈছিল অগ্ৰসৰ। তেওঁ আছিল সমন্বয়ৰ প্ৰতীক স্বৰূপ আৰু সৰ্বহাৰা, শোষিত, শ্ৰমিক, কৃষক শ্ৰেণীৰ প্ৰকৃত বন্ধু। আপোচহীন বিপ্লৱী আৰু চৰম ত্যাগী পুৰুষ।

“কাৰখানা—কল আমাৰ সৃজন
পথাৰ সু বহল
তেওঁনো কিয় আমাৰ এনে
আলৈ বিলৈ ?
অ’ বন্ধুৱা সমনীয়া আগবাঢ়ি যাওঁ বল।
ৰঙা তেজৰ নিচানটি লৈ আগবাঢ়ি যাওঁ বল।”

---


সহায় লোৱা গ্ৰন্থ পঞ্জী :

১। সৈনিক, শিল্পী বিষ্ণু ৰাভা—
সম্পাদক ডঃ হীৰেণ গোহাঁই।

২। বিষ্ণুৰাভা ৰচনাৱলী—
বিষ্ণুৰাভা সোঁৱৰণি গৱেষণা সমিতি।

৩। বাতৰি আৰু আলোচনী কাকতত পোৱা —
বিষ্ণুৰাভা বিষয়ক বিভিন্ন প্ৰবন্ধাৱলী।


* * *

# অসমীয়া লোক বিশ্বাস

প্ৰফুল্ল কুমাৰ ৰাভা

লোক সাহিত্য বা জন সাহিত্য বুলিলে সাধাৰণতে গাঁৱলীয়া অনাখৰী মানুহৰ মাজত প্ৰচলিত একপ্ৰকাৰ সাহিত্যক বুজা যায়। লিখিত সাহিত্যৰ দৰে ইয়াতো মানৱ জীৱনৰ সুখ-দুখ, হৰ্ষ-বিষাদ, আশা-নিৰাশা আদি প্ৰকাশ পায়। অতীতৰে পৰা মানুহৰ মুখে মুখে চলি অহা পুৰণি নাম, পদ, মালিতা, ফকৰা-যোজনা, সাঁথৰ, সাধুকথা আদি ইয়াৰ অমূল্য সম্পদ। মানুহৰ মুখে মুখে বাগৰি অহাৰ ফলত ইয়াৰ ভাষাৰ কিছু পৰিবৰ্তন ঘটিছে, আনকি অনেক কথা কালৰ সোঁতত নোহোৱা হৈও গৈছে। কিন্তু জনসাধাৰণৰ অনেক স্মৃতি চিহ্ন এতিয়াও যে পোহৰলৈ অহা নাই সেইটো ধ্ৰুৱপ। এই প্ৰবন্ধত মই মাত্ৰ অসমীয়া জন-সমাজৰ মাজত প্ৰচলিত লোক বিশ্বাস সম্পৰ্কে কেইটিমান কথা সন্নিবিষ্ট কৰিলোঁ।

খেতি সম্পৰ্কীয় লোকবিশ্বাস : (ক) বহাগ মাহৰ ১ তাৰিখ অৰ্থাৎ বৰ দোমাহীৰ দিনা ৰাতি পুৱা দোক-মোকালিতে খেতিয়ক সকলে নিজৰ নিজৰ খেতি মাটিত একোডাললৈ ভাং গছৰ ডাল পোতে। বিশ্বাস যে সেই দিনাই ৰাতিপুৱাই হৰ-পাৰ্বতী খেতি পথাৰ চাবলৈ আহে। জন সমাজত হৰ “ভড়ুৱা”

বা ভাঙ্‌বা নামে জনাজাত। সেয়েহে তেৰাৱ সন্তুষ্টিৰ কাৰণে তাং গছডাল খেতিৰ মাটিত ৰোপন কৰা হয়। ভাং নেপালে তেৰাৰ কৃপা দৃষ্টি নপৰে, ফলত খেতি বেয়া হয় বুলি বিশ্বাস। (খ) জেঠ, আহাৰ মাহত বৰষুণ নহ'লে খেতিয়ক সকলৰ অশেষ ক্ষতি হয়। সেই সময়ত গাঁৱৰ মানুহবোৰ লগলাগি দুটা 'ভেকুলী' ধৰি আনি বিয়া পাতি দিয়ে, ফলত বৰষুণ হয় বুলি বিশ্বাস কৰে। (গ) পূৰ্বাকাশত ধেনু দিলে ধান আৰু পশ্চিম আকাশত ধেনু দিলে বান (বান-পানী) হয় বুলি কোৱা হয়।

**সপোনত লোকবিশ্বাস:** (ক) সপোনত নিজৰ ঘৰৰ কাৰোবাৰ মৰা দেখিলে গাঁৱৰ অন্যলোক আৰু আন মানুহ মৰা দেখিলে ঘৰৰ কোনো লোক মৰিব বুলি বিশ্বাস কৰা হয়। (খ) সপোনত অচিনাকি তিৰোতাই গাঁৱত প্ৰৱেশ কৰিলে বসন্ত ৰোগ হয় বুলি বিশ্বাস আৰু গাঁৱৰ পৰা ওলাই গ'লে বেমাৰ আঁতৰি যাব বুলি ভবা হয়। (গ) সপোনত খালি নাও বা মটৰ গাড়ী গাঁৱলৈ অহা দেখিলে সেই গাঁৱৰ অনেক মানুহ নিব (মৰিব) বুলি ভাবে আৰু পূৰ্ণ হৈ আহিলে দুই এজন মৰিব বুলি ভবা হয়। (ঘ) সপোনত সাপে খুটিলে "ভগৱতীৰ লেঠা" থকা বুলি বিশ্বাস। (ঙ) সপোনত ডাঙৰ গছ উভালি পৰা দেখিলে গাঁৱৰ বয়সীয়াল জন মৰিব বুলি শঙ্কা কৰা হয়।

**লোক বিশ্বাসত পশু-পক্ষী, মাছ আদি:** (ক) ঘৰৰ চালত পৰি কাউৰীয়ে পোৱালীক আধাৰ খুৱাই যিপিনে উৰি যায় সেই পিনৰে আলহী আহে বুলি বিশ্বাস কৰা হয়। (খ) গৰুক গো-লক্ষ্মী বোলা হয়। ই দেওভূত দেখা পায় বুলি বিশ্বাস কৰা হয়। (গ) জাকৈ, প'ল, জাল বা আন আন মাছ ধৰা সঁজুলি কামত ব্যৱহাৰ কৰিলে, মাছলৈ গ'লে সেই সঁজুলিত সাপ ধৰা পৰে বুলি কোৱা হয়। (ঘ) কণী সৈতে জলকীয়া খালে সেই কণী দিয়া হাঁহ কুকুৰাৰ পেট পোৰে বুলি ভবা হয় আৰু কণী দিবলৈ এৰে হেনো। (ঙ) কপৌ চৰাইৰ বাহ দেখি আহি অইন মানুহৰ আগত কথাটো উল্লেখ কৰিলে সি বাহ ভাঙি আন ঠাইলৈ নিয়ে। (চ) ডাঙৰ মাছে সৰু মাছ গিলে। তেনেকুৱা ডাঙৰ মাছৰ পেটত সৰু মাছ পালে সি মহৌষধ হয়। (ছ) বান্দৰ মাৰিলে মানুহজনৰ বান্দৰ পয়া লাগে হেনো।

**লোক বিশ্বাসত সাপ:**
(ক) ৰাতি সাপক পোক বোলা হয়। কিয়নো ৰাতি সাপৰ নাম ললে বা উল্লেখ কৰিলে সৰ্প দংশনৰ ভয় থাকে। (খ) সাপে খুঁটিলে লগে লগে তাক ধৰি ওভতাই কামুৰিব পাৰিলে বিষ নেলাগে বুলি কোৱা হয়। (গ) সাপ যোৰ হোৱাৰ সময়ত সিহঁতৰ গাত এখন নতুন কাপোৰ বা গামোছা দিব লাগে। সিহঁতে এৰি যোৱাৰ পিছত সেইখন লৈ যি কামলৈ যোৱা যায় তাত সিদ্ধিলাভ হয় বুলি বিশ্বাস।

**লোক বিশ্বাসত দেও ভুত:** (ক গাঁৱলীয়া সমাজত দেও-ভূতৰ প্ৰতি বিশ্বাস প্ৰবল ভাবে দেখা যায়। সেয়েহে গাঁৱলীয়া লোকে এপাত শক্তিশালী অস্ত্ৰতকৈ বেজৰ তাবিজ এটিক বেছি বিশ্বাসৰ চকুৰে চায়। (খ) কেচুৱা ল'ৰা-ছোৱালী প্ৰায় এমাহ মানলৈ সৰিয়হৰ গাৰুত শুৱাই ৰখা হয়। তেতিয়া হ'লে ভূত-প্ৰেতে নাপায় বুলি বিশ্বাস। (গ) ম'হ স্বয়ং যমৰাজৰ বাহন। গতিকে ইয়াৰ পিঠিত আৰোহন কৰি থকা সময়ত কোনো দেও-ভূতে অনিষ্ট কৰিব নোৱাৰে। (ঘ) চবকাৰী ৰাস্তাৰ

ওপৰেৰে গৈ বা খোজ কাটি থাকিলেও দেও-ভূতে কোনো অত্যাচাৰ নকৰে। ৰাস্তাত আগভেটি ধৰিলেও ৰাস্তাৰ পৰা বিপথে নগলে কোনো ক্ষতি কৰিব নোৱাৰেহেনো।

**অন্যান্য কিছুমান লোক বিশ্বাস :** (১) ৰাস্তাত প্ৰস্ৰাৱ কৰোতাজনক জুইৰ ওচৰত বহিলেই দোঁৱাই ধৰে বুলি বিশ্বাস কৰা হয়। (২) কাৰোবাক ধেমালিতে কাটিবলৈ দা টোঁৱালে সেই অস্ত্ৰই নিজৰে অনিষ্ট কৰে বুলি বিশ্বাস। তাৰ পৰা হাত সাৰিবলৈ সেই অস্ত্ৰৰ দ্বাৰা মাটিত তিনিবাৰ সামান্য-ভাৱে আঘাত কৰিব লাগে (৩) পৰীক্ষাৰ্থীয়ে আলুগুটি, কণী খাই গ'লে নাইবা পাঁচটা পদূলি মুখ অতিক্ৰম নকৰোতেই যদি উভতি চায় তেন্তে পৰীক্ষা বেয়া হয়। (৪) শিলত বহিলে গা গধুৰ হয় বুলি বিশ্বাস। (৫) গোবৰত থুই পেলালে "সেপটুকিব" (টনচিল) নোৰৰা হয়হেনো। ইয়াৰ প্ৰতিকাৰাৰ্থে ধান খেৰ এডালি একে উশাহতে সাত ডোখৰ কৰি ছিঙিব লাগে বুলি বিশ্বাস। (৬) যাত্ৰা কালত সন্মুখত মৰা গছ বা বামত তুলি খোৱা নাও দেখিলে যাত্ৰা বেয়া হয়। (৭) জোনৰ পোহৰত কিতাপ পঢ়িলে কুকুৰীকণা হয় বুলি বিশ্বাস (৮) গাকত বহিলে মূৰৰ বিষ হয় বুলি বিশ্বাস কৰা হয়। (৯) মানুহৰ শৌচৰ ওপৰত জলকীয়া দি জুই দিলে শৌচ কৰোঁতাজনৰ শৌচদ্বাৰত ঘা হয় বা পোৰে বুলি বিশ্বাস। (১০) সোঁ-হাতেৰে ভাগিনীয়েকক কোবালে হাত কঁপে বুলি বিশ্বাস। (১১) মাঘ মাহত পঁইতা ভাত খালে বল বাঢ়ে বুলি বিশ্বাস, "মাঘত পঁইতা বাঘৰ বল।" (১২) বহাগ বিহুৰ আগতে আম খালে পঁয়া লাগে বুলি কয়। (১৩) পিয়াহত পানী খুজিলে নিদিয়াজনৰ "পানী-পিয়া" চৰাই হ'বৰ আকাঙ্ক্ষা হয়। (১৪) মানুহৰ গাত ধৰি থিয় হ'লে উঠোঁতাজনৰ বেমাৰ-আজাৰ আনজনৰ গালৈ সোঁচৰে বুলি কোৱা হয়। (১৫) মাহৰ প্ৰথম পক্ষত বাওঁহাত খজুৱালে টকা পায় আৰু শেষৰ পক্ষত খজুৱালে টকা যায় বুলি বিশ্বাস। (১৬) ৰাতি আইনা চালে মাক-বাপেক মৰা বুলি বিশ্বাস কৰে।

লোক বিশ্বাস সমূহৰ উৎপত্তি সম্পৰ্কে কোৱা টান। কিছুমানে হয়তো "কাকো পৰে তালো সৰে" তেনেকৈয়ে উৎপত্তি হোৱা বুলি ক'ব খোজে আৰু সেইদৰে ইজনৰ পৰা সিজনৰ মুখ বাগৰি বাগৰি চলি আহিছে।

আন কিছুমানে হয়তো সৰু সৰু ল'ৰা-ছোৱালীকে কু-কৰ্মৰ পৰা সৎ পথলৈ আনিবলৈ এইবোৰ সৃষ্টি কৰিছিল বুলি ক'ব খোজে। ল'ৰা-ছোৱালীয়ে কিবা বেয়া কাম কৰা দেখিলে ডাঙৰে হয়তো ভয় দেখুৱাই কৈছিল যে এনেকুৱা কাম কৰিলে এনেকুৱা ফল পাবি ইত্যাদি। সিহঁতে আকৌ ডাঙৰ হ'লে সৰুবোৰক কয়। তেনেকৈয়ে আজিলৈকে মুখে মুখে বহু কথা চলি আহিছে। মুখে মুখে চলি অহাৰ ফলত পৰিস্থিতি ভেদে ইয়াৰ কিছু পৰিবৰ্তন হোৱাটো একো আচৰিত নহয়।

—:—

# সাম্প্ৰতিক অসমীয়া কবিতাত যুগৰ ভয়াবহ চিত্ৰ

অধ্যাপক ভাৰত কলিতা

সাহিত্যই প্ৰথম অৱস্থাত কবিতাৰূপে জন্ম লাভ কৰে। ৰবীন্দ্ৰনাথে ক'বৰ দৰে "পৃথিৱীৰ আদিম অৱস্থাত যেনেকৈ পানী আছিল তেনেকৈ সাহিত্যৰ আদিম অৱস্থাত কেৱল ছন্দতৰঙ্গিতা প্ৰৱাহশালিনী কবিতা আছিল।' আদিম অৱস্থাত জীৱনৰ জটিলতাই মানুহক স্পৰ্শ কৰিব পৰা নাছিল। সেয়েহে তেওঁলোকৰ অনুভূতি তথা চিন্তা সহজ সৰল সাৱলীল গতিৰে কবিতাত প্ৰকাশ পাইছিল।

কিন্তু সময় আগবাঢ়িল। আধুনিক যান্ত্ৰিক সভ্যতাই সামাজিক জীৱনলৈ কঢ়িয়াই আনিলে বিভিন্ন জটিল সমস্যা। মানুহৰ সামাজিক জীৱন খণ্ডিত হৈ পৰিল। আজিৰ নাগৰিকৰ জীৱন জীৱিকাৰ বাবে তুমুল সংগ্ৰাম, আত্মঘাতী প্ৰতিযোগিতা, অসঙ্গতি, দ্বিধা, সন্দেহ, বিচ্ছিন্নতাবোধ আদিৰে ভৰি পৰিল। সাম্প্ৰতিক আৰ্থ-সামাজিক ব্যৱস্থাত মানুহৰ বহু আদৰ্শৰ, বহুতো সামাজিক প্ৰমূল্যৰ অপমৃত্যু ঘটিল। সুস্থ জীৱনবোধ মানুহৰ মনৰ পৰা ক্ৰমে ক্ৰমে আঁতৰি যাবলৈ ধৰিলে। প্ৰকৃততে বিভিন্ন সামাজিক সমস্যাই মানুহৰ মন অস্থিৰ কৰি তুলিলে। ফলত সমাজ আৰু ব্যক্তি জীৱনত দাৰুণ সংকটৰ সৃষ্টি হ'ল। মানুহ হৈ পৰিল নিঃসঙ্গ। টি, এছ এলিয়টৰ ভাষাত 'And now you lived despersed and no man knows who is his neighbour—'' "অৰ্থাৎ মানুহে এতিয়া অকলশৰে বাস কৰে আৰু প্ৰতিজন মানুহেই নেজানে তেওঁৰ প্ৰতিবেশী কোন।"

যুগৰ উত্তেজনাই শিল্পী তথা কবিকো সহজ পথেৰে আগবঢ়াত বাধা প্ৰদান কৰিছে। যুদ্ধ, দুৰ্ভিক্ষ, মহামাৰী, দৰিদ্ৰতা, ৰাজনৈতিক সংকট, সাম্প্ৰদায়িক সংঘৰ্ষ, জীৱনৰ অনিশ্চয়তাই আজিৰ কবি সকলকো কঠিন জীৱন বীক্ষাৰ সন্মুখীন কৰি তুলিছে। সাহিত্য যিহেতু সমাজৰেই প্ৰতিফলন, বৰ্তমানৰ কবিতাতো আজিৰ সময়ৰ বিভিন্ন জটিল সমস্যা সমূহ প্ৰতিফলিত হোৱাটো স্বাভাৱিক। বৰ্তমানৰ যুগৰ ভয়াবহতা সম্পৰ্কে এজন পোলেণ্ডৰ কবিয়ে খুব নিখুঁত ভাবেই বৰ্ণনা কৰিছে—"এতিয়া আৰু গোলাপৰ কাৰণে কন্দাৰ সময় নাই য'ত সমগ্ৰ পৃথিৱী পুৰি ছাৰখাৰ হৈ গৈছে।" আমাৰ প্ৰতিবেশী ৰাজ্যৰ এজন কবিৰ কণ্ঠতো একেই সুৰ শুনা যায়—

ঘুণগ্ৰস্ত এই যুগ, মৃত্যু জৰে কঁপে হাৰে।"

দ্বিতীয় মহাযুদ্ধৰ পিছত ভাৰতৰ লগতে আমাৰ অসমীয়া সামাজিক জীৱনতো এক বিৰাট জোকাৰণিৰ সৃষ্টি হ'ল। লগে লগে আমাৰ শিল্পী-সাহিত্যিকৰ চিন্তা জগতখনিকো ওলট-পালট কৰি দিলে। কবি হেম বৰুৱাৰ ভাষাত এয়া দ্বিতীয় বিশ্বযুদ্ধৰ ভয়াবহতা—

'ৰজাই ৰজাই ৰণবিগ্ৰহ তীখাৰ আস্ফালন
আমি খাণ্ডৱদাহ
অগ্নিশিখাৰ পুৰি ছাই হোৱা বিৰিণাৰ ফুল
আমাৰ পিৰামিড, হিৰোচিমা, নাগাচাকি।

—হেমবৰুৱা

যুদ্ধই আমাৰ সকলো পৰম্পৰা, পুৰণি ধ্যান-ধাৰণা সলনি কৰি গ'ল। আনহাতে এই যুগতেই পুৰণিক ভাঙি-ছিঙি নতুনক গঢ় দিবলৈ আমাৰ সমাজত এক নতুন প্ৰচেষ্টা আৰম্ভ হ'ল—

দৃপ্ত হাতৰ হাতুৰীৰ কোব
ফিৰিঙতি সৌ চিটিকি পৰে
ৰঙা তীখা পিটি, বিজয়ী মানুহে
নতুন যুগৰ সূচনা কৰে।

—অজিত বৰুৱা

দেশে স্বাধীনতা পালে। স্বাধীনতাৰ পিছত আমাৰ সমাজে যি বিচাৰিছিল, যি সপোন দেখিছিল, সি জানো বাস্তৱত ৰূপায়িত হ'ল? স্বাধীনতাৰ প্ৰায় চল্লিছ বছৰ পিছতো দেশত আৰ্থিক সঙ্কটৰ লগতে আমাৰ মানবীয় প্ৰমূল্য সমূহৰ কেনেদৰে অপমৃত্যু ঘটিল তাকে বৰ্ণনা কৰিছে কবি নৱকান্ত বৰুৱাই—

'লাজপোৰে প্ৰথমাপ্ৰিয়াৰ,
ভোগালীৰ মেজিপোৰা গৰখীয়া ল'ৰাটিৰ
বহাগী সপোনপোৰে,
শিশুৰ হাঁহি পুৰি কৰে
খেলত হকাৰ।

—নৱকান্ত বৰুৱা।

স্বাধীনতাই আমাক কোনো নিশ্চয়তা, নিৰাপত্তা প্ৰদান কৰিব নোৱাৰিলে। আমাৰ মধ্যবিত্ত সমাজৰ জীৱনৰ গতি অনিশ্চয়তা, শঙ্কা আৰু স্থৱিৰতাৰে ভৰি পৰিল—

এনেকৈয়ে, এনেকৈয়ে আমি নামি যাওঁ
ওপৰত কপ্ন স্বৰ্গৰ বাৰান্দা
তলত জীৰ্ণ-জীৱিকাৰ ফুটপাথ
মাজত অনিশ্চয়তাৰ শঙ্কা
আকৃতিবিহীন এটা 'যদি'
যদি আমি বৈ যাওঁ।

— নৱকান্ত বৰুৱা।

এইদৰে আমাৰ মধ্যবিত্ত সমাজখনে দোদুল্যমান অৱস্থাত এটা 'যদি'ৰ মাজত ভয়াতুৰ হৈ গুলমি থাকিল। কিন্তু এই সঙ্কট গাওঁতকৈ চহৰলৈ অলপ আগতীয়াকৈ আহিল। চহৰীয়া জীৱনৰ জটিলতাই মানুহৰ মানসিক শান্তি একেবাৰে নাইকিয়া কৰি দিলে। কবিয়ে শান্তি বিচাৰি সৰ্ব্ব-সাধাৰণ মানুহৰ ওচৰ চাপিব খুজিলে—

আমাৰ কাৰণে যদি শান্তি আছে
চিৰশিশু মানুহৰ মহা মূঢ়তাত
তামোলৰ পিক্ সনা আইতাৰ ভ্ৰধলা চুমাত।

— নৱকান্ত বৰুৱা।

কিন্তু আজি সত্তৰ দশকৰ পিছত আমাৰ সাধাৰণ মানুহৰ মাজত সেই সৰলতা আছেনে? কি গাওঁ, কি চহৰ সকলোতে একে অৱস্থা বিৰাজমান। বুৰ্জোৱা শাসন ব্যৱস্থাই নাগৰিকৰ জীৱনৰ নিৰাপত্তা নাইকিয়া কৰি দিছে। বড় বিৰঙৰ সাম্ৰাজ্যবাদী

শক্তিয়ে দিনে দিনে দেশত লুণ্ঠন বঢ়াই আছে। তীব্ৰ আৰ্থিক সঙ্কট তথা ৰাজনৈতিক অত্যাচাৰে মানুহৰ জীৱন ভীষণ অনিশ্চয়তালৈ ঠেলি দিছে। প্ৰকৃততে আজি ভাৰতীয় সমাজ জীৱন স্থবিৰ হৈ পৰিছে।

যʼৰ পৰা থামি গৈছে সুখৰ শোভাযাত্ৰা
মুখৰ ৰেল ইঞ্জিন
যʼৰ পৰা থামি গৈছে স্বদেশ সময়,
যʼৰ পৰা আমাৰ ভাৰতবৰ্ষ।

— সনন্ত তাঁতি।

সময়ৰ এই স্থবিৰতাত, সময়ৰ এই গতিহীনতাত কবি কিদৰে আছে —

কেনে আছো মোক সুধিবা
মইও মোক সোধা নাই
কলঙেৰে উটি আহে মুণ্ডহীন এজনী ছোৱালী।

— নীলমণি ফুকন।

কবিৰ মনত তীব্ৰ বেদনাৰ সুৰ। গভীৰ বেদনালৈয়ে তেওঁ জীয়াই আছে। ভয়াবহ সময়ে তেওঁৰ বুকুখন পুৰি ছাৰখাৰ কৰি পেলাইছে—

হৃদয় পুৰি জ্বলি উঠে
এটি বিদ্যুত চিৎকাৰ
কপালত যেন নৃত্যৰত কাল।

—নীলমণি ফুকন।

কবি সনন্ত তাঁতিৰ কণ্ঠত নিষ্পেষিত সময়ৰ কি সুন্দৰ প্ৰতিধ্বনি —

দুহাতত অনন্ত যন্ত্ৰণা মোৰ হৃদয়
আৰু প্ৰস্ফুটিত কলিজাত মোৰ প্ৰৱাহিত তেজময়
শিৰাৰ ভিতৰত অনন্ত বেদনা
যেন মই ক্ষিপ্ত সময়ৰ নখৰ আঁচোৰত ক্ষতবিক্ষত
যেন মই মহাকালৰ নিষ্পেষণৰ আহত।

— সনন্ত তাঁতি।

সময়ৰ তীক্ষ্ণ নখৰ আঁচোৰত আজি গোটেই সমাজ খনেই আহত হৈ পৰিছে। জীৱন এতিয়ামাথোঁ এমুঠি ছাঁইত পৰিণত হৈছে—

গাওঁখন যেতিয়া এজাক
ঢোৰাকাউৰী হৈ উৰি গʼল
কুকুহা হৈ ধানবোৰ
পকাডালিমৰ গুটিৰ দৰে মাতবোৰ
যেতিয়া ছাঁই হʼল।

— নীলমণি ফুকন।

গাওঁখন এজাক ঢোৰাকাউৰী হোৱা আৰু পকা-ডালিমৰ গুটিৰ দৰে মাতবোৰ ছাই হোৱা-সামাজিক অৱক্ষয়ৰ সুন্দৰ চিত্ৰ ইয়াতকৈ আৰু কি থাকিব পাৰে। সমাজৰ এই ৰূপটো দেখাত সাধাৰণ যেনেই লাগে ; কিন্তু ই কিমান ভয়ঙ্কৰ—

কথাটো বৰ সাংঘাতিক
নিজৰ চকু দুটা নিজে কাঢ়ি
হাতত লৈ ফুৰাৰ দৰে
সাধাৰণ
পাৰ এযোৰ পোহাৰ দৰে।

—নীলমনি ফুকন।

বৰ্ত্তমান সময় অন্ধকাৰ সময়। স্বৈৰাচাৰী শাসক গোষ্ঠীয়ে বিভিন্ন কʼলা আইন প্ৰয়োগ কৰিছে আৰু কত নিৰীহ লোকৰ যে প্ৰাণ নাশ কৰিছে সি বৰ্ণনাতীত—

আজি বৰ অন্ধকাৰ আৰু সেয়ে
ইপ্সিত শব্দ ৰাজি যেন কʼৰবাত অন্তৰ্হিত
মাথোঁ কʼলা নদীৰ বুকুৰে ভাঁহি যায়
শত শত লক্ষীন্দাৰৰ ভেলা
...................... .....
........................

প্ৰাগ ঐতিহাসিক দাঁত নখে এতিয়াও
ৰছৰাই থৈ যায় নিদাৰুণ ক্ষত।

—দীনেশ গোস্বামী।

মানুহৰ আদিম হিংস্ৰতাৰ এতিয়াও কোনো অৱসান ঘটা নাই। কেঁচীবাদী শক্তিৰ ক'লা হাতোৰাৰ প্ৰভাৱত বহুতো যুৱক যুৱতীয়ে অকালত প্ৰাণ হেৰুৱালে। দুখৰ বতাহে সকলো ছানি ধৰিলে—

"এতিয়া ইয়াত
দুখৰ ডেউকা কোবাই
দুপৰ বাগৰি যায়
ঢাকি থয় কাৰ ক'লা হাতে
কেঁচা মাহ হালধিৰ মুখৰ প্ৰহৰ।"

লক্ষহীৰা দাস।

শোষণ নীপিড়নত আজিৰ মানুহ অৰ্দ্ধমৃত। যেন কোনেও কাৰো মুখলৈ চাব নোৱাৰে। তাকে দেখি কৱি ব্যথিত—

"তোমাৰ জোলোঙাত মৰা মানুহৰ হাড়
আৰু আধামৰা ভঙা কলিজা
এতিয়া মই কেনি যাওঁ, কাৰ মুখলৈ চাওঁ।"

—জ্ঞান পূজাৰী।

আজিৰ মানুহ জীৱন আৰু মৃত্যুৰ এক সন্ধিক্ষণত জীয়াই আছে—

"জীৱনো নহয় মৃত্যুও নহয়
এক অদ্ভূত ভাৱে তিষ্ঠি থকা
প্ৰতিখন নগৰী আজি ধূমায়িত যুদ্ধক্ষেত্ৰ
প্ৰতিখন গাৱঁৰ মূল্যমান আজি বিপৰ্য্যস্ত।"

—দীনেশ গোস্বামী।

সকলোতে অৱক্ষয়ৰ এক তাণ্ডৱ নৃত্য। শাসক শোষক গোষ্ঠীৰ ৰক্ত পিপাসাত সমাজৰ ৰাতিপুৱাৰ নিৰ্মলতা আজি ৰক্তাক্ত—

"দোকমোকালি, দোকমোকালি
তোৰ কি তেজৰ তৃষা
বুকুচিৰি গালে-মুখে সানি লৈ
কলিজাৰ তেজ
হলি তই ৰাঙলী উষা।"

—প্ৰফুল্ল কুমাৰ গায়ন।

অকল সিমানেই নে? অন্যায়ৰ দূষিত আৱৰ্জনাই ন্যায়ক জীৱন্তে কবৰ দিছে—

"এদিন আন্ধাৰলৈ নামি যোৱা দেখিলোঁ
ন্যায়ৰ সূৰ্য্যমূখী ফুল—
অ' আই সুধিবি ব্যথা ক'ত? গোটেইগাত
দমন আৰু শোষণ, কাঁড়ৰ ঘা
য'ত ত'ত।

—অবিনাশ শ্ৰেষ্ঠ।

দমন আৰু শোষণে আজিৰ জীৱন ক্ষত-বিক্ষত কৰি তুলিছে। এই প্ৰতিকূল পৰিস্থিতিত সকলোতে অস্বাভাৱিক পৰিবেশ বিৰাজ কৰিছে। কিন্তু এই অৱস্থা নিতান্তই অবাঞ্ছনীয়—

"আবাঞ্ছনীয় প্ৰতিকূলতাত নিঃচ্ছিন্ন মানুহৰ মৰ্ম্ম
নামি আহে এন্ধাৰ
অৰণ্যই খোজ কাঢ়ে, সলনি হয় ঋতুৰ স্বাভাৱিক ৰং
বিধ্বস্ত সমাজ চেতনা, ন্যায়, অন্যায়, আপোন আন্তৰিকতা
সামগ্ৰিক ভাৱে নামি আহে
জীৱনৰ বিড়ম্বনা।"

—তৰুণ বৰুৱা।

দেশৰ ৰাজনীতিৰ চক্ৰান্তত অৰ্থনৈতিক অৱস্থা ভাগি পৰিছে, সাম্প্ৰদায়িক সংঘৰ্ষ ঘটিছে, মানুহ মৰিছে, ঘৰ জ্বলিছে, নাৰী ধৰ্ষিতা হৈছে। তাকে দেখি আমাৰ প্ৰতিবেশী ৰাজ্যৰ কবিয়েও লাজতে মুখ ঢাকিছে—

"জ্বলছে !! জ্বলিছে প্রাণ, পুড়ছে ঘর, মরছে মানুষ,
আসামে, পাঞ্জাবে – মোরাদাবাদে, আলিগড়ে।
হিংস্র কামনায় মত্ত আততায়ী আসে।
লজ্জায় মাথা নত হয় ভাগলপুর—বাগপতে।"
একেই কণ্ঠ উচ্চাৰিত হয় অসমীয়া কবি কণ্ঠত—

"সময়ৰ দুহাতত এয়া সুৰনৈ অসুৰ
এন্ধাৰত জ্বলি থাকে ৰক্তাক্তি ছমৰীয়া
নেলী – গহপুৰ।"

—ৰবীন্দ্ৰ বৰা

অথচ যি শাসক গোষ্ঠীয়ে দেশৰ জন-জীৱনত ইমান বিশৃঙ্খল নমাই আনিছে সেই ভদ্ৰলোক সকলেও কিন্তু কোনো ঔপনিবেশীক শক্তিৰহে দালালী কৰিছে—

"দিনত ভৰা গৰা গহীন যোজৰ মানুহ
ৰাতি ঔপনিবেশৰ দালাল
যি কোনো মুহূৰ্ত্তত মই নিজৰ ঘৰতজুই দি
হিজবাৰ সতে হনিমুন কৰি আহিব পাৰো
পেনচিল-ভেনিয়াত।"

– ৰবীন্দ্ৰ চৰকাৰ।

এই ভদ্ৰলোক সকলে নিজৰ ঘৰত জুই দি ব্যক্তিগত স্বাৰ্থ পূৰণ কৰিব পাৰে—দেশ খনক আনৰ ওচৰত বিক্ৰী কৰিব পাৰে। তাৰ কাৰণে যদি কোনোবাই, প্ৰতিবাদ কৰে – তেন্তে –

'ৰাতিক দিন, আৰু দিনক ৰাতি বুলি ক'লে
আমাৰ নচলে আই
আৰু সেই বাবেইতো আমাৰ মূৰৰ ওপৰত
অহৰহ ওলমি থাকে শত্ৰুৰ শানিত অস্ত্ৰ।

—মোহন কৃষ্ণ মিশ্ৰ।

অৰ্থাৎ মানুহৰ প্ৰতিবাদী কণ্ঠ আজি সিহঁতে বেয়নেটৰ তীক্ষ্ণ জোঙেৰে স্তব্ধ কৰি দিছে।

সমাজত সৎ মানুহ বিচাৰি আজি হাবাথুৰি খাবলগীয়া হৈছে—

"এতিয়া মানুহ আঙুলিৰ মূৰত লেখিব পাৰা।
নাই নাই বাকীবোৰ মানুহত
কোনো মানুহ নাই।
মানুহ ক'ত পায়
মানুহ !!"

—গায়ত্ৰী সেন।

আজি দেশৰ এই অৱস্থাত প্ৰতিজন মানুহৰেই অসুখ। অন্যায় অবিচাৰৰ মৈতে সহবাস কৰি থকা সকলে এনেকৈ থাকিয়েই যেন ভাল পোৱা হৈছে—

ৰোগত আক্ৰান্ত হৈ প্ৰতিজনেই ভালপোৱা হৈছে
নিঃসঙ্গ জীৱন
সুখৰ প্ৰতি নিৰ্মোহ
জীৱনৰ প্ৰতি নিস্পৃহ
এতিয়া এইটোৱে সত্য

—তৰুণ বৰুৱা।

চৰম বিচ্ছিন্নতাবোধে মানুহৰ জীৱন খুলি খুলি খাইছে। আজিৰ মানুহে নিজেই নিজক চিনি নোপোৱা হৈছে —

আইনাত দেখা এই মানুহজনেই মই নেকি?
..........................................................
এইজনেই জানো সেইজন
যিজন মোৰ একান্ত নিজ
মাজে মাজে মোৰ সন্দেহ হয়।

—হৰেকৃষ্ণ ডেকা।

এইবোৰ দেখি শুনি কৰি হিয়া মৰ্মাহত –

"কিমান কান্দিম মই
চোতালত বিষাদৰ ঘাঁইনি
বাৰীত দুখৰ ওখ ওখ গছ
ভৰসাৰ নৈত কেঁচা তেজৰ সোঁত
কি কঠিন দুখৰ ঋতু।"

—সুভাষ সৰকাৰ।

মানুহৰ আশা আকাংক্ষা আৰু সপোনবোৰ হেৰাই গ'ল। চৰম অস্থিৰতাত মানুহে দিন নিয়াব ধৰিলে —

বোপাই আৰু ন'ক'বি
পানী শুচি শিল হ'ল
অন্ন শুচি বিষ হ'ল
চাব নোৱাৰোঁ
শুনিব নোৱাৰোঁ
ক'ব নোৱাৰোঁ
ভাবিব নোৱাৰোঁ
খাব নোৱাৰোঁ
শুব নোৱাৰো।

—নীলমনি ফুকন।

এই ভয়াবহ বিপৰ্যয়তো কৱিয়ে কিন্তু আশা হেৰুওৱা নাই। দেশৰ দৰিদ্ৰ জনসাধাৰণৰ বাবে কবি চিৰ জাগ্ৰত হৈ আছে —

নিৰন্নৰ মুখৰ অক্লান্ত আকাংক্ষাৰ
দোলা-ভাৰী কবি, উজাগৰে আছো —
ধুমুহাত বিপৰ্য্যস্ত দিন, বিপৰ্য্যস্ত ৰাতি
বিপৰ্য্যস্ত সকলো অৰণ্য
এনেকৈয়ে কঠিন হৈছে শৰীৰ, এতিয়া
পোহৰৰ বাবে অন্ধকাৰ ফালি ৰাজপথেদি
আহি আছে।

—মোহন কৃষ্ণমিশ্ৰ

দুঃসহ সময়ৰ ধুমুহা অতিক্ৰম কৰি কৱিৰ শৰীৰ কঠিন হৈছে। অলি পুৰি ছাৰখাৰ হৈ যোৱা সময়ৰ এই গভীৰ আন্ধাৰত কৱিয়ে চৰম আশা বুকুত বান্ধি ফেঁহুজালিৰ বাবে ৰৈ আছে—

বান্ধে ঐ, বুকুৰে বান্ধে
সেউজৰ মাত ফুটক
চাপৰি বাগৰি নেমাৰিবি,
কথা দে, কথা ৰাখা
পোৰা ভেটিত, চনপৰা মাটিত
শ্মশানত, কবৰখানাত
আকৌ আবাদ কৰ
ফেঁহুজালি দিয়ক
ইমান আন্ধাৰ।

—অজনী চক্ৰৱৰ্ত্তী

এইয়ে আমাৰ সাম্প্ৰতিক সময়, সম্প্ৰতিক সমাজ, সাম্প্ৰতিক মানসিকতা। বিভিন্ন কৱিৰ বিভিন্ন কণ্ঠত আজিৰ সময়ৰ এই ভয়াবহ ৰূপটো উদাত্ত কণ্ঠে প্ৰকাশিত হৈছে॥

---

সহায় লোৱা গ্ৰন্থ —
১। কৱিতাৰ ৰূপৰেখা ডঃ লক্ষহীৰা দাস
২। বিভিন্ন আলোচনী, বিভিন্ন কৱিৰ কবিতা পুথিৰ পৰা কবিতাংশবোৰ লোৱা হৈছে।




“এইটো মোৰ ভেম নে অহঙ্কাৰেই মই ক'ব নোৱাৰোঁ, মই দেখোন মহাভাৰতৰ অৰ্জুনৰ দৰে কৃষ্ণক আগত লৈ সাৰথি কৰি কুৰুক্ষেত্ৰ ৰণ জিকাতকৈ কৰ্ণৰ দৰে বহুত শাওপাত আৰু অভিশাপ মূৰত লৈ ৰণ কৰি পৰাজয় বৰণ কৰাটোকে যেন বেছিকৈ ভাল পাওঁ।'

॥ শিল্পীপ্ৰাণ চন্দ্ৰ ফুকন ॥

“সেই শিল্পই খাঁটি শিল্প য'ত জীৱন প্ৰতিফলিত হয়। তাৰ মাজতে বিচাৰি পোৱা যাব সংঘাত, সংগ্ৰাম, প্ৰেৰণা, জয়-পৰাজয় আৰু জীৱনৰ ভালপোৱা। বিচাৰি পোৱা যাব মানুহৰ জীৱনৰ প্ৰতিটি দিশ। সেয়াই হৈছে প্ৰকৃত শিল্প যি জীৱন সম্পৰ্কে মানুহক অসুস্থ ধাৰণা নিদিয়ে।”

॥ নাজিম হিকমত ॥

# সম্পাদনা সমিতি



বহিথকা ( বাওঁফালৰ পৰা ) : অধ্যাপক ৰঞ্জিত কুমাৰ বৰা ( তত্ত্বাৱধায়ক ),
অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া ( সভাপতি ),
অধ্যাপক এম. হবিব উল্লাহ ( উপদেষ্টা )
থিয় হৈ ( বাওঁফালৰ পৰা ) : এম. ৰফিকুল হাছান ( সম্পাদক ),
মহঃ মুক্তাৰ হুছেইন ( সদস্য )
কুমাৰী মিনতি শৰ্মা ( সদস্যা )
পবিত্ৰ পাঠক ( সদস্য )
দীপেন্দ্ৰ পাঠক ( সম্পাদক )
[ অধ্যাপক-উপদেষ্টা উমেশ চন্দ্ৰ কৰ আলোক-চিত্ৰত নাই ]

# ॥ সূচী-পত্ৰ ॥

## ॥ কবিতা-কানন ॥


১। সংকল্প ॥

২। মই এজন দেশ নেতা ॥

৩। জীৱন সংগ্ৰাম ॥

৪। অনুভূতি ॥

৫। সংকল্প-শিখা ॥

৬। বিকল্প ॥ উপলব্ধি ॥

৭। নিষ্ফল আশা ॥

৮। প্ৰতীক্ষা ॥

৯। তুমি মোক ভাল পোৱা আৰু... ॥

১০। মনৰ জোঁৱাৰ ॥

১১। সন্ধান ॥

॥ শ্ৰীদ্বীপেন ঠাকুৰীয়া ॥

॥ অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস ॥

॥ শ্ৰীহৰমোহন নাথ ॥

॥ কুমাৰী মিনতি শৰ্মা ॥

॥ অধ্যাপক এম. হবিব উল্লাহ ॥

॥ অধ্যাপক শ্ৰীনীলকমল বৰদলৈ ॥

॥ শ্ৰীদীনেশ কলিতা ॥

॥ শ্বাহ নেওৱাজ ৰহমাতুল্লাহ ॥

॥ মহঃ মুক্তাৰ হুছেইন ॥

॥ এম্ ৰফিকুল হাছান ॥

॥ অধ্যাপিকা কল্যাণী দাস ॥


" কবিতা যৌৱনৰ দূত, নীলিমাৰ অমল-দৰ্পণ আকুল।
মোৰ স্মিত-উদ্যানত তুমি প্ৰতিদিনেই একো একোটা ফুল ॥

—হীৰেণ ভট্টাচাৰ্য



# সংকল্প

শ্ৰীদীপেন ঠাকুৰীয়া
স্নাতক মহলা

দিনবোৰ ছিঙি ভাঙি যায়, কোৰৰ চাবত
আৰু নাঙলৰ ফালৰ আগত
ই যে এক দুৰ্দম প্ৰয়াস—
জীয়াই থকাৰ।
তেজবোৰ দেখোঁ শেষ হৈ যায়
তেজপিয়াৰ মুখত—
তেজাল বাহুৰ আঁৰত লুকাই থকা শিৰাবোৰ
জক মকাই ওলাই পৰে
তেজপিয়াৰ শোষণত।
ই জানো আমাৰ শক্তিহীনতাৰ পৰিচয়?
নহয়—
আমাৰ বাহু দুৰ্বল নহয়।
আমাৰ বাহুৰ কোৰৰ চাবত, দিনবোৰ ছিঙি
ভাঙি যায়—
ই জানো ধ্বংসৰ পৰিচয়?
নহয়—
মাথোঁ, কালৰূপী দিনবোৰহে ছিঙি ভাঙি যায়
বৈ যায়
সংকল্প আমাৰ
নতুন সমাজ গঢ়াৰ
আমাৰ স্বাধীনতাৰ আঁৰত লুকাই থকা
শিকলি ছিঙাৰ, পৰাধীনতাৰ।

# ঃমই এজন দেশ নেতাঃ

অধ্যাপক, শ্ৰীউমেশ চন্দ্ৰ দাস

মই এজন দেশ নেতা,
'ষ্টেটমেণ্ট' মোৰ কথা।
সুন্দৰ কথাৰ ফুলজাৰিৰে
লভোঁ মই বহু বঁটা॥

মই এজন দৰদী নেতা,
ডাঙৰ লোকৰ মৃত্যু শুনি
প্ৰচাৰোঁ শোকৰ কথা।
জোৱান মোৰ পৰম বন্ধু,
আন্দোলনকাৰী মোৰ শত্ৰু,
জোৱানৰ গুলীত যুৱকৰ মৃত্যুত
টোকোঁ মিছা চকুপানী।
ছেগ চাই মই বাতৰি কাকতত
প্ৰচাৰ কৰোঁ শোকৰ বাণী॥

দেশৰ হকে মাত মতাৰ
মোৰহে অধিকাৰ!
মিছাতে কিয় যুৱকবোৰে
কৰে হাঁহাকাৰ॥

সংবিধানৰ নামত শপত খাওঁ,
মহাত্মা গান্ধীৰ বাণী গাওঁ,
পিছপৰা শ্ৰেণীৰ কল্যাণৰ নামত
দেখোঁ লাভৰ বাট।
ন্যায্য দাবী কৰিলে দেখোঁ
বিদেশীৰ হে হাত॥
জনসাধাৰণৰ মঙ্গলাৰ্থে
কত যে আঁচনি কৰোঁ।
কমিচনৰ ভাগ নেপালে
কাকো শুদাই নেৰোঁ॥
সৰ্বহাৰাৰ নেতৃত্ব দিওঁ
'ফাইভ-ষ্টাৰ'ত বিহাৰ কৰোঁ।
'কুৰি দফীয়া' আঁচনিৰ নাম
আঁচনি আছে নাই কাম।
'গৰিবী হটাও' আঁচনিৰোঁ —
মই যে এজন হোতা।
লাঞ্ছিত-নিপীড়িতৰ
মই যে এজন নেতা।
মই এজন দেশ নেতা॥

---

[ইংৰাজী ১-২-৮৪ তাৰিখে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সৌজন্যত অনুষ্ঠিত কৱি-সম্মিলনীত পঠিত কৱিতা।]

# জীৱন সংগ্ৰাম

শ্ৰীহৰমোহন নাথ
স্নাতক মহলা

কাইটীয়া যে এই
মানৱ জীৱন
মুহূৰ্ত্ততে আছে মাথোঁ বাধা,
আৰু কত ৰুদ্ধ দ্বাৰ।
আৰু আছে নিৰাশা
হুমুনিয়াহৰ শ্মশান।
তথাপিও জীৱন ডিঙা
ব'বই বব,
সংগ্ৰাম সাগৰৰ বুকুৰে
দুৰ্বাৰ অনিৰুদ্ধ গতিৰে।
এই যে বিনন্দীয়া ধৰা
মাথোঁ আছে দুখ যাতনা,
আৰু তিক্ততাৰে ভৰা।
সংঘাত, সংগ্ৰাম অবিহনে
নহয় ই জীৱন পূৰ্ণ।
এই দুখ এই যাতনা
নাথায় অথলে,
আছে ইয়াৰ পৰিণতি
সময়ে সময়ে।
ধন্য এই মানৱ জীৱন
সংঘাত অবিহনে
নহয় ই পূৰ্ণ।
সংঘাতে আনি দিয়ে
জীৱনৰ নতুন তৰঙ্গ।

# ঃ অনুভূতি ঃ

কুমাৰী ঃ মিনতি শৰ্ম্মা
স্নাতক মহলা

মনটো যেতিয়া বিষাদেৰে
ভৰি পৰে
তেতিয়া তোমাৰ কথা ভাবোঁ।
তোমাৰ দুহাতৰ কোমল স্পৰ্শই
মোৰ মনত অনুভূতিৰ
প্ৰবল জোঁৱাৰ নমায়।
উত্তপ্ত পৃথিৱীত তুমি যেন
এটুপি নিয়ৰ
আৰু মই নিয়ৰ সিক্ত
এপাহ শেৱালী ফুল।
তুমি বাৰু শুনিছানে,
তোমাৰ দুবাহুৰ মাজত
কঁপি উঠা
মোৰ হৃদয়ৰ অস্ফুট স্পন্দন?
মোৰ দেহৰ
শিৰা-উপশিৰাৰে বৈ যোৱা
তপ্ত ৰুধিৰৰ প্ৰৱাহ ধ্বনি।
মনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বৈ যোৱা
উন্মাদ বাসনা
আৰু তৃষ্ণাতুৰ চাতকৰ
পানীৰ পিপাসা।



# সংকল্প-শিখা

অধ্যাপক, এম, হবিব উল্লাহ

আহা,
বন্ধু মোৰ !
চাই যোৱাহে এপাক—
মোৰ পুখুৰীৰ পানী আগৰদৰেই বৈছে।
তেজৰ সোঁতত আজি আৰু
কোনেও গা নোধোৱা হৈছে।
ধেমুত বিষ মিহলি কাঁড়
এতিয়া আৰু কোনেও নোজোৰা হৈছে।
ঘৰৰ মুধচত এতিয়া আৰু অগ্নিশিখা
লৰি ফুফুৰা হৈছে।
বন্ধু মোৰ !
মোৰ পুখুৰীৰ সোঁত আগৰদৰেই বৈছে।
এতিয়া বিবিধৰ আগেদি চিলাহে
উৰি ফুৰিছে —
দীপ, জোন, সোনইঁতে গুণকিডাল
হাতৰ মুঠিত টানকৈ ধৰিছে।
এইবাৰৰ বিহুতলীত
লাহৰীৰ হাতৰ বিছুৱানে
জেহিৰৰ ডিঙি সাবটি ধৰিছে।
হুলেনৰ ঢোলৰ ছেৱত
বুলেনৰ পেঁপাৰ মাতত
বাংগালী জেছমীন-নাছৰীনহঁতেও
গা ঢালি নাচিছে !
মোৰ পুখুৰীৰ পানী আগৰদৰেই বৈছে।
ইকবালহঁতে দিয়া তুলিকাৰে
'কাৰবালা নাট'ত মহৰমৰ
'তাজিয়া' সাজিছে—
যতীনেহে— ।
বিপিনে বিলোৱা 'চৰবত' টুপি
আটায়ে লগে-ভাগে খাইছে।
বন্ধু মোৰ !
অহাবেলি বিহুত তুমি আহিবা
ঈদৰ ছিঁৱৈ খাবলৈ
মোক নেমাতিলেও পাবা
তুমি আহিবা, মহো যাম
মোৰ পুখুৰীৰ পাৰৰ—
প্ৰাণৱন্ত ৰূপ চাই
দুয়ো দেহ মন জুৰ পেলাম।
আৱেগ বৰ্জিত সেই দৃশ্য
সম্প্ৰীতি আৰু মিলনৰ
এটি সত্য, জীৱন্ত আৰু ভাস্বৰ
স্বাক্ষৰ হৈ ৰ'ব। *

[ * ইংৰাজী ১-২-৮৪ তাৰিখে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত কবি-সন্মিলনীত পঠিত কবিতা। •]

# ঃ বিকল্প ঃ

# ঃ উপলব্ধি ঃ

অধ্যাপক, নীলকমল বৰদলৈ

## ঃ বিকল্প ঃ

অনেকৈয়ে পাৰ হৈ যায় প্ৰতিটো দিন—
অপূৰণ আশাৰ স্বপ্নজাল গুঁথি,
জীৱনটো যেন শীতৰ বিষন্ন আবেলি !
মৌন ৰাতি কথা পাতোঁ নিজৰ স'তে,
কাইলৈতো পুনৰ হ'ব লাগিব
কঠিন দিনৰ মুখা-মুখি— ।
বঞ্চনাৰ ইতিহাস ফঁহিয়াই চালে
দেহৰ তেজ টগ্ বগাই উঠে,
মুঠি মাৰি ধৰোঁ সজোৰে কৰ্মঠ হাতদুটি ;
যাৰ বাবে সাজিলোঁ প্ৰাসাদ, বিদীৰ্ণ কৰিলোঁ
পৃথিবীৰ বুকু, কৰিবলৈ শইচ সোণোৱালী,
যাৰ হাঁহিত উজলে মোৰ দুমুনিয়াহৰ -
—পাণ্ডুলিপি,

যাৰ লাবনী মুখত মোৰ বাবে
শাসন কঠোৰ ক্ৰুদ্ধ দৃষ্টি,
মই চিনি পাইছোঁ তাক মোৰ শত্ৰু বুলি।
সতীৰ্থ মোৰ, আহাঁচোন কান্ধচাপি,
শত্ৰুক জিনিবলৈ' লাগে আমাক
বক্তৰ দৰে প্ৰচণ্ড শক্তি !!

## ঃ উপলব্ধি ঃ

কেতিয়াবা এনেকুৱা লাগে যেন—
জীয়াই থকাটোৱে এক মহা বিড়ম্বনা,
হয়তো হব পাৰে-বন্ধু, জীৱিকাৰ কঠিন নিৰ্মম চেপাত
আমি বৰ ক্লান্ত,
হয়তো হ'ব পাৰে—নিতৌ দেখি-মোৰ চৌপাশে,
অলেখ জনৰ
দৃষ্টিকটু জীয়াৰ যন্ত্ৰণা,—
হয়তো হ'ব পাৰে-নিতৌ সহচৰ মানুহৰ দেখি দেখি
লোভ, হিংসা, ছল-চাতুৰি আৰু স্বাৰ্থপৰতা,
হয়তো হ'ব পাৰে – জীয়াই থকাৰ নিৰ্লজ্জ বাসনাত
অন্যায়ৰ স'তে অহৰহ বুজাপৰা।
উৰহি গছৰ দৰে, নিৰিবিলি থকাটোৱেই আমাৰ ধৰ্ম্ম,
আঁচলতে-জানা বন্ধু ! আমি বৰ ভয়াতুৰ,
কিজানিবা কেঁচু খান্দোঁতে সাপ ওলায়।
জানোচা আমাৰ মানাজনৰ (!) মুখা খুলি পৰে !
কাৰণ আমি ভাবোঁ ; মানাৰৰ হুজুৰ সকল
আমাৰ মা-বাপ অন্নদাতা।
ন্যায়-অন্যায়ৰ তুলাচনীখন কাহানিবাই ডা-
ডাঙৰীয়াহঁতৰ হস্তগত।—
বন্ধু ! বিচাৰকইতলো কেনেকুৱা ?
মনত আছেনে বাৰু 'পিঠা ভগোৱা বান্দৰটোৰ কথা' ?

---

[কবিতা দুটি ইংৰাজী ১-২-৮৪ তাৰিখে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সৌজন্যত অনুষ্ঠিত কৱি-সন্মিলনীত পঠিত।]

# নিস্ফল আশা

শ্ৰীদীনেশ কলিতা
স্নাতক মহলা

নিতাল নিস্তব্ধ ৰাতি
ক'তো কাৰো সাৰ সুঁৰ নাই,
মাথোঁ আকাশত তৰাবোৰ সাৰে আছে,
ওৰে ৰাতি সিহঁত উজাগৰে থাকিব
সিহঁতৰ আকুল দৃষ্টিত
কুমাৰী পৃথিবী।
হেজাৰ যুগৰ হেজাৰ বাসনা
সিহঁতৰ বুকুত মিহলি হৈ আছে,
সূৰ্য্যে ৰঙা পোহৰ এচেৰেঙা লৈ
অস্তাচলত মাৰ যোৱাৰ দিন ধৰি
সিহঁতে পৃথিবীক ভাল পাই আহিছে।
কিন্তু ; নিস্ফল সিহঁতৰ আশা,
রুদ্ধ সিহঁতৰ ভাষা,
ব্যৰ্থ সিহঁতৰ প্ৰেম।
সিহঁতে হিয়া উদঙাই পৃথিবীক ভাল পায়
আৰু ভাল পাই থাকিব
কিন্তু সিহঁতে জানো পৃথিবীৰ বহল বুকুত
কেমল সেউজীয়া মৰমৰ পৰশ পাব!
আশাবাদী সেই পলীয়া তৰাবোৰ নামি আহে
পৃথিবীলৈ এবুকু মৰম বিচাৰি
হায়! আদ বাটতে পুৰি ছাই হৈ যায়,
হেজাৰ আকুল আহ্বান, হেজাৰ নিশা

উজাগৰে কটাইছে,
পৃথিবীৰ মৰম জানো
কাঢ়ানিবা পাইছে!
নাই, কেতিয়াও পোৱা নাই
নিস্ফল সিহঁতৰ আশা
রুদ্ধ সিহঁতৰ ভাষা,
ব্যৰ্থ সিহঁতৰ প্ৰেম,
চিৰ বঞ্চিত মানুহৰ দৰে। **

# —প্ৰতীক্ষা—

শ্ৰীহ নেওৰাজ ৰহমাতুল্লাহ
বি. এ. (অনাৰ্চ)

প্ৰভাতী পখীৰ সকৰুণ চিংকাৰত
বিশ্ববাসীক জগাই তোলাত
ক'লা ডাৱৰ পৰে
সুনীল আকাশ, গাওঁ চহৰ আৰু নগৰত
ভাবাক্ৰান্ত হতাশাগ্ৰস্ত মনে
সৰ্বগ্ৰাসী সূৰ্য্যোদয়ৰ ক্ষণ গণি
বেদনাত ম্ৰিয়মান।
কল্পনা প্ৰতিভূ
জ্যোৎস্না বিধৌত ৰজনী
কেতিয়ানো আহিব?
—যেতিয়া বাতৰি আহে
অজস্ৰ খাদ্য বিতৰণ হৈছে
তাত!
সকলো মুখা পিন্ধা
ক'লাবজাৰী, মুনাফা খোৰৰ
ভিখাৰী ৰূপী দেহৰ ভীৰ।
তেতিয়া
নিস্ব-বিকুই জাগ্ৰত হৈ
একেলগে বিপ্লৱ কৰি নিজকে আৱিস্কাৰ ক[...]
এদল ভিখাৰীৰ মাজত
শতচ্ছিন্ন ময়লাক্লিষ্ট আৱৰণ
তথাপিও—
নতুন সূৰ্য্য দেখাৰ প্ৰতীক্ষা।

——

## তুমি মোক ভালপোৱা আৰু.........

মহঃ মুক্তাৰ হুছেইন
প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণী

প্ৰতিবাৰেই তোমাক যেতিয়া লগ পাওঁ
কিযে প্ৰত্যয়পূৰ্ণ দৃষ্টিৰে তুমি মোক
সম্ভাষণ জনোৱা !
ৰাজপথ অথবা বালি চাপৰিত
বন্দীশাল অথবা চৰাইদেউ পাহাৰৰ
নামনিত।
তুমিয়েতো শিকালা মোক
ভালপায় কেনেদৰে মানুহক
কেনেদৰে ভালপায় দেশৰ মাটিক।
সংগীনৰ সমুখতো বুকুপাতি
জাতিদ্বেষীৰ অশেষ আঘাতত
মৃত্যুকে সাৱটি
লাঞ্ছিত অৱলাঞ্ছিত
মন্দিৰৰ প্ৰাঙ্গণে প্ৰাঙ্গণে
তুমিয়েতো দি যোৱা মোক
প্ৰত্যয়দীপ্ত কণ্ঠ
ঘাম আৰু যৌৱনৰ এই যুগমীয়া সমাহাৰ।

---

[১৯৮৩-৮৪ চনৰ মহাবিদ্যালয়-সপ্তাহ-সমাৰোহৰ সাহিত্য প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত কৱিতা]

## ঃ মনৰ জোঁৱাৰ ঃ

এম, ৰফিকুল হাছান
প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী

দোক-মোকালিতে
মোৰ পদূলিত
এজাক বতাহ
বৈ গৈছিল—
তাৰে পৰশত
মোৰ মন বননিত
জোঁৱাৰৰ ঢৌ উঠিছিল—
আৰু
নাচিছিল মোৰ
ভাৱাক্ৰান্ত প্ৰাণ।
ইকি !
হঠাৎ মোৰ অন্তৰ কঁপিছিল
মোৰ ভয় হ'ল
কিন্তু,
ক্ষন্তেক পিছত
নিস্তব্ধ হ'ল
মোৰ প্ৰাণ,
শান্ত বতাহ বৈছিল
সেই পদূলিতে
নীৰবে ! আৰু নীৰবে !! **

## সন্ধান

অধ্যাপিকা কল্যাণী দাস

নিজৰ মাজৰ পৰা ওলাই গৈ
বালি মাহী এটি হৈ
ফুৰিছিলোঁ
আকাশে বতাহে
সেয়া আছিল মোৰ শৈশৱ
নিজৰ ৰূপকে চাই
বিমুগ্ধ নাৰ্চিচাচৰ দৰে
শেষ কৰিলো সোণালী
যৌৱন ।
এতিয়া মাথোঁ তোমাক চাবলৈ বিচাৰোঁ
দেখা পালে এচমকা চকু পচাৰতে
কেনি যে লুকোৱা তুমি
কয়কে
নোৱাৰোঁ ।

---

[ ইংৰাজী ৯-২-৮৪ তাৰিখে মহাবিদ্যালয়ৰ অসমীয়া অসমীয়া বিভাগৰ সৌজন্যত অনুষ্ঠিত কবি-সন্মিলনীত পাঠত কবিতা । ]

---

"মানুহ এনে এটা জটিল জীৱ যে তেওঁৰ কোনো সমস্যাৰেই সহজ সমাধান নাই। বৰং দেখা যায় যে এটা সমস্যাৰ সমাধান কৰিবলৈ গৈ মানুহে আন দহটা নতুন সমস্যাৰ সৃষ্টি কৰে।"

॥ হোমেন বৰগোহাঞি ॥

# ॥ সূচী-পত্ৰ ॥

গীতৰ শৰাই

১। এটি বিহুসুৰীয়া গীত॥
২। মৰহা ফুলৰ সপোন॥
৩। দুটি সমবেত সঙ্গীত॥

॥ মহঃ আব্দুল হাফিজ ॥
॥ শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া ॥
॥ অধ্যাপক ৰঞ্জিতকুমাৰ বৰা॥

---

"মনে মনে মই থাকিব পাৰো, কিন্তু
মই ভাবি আছোঁ।
কথা মই নাপাতিব পাৰোঁ। কিন্তু
তুমি মোক এখন দেৱাল বুলি ভুল নকৰিবা।"

(জাপানী কবিতা)

## ॥ এটি বিহুসুৰীয়া গীত ॥

মহঃ আব্দুল হাফিজ
প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী

অ' মোৰ চেনাইটি ঐ
এইবেলি বিহুতলীত ;
আহঁানে নাহঁা মোৰে অ'চেনাইটি
কৰ্কাল ভাঙি ভাঙি নাচি—
খোপাতে কপৌ ফুল গুঁজি
মুখতে মিচিকিয়াই হাঁহি।
যোৱাবেলি বিহুতে মনৰ উলাহতে
মোৰ সতে নাচিছিলা তুমি।
এইবেলি বিহুতে কি জগৰ লগালোঁ
বিহুলৈ নাহিলা ওলাই……
মনতে ৰচা বিহুনাম এটি
গাবলৈ লগ পোৱা নাই।
এইবেলি বিহুতে, কৰ্কালত টঙালি
ফুলামকৈ গামোচা নাই ……
তাঁতৰ পাটত বহা নাই……
মাকোৰ মাত শুনা নাই ……
নাচনী নাহিলে ওলাই
মনতে ৰচা বিহুনাম এটি
গাবলৈ লগ পোৱা নাই…… ।

* * *

## ঃ মৰহা ফুলৰ সপোন ঃ

শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া
প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী

মই যেন এপাহ
বনৰীয়া ফুল
নিৰ্জনতাত ফুলি বলোঁ
কোনেওঁ যে মোৰ
হৃদয় বাসনাৰ
নুবুজিলে মোল।
মোৰ জীৱন মাধুৰী
শুপুতে ফুলা
ফুলৰ পাপৰিত
দিবানে তোমাৰ প্ৰিয়
মৰমৰ সুবাস
পবিত্ৰ পাপৰিত
মোৰ হৃদয়ৰ যত বাসনা
মৰহি গ'ল বননিত ॥
শুপুতে ফুলোঁ মই
ক'ত আশাৰে
বনৰীয়া ফুলনিত
গমকে নেপালোঁ মোৰ
ফুলাৰ বতৰা
কৃত্ৰিম তাৰ পৃথিৱীত
মোৰ হৃদয়ৰ যত বাসনা
মৰহি গ'ল বননিত ॥

* * *

# দুটি সমবেত-সঙ্গীত

অধ্যাপক ৰঞ্জিত কুমাৰ বৰা

(১)

শুভ লগ্নৰ পদূলিতে
আজি তোমাক প্ৰণাম
সশ্ৰদ্ধ প্ৰণাম
আন্তৰিক প্ৰণাম
সত্যক সাক্ষী কৰি দুৰ্গম
জীৱন পাহাৰ বগাম
পাহাৰ বগাম,
পাহাৰৰ শিৰে শিৰে
নাচি-বাগি উলাহেৰে
উজ্জ্বল নিজৰা বোৱাম।
আজি ঘামৰ টোপালেৰে
গাঁথিছোঁ মুকুতামণি
কণ্ঠ শুৱাই তোমাক পিন্ধাম
একেলগে মিলিজুলি
ভেদাভেদ পৰিহৰি
আমি আগবাঢ়ি বাঢ়ি যাম।
হৃদয়ৰে মৰমেৰে
ফুটুকি ফুটুকি ফুল
কৰণি ভৰাই
আনিছোঁ সজাই
তোমাক প্ৰণাম
সশ্ৰদ্ধ প্ৰণাম
আন্তৰিক প্ৰণাম
আজি তোমাক প্ৰণাম।

(২)

জ্ঞানৰ বন্তি জ্বলিছে আজি
আন্ধাৰ আঁতৰি যাব
নৱ নৱ চিন্তাৰ হ'ব উন্মেষ
পোহৰক স্বাগত জনাব।
পোহৰ পৰিলে জানো থাকে আন্ধাৰ?
ৰশ্মিৰেখাই জানো ভ্ৰান্তি নেপেলায়
অন্ধবিশ্বাসৰ পুৰণিকঁলীয়া
কুঁৱলীৰ কাৰাগাৰ।
সময় সঁফুৰাত এই সোণালী ক্ষণ
চিৰযুগমীয়া হৈ ৰ'ব।
আজি হ'ল আৰম্ভণি
আলোকসন্ধানী যাত্ৰাৰ সমদল
পথে পথে সিঁচি যাম পোহৰৰ ফুল
চৌদিশ হ'ব উজ্জ্বল
নতুন বাৰতা লৈ ৰিব্ ৰিব্ মলয়াই
মনৰ দুৱাৰ মেলিব।
জ্ঞানৰ বন্তি জ্বলিছে আজি
এন্ধাৰ আঁতৰি যাব
নৱ নৱ চিন্তাৰ হ'ব উন্মেষ
পোহৰক স্বাগত জনাব। * * *

বিঃ দ্রঃ ১ নং গীতটি ১৯৮৪ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া বিভাগৰ সৌজন্যত অনুষ্ঠিত হোৱা কবি-সম্মিলনীত উদ্বোধনী গীতৰূপে আৰু ২ নং গীতটি ১৯৮৪ চনৰ ১২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ মূল-ভৱনৰ আধাৰশিলা স্থাপন অনুষ্ঠানত উদ্বোধনী গীতৰূপে পৰিৱেশন কৰা হয়।

# ॥ সূচী-পত্ৰ ॥

## গল্পগুলি


১। অশ্ৰীৰ অপেক্ষা
২। পদক্ষেপ
৩। গতিপথ
৪। পোহৰৰ মৃত্যু
৫। ক্ষয়িষ্ণু
৬। ৰোমন্থন


॥ শ্ৰীপবিত্ৰ কুমাৰ পাঠক ॥
॥ জলিম উদ্দিন আহমেদ ॥
॥ শ্ৰীপ্ৰাণেশ্বৰ কলিতা ॥
॥ আয়নাল হক চৌধুৰী ॥
॥ শ্ৰীদ্বীপেন্দ্ৰ পাঠক ॥
॥ মোঃ কবিৰ হুছেইন ॥


"গল্প আৰু উপন্যাস দেশ আৰু কালৰ সীমাৰে জুখিব নোৱাৰা শাশ্বত মানৱাত্মাৰ জীৱন-গাঁথা।"

— ত্ৰৈলোক্য ভট্টাচাৰ্য।

## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সমিতি।

### বছৰঃ ১৯৮৩-৮৪ ইংৰাজী



**বাওঁফালৰ পৰা (বহি) :** অধ্যাপক ভাৰত কলিতা (শুকখেল বিভাগ, তত্বাৱধায়ক), অধ্যাপক বীৰেণ েওগ (ক্ৰীড়াবিভাগীয় তত্বাৱধায়ক), অধ্যাপক নীলকমল বৰদৈ (সংগীত বিভাগীয় তত্বাৱধায়ক), অধ্যক্ষ শ্ৰীদেৱপ্ৰসাদ শইকীয়া (সভাপতি), অধ্যাপক এম. হবিব উল্লাহ (তত্বাৱধায়ক), অধ্যাপক ফণীধৰ তালুকদাৰ আৰু অধ্যাপিকা দীপ্তিৰেখা পাঠক সাংস্কৃতিক বিভাগীয় যুটীয়া তত্বাৱধায়ক।)

**বাওঁফালৰ পৰা (থিয় হৈ) :** বিভূতি ঠাকুৰীয়া (সম্পাদক, সমাজ-সেৱা), দীপেন্দ্ৰ পাঠক (সম্পাদক, সাহিত্য বিভাগ, পবিত্ৰ পাঠক (সম্পাদক, সংগীত বিভাগ), অধ্যাপক ৰঞ্জিত কুমাৰ বৰা (তত্বাৱধায়ক, সাহিত্য বিভাগ), অধ্যাপক উৎসৱানন্দ দাস (তত্বাৱধায়ক), ভৈৰৱ ৰয় (যুটীয়া সম্পাদক, সাংস্কৃতিক বিভাগ), শ্যামাচৰণ ঠাকুৰীয়া (আহ্বায়ক ছাত্ৰ একতা সভা), কবিৰ হুছেইন (যুটীয়া সম্পাদক, সাংস্কৃতিক বিভাগ)।

### ( আলোক-চিত্ৰত নথকা-সকল ):

**তত্বাৱধায়ক-অধ্যাপক** সৰ্বশ্ৰী নিবোধ বৰণ দাস, উমেশ চন্দ্ৰ দাস, দয়ানিন্দ কুমাৰ দাস, বীৰেন্দ্ৰ কুমাৰ দাস, দেবেশ চন্দ্ৰ দাস, নৰবাহাদুৰ ছেত্ৰী আৰু অধ্যাপিকা নূৰণ নাহাৰ বেগম।

**ছাত্ৰ-ছাত্ৰী বিষয়ববীয়া** সৰ্বশ্ৰী জলিম উদ্দিন আহমেদ, প্ৰাণেশ্বৰ কলিতা, সুৰুজ উদ্দিন আহমেদ, বাহাৰুল হক, বিপুল কুমাৰ মেধী আৰু ৰেজিয়া খাতুন।

গল্প

# অধীৰ অপেক্ষা

শ্ৰীপবিত্ৰ কুমাৰ পাঠক
স্নাতক মহলা

তেতিয়াও বেলি ডুবু-ডুবু হৈয়েই আছিল। তেজৰঙা হৈ বেলিটোৱে পৃথিৱীৰ দৃষ্টিৰ পৰা বিদায় লোৱাৰ প্ৰতীক্ষা। আকাশত চৰাইবোৰে শেষ বাৰৰ বাবে এবাৰ উৰি চাইছে। হঠাতে বেলিটো দীঘল দীঘল হৈ ভাঙি গ'ল; এটা ৰঙা আভাই গছৰ পাতবোৰৰ মাজে মাজে ইফাল সিফাল কৰিবলৈ ধৰিলে; বিৰিণা পাতবোৰো ৰঙা হৈ উঠিল যেন ক্ষন্তেক পাছতেই সেউজীয়া পাতবোৰত ৰঙা পোহৰৰ ৰাসায়নিক বিক্ৰিয়া ঘটিব আৰু ক'লা পৰি যাব। চৰাইবোৰে কিৰিলিয়াই কিৰিলিয়াই কোনোবা ফালে উৰি গুচি গ'ল। পশ্চিমত ডুবি যোৱা বেলিটোলৈ চাই পদুমীয়ে দীঘলীয়া হুমুনিয়াহ এটা কাঢ়িলে। তেতিয়াও কোনোবা এজনী অচিন চৰায়ে অবুজ ভাষাৰে পদুমীহঁতৰ চোতাল খোলা ঠাই টুকুৰাৰ কাষতে থকা ডালিম জোপাত পৰি গীত গাই আছিল। পদুমীয়ে উদাস দৃষ্টিৰে এবাৰ চৰাইজনীলৈ আৰু এবাৰ কোলাত থকা চাৰি বছৰীয়া পোনা বুলুৰ মুখলৈ চালে। এটা সময়ত চৰাইজনীৰ গীত পদুমীৰ বাবে অসহ্যকৰ হৈ উঠিল। বুলুৰ হাতত থকা মাৰিডাল দলিমাৰি দি চৰাইজনীক তাৰ পৰা খেদি দি পদুমীয়ে দুহাতেৰে বুলুক বুকুৰ মাজত হেঁচি ধৰি মুখৰ ওপৰতে টপকৈ চুমা এটা খালে।

'মা'—দেউতাই মোৰ বাবে চোলা আনিব নহয়? বুকুৰ মাজৰ পৰা মুখটো উলিয়াই মাকৰ মুখলৈ চাই বুলুৱে সুধিলে। কি উত্তৰ দিব পদুমীয়ে ভাবিব পৰা নাছিল। আপোনমনে কি কি কাপোৰ লাগিব তাৰেই তালিকা গাইযোৱা বুলুৰ মুখলৈ চাই পদুমী মূক হৈ পৰিল। সিতো নাজানে তাৰ দেউতাক যে... .., ওলাব খোজা চকুপানীখিনি জোৰকৈ বন্ধ কৰি ৰাখিলে পদুমীয়ে। তাই মনতে ভাবিলে সিহঁতৰ নিচিনা মানুহে ইমান সহজতে চকুপানী টোকাটো শোভা নাপায়, চকুপানীতো সিহঁতৰ চিৰলগৰী, সেইবুলি ইমান কম দুখতে চকুপানী টুকিব কিয়? তাই নিজকে সংযত কৰিবলৈ চেষ্টা কৰিলে।

এই আমেজসনা সন্ধিয়া পৰতো পদুমীয়ে ভাবিলে কান্দো কান্দো কৰি থকা বতৰটোৰ কথা। চাৰিওফালৰ পৰা লাহে লাহে ক'লা মেঘবোৰ উৰি আহি যেন সিহঁতৰ ঘৰৰ মুধচৰ ওপৰত থুপ

খালেহি। সমুখত পৰি থকা গোটেই ৰাতিটোৰ কথা ভাবি পদুমীৰ অলপ ভয় লাগিল। ঘৰত কেৰাচিনো নাই; যোৱা নিশা তেলৰ অভাৱত চাকিটো চিমিক্-চামাককৈ থাকি শেষত নিজেই নুমাইছে। তথাপি তাই এবাৰ এনেয়ে চাকিটো এন্ধাৰতে জোকাৰি চালে, নাই শলিতা একেবাৰে শুকাই আছে।

'মা—ভোক লাগিছে'—আন্ধাৰতে মাকৰ গাত ধৰি বুলুৱে ক'লে। ধমকিৰ সুৰত পদুমীয়ে ক'লে—'ৰচোন, এই সন্ধিয়া পৰতে ভাত খাবলৈ হ'লেই নে?, কিন্তু তাইৰ ধমকিৰ পৰিণাম ওলোটাটোহে হ'ল—বুলুৰ আমনি আৰু বেছি হৈ উঠিল। অসহ্য হোৱাত পদুমীয়ে তাৰ কোমল গালত ঠাচকৈ এচৰ মাৰি দিলে। চৰ খাই বুলুৱে কান্দি কান্দি এটা সময়ত মাকৰ কোলাত মুখখন গুজি দি নিস্তব্ধ হৈ পৰিল। অজানিতে পদুমীৰ দুগালেদি গৰম দুধাৰি চকুলো বাগৰি আহিল, চাউলৰ অভাৱত ভাত দিব নোৱাৰি বুলুক চৰিওৱা বাবে। পদুমীয়ে অনুমান কৰিলে বুলু ইতিমধ্যে টোপনিত লালকাল দিছে। এন্ধাৰতে খেপিয়াই খেপিয়াই বিছনাখনলৈ আহি বুলুক শুৱাই দি নিজেও তাৰ কাষতে শুই পৰিল। ঢং-ঢংকৈ বাজি উঠা বাগানৰ ঘন্টা ধ্বনি শুনি পদুমীয়ে নিজকে নিজে কোৱাদি কলে—'ন বাজিলেই'।

মাজে মাজে পদুমীয়েও ভাবে সিহঁতৰ ওচৰতে থকা এই চাহ বাগিছাখনৰ বনুৱাবিলাকৰ লগতে মিলি 'পাততোলা' কাম কৰিবলৈ। কিন্তু কিয় জানো পিছ মুহূৰ্ত্ততে তাইৰ এইবোৰ কাম কৰিবলৈ মন নাযায়। এইবোৰ কাম কৰিলে কনকে তাইক বেয়া পাব। যদিও কনক গৰীব তথাপি কিন্তু সি কোনো দিনে পদুমীক অইনৰ ঘৰলৈ কাম কৰিবলৈ যাবলৈ দিয়া নাছিল আৰু কোনো দিনে নিদিয়েও। বুলুৱে সিকাটি হৈ মাকৰ পিনে পিঠি দি আকৌ শুই পৰিল। 'কনক' আজিও আহি নেপালে, পদুমীয়ে মনতে ভাবিলে 'কৰবাত কিবা⋯' পুনৰ মনতে ভাবিলে 'ছিঃ এইবোৰ কি যে অমঙ্গলীয়া কথা মনলৈ আহে।' কনকৰ কথা তাই আৰু নাভাবোঁ বুলি থিৰাং কৰিলে। কিন্তু কিয় বাৰু আজিও আহি নেপালে? পুনৰ মনতে ভাবিলে। চকু দুটি মুদি তাই টোপনিৰ বাবে বৈ থাকিল। কিন্তু পেটত ভাত নহলে কাৰোবাৰ জানো টোপনি আহে? তাইৰো টোপনি নাহিল। এবা যোৱাকালি বুলুৰ কান্দোন সহ্য কৰিব নোৱাৰি বকৰাৰ ঘৈণীয়েকে পুতৌ কৰি দি যোৱা চাউলখিনিৰে দুসাজ খালে। পেট ভৰাই খাবলৈ পালে জানো? হ'ল বুলিয়েই জানো উপযাচি চাউল দি কোনে কিমান দিন থুৱাব? মৰমতে কালি বকৰানীয়ে দিছিল বুলিহে।

চালৰ ফুটাৰে তাই আকাশত ওলমি থকা তৰাবোৰ দেখিবলৈ পালে। তাইৰ পুনৰ অলপ ভয় লাগিল। ৰবমুণ যদি আহে তাই ক'ত থাকিব? বুলুক ক'ত থব? ভডাবেৰৰ ফাঁকেৰে বাহিৰৰ এন্ধাৰখিনিলৈ এবাৰ তাই চাই পঠিয়ালে-গভীৰ এন্ধাৰ। জুইশলাৰ বাহটো বা ক'ত থৈছিল? বিছনাখনতে এবাৰ খেপিয়াই চালে। 'নাই কত বা থৈছিলোঁ—' মনতে ভাবিলে। পদুমীয়ে এন্ধাৰতে এবাৰ বুলুৰ মুখখনলৈ চালে, তাইযেন দেখিলে—ভোকতে বুলুৰ ওঁঠমুখ শুকাই গৈছে। আলফুলে তাইক নিজৰ বুকুৰ মাজলৈ টানি আনিলে।

হাঁহি মুখে অভাৱক স্বাগত জনোৱা কনকৰ লগত জীৱন কটাই পদুমীয়ে কোনো দিনে দুখ কৰা নাছিল। টকা পইচাৰ অভাৱত উচ্চ শিক্ষা

পায়ো কোনো ধৰণৰ চাকৰি বিচাৰি নেপাই কনকে অৱশেষত মাত্ৰ এশ টকা দৰমহাতে গোস্বামী মৌজাদাৰৰ টেক্সী চলাবলৈ লৈছিল। এই সাধাৰণ জীৱন-যাপনৰ মাজতো পদুমীয়ে দেখিছিল কিছুমান আশাৰ সপোন। সদ্যজাত বুলুয়ে কিছুমান নতুন সপোন কঢ়িয়াই আনিছিল পদুমীৰ জীৱনলৈ। কিন্তু হঠাতে জানো কি হ'ল— সিহঁতৰ এই সাধাৰণ পৰিয়ালটোৰ মাজলৈ এচপৰা ক'লা ডাৱৰ আহি ছানি ধৰিলে।

সেই দিনটোৰ কথা পদুমীয়ে কনকৰ মুখে সকলো শুনিছে। কিবা কামৰ বাবে মৌজাদাৰ গাৰঁৰপৰা বিশ কিলোমিটাৰ আঁতৰত থকা চহৰলৈ যাবলগীয়া হ'ল। কনক আছিল যদিও মৌজাদাৰে নিজেই গাড়ী চলাব বুলি কোৱাত কনকে পিছৰ ছিটত শুই চহৰ অভিমুখে যাত্ৰা কৰিলে। তাৰ টোপনি আহিছিল, হঠাৎ অতি জোৰেৰে টানি ধৰা 'ব্ৰেক'ৰ খুন্দাত সি চকমকাই সাৰ পাই উঠিল। ভাগ্য হয়তো সু-প্ৰসন্ন আছিল, সেয়ে অলপমানৰ বাবে ৰাস্তাৰ দাঁতিত ৰৈ থকা ট্ৰাক খনক খুন্দা নামাৰিলে। কনকে ভালদৰে বহিললে। সি সন্মুখৰ আইনাখনেৰে সন্মুখৰপিনে চাই চাই গৈ থাকিল। টেক্সী দ্ৰুত গতিৰে দৌৰিয়েই আছে। এয়া চহৰ পালেহি। স্কুল ছুটিৰ সময়। ক'ণ ক'ণ ল'ৰা-ছোৱালীবোৰে কান্ধত ওলোমাই লোৱা বেগবোৰত কিতাপপত্ৰ ভৰাই লৈ ঘৰ খোজে ঘৰমুৱা হৈছে জাকে জাকে ৰং-ধেমালি কৰি সিহঁত আগবাঢ়িছে। ৰং বিৰঙৰ পোছাকে সিহঁতৰ দলসমূহ বৰডচকুৱা কৰি পেলাইছে।

'আই ঐ, ইমান ধুনীয়া এই পোছাকযোৰ ল'ৰা-জনো কম ধুনীয়া নহয়' স্কুলৰ পৰা ওলাই দলবান্ধি গৈ থকা ল'ৰাডাকৰ মাজৰে এজনৰ কালে চাই কনকে ভাবিবলৈহে পালে, দ্ৰুত বেগেৰে গৈ থকা সিহঁতৰ টেক্সীখনে হঠাতে তাৰে দুজন ল'ৰাক খুন্দিয়াই থৈ পুনৰ পূৰ্ব্বতকৈও দ্ৰুত বেগেৰে দৌৰিবলৈ আৰম্ভ কৰিলে। কনকে পিছপিনৰ আইনাখনেৰে এবাৰ পিছ ফালে আৰু এবাৰ মৌজাদাৰৰ মুখলৈ চাব ধৰিলে। কিন্তু ভয়তে মৌজাদাৰক কোনো ধৰণৰ কথাকে সি কবলৈ সাহস কৰিব নোৱাৰিলে। সি দেখিলে মৌজাদাৰৰ গোটেই মুখ মণ্ডল ঘামৰ টোপালেৰে ভৰি পৰিছে।

'শুনিছানে কণক'—মৌজাদাৰে পিছদিনাখন দুপৰীয়া বাহিৰ ফালৰ বাৰান্দাত আৰামী চকিখনত বহি হোকা হুপি হুপি কনকক সুধিলে —'আজিৰ বাতৰি কাকতখন চাইছানে? বাতৰি কাকত, বাতৰি কাকত অৱশ্যে কনকে মাজে মাজে চায়, কিন্তু মৌজাদাৰে কোনোদিনাইতো তাক এইবোৰ বথা নোসোধে। কনকে কথাৰ মাজত কিবা ৰহস্য থকা যেন অনুমান কৰিলে। এই ডাঙৰ মানুহ-বোৰৰ কোনো সঁজাত নাই। সি মনতে ভাবিলে, 'দিন সলনি হৈছে, ধৰণ সলনি হৈছে, কিন্তু মন সলনি হোৱা নাই এই ডাঙৰ মানুহবোৰৰ।" —"কিয়? তুমি দেখোন মনে মনে থাকিলা, মই যে কিবা সুধিছিলোঁ, কাণেৰে সোমোৱা নাই হবলা?"— মৌজাদাৰৰ কথাত কনকে যেন সাহস ঘুৰাই পালে। সি অকনো পলম নকৰাকৈ উত্তৰ দিলে—'চাইছোঁ— মানে আজিৰ বাতৰিখন চোৱা নাই, কিয়বা সুধিলে?'' সি অভলা ল'ৰাটোৰ দৰে হাতদুখন মোহাৰি মোহাৰি উত্তৰ দিলে। —"আজিৰ বাতৰি কাকতখনৰ প্ৰথম পৃষ্ঠাতে ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে—" মৌজাদাৰে নিজকে নিজে কোৱাৰ দৰেই কৈ গ'ল—

"চহবৰ মাজ মজিয়াতে টেক্সীৰ খুন্দাত স্কুল ছুটিৰ পিছত ঘৰমুৱা হোৱা দুজন ল'ৰা নিহত হয়। নিহত ল'ৰা দুজন স্থানীয় চিকিৎসক দুৰ্গাৰাম শইকীয়াৰ বুলি প্ৰমাণিত হয়। খুন্দিয়াই যোৱা AMW 1077 গাড়ীখন বৰ্তমানলৈ পুলিচ বিভাগে কৰায়ত্ত কৰিব পৰা নাই। সেয়ে দেশৰ সমূহ পুলিচ বিষয়াকে গাড়ীখনৰ তদন্তৰ বাবে বাতৰি যোগে দায়িত্ব দিয়া হ'ল।" বাতৰিখিনি একে উশাহতে মৌজাদাৰে কৈ উঠি কনকৰ ভাৱ-ভঙ্গিলৈ লক্ষ্য কৰিলে। তাৰ পাছত পুনৰ তেওঁ ক'লে— এতিয়া কি কৰা যায়, হয়তো এই দুই এদিনতে আমাৰ গাড়ীখন পুলিচৰ হাতত পৰিব আৰু তেতিয়া হ'লে মোৰ গাড়ীখনো চৰকাৰে নিব আৰু তোমাকো হয়তো বহু বছৰৰ বাবে জেলত ভৰাই থৈ দিব।

মৌজাদাৰৰ কথা শুনি কনকে অলপ সময়ৰ বাবে কিবা ভাবিলে। তাৰ গোটেই শৰীৰেদি গৰম ঘাম কেইটোপালমান বৈ গ'ল। তাৰ চকু কাণ ৰঙা হৈ উঠিল। তথাপি সি সাহস গোটাই নিৰ্ভিকভাবে উত্তৰ দিলে—'গাড়ীখন অৱশ্যে চৰকাৰে হাত কৰিব ; কিন্তু মোক জেলত ভৰাব কিয় ? মইতো যোৱাকালি গাড়ী ড্ৰাইভ কৰা নাছিলোঁ।" নিজকে ৰক্ষা কৰিবলৈ কনকে এটা যুক্তি আগবঢ়ালে।

মৌজাদাৰে মিচিকিয়া হাঁহি এটা মাৰি – কনকৰ ফালে নোচোৱাকৈ কৈ গ'ল – 'গাড়ী ড্ৰাইভ কোনে কৰিছিল আইনৰ তালৈ 'চোৱাৰ সময় নাই বুজিছা কথা হ'ল—মোৰ গাড়ী AMW 1077 ৰ ড্ৰাইভাৰ কোন ? আৰু তেতিয়া পুলিচে নিশ্চয় তোমাকেই প্ৰথমতে হাত কৰিব লগাব।"

মৌজাদাৰৰ কথাত কনকৰ কাণদুখন গৰমহৈ তাৰ পৰা একুৰা জুই ওলাই যোৱা যেন অনুমা[ন] কৰিলে।

"গতিকে মোৰ কথা শুনা" —পুনৰ মৌজাদা[ৰে] কৈ গ'ল "তুমি আজিয়েই এই ঠাই এৰি পলা[ই] গুচি যোৱা কেইবছৰমান অইন ঠাইত কটাই পু[ন]ইয়ালৈ আহিবা ; মোৰ ঘৰতে থাকিবা, তেতিয়া[ও] পুলিচে তোমাক পাহৰি যাব।"

"কিন্তু মই পলাই যাম কিয় ?" আত্মৰক্ষাৰ সু[ৰত] কনকে পুনৰ কলে –"মই পুলিচত সকলোবো[ৰ] জনাম।" কিছুসময় মৌজাদাৰে কিবা ভাবিলে তাৰ পাছত লাহে লাহে ক'লে – 'উত্তেজিত নহ'[বা] কনক, তোমাৰো এটা ভৱিষ্যত বোলা বস্তু আছে আৰু ল'ৰা তিৰোতাৰ পিনে এবাৰ চোৱাচোন।"

"—ল'ৰা তিৰোতা" -"এৰা যদি কনক..." এই ডাঙৰ মানুহবোৰৰ কোনো সঁজাত নাই। টকা[ৰ] বলত ইহঁতে কি কৰিব নোৱাৰে, কনকৰ অলপ ভয় লাগিল। সি অসহায় ভাৱে-এবাৰ মৌজাদাৰ[ৰ] পিনে চালে। মৌজাদাৰে আত্মতুষ্টিৰ হাঁহি এটি মাৰি ক'লে তোমাৰ কোনো ভয় নাই কনক হেঁৱা 'লোৱা' বুলি ওপৰ জেপৰ পৰা লেফাফা এটা উলি-য়াই তাৰ পিনে আগবঢ়াই দিলে। সি হাত পাতি লেফাফাটো ল'লে ; তাৰ পাছত পুনৰ মৌজাদাৰে ক'লে আজি নিশাৰ বেলতে তুমি গুচি যোৱা, ল'ৰা তিৰোতা বৰ্তমান য'তে আছে, ত'তে থাকক সিহঁতৰ বাবে চিন্তা নকৰিবা।

কথাটো শুনি কুকুৰা বতাহত বিৰিণা কঁপাদি পদুমীৰ ৰঙাওঁঠ যুৰি কঁপি উঠিল। পদুমীয়ে জানে হাওৰ কাম কৰি খোৱা মানুহৰ ক'তো মৰণ নাই। কিন্তু কনকে কিমানদিন নিজকে লুকাই ৰাখিব। যদি কেতিয়াবা ধৰা পৰে।

—'মই তোমালোকক এৰি কলৈকো যাব নোৱাৰোঁ পদুমী, যদি মৰোঁ ইয়াতেই মৰিম' কনকে অসহায় ভাৱেৰে উচুপি উঠিল। পদুমীৰ গভীৰ বুজনিত অৱশেষত সি পলোৱাটোকে থিৰাং কৰিলে। কিবা মনত পৰাৰ দৰে পদুমীয়ে কৈ উঠিল—কিন্তু আপুনি গৈয়েইতো ক'তো এটা চাকৰি উলিয়াব নোৱাৰিব, লগত কমেও দুশ টকা নিব লাগিব, ইমান টকা পাব ক'ত ...আমিওতো খাব লাগিব।'

হঠাৎ মনত পৰিল কনকৰ মৌজাদাৰে তাৰ হাতত দিয়া লেফাফাটোৰ কথা। সি লাহেকৈ লেফাফাটো জেপৰ পৰা উলিয়াই আনিলে। ইয়াৰ ভিতৰত কি থাকিব পাৰে বাৰু? সি অনুমান কৰিবলৈ চেষ্টা কৰিলে। চিঙো নিছিঙোকৈ সি লেফাফাটো ছিঙি পেলালে। টকা, মৌজাদাৰে দুটা হত্যাৰ অপৰাধৰ বাবে কনকৰ মুখত শলখা লগালে আঠশ টকাৰে। সি টকাবোৰলৈ আৰু এবাৰ চালে।

কনক যোৱাৰ আজি চাৰি বছৰেই হ'ল। প্ৰথম বছৰত দুখনমান চিঠি দিছিল কিন্তু আজি প্ৰায় তিনি বছৰে কোনো ধৰণৰ চিঠি পত্ৰাদি পঠোৱা নাই। পদুমীয়ে ৰাস্তাৰে কোনোবাই চাইকেলৰ বেল বজাই গ'লে দৌৰি পদূলি মুখলৈ ওলাই যায় কিজানিবা পিয়নটোৱে কিবা চিঠিয়েই লৈ আহিছে। পিছে কাকো নেদেখি তাই নিজেই লাজত ৰঙা পৰি উঠে। তথাপি তাই ভাৱে কনক নিশ্চয় উভতি আহিব, তাইৰ বাবে নহ'লেও অন্ততঃ বুলুৰ বাবে এদিন আহিব। বুলুৱে দেউতাকৰ কথা সুধিলেই তাই চহৰলৈ যোৱা বুলি 'তাইৰ বাবে কাপোৰ আনিব' বুলি ইমান দিনে কৈ আহিছে। কিন্তু বুলুক ঠগালে বুলিয়েই তাই জানো নিজকে ঠগাব পাৰিব? অন্তৰ্দাহনত তাই পুৰি পুৰি এঙাৰ হৈ যাব ধৰিছে। যন্ত্ৰৰ দৰে তাই মাথোঁ কাম কৰি গৈছে, কিন্তু কি কৰিছে তাই নিজেই নাজানে।


পুঁজালৈ আৰু দুদিন বাকী। 'এইবাৰ পূজাত কনক নিশ্চয় আহিব' পদুমীয়ে ভাৱে। বাগানত পূজাৰ ৰভা দিয়াৰ কাম ধুমধামেৰে যোৱা কালিৰ পৰাই আৰম্ভ হৈছে। ডেকাবোৰৰ গাত তত নাই। পুনৰ চকু দুটি মুদি পদুমীয়ে ভাৱে—'কনক আহিব। পুলিচে নিশ্চয় ইমান দিনে তাৰ কথা পাহৰি গৈছে, কাৰণ কনক যোৱাৰ পিছদিনাখনেই মৌজাদাৰৰ গাড়ীখন পুলিছে লৈ গৈছিল। কেইদিনমান পিছত পুনৰ মৌজাদাৰে গাড়ীখন লৈ আনিছে; গতিকে বিচাৰ নিশ্চয় শেষ হৈছে। তাই এন্ধাৰতে বুলুৰ মুখখনলৈ এবাৰ চালে।

বাহিৰৰ ধুমুহাজাক ক্ৰমে প্ৰবল হৈ আহিছে। বুলু টোপনিত লালকাল দিয়েই আছে। বতাহৰ তীব্ৰ প্ৰহাৰত সিহঁতৰ সৰু পঁজাটি কঁপিবলৈ ধৰিলে। তাই অনুমান কৰিলে যি কোনো মুহূৰ্ত্ততে ঘৰটোৱে শিৰনত কৰি বসুমতীক আলিঙ্গণ কৰিব। তাইৰ গাটো শিয়ঁৰি উঠিল। বুলুক জোৰেৰে বুকুত হেঁচামাৰি ধৰিলে। তাই অনুমান কৰিলে ঘৰৰ চালখন লাহে লাহে তাইৰ ফালে আগবাঢ়ি আহিছে। তাই চকু দুটা এবাৰ ডাঙৰকৈ মেলি চাৰিও ফালে এন্ধাৰতে চালে। তাইৰ ভয় লাগিল, পুনৰ চকুদুটা মুদি বুলুক সাৱটি ধৰিলে। এটা সময়ত গোটেই ঘৰটোৱেই ধুমুহাৰ কোবত বাগৰি পৰি সিহঁতক হেঁচামাৰি ধৰিলে। পদুমীয়ে অস্পষ্ট চিঞৰ এটা (হয়তো বুলুৰ) শুনিবলৈ পালে। তাৰ পিছত তাই আৰু একো কব নোৱাৰে।

যেতিয়া তাই সাৰ পালে দেখিলে বাগানৰ

মানুহবোৰে তাইক চোতালত শুৱাই থৈ আগুৰি ধৰি আছে। চকুমেলি তাই চাৰিওফালে এবাৰ চালে। কেইজনমানে সিহঁতৰ ভাঙি পৰা ঘৰটোৰ মাজৰ পৰা কিবা এটা টানি টানি উলিয়াব লাগিছে। সেইপিনে তাই চাই থাকিল। বিকৃত অৱস্থাৰ এটিৰ শিশুৰ মৃতদেহ। বুলু! নিষ্পাপ এটি শিশু। ধুমুহাৰ তীব্ৰ প্ৰহাৰত, ভোকৰ তীব্ৰ জ্বালাকো চিৰদিনৰ বাবে পাহৰি গুচি গ'ল। এগৰাকী মাতৃৰ বাবে ই কিমান হৃদয় বিদাৰক !!

পূজাৰ ব্যস্ততামুখৰ পৰিবেশটোক যেন পদুমীৰ মুখৰ ৰঙে উপহাস কৰিছে। পদুমী একে ঠাইতে বহি থাকিল। তাইৰ চকুৰ পৰা এটোপাল পানীও নসৰিল। উচাট্ মাৰি গৈ পদুমীয়ে বুলুৰ মৃতদেহটো বুকুত হেঁচা মাৰি ধৰি আলিবাটৰ পিনে দৌৰ মাৰিলে। তাই কেনিও চোৱা নাই, মাথোঁ দৌৰিছে। দুই এজন মানুহে তাইক বাধা দিবৰ বাবে পিছে পিছে দৌৰিছে কিন্তু কোনেও তাইৰ সৈমান কৰাব পৰা নাই। পূব আকাশত উদয় হোৱা প্ৰভাতীৰ ৰাঙলী সূৰ্য্যৰ কিৰণে পদুমী আৰু তেজেৰে ৰঞ্জিত হৈ থকা বুলুৰ দেহটো আৰু বোলাই দিলে। *



"জীৱন মানে কেৱল জীৱনৰ বাস্তৱতাকে নুবুজায়—জীৱনৰ মৰ্য্যদাবোধ, মহত্ত্ববোধ আৰু মূল্যবোধ আদিকো বুজায়।"

।। শ্ৰীমতী আহ্মেদা ৰচুল ।।

"নিজৰ কোনো কথা বা চিন্তা বা কাৰ্য্যৰ দ্বাৰা আনৰ অশান্তি, অসন্তুষ্টি উৎপাদন নকৰাটোৰ নামেই চৰিত্ৰৰ পবিত্ৰতা।"

।। অম্বিকাগিৰি ৰায়চৌধুৰী ।।

# পদক্ষেপ

জলিম্ উদ্দিন আহামেদ
স্নাতক মহলা

হঠাৎ ৰহিমাৰ চকুত চকুলো। কমত উচুপি উচুপি কান্দিছে। চুলিবোৰ অসংযত ; অন্তৰত এটি গভীৰ বেদনা। মাজে সময়ে দীঘল হুমুনিয়াহ। মাক জেৰিনা নিত্য নৈমিত্তিক পাকঘৰৰ কামত ব্যস্ত।

ভণ্টি ছকিনাৰ পৰা খবৰ পাই জলিলে চোলাটো লৈ কমত সোমাল। জলিলক দেখা পাই ৰহিমাই কান্দি কান্দি কলে — "ককাইদেউ, আপুনিয়েই মোৰ একমাত্ৰ সহায়। আপোনাৰ একান্ত চেষ্টাৰ বলতে মই ইমান দিন লিখা-পঢ়া কৰি আছোঁ। কিন্তু, দাৰিদ্ৰতাই আমাক বৰ জুকলা কৰি পেলাইছে। মোৰ পিতৃ-মাতৃয়ে মানুহৰ কিছুমান কথাত আৰু ইফালে আৰ্থিক সঙ্কটত পৰি মোৰ লিখা-পঢ়া বন্ধ কৰি দিব খুজিছে। মই এতিয়া কি কৰোঁ ! মোক আপুনি সহায় নকৰিলে মোৰ আশা পানী হ'ব যেনহে পাইছোঁ—"। কথাবোৰ কৈ ৰহিমা জলিলৰ দুই বাহুৰ মাজত সোমাই পৰে। জলিলে তাইৰ অসংযত চুলিবোৰ ঠিক কৰি দিয়ে আৰু চকুৰ পানী মচি দি ক'লে —"ৰহিমা, চিন্তা নকৰিবা, মানীদেউৰ জৰিয়তে মামাক সন্মত কৰাই সকলো ঠিক-ঠাক কৰিম। কান্দিবৰ প্ৰয়োজন নাই। তোমাৰ চকুত চকুলো দেখা পালে মই যে, সহ্য কৰিব নোৱাৰোঁ। সৰুতেই পেহীদেউৰ মৃত্যু হ'ল। মাক চকুৰে চাবলৈকে নাপালোঁ। আম্মীদেউৰ চেষ্টাত লালিত-পালিত হৈ ডাঙৰ দীঘল হলোঁ। হালিমা, দিলজান আৰু মৰ্জিনাৰ চকুৰ পানী মচিয়েই জীৱনৰ পোন্ধৰটা বছৰ পাৰ কৰি পঁচিশত ভৰি দিছোঁহি। এতিয়া যেনিবা তাইহঁতক বিয়া দিহে নিঃচিন্ত হলোঁ।

পাঁচ বছৰৰ আগতে আব্বাদেউ ঢুকাল। পিতাও গুচি গ'ল দূৰ দেশলৈ সৌভাগ্যৰ সন্ধানত মাহীমাৰ লৈতে বিভীষিকা স্বৰূপে মোৰ আগত থিয় হ'ল মোৰ একমাত্ৰ অগ্ৰজৰ সহ ধৰ্মিনী বাক্সী কাল সৰ্পিনী ময়সনা। তাই মোক যি জ্বালা-যন্ত্ৰণা দিলে তাক কৈ শেষ কৰিব নোৱাৰি। মোৰ বাবে এডোখৰ ঠায়ো নহ'ল। ইয়াৰ পিছতো মোৰ আম্মী-দেউক হেৰুৱাই যি দুঃসহ জ্বালা এই সংসাৰত ভূগিলোঁ তাক কবলৈ গলে কলিজা ফাটি যায়। মই ইমানখিনি বেদনাৰ বোজা বহন কৰি পৃথিবীৰ বুকুত জীয়াই আছোঁ। সাধাৰণ এটা কথাৰ কাৰণে তুমি ইমান অধৈৰ্য্য হৈ পৰিছা। এতিয়ালৈ মোৰ পঁচিশটা বসন্তকাল জীৱনৰ ওপৰেদি বাগৰি গ'ল। মাথোন দুখৰ লগত সংগ্ৰাম কৰি আজি তুমিও মোৰ আগত থিয় দিলা এজনী নায়িকা হিচাবে। হালিমা, দিলজান আৰু মৰ্জিনাৰ দৰে চকুত চকুলো লৈ মনত ৰাখিবা ৰহিমা, হালিমাহঁত মোৰ যেনে চকুৰ মণি স্বৰূপ তুমিও সেই একে শাৰীৰে। তোমাৰ এই দুখত মই যদি তোমাক সহায় কৰিব নোৱাৰোঁ তেন্তে মই ইমান দিনে কিনো মানৱতা অৰ্জন কৰিলোঁ। দুখ আৰু বেদনাৰে যিবিলাকৰ জীৱন গঢ়া,

সিহঁতৰ বাবে পৃথিৱীত দুখ বোলা কোনো বস্তু থাকিব নোৱাৰে। তোমাৰ মাৰা আৰু দেউতাৰাই তোমাক যিদৰে মৰম কৰে মোকো ঠিক সেই দৰেই মৰমৰ চকুৰে চায়। কিন্তু কি হ'ব ৰহিমা? এজনে আন জনৰ ভাল কামত সন্তুষ্ট নহয়। ই এটা পৰম্পৰাগত লক্ষণ হৈ পৰিছে। আমাৰ এই ন-অসমীয়া মানুহ খিনিয়ে কেৱল অজ্ঞতাৰ বাবেই নিবিচাৰে শিক্ষা, সভ্যতা আৰু নিবিচাৰে এখন সুস্থ সবল সমাজ। তোমাৰ মাৰাওতো সেই সমাজৰেই এটি প্ৰাণী, গতিকে তেওঁৰো শিক্ষা-দীক্ষাৰ প্ৰতি মনোযোগ নাই। কিন্তু মনত ৰাখিবা ৰহিমা মোক যদি আল্লাই আয়ুস দিয়ে মই তোমাক যিকোনো উপায়ে হাইস্কুলৰ শেষ পৰীক্ষাটো পাছ কৰাম।"

"ককাইদেউ! সঁচাকৈ আপুনিয়েই মোৰ একমাত্ৰ সাৰথি, আপুনি মোৰ পথ প্ৰদৰ্শক।" ৰহিমাই আকৌ ক'লে — "আজিৰ পৰা মই তেন্তে নিশ্চিত হলোঁ ককাইদেউ। মনত ৰাখিব ককাইদেউ, ৰহিমায়ো আজিৰ পৰা অসমত এজনী জ্ঞানী আদৰ্শ ছাত্ৰী হ'ব বুলি প্ৰতিজ্ঞা কৰিলে।"

এনেতে পাকঘৰৰ পৰা ৰহিমাৰ মাকে আহি জলিলক দেখা পাই কবলৈ ধৰিলে - জলিল! কেতিয়া আহিলা— বোপাই?" "এই আধা ঘণ্টামান হ'ল— মামীদেউ।" "জলিল স সন্মানে থিয় হ'ল। "বহঁা বহঁা উঠিব নালাগে। তুমি ইমান পৰে মাত এবাৰো দিয়া নাছিলা কিয় বোপা? কি ক'বা আৰু জলিল। এইজনী ছোৱালীৰ মুঠেই জ্ঞান নাই বুজিছ? নহ'লে কোন পৰতে তুমি আহিলা, তাই খবৰটোও দিব নোৱাৰিলে নে? পিছে বোপা! তুমি যেন বেয়া নোপোৱা দেই।"

"নাই নাই মামীদেউ, আপোনালোক মুৰব্বী মানুহ। আপুনি যে কি কথাবোৰ কয়। মই বে... পোৱাৰ কিটো আছে। শুনিলোঁ ৰহিমাই পো... আৰু পঢ়া শুনা নকৰে। গতিকে ৰহিমাক এ... এবাৰ বুজনি দিবলৈ আহিছোঁ, যাতে তাই লি... পঢ়া বন্ধ নকৰে।"— "ভাল। ভাল কৰিলা বোপা... কেতিয়াবা তাইৰ পঢ়া-শুনা বন্ধ কৰি দিবৰ মন যা... জলিল। মানুহৰ নানা কুকথা শুনি শুনি মনটো... বিতৃষ্ণা ভাৱ আহি গৈছে। তাৰোপৰি দেখিছা... নহয়, ছোৱালীও উপযুক্তা হৈছে। ইহঁতক ইমান লিখা-পঢ়া কৰোৱাই লাভটো নো কি? ছোৱালী মানুহ ইহঁতৰ কিমান লিখা-পঢ়া লাগেহে? কোনো-মতে ভাল-বেয়া, পবিত্ৰ-অপবিত্ৰ খিনি চিনি পালেই যথেষ্ট। পিছে আজি-কালিৰ স্কুলবোৰত সেইবোৰ বোলে শিক্ষা দিয়াই নহয়। তাৰোপৰি জনাই নহয়, টেঙুৰ ল'ৰা মণি কি কাল সাপ! যাক্লে সময়ে কি কাল মূৰ্ত্তি ধৰি আছে তোমাৰ অহা-যোৱাৰ কথা লৈ। সি কেতিয়াবা আহি যি কেলেঙ্কাৰী লগাই থৈ যায় সেয়া কি ক'ম আৰু বোপা? সি ইমান অসৎ যে, নিজৰ মান ইজ্জত নিজে নষ্ট কৰিব খোজে। অলপ দিন হ'ল সি কিছুমান গুণ্ডাৰ হতুৱাই ৰহিমাক পলুৱাই নিব খুজিছিল। কিন্তু আমি সাৱধানে থকাৰ বাবেহে সি তাৰ কামত কৃতকাৰ্য্য হ'ব নোৱাৰিলে। কদমৰ ভনীয়েকক পলুৱাই নিয়াৰ বাবে তিনিবছৰ জেইল খাটি আহিও তাৰ লাজ নহ'ল বোপা। কেতিয়া যে সি কি কৰে তাৰ একো ঠিক নাই। সেয়েহে কেতিয়াবা ভাবোঁ— তাইৰ লিখা-পঢ়া বন্ধ কৰি দিওঁ।"

—"বন্ধ কৰিব নালাগে মামীদেউ। লিখা-পঢ়া বন্ধ কৰিলে আপোনালোক আৰু বিপদত পৰিব। স্কুলৰ ছোৱালী বুলিয়েই সি তেনে সাহ কৰিব পৰা নাই। আচলতে কি জানে? আমাৰ সম্প্ৰদায়ৰ

মাজত মৰা-মৰি, নাৰী-ধৰ্ষণ, মামলা-মোকৰ্দ্দমা বেছি-কৈ হৈছে কেৱল অজ্ঞতাৰ বাবে, একমাত্ৰ শিক্ষাৰ অভাৱত। পৃথিৱীৰ অন্যতম ধৰ্ম, সাম্য, মৈত্ৰী আৰু শান্তিৰ প্ৰতীক ইছলামৰ ছত্ৰ-ছাঁয়াৰ তলত বাস কৰিও আমাৰ চিন্তাত উচ্চ আদৰ্শ, উচ্চ ভাৱৰ অভাৱ কিয়! ইয়াৰ মূলতে হ'ল শিক্ষাৰ প্ৰতি থকা আমাৰ অৱজ্ঞা। আনকি নাৰী শিক্ষাৰ প্ৰতি পোষণ কৰা বিতৃষ্ণাৰ মনোভাৱো। শিক্ষা লাভ নকৰাৰ বাবেই আমি জীৱনৰ মহান উদ্দেশ্য উপলব্ধি কৰিব পৰা নাই। পৃথিৱীলৈ অহাৰ সাৰ্থকতা সম্পৰ্কে সম্যক জ্ঞান আহৰণ কৰিব পৰা নাই। ফলত খাই বৈ শুই থকা আৰু নানা কু-কাৰ্য্যত লিপ্ত থাকিয়েই ভৱসাগৰ মন্থন কৰি অমৃতৰ পৰিৱৰ্তে গৰল উদ্ধাৰন কৰিবলৈ শিকিছোঁ। জীৱনৰ পবিত্ৰতা খিনিৰ পৰা বহু দূৰতেই আমাৰ জীৱন নাটৰ পৰিসমাপ্তি ঘটিছে। আমি নিজৰ জীৱনক প্ৰকৃত ৰূপ দান কৰাৰ পৰা বঞ্চিত হওঁ। যিয়ে নহওক এইবোৰৰ কাৰণে আপুনি কোনো চিন্তা নকৰিব মামীদেউ। এই গজ মূৰ্খবোৰৰ কথা বিশ্বাস নকৰিব। ঢোঁৰা সাপৰ ফোঁচ ফাচনিয়েই সাৰ। এই কথাত বিশ্বাস ৰাখিব সতৰ সদায় জয়। সিহঁতৰ মুঠেই জ্ঞান নাই যে আমি শিক্ষা-দীক্ষাত পিছ পৰি আছোঁ। আমাৰ আৰ্থিক অৱস্থা শোচনীয়। ভাল কামত আগুৱাই নগলে আমি সমাজক উন্নতি কৰিব নোৱাৰিম। আমি ল'ৰা, বুঢ়া, ডেকা-গাভৰুক আটায়ে আজি শিক্ষাৰ বাবে আগবাঢ়ি যোৱা উচিত।

নাৰী শিক্ষাৰ প্ৰসাৰ নহ'লে এখন সমাজ তথা দেশ এখন কোনো উপায়েই আগবাঢ়ি যাব নোৱাৰে। আমাৰ দেশৰ আন আন জাতিৰ ভাই-ভনী সকলে যিদৰে শিক্ষাত আগবাঢ়ি গৈ আছে, আমাৰ ন-অসমীয়া মুছলমান সকলেও সিহঁতৰ লগত যাতে খোজত খোজ মিলাই যাব পাৰোঁ তাৰ বাবে চেষ্টা কৰিব লাগে। কাৰণ আদৰ্শ নাৰীয়ে আদৰ্শ সন্তান গঢ়ি তুলিব পাৰে। নাৰীয়ে ৰন্ধা-বঢ়া কৰিলেও শিক্ষাৰ নিতান্ত প্ৰয়োজন। এইদৰে নাৰী সমাজ জাগ্ৰত হৈ গ'লে আমাৰ মাজত যি সকল ঠেক মনৰ অশিক্ষিত ডেকা-ল'ৰা আছে, সিহঁতেও একে আদৰ্শকে অনুসৰণ কৰিব। সিহঁতেও আদৰ্শ চৰিত্ৰ গঠন কৰি সমাজৰ সংস্কাৰ মূলক কামলৈ আগবাঢ়ি যাব। আৰু এটা দৰকাৰী কথা যে, আপোনাৰ ছোৱালী ৰহিমা এই গাঁৱৰে একজনী ভাল ছোৱালী। তাই যদি লিখা-পঢ়া শিকি জ্ঞানী আৰু গুণী হয় তেন্তে তাইৰ আদৰ্শত অনুপ্ৰাণিত হৈ আৰু হেজাৰ হেজাৰ ছোৱালী সভ্যতাৰ পোহৰ বিচাৰি উন্নতিৰ চৰম শিখৰত আৰোহন কৰিবলৈ চেষ্টা কৰিব। গাওঁ, সমাজ তথা দেশৰ অন্ধকাৰ লাহে লাহে আঁতৰি গৈ আলোকময় হৈ উঠিব।"

"বোপা জলিল, আমি মূৰ্খ তিৰোতা। আমাৰ জ্ঞান, বুদ্ধি মুঠেই নাই। কিন্তু মই এতিয়া বুজিব পাৰিছোঁ তোমাৰ দৰে গুণী, জ্ঞানী আৰু চৰিত্ৰৱান ল'ৰা যদি সকলোৱেই হ'লহেঁতেন তেতিয়া হলে আমাৰ এই ন-অসমীয়া মুছলমান সমাজখনৰ এনে দুৰ্দশা নহ'লহেঁতেন। মই আজিৰ পৰা প্ৰতিজ্ঞা কৰিলোঁ মোৰ ৰহিমাক ভৱিষ্যতে সামাজিক নানা বাধা বিঘিনি অতিক্ৰম কৰি হ'লেও একজনী উচ্চ শিক্ষিতা নাৰীৰূপে গঢ়ি তুলিমেই—"।

# গতিপথ

শ্ৰী প্ৰাণেশ্বৰ কলিতা
স্নাতক মহলা

এটি নিশাৰ বুকুত সাৰ পাইছিল তাই, তাইৰ সুসজ্জিত কোঠাটোৰ চাৰি বেৰৰ মাজতে। মাজ নিশা সাৰ পাই তাইৰ প্ৰাণত ভাঁহি উঠে এজন সহজ সৰল যুৱকৰ মুখৰ ছবি! কিয়বা! তাইৰ ভাল লাগে সেই যুৱক জনক। সেই আশাভৰা ধুনীয়া মুখখন। তাৰ অন্তৰখনো যেনেকুৱাই সহজ সৰল। খেলি মেলি হয়তো ভাৱে যেতিয়া তাইক জুমুৰি দি ধৰে। কিয় আজি তাই আনৰ শাসনাধীন। বাধা বাধকতাত পৰি আজি তাই কাৰোবাৰ আলপৈচান ধৰিছে। সাংসাৰিক বোজা বৈছে। স্বপ্নভঙ্গৰ তাড়নাই আহি তাইক কেতিয়াও খুন্দিয়াইছে। তাইতো ভবা নাছিল যে কাল পচোৱাই তাইক জীৱনৰ পটভূমিৰ পৰা এনেদৰে নিৰ্মম ভাৱে কাঢ়িয়াই আনিব। তাই নিজকে বিশ্বাস কৰিবলৈ টান পায়। তাই ইমান নিষ্ঠুৰ। সীমান্তক তাই বহুত আশাৰে সাঁচি থৈছিল সঁচা। কিন্তু বাস্তৱত সি হৈ নুঠিল। তাই ভাৱে তাইৰ বাবেই সীমান্তৰ আজি এই অৱস্থা। উচুপি উঠে, হয়তো পাপৰ ভয়ত, নতুবা ভগৱানে ক্ষমা নকৰাৰ ভয়ত। তাই বিশ্বাসঘাটক। তাই সীমান্তৰ নিচিনা কোমল অন্তৰত শেল হানিছে। যাৰ অসহ্য যন্ত্ৰণাত সীমান্ত ছটফটাই মৰিছে। তাই যেন ব্যস্ততা ভাল নাপায়। তাই নীৰৱতা বিচাৰে। তাইৰ উৰি যাবৰ মন যায় সীমান্তৰ ওচৰলৈ ক্ষমা বিচাৰি। নাই, সীমান্তই যে তাইক কেতিয়াও ক্ষমা নকৰে। তাই যে তাৰ ডাঙৰ অপৰাধ কৰিছে। তাই যেন সীমান্তক বিষ ঢালি দিয়া এটা বিষাক্ত ফেঁটী সাপ। মাজনিশা এইবোৰ ভাবি ভাবি তাইৰ চিঞৰি দিবৰ মন যায়। অসহায় ভাৱে তাই বিচনাৰ ওপৰত বহি পৰে। মাজনিশাৰ তমসাই গিলি পেলোৱা পৃথিৱী খনলৈ মনত পৰাত তাই ভাৱে কি যে অসহ্যকৰ!

পিছ পেলাই অহা এই সীমান্ত আৰু তাইৰ হিয়াৰ বিনিময়ৰ বহুতো স্মৃতিয়েই তাইৰ মানস পটত বোলছবিৰ ৰঙীন পৰ্দাত বাঁল ঘূৰাদি ঘূৰিবলৈ ধৰে। আৰু সেই স্মৃতিবোৰ যেতিয়া তাই এটি এটিকৈ উন্মোচন কৰিবলৈ ধৰে তেতিয়া তাইৰ মন এক গধুৰ বেজাৰত বুৰি যায়। এয়া কেৱল তাইৰ নিদ্ৰা ভঙ্গৰ 'যোগেই' নহয় ব্যৰ্থতাৰ তাড়নাও। এই তাড়নাই তাইৰ শাৰীৰিক, মানসিক, নৈতিক সকলোকে পঙ্গু কৰি দিব খোজে। সমাধান নোহোৱা চিন্তা এটিলৈয়েই তাই টোপনিত ললকাল হৈ পৰে।

হঠাৎ কাৰোবাৰ মাতত তাই সাৰ পাই উঠে আৰু গম পায় যে সেয়া শাহুৱেকৰ মাত। শাহুৱেকৰ মুখত ক্ৰোধৰেই প্ৰকাশ পাইছিল "ইমান

পলমকৈ উঠিব লাগেনে ? জমিদাৰী কৰিলে নচলিব। এইখন মোৰ ঘৰ।" তাই তলমূৰকৈ থিয় হৈ ৰয়। নিজৰ ভুলৰ বাবে আজি তাই শান্তনুৰেকৰ টান কথা শুনিবলগীয়াত পৰিছে। তাই লাহেকৈ মাত লগায়,—"মানে মা"—"মানে আকৌ কি।" শান্তনুৰেকৰ মাতত কঠোৰতা। তাই তেতিয়া নিৰুপায় হৈ মৌনতা অৱলম্বন কৰিম বুলি ভাবিও ক'লে—"মানে যোৱাৰাতি মোৰ গাটো ভালে নথকাৰ বাবে বহু ৰাতিলৈকে টোপনি অহা নাছিল। সেই বাবে শাৰ পাওঁতে পলম হ'ল।"

"অঁ মই সেইবোৰ ফাকি খুব বুজোঁ"—শান্তনুৰেকে ধং ভাবেৰে তাইক এইধৰে কৈ কিবা কামৰ ইঙ্গিত দিয়ে। লগে লগে তাই ব্যস্ততাৰে আদৰি লয়। বোঁৱাৰী-পুহাতেই শান্তনুৰেকৰ পৰা পোৱা এই তিতা মাত এদিনৰ বাবেই নহয়, প্ৰায়েই তাই শুনি আহিছে।

নিচেই সৰু কালৰে পৰা মেধা সম্পন্ন ল'ৰা সীমান্তই জীৱনৰ মাজডোখৰত যেন জীৱনটোৰ গতি সলাবলৈ গৈ কাৰোবাৰ বাবে বুকুভৰা জীয়া মৰম সাঁচি ৰাখি বিলাই দিয়াৰ পথত বাধাৰ অব্যক্ত আঘাতত জ্বলি পুৰি মৰিছে। সি আজি গুৱাহাটীৰ কোনোৱা এখন চিকিৎসালয়ৰ কোঠাৰ বিছনা এখনত ছটফটাইছে, হয়তো অচিনাকি ধাত্ৰীৰ সহায় বিচাৰি। টেবুলৰ ওপৰত অলপ ঔষধ, খাদ্যাদি। মাক ওচৰত। মাকে অসহায় ভাবে ভগৱানক মাতি মাতি কান্দিছে। সীমান্তয়ো কান্দি কান্দি ভাবিছে 'মই আজি শয্যাগত"। মাকে তাৰ চকু পানীবোৰ মচি মচি সান্ত্বনা দিয়ে।

"মা মই জানো ভাল হ'ম ?" সীমান্তই লাহে লাহে মাকৰ কাণে চাই সোধে। জীয়াই থকা-নথকাৰ দোমোজাত পৰি ক্ষীণ আশা এটিৰ বাবেই হয়তো তাৰ মুখত এটি ক্ষীণ হাঁহি মাকে তেতিয়া দেখিবলৈ পায়। "-বোপা! ভগৱানে তোক ৰক্ষা কৰক। তই ভাল হ'লে আকৌ পঢ়িব লাগিব নহয়, তই নাকান্দিবি বোপা"। "মাকে তাক সান্ত্বনা দি অদৃষ্টক ধিয়াই মৌন ভাবেই ভগৱানক প্ৰাৰ্থনা কৰে। —"সঁচা মা, মই জানো আকৌ ভাল হ'ম ? এবা মই পঢ়িম। সঁচাই জানো মই চাকৰি কৰিম মা ? কিন্তু মোৰ যে ডাঙৰ বেমাৰ। মোৰ যে যক্ষ্মা মা!" কৈ কৈ কাহি কাহি সি অৱশ হৈ পৰে। মুখেৰে তেজ ওলায়। মাক আকৌ অস্থিৰ হৈ পৰে। —"উস! ভগৱান। তুমি মোৰ সীমান্তক ভাল কৰি দিয়া।"—মাকে হুক্ হুক্কৈ কান্দে। সীমান্তই তেতিয়া খোকাথুকি মাতেৰে কয় —"মা তুমি কিয় কান্দিছা ? তুমি কান্দিলে মই কেনেকৈ থাকিম ? সি কান্দি উঠে। কাহি কাহি অস্থিৰ হৈ পৰে। মুখেৰে তেজ ওলায়।

লাহে লাহে সীমান্তৰ অৱস্থা বেয়াৰ পিনলৈ আহিবলৈ ধৰে। এতিয়া মাকে তাৰ মুখত মাথোন প্ৰলাপ শুনিবলৈ পায় সীমাহীন চিন্তাত সীমান্ত বুৰ যায়। ভাবি ভাবি সি ভাবিব নোৱাৰা হয়। এতিয়া আৰু সি সীমান্ত নহয়। এজন মৰণ-পথৰ যাত্ৰী। মৃত্যু শয্যাত ছট্ ফটাইছে সেই দিনটোলৈ ক্ষণ গণি। তাক এতিয়া মৃত্যু লাগে। মৃত্যুতেই আছে তাৰ চিৰ শান্তি। তাৰ মনত তেতিয়া এটা নিৰ্মম শূন্যতাই এটা বাধাহীন পৰিস্থিতিক আৱৰি ৰাখিছিল, যাৰ প্ৰতিক্ৰিয়া বৰ অসহ্যকৰ আৰু বিষময়।

মাক আৰু এজনী ভনীয়েকৰ সৈতে শান্তিৰ সঁফুৰা। যেন সীমান্তইতৰ ঘৰখন। দেউতাকৰ মৃত্যুৰ

পিছত সিহঁতৰ ঘৰখনৰ কিছু অৱনতি হৈছিল যদিও পৈতৃক সম্পত্তি কিছু আছিল যেতিয়া সকপৰিয়ালটোৰে সৈতে সীমান্তই উন্নত মানদণ্ডেৰে জীয়াই থাকিব পাৰিলেহেঁতেন। সীমান্তই অনামিকাক অৰ্থাৎ অনুক লগ পাইছিল নিচেই সৰুকালৰে পৰা খেলৰ লগৰীয়াৰূপে। একেখন গাঁৱৰে অজিত বৰুৱাৰ একমাত্ৰ ছোৱালী। গাঁৱৰ ভিতৰতে নামজ্জল আৰু আভিজাত্যপূৰ্ণ মানুহ আছিল অজিত বৰুৱা। সীমান্ত আৰু অনামিকা দুয়ো যৌৱনত ভৰি দিয়াৰ পিছত সিহঁতে এটি শান্ত পৰিবেশত সিহঁতৰ দুটি প্ৰাণ মিলাই দিয়াৰ সুযোগ পাইছিল আৰু সেই পৰিবেশে সিহঁতৰ মৰমৰ এনাজৰীডাল বেছি কটকটীয়া কৰিছিল। সিহঁতৰ ভালপোৱা আছিল জোনাকৰ দৰে শুভ্ৰ আৰু নিৰ্মল। কিন্তু সিহঁতৰ দুয়োৰে প্ৰাণৰ কথা গম পাই সিহঁতৰ ভাল পোৱাত প্ৰাচীৰ ৰূপে থিয় হ'ল অনামিকাৰ অভিজাত্যৰ গৰ্বেৰে গৰ্বিত দেউতাক অজিত বৰুৱা। সীমান্তৰ দৰিদ্ৰতালৈ চাই বৰুৱাই সীমান্তলৈ অনামিকাক বিয়া দিয়াৰ কথা নাভাবিলে। সময়ত উদয় শইকীয়া নামৰ এজন যুৱকৰ সৈতে অনামিকাৰ (অনু) বিয়া হৈ গ'ল। অনামিকাই ঘোৰ আপত্তি তুলিছিল। কিন্তু দেউতাকে সীমান্তৰ দেউতাকৰ কথা সঁকিয়াই দি উদয় শইকীয়াৰ লগত বিয়াত বহিবলৈ বাধ্য কৰাইছিল। অনামিকা হ'ল দেউতাকৰ বাধ্যবাধকতাৰ বলি।

সীমান্ত তেতিয়া অস্থিৰ হৈ পৰিল। সি পিছলি পৰিছিল জীৱনৰ গতিপথৰ পৰা। তেতিয়া অনামিকাক পাহৰি থাকিবলৈ সি আশ্ৰয় লৈছিল মদৰ। মদ, মদ কেৱল মদ। দিন ৰাতিৰ পাৰ্থক্য পাহৰি সি মদ খাইছিল। আৰু তাৰেই পৰিণতি হ'ল সীমান্তৰ যক্ষ্মা। প্ৰতিশোধ বিচাৰি যেতিয়া চিন্তাৰ সাগৰত সি ঢৌ লেখিছিল, তেতিয়াই আক্ৰান্ত কৰে তাক যক্ষ্মা ৰোগে। তাৰ আঁচনি নিষ্ঠুৰ ভাৱে ভাঙিবলৈ ভগৱানৰে যেন নিৰ্মম প্ৰস্তুতি।

হয়তো এখন মধুৰ সংসাৰ ৰবাৰ মোহ সি এৰিব পাৰিলেহেঁতেন। কিন্তু সাঁথৰ হৈ ৰ'ল তাৰ আহলী অনামিকাজনী। এখনি নাট ৰচি তাত ভাও দিবলৈ, সফল নায়িকা হ'বলৈ নায়ক বিচাৰি পাইছিল এই হোজা সীমান্তজনক। সহজ সৰল সীমান্তই প্ৰৱেশিকাটো প্ৰথম বিভাগতে পাছ কৰি কলেজীয়া জীৱনৰ আঁত মেলিবলৈ নৌ পাওঁতেই যেন জীৱনৰ সকলো হেৰুৱাই পেলালে।

এজনক পাবলৈ গৈ কেতিয়াবা যে নিজৰ সকলো হেৰুৱাব লাগে এই কথা সি উপলব্ধি নকৰাকৈ থকা নাই। এয়া সি তাৰ বিগত জীৱনত পোৱা সঁচা অভিজ্ঞতা। তথাপি সি ঘূৰি আহিব নোৱাৰিলে।

দিনটোৰ যান্ত্ৰিক ব্যস্ততাৰে সাংসাৰিক কামৰ মাজত থাকি অনুয়ে আজি খন্তেক সময়ো উলিয়াব পৰা নাই। তাই ভাবে "কিহ পাপৰ ফলত তাই এনেকুৱা জীৱন কটাবলগীয়া হৈছে। এয়াই জানো জীৱন! কিন্তু এনেকুৱা জীৱনতো তাই বিচৰা নাছিল। ইফালে সীমান্তৰ চিন্তাত দিনক দিনে তাই শুকাই-ক্ষীণাই যাবলৈ ধৰিলে। তাইৰ বাবে সীমান্ত আজি নিজৰ কৰ্তব্য পথৰ পৰা বিচলিত। তাই শুনিছে সীমান্তই বোলে আজিকালি খুব মদ খায়। সীমান্তই কিয় মদ খাবলৈ লৈছে তাক অনামিকাত বাদে হয়তো আন কোনেও নাজানে কিয়বা আজি গোটেই দিনটো তাইৰ সীমান্তলৈ বৰকৈ মনত পৰিছে। ব্যস্ততাৰ মাজতে থাকিও

তাই উমি উমি জ্বলে হেকুৱাৰ তাড়নাত। ভাবি ভাবি কেতিয়াবা তাই বাপেক অজিত বৰুৱাৰ প্ৰতি বিদ্ৰোহী হৈ উঠে। উদয় শইকীয়াক ক'ব খোজে "মই তোমাৰ স্ত্ৰী নহওঁ"। কিন্তু তাই ক'ব নোৱাৰে। কাৰণ সমাজে স্বীকৃতি দিয়া তাই যে উদয় শইকীয়াৰ স্ত্ৰী। বিবেকে খুন্দিয়াই খুন্দিয়াই কেতিয়াবা তাইক কয় 'অনামিকা ? তুমি জানো দেউতাৰাৰ কথাত প্ৰতিবাদ কৰিব নোৱাৰিলা ? হয়তো পাৰিলেহেঁতেন। কিন্তু তাই যে নাৰী।

আজি পদুলীমুখত মূঢ়াটোত অকলে অকলে বহি তাই হেৰোৱা অতীতক মন্থন কৰিছে। এনেতে পিয়নে আহি তাইৰ হাতত এখন চিঠি দি গ'ল। তাইৰ বুকুখন চিৰিংকৈ উঠি গ'ল। কাৰণ আজি তিনিদিন আগতে গিৰিয়েকৰ চিঠি পাইছে। গিৰিয়েক উদয় শইকীয়া তেজপুৰত চাকৰি কৰে। ওপৰা ওপৰিকৈ চিঠি অহাত তাই বাৰুকৈয়ে আচৰিত হ'ল। চিঠিখন হাত পাতিলৈ তাইৰ ধাৰণা সলনি হৈ গ'ল। কাৰণ সেয়া তাইৰ চিনাকি আখৰ। কিবা কিবি ভাবে আহি খেদি গ'ল তাইৰ মনত। তাই নিশ্চিত হ'ল যে এয়া সীমান্তই দিয়া চিঠি। কিন্তু চিঠিৰ আখৰবোৰ যেন কঁপা কঁপা হাতৰ। তাইৰ মনটো কান্দি উঠে। এনেকুৱা সম্বোধনেৰে লিখা চিঠি তাই বহুত পঢ়িছে। আৰু বিয়া হোৱাৰ আজি তিনি বছৰ পাছত আজি এইখন চিঠি। কিন্তু আজি ভাষাবোৰত যেন সঁচাকৈয়ে এটি কান্দোনৰ সুৰ। চিঠি যেন নহয়। কাৰোবাৰ হিয়াভৰা কান্দোন। তাই পঢ়ি যায়—

মৰমৰ 'অনু'

গুৱাহাটী
২৫।১২।৮০ইং

আজি বহুত দিনৰ মূৰত তোমাক আমনি কৰিবৰ মন যোৱাত এয়া কঠুৱা শব্দ বাক্য কেইটামানকে যোৱা লগাই পঠিয়ালোঁ। কিন্তু কি লিখিম অনু; মই যি লিখিম সেয়া বোধহয় তোমাৰ জনাৰ ভিতৰত। তুমি চাগৈ খং কৰিবা মোৰ চিঠি চাই। কিন্তু কি কৰিম অনু, উপায় নাছিল। তুমি হয়তো অতীতৰ সকলো পাহৰি গৈ নতুনক আঁকোৱালি বিশ্ৰামহীন ব্যস্ততাৰে বিচৰণ কৰিছা নিজ কক্ষপথত।

চাকি এটা জানো চিৰদিন জ্বলি থাকে অনু ? চাকিত থকা তেলখিনি শেষ হ'লে ই জ্বলি থকাৰ প্ৰস্তুতি হেৰুৱায়। ইয়াক চিৰদিন জ্বলাই ৰাখিবলৈ বাৰে বাৰে তেল ঢালি থকাৰ প্ৰয়োজন। হয়তো বাৰে বাৰে তেল ঢালিও ইয়াক জ্বলাই ৰাখিলোঁহেঁতেন। কিন্তু ধুমুহা বতহে যদি জুমুৰাই দিয়ে তেতিয়া আমাৰ কৰিব পৰা একো উপায় নাথাকে। গতিকে দুখ কৰি লাভ কি ? কিনো লিখিম ! অন্ধকাৰত কিবা বিচাৰোঁতে খেপিয়াৰ লগাৰ দৰে মোৰ অ'পাত দৃষ্টিয়েও একো ভাল কথা বিচাৰি নাপায়। মই এখন নাট ৰচিম বুলি কলম তুলি লৈছিলোঁ। কিন্তু হঠাৎ যেন নায়ক-নায়িকাৰ বিচ্ছেদ আহি পৰিল। অৱশ্যে মোৰ নাটৰ উদ্দেশ্য সেয়াই আছিল। নায়িকা আঁতৰি গ'ল বহু দূৰলৈ। অক' নায়ক সি এতিয়া হেৰোৱা সুৰবোৰৰ আঁত বিচাৰিছে। হাস্পাতালৰ কোনো কোঠ এটিত চটফটাইছে যক্ষ্মাৰোগৰ নিৰ্মম আক্ৰমণত। মই নাটকখন শেষ কৰিব নোৱাৰিলোঁ অনু। তুমি এতিয়া বিবেকক সুধি চাবাচোন মোৰ কি উপায় হ'ব। নায়কক পুনৰ সজীৱ কৰি তুলি নাটকখন সম্পূৰ্ণ কৰিম বুলি তোমাৰ মনে ক'লেও তুমি নোৱাৰা। কিন্তু উপায় কি ? এৰা উপায় একো নাই। সেয়ে ব্যৰ্থতাৰ তাড়না মই অকলে অকলেই

বহন কৰি যাম। এয়া কিবাকিবি লিখি তোমাক বুজাবলৈ যাওঁতে তুমি মোৰ ওপৰত খং কৰি গালি পাৰিবৰ ইচ্ছা হ'লে তুমি মোক দেখা কৰিবা। তুমি মোক দেখা পাবা গুৱাহাটীৰ টি, বি, হাস্পাতালৰ কোনো এখন বিছনাত মৃত্যুৰ তীব্ৰ প্ৰতীক্ষাত ক্ষণ গণি গণি ভাগৰি পৰা এটা মুমূৰ্ষ প্ৰাণীৰূপে।

চিঠি লিখি তোমাক দুখ দিয়াই মোৰ উদ্দেশ্য নহয়। অনেক কথা লিখি মই তোমাক যি ক'ব বিচাৰিছোঁ তাত সাৰমৰ্ম হ'ল শেষ বাৰৰ বাবে মই তোমাক লগ পাব বিচাৰোঁ। ইতি—

তোমাৰ মৰমৰ—
"সীমান্ত"

ক'ব নোৱাৰাকৈ অনুৰ হাতৰ পৰা চিঠিখন সৰি পৰিল। তাইৰ চাৰিওকালে সেয়া যেন অমাৱস্যাৰ ঘোৰ অন্ধকাৰ। তাইৰ চিঞৰি কবৰ ইচ্ছা হ'ল "সীমান্ত তুমি মোক অভিশাপ দিয়া। তোমাৰ সেই অভিশাপকে মই আশীৰ্বাদ বুলি লম। তোমাক দুখ দি মই কেতিয়াও সুখী হ'ব পৰা নাই।" তলমূৰকৈ বহি থাকোঁতেই বহুত সময় যোৱাৰ পাচত হঠাৎ অনু উচপ খাই উঠিল। তাই যে বহুত সময় এনেকৈয়ে কটাইছে। শাহুৱেকৰ চাগে' খং উঠিছে তাই ভিতৰলৈ গ'ল। চিঠিখন পোৱাৰ পিছদিনাই তাই গুৱাহাটীলৈ যোৱাৰ সিদ্ধান্ত ল'লে। শাহুৱেকৰ অনুমতি বিচৰাঁতে উপায় নাপাই ফাঁকি দিলে বান্ধৱীৰ ঘৰলৈ যাম বুলি। শাহুৱেকে ঘোৰ আপত্তি কৰিলে গিৰিয়েকৰ অনুপস্থিতিত কলৈকো যাব নোৱাৰা বুলি। এনেয়ে শাহুৱেকৰ টান মাত-কথাৰ বাহিৰে ভাল মাত এষাৰ শুনিবলৈ পোৱা নাছিল তাই বিয়াৰ দিন ধৰি। তথাপি এই সকলোবোৰ ভাগ্যৰ দোষ আৰু ঈশ্বৰৰ আশীষ নিৰ্মালি বুলি ভাবি লৈছিল। উদয় শইকীয়া তাইৰ স্বামী যদিও গোটেই জীৱন মনেৰে তাই সীমান্তকে পূজি আহিছে। সীমান্তৰ এই অৱস্থাত তাই এবাৰ দেখা নিদিয়াকৈ থাকিব নোৱাৰে। শাহুৱেকক অনেক কাকুতি মিনতি কৰিছিল তাই মাথোঁ এদিনৰ বাবে গুৱাহাটীৰ বান্ধৱীৰ ঘৰলৈ যাব। শেষত শাহুৱেকে মান্তি হৈছিল মাথোঁ এদিনৰ বাবেহে। লগে লগেই অনু গুৱাহাটী পালেগৈ।

এয়া গুৱাহাটী মহানগৰী। বিৰামহীন ব্যস্ততাৰ বাবেই যেন কাৰো সৈতে কাৰো মাত মাতিবলৈ অৱকাশ নাই। কোনোমতে ৰিক্সা এখন লৈ তাই টি, বি, হাস্পাতাল পালেগৈ। অনুৱে অনুভৱ কৰিবকে নোৱাৰিলে কোন পিনে দি তাই হাস্পতাল পালেগৈ। আনকি ৰিক্সাৱালাক ভাড়াটো দিবলৈও তাই পাহৰিছিল। মনত বহু আশালৈ তাই আগবাঢ়িল সীমান্তক কোঠাবোৰত বিচাৰি বিচাৰি। সন্ধানী দৃষ্টিৰে চকু ঘূৰাওঁতেই তাই দেখিবলৈ পালে এগৰাকী তিৰোতা কান্দি কান্দি ওলাই আহিছে হাস্পাতালৰ কোঠাৰ ভিতৰৰ পৰা। লগত আন কিছুমান মানুহ তাই চিনি পালে এয়া সীমান্তৰ মাক আৰু ভনীয়েক কমা। লগত থকা মানুহবোৰে সান্ত্বনাৰে সিহঁতৰ কান্দোন বন্ধ কৰিবৰ বাবে বৃথা চেষ্টা কৰিছে। তাইৰ বুজিবলৈ বাকী নাথাকিল যে কিবা অঘটন ঘটিছে। অনুৱে কমাক বেদি খোকা-খুকি মাতেৰে সুধিলে এয়া কি হ'ল কমা! মাহীদেউও দেখোন? কিয় ইমান কান্দিছে? মাকৰ মুখত মাত নাই। কান্দিছে কেৱল কান্দিছে। কমাই অনুক আচৰিত কৰিয়েই জনাই দিলে। অনু বাইদেউ! সীমান্ত ককাইদেউ আৰু আমাৰ মাজত নাই। কমাই হুক-হুকাই কান্দি কান্দি অনুক সাৱটি

ধৰিলে। অনুৰে ক্ষমাৰ তেতিয়া সন্তনা দিবলৈ ভাষা বিচাৰি নাপালে। অনুৰ সৰ্ব্বশৰীৰ কঁপি উঠে। মুখেৰে মাত নোলোৱা হ'ল। ধাৰাসাৰে চকুলো বৰলৈ ধৰিলে। তাইৰ বিবেকে কৈ উঠিল "সীমান্ত অৱশেষত এই অকাল মৃত্যুৰেই তুমি মোৰ প্ৰতিশোধ ল'লা। তুমি মোক কিয় অভিশাপ দি নগ'লা সীমান্ত! ভগৱানে তোমাক ক্ষমা দিছে। ইহজগতত আমাৰ একোৱেই পূৰ্ণ নহ'ল। পাৰিলে তোমাৰ কথা মোক সদায়েই মনত পেলাই দিবা। তোমাৰ অতৃপ্ত আত্মাৰ সদগতিৰ কামনা মই সদায়ে কৰিম।"

বহু সময়ত তাই ভাৱ সাগৰতে বুৰ দি কটাই দিলে। ঘড়ীলৈ চাই দেখে সময় তেতিয়া পাচঁ বাজি গৈছে। দিনটোৰ সামৰণিৰ মুহূৰ্তত সন্ধিয়া লাহে লাহে নামি আহিছে। অনুৱে সীমান্তৰ মৃত্যুদেহত সেৱা এটি জনাই সীমান্তৰ কথা ভাবি ভাবিয়েই বাহিৰলৈ ওলাই আহিল আৰু মহানগৰীৰ বিৰাট জনসমাগমত বিলীন হৈ গ'ল।

তেতিয়া তাই নিজৰ জীৱনটোৰ মূল্যবোধ অনুভৱ নকৰিলে। তায়োযেন ইহসংসাৰত আৰু বাচি নাথাকিব। কিবাকিবি ভাৱৰ মাজতেই তাই কৈ উঠিল "উহ্ ভগৱান! ইমান দুখৰ বোজা সহিবলৈ জন্ম দিছিলা কিয়? আমাক ইমান দুখ দি, ব্যৰ্থতাৰ মৰীচিকা দেখাই তুমি কি সুখ পোৱা বাৰু॥"



"কোনো মানুহে এখন নৈৰ একেখিনি পানীকে দুবাৰ খাব নোৱাৰে আৰু একেজন মানুহকে দুবাৰ লগ পাব নোৱাৰে।"

॥ জোছেফ কন্‌ৰাদ ॥

# পোহৰৰ মৃত্যু

আয়নাল হক চৌধুৰী
স্নাতক মহলা

"ভালেই হ'ল এনেকৈ সমাজৰ কুচৰিত্ৰা আৱৰ্জ্জনাবোৰৰ পৰিসমাপ্তি ঘটিব লাগে সমাজখন ইহঁতে কলুষিত কৰি পেলালে। ইহঁতক সমাজৰ পৰা আঁতৰ কৰিব নোৱাৰিলে সমাজখন ধ্বংস কৰি পেলাব।"

"নহয়, তুমি নেজানা। তাই সমাজৰ আৱৰ্জ্জনা না ছিল। তাই আছিল সচ্চৰিত্ৰা। কোনো মানুহে নিজ ইচ্ছাৰেই দুখৰ বাটত ভৰি নিদিয়ে। এই সংসাৰত মানুহেই মানুহক কৰিছে সমাজৰ আৱৰ্জ্জনা, মানুহেই মানুহক সজাইছে কু-চৰিত্ৰবান ৰূপে আৰু মানুহেই মানুহক সজাইছে ডকাইতৰূপে। নিজ ইচ্ছাৰে কোনেও জ্বলা জুইত ভৰি নিদিয়ে। বুজিছা মহেশ! সেই আত্মহত্যা কৰা ছোৱালীজনীৰ নাম মীনাক্ষী বৰুৱা। সিহঁতৰ পৰিয়াল বোলে'তে মাক-দেউতাক, মিনু আৰু সৰু ভায়েক বণ্টু পৰিয়ালটোৱে বৰ সুখেৰে দিন নিয়াইছিল। মিনুৰ দেউতাক আছিল এজন দাৰোগা। তেখেতৰ নাম যতীন্দ্ৰ নাথ বৰুৱা। বৰ সত্যবাদী মানুহ আছিল। অন্যায় অবিচাৰক তেওঁ মুঠেই প্ৰশ্ৰয় দিয়া নাছিল। যতীন্দ্ৰনাথ বৰুৱা হঠাতে ৰঙিয়াৰ পৰা গোৱালপাৰা চহৰলৈ বদলি হৈ আহে। প্ৰথমতে চহৰখন বেয়া লাগিলেও পিছলৈ কিন্তু মিনুৰ ভাল লগা হ'ল। সিহঁতৰ কোৱাৰ্টাৰৰ ওচৰত অৰ্জ্জুন কলিতাৰ লগত একেলগে স্কুললৈ অহা-যোৱা কৰিবলৈ ধৰাত মিনুৱে অকলশৰীয়া জীৱনৰ যেন সংগ বিচাৰি পালে। মিনুহঁতৰ ঘৰৰ আটায়ে অৰ্জুনক ভাল পাবলৈ ধৰিলে দিনৰ পিছত মাহ, মাহৰ পিছত বছৰ সিহঁতে হাঁহি ফূৰ্ত্তিৰ মাজেৰে পাৰ কৰিবলৈ ধৰিলে। যিমানেই দিন বাঢ়ি গৈ থাকিল, সিমানেই সিহঁতৰ মাজৰ মিলাপ্ৰীতি গভীৰৰ পৰা গভীৰতমলৈ গতি কৰিবলৈ ধৰিলে। এটা সময়ত সিহঁত দুটাৰ মাজত এনে এটা ভালপোৱা গঢ়ি উঠিল যেন সিহঁতৰ শৰীৰ দুটা, আত্মা যেন এটা। এদিনাখন সন্ধিয়া সময়ত মিনু আৰু অৰ্জ্জুনে ঘৰৰ সন্মুখৰ আলিবাটৰ কাষত থকা বেঞ্চখনত বহি সন্ধিয়াৰ জোনাকী আকাশৰ পিনে দুয়ো চাই থাকোঁতে হঠাতে অৰ্জ্জুনে মিনুক প্ৰশ্ন কৰিলে—"কোৱাচোন মিনু! মানুহে মানুহৰ পৰা কি বিচাৰে?"

মানুহে মানুহৰ পৰা মৰম-চেনেহ, প্ৰেম-প্ৰীতি আৰু ভালপোৱা বিচাৰে।

হয়, মিনু তুমি ঠিকেই কৈছা। নহলে জীৱন মিছা, সংসাৰ মিছা আৰু জীয়াই থকাৰ সাৰ্থকতাও সেই খিনিতেই।

মিনুই অৰ্জ্জুনৰ পিনে চাই মিচিকিয়া হাঁহি এটি মাৰিলে। ৰাতি বেছি হোৱাত দুয়ো ঘৰৰ পিনে খোজ মেলিলে।

যতীন্দ্ৰ বৰুৱা যেতিয়া গোৱালপাৰা চহৰলৈ বদলি হৈ আহিছিল তেতিয়া গোৱালপাৰাত কাঠৰ চোৰাং কাৰবাৰটো বৰকৈ চলিছিল। কাঠৰ চোৰাং কাৰবাৰটো ঠিকাদাৰবোৰৰ এটা অন্যতম ব্যৱসায় হৈ পৰিছিল। বনবিভাগৰ অফিচৰ সকলো কৰ্ম্মচাৰীৰ মুখতে ঠিকাদাৰবোৰে টকাৰ সোপা দি হাতৰ পুতলা সজাইছিল। যতীন্দ্ৰ বৰুৱাৰ এইবোৰ অন্যায় সহ্য নহ'ল। অন্যায়ৰ বিৰুদ্ধে তেওঁ থিয় দিলে। অলপ দিনৰ ভিতৰতে কাঠৰ চোৰাং কাৰবাৰ প্ৰায় বন্ধ কৰি পেলালে। চহৰৰ সকলো ঠিকাদাৰে গোপনে যতীন্দ্ৰ দাৰোগাৰ বিৰুদ্ধে ষড়যন্ত্ৰ আৰম্ভ কৰিলে। ৰবীন ঠিকাদাৰ এদিন হঠাৎ যতীন্দ্ৰ বৰুৱাৰ ঘৰত গ'ল। যতীন্দ্ৰ বৰুৱাই ৰবীনক দেখি আচৰিত হ'ল। কাৰণ চহৰ খনত যিবোৰ অঘটন ঘটে ৰবীন ঠিকাদাৰক কেন্দ্ৰ কৰিয়েই। কিন্তু হঠাতে আচৰিতৰ ভাৱটো লুকুৱাই বৰুৱাই মাত লগালে—অ' ৰবীন নেকি ? ৰবীনেও হয়, ছাৰ, বুলিয়েই উত্তৰ দিলে।

—এই সন্ধিয়া তোমাৰ আগমনৰ কথাটো জানিব পাৰিলে বৰ সুখী হ'ম কোৱাচোন ৰবীন ?

—ছাৰ, আপুনিতো জানেই আমি ঠিকাদাৰ মানুহ। আমাৰ ব্যৱসায় বন্ধ হওঁ হওঁ অৱস্থা আপুনি আমাক অলপ সহায় কৰিব লাগে। আপুনি সহায় নকৰিলে কোনে আমাক সহায় কৰিব

কথাৰ মাজতে ৰবীনে কোটৰ পকেটৰ পৰা তিনিটা টকাৰ বাণ্ডিল উলিয়াই মেজৰ ওপৰত ৰাখি ক'লে -ছাৰ, এইখিনি লওক। লাগিলে আপোনাৰ বন্ধাৰ খৰচৰ বাবে মাজে সময়ে আৰু দি যাম। তথাপি আমাৰ ব্যৱসায়ত সহায় কৰিব লাগে

যতীন্দ্ৰ বৰুৱাই টকাৰ বাণ্ডিল তিনিটা হাতত লৈ ক'লে তাৰ মানে, তুমি মোক ভেটি দিব বিচাৰিছা !

ৰবীনে ক'লে—ছাৰ, ভেটি নহয় ; আপোনাক মই ইচ্ছা কৰিয়েই দিছো। তেওঁৰ কথা শুনি যতীন্দ্ৰ বৰুৱাৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ। টকাৰ বাণ্ডিল তিনিটা দলিয়াৰি দি ক'লে—মই ইমান নীচ নহঁও। মোৰ দ্বাৰা এনে কাম সম্ভৱ নহয়। প্ৰথম বাৰৰ বাবে তোমাক একো নকলোঁ। পুনৰ যদি তুমি এনে ধৰণৰ কথাৰে মোৰ ওচৰলৈ আহা তেনেহলে তোমাক এৰেষ্ট কৰিবলৈ বাধ্য হ'ম।

ৰবীনে ক'লে—আপুনিতো মোক জানেই ! মই কৰিব নোৱাৰা কাম একো নাই। আপুনি এতিয়াও ভাবি চাওঁক।

যতীন্দ্ৰ বৰুৱাই ক'লে—এতিয়াই ওলাই যোৱা। তোমাৰ কথা শুনিবলৈ মোৰ আৰু ধৈৰ্য্য নাই। তোমালোকৰ নিচিনা স্বাৰ্থলোভী মানুহবোৰে নিজ স্বাৰ্থ পূৰণ কৰাৰ ফলতেই দেশলৈ অধঃপতন নামি আহিছে।

ৰবীনে কিবা কবলৈ ধৰাত যতীন্দ্ৰ বৰুৱাই ক'লে তোমাৰ একো কথাই মই নুশুনো। ওলাই যোৱা, নহ'লে উলিয়াই দিবলৈ বাধ্য হ'ম।

ৰবীনে বৰুৱাক ক'লে—আপুনি মোক অপমান কৰিলে। মই যদি ৰবীন হওঁ আপোনাক সুদাই নেৰোঁ। মই চাম আপুনি কিমান সৎ আৰু আপোনাৰ কিমান খং।

যতীন্দ্ৰ বৰুৱাই দুৱাৰ বন্ধ কৰি এই হীন চৰিত্ৰৰ মানুহবোৰৰ বিষয়ে ভাবিবলৈ ধৰিলে।

চহৰৰ কিছুমান নিম্নগৰ হাবিখনৰ কাষতেই কেইঘৰমান মানুহ বাস কৰে। দিনত সিহঁতে গছবোৰ কাটি ৰাখে আৰু ৰাতিৰ বোলকা ৰবীনৰ গাড়ীত উঠাই দিয়ে। এই কথা যতীন্দ্ৰ বৰুৱাই কেনেবাকৈ গম পাই এদিন ৰাতি কেইজনমান পুলিচ

লগত লৈ হাবিত লুকাই থাকিল। গাড়ী অহাৰ শব্দ শুনি বৰুৱাই গাড়ীৰ পিনে আগবাঢ়িল। তেওঁ গাড়ীৰ ওচৰ নৌপাওঁতেই ড্ৰাইভাৰে গাড়ীলৈ পলাল। কিন্তু পলাব নোৱাৰিলে গছ কটা মুকল। মুকুলক গাড়ীখনৰ বিষয়ে সোধাত একো নেজানে বুলি কোৱাত পুলিচে কেইটামান কোব লগাই দিলে। তথাপি একো নক'লে। ৰাতি মুকুলক ল'ক আপত ৰাখি পিছদিনা কোৰ্টত হাজিৰ কৰালে।

ইপিনে ৰবীনে মুকুলৰ ফলীয়া হৈ দাৰোগা যতীন্দ্ৰ বৰুৱাৰ নামত ফেলচনি মোকৰ্দমা থিয় কৰালে। কোৰ্টত মোকৰ্দমা চলিল। হাকিমে মুকুলৰ জবান বন্দী লোৱাত-মুকুলে ক'লে—যিদিনা এই ঘটনা ঘটিছিল মই সেইদিনা ঘৰত নাছিলোঁ। পাছত মই যেতিয়া ঘৰ ওলালোঁগৈ তেতিয়া দেখিলোঁ দাৰোগা যতীন্দ্ৰ বৰুৱাই পাশৱিক কামনা চৰিতাৰ্থ কৰিবৰ কাৰণে মোৰ পৰিবাৰৰ ওপৰত বলপ্ৰয়োগ কৰি আছে। মই বাধা দিয়াত দাৰোগাই মোক এৰেষ্ট কৰিলে।

হাকিমে যতীন্দ্ৰ বৰুৱাৰ সাক্ষী বিচৰাত লগৰ পুলিচ কেইজনমানে মুকুলৰ ফলীয়া হৈ সাক্ষী দিলে। কাৰণ ইতিমধ্যে ৰবীনে পুলিচ কেইজনক টকাৰ বলত তেওঁৰ ফলীয়া কৰিলে। হাকিমৰ বিচাৰৰ ৰায় অনুসৰি যতীন্দ্ৰ বৰুৱাৰ চাৰি হেজাৰ টকাৰ জৰিমনা হ'ল, আৰু উক্ত কাৰ্য্যৰ বাবে তেওঁৰ চাকৰিও গ'ল।

যেতিয়া যতীন্দ্ৰ বৰুৱা ঘৰ আহি ওলাল তেতিয়া আটায়ে হুৰাওৱাৰে কান্দিবলৈ ধৰিলে। বৰুৱাই সান্ত্বনা দি ক'লে—"নেকান্দিবা আজিৰ পৃথিবীত সৎপথত চলিলে এনে লাঞ্ছনা ভুগিবই লাগিব। তাৰ কাৰণে মোৰ কৰ্ত্তব্যক মই ফাঁকি দিব নোৱাৰোঁ।

যতীন্দ্ৰ বৰুৱাৰ মনত গোৱালপাৰা চহৰখন, তাৰ মানুহবিলাকৰ ওপৰত ঘৃণা উপজিল। এই পাপীইতক আমি আৰু মুখ নেদেখুৱাওঁ। আমি ইয়াৰ পৰা ক'ৰবালৈ গুচি যাম। এসপ্তাহৰ ভিতৰতে এই অন্ধকাৰ কু-সংস্কাৰ আৱৰ্জ্জনাৰে ভৰা পৰিবেশৰ পৰা আঁতৰি যাম।

দেউতাকৰ কথা শুনি মিনুৰ বৰ বেয়া লাগিল। অৰ্জ্জুনক এৰি কেনেকৈ যায়? ইপিনে থাকিবও নোৱাৰে। দেউতাক যোৱাৰ কথা শুনি বহুতো চিন্তাই মিনুৰ অন্তৰখন আৱৰি ধৰিলে। মিনুই পুৱাতে উঠি অৰ্জ্জুনক সকলো কথা কম বুলি ভাবি অৰ্জ্জুনইতৰ ঘৰ ওলাল গৈ। পুৱাতেই মিনুক দেখি অৰ্জ্জুনে কলে—মিনু, পুৱাতেই দেখোন তোমাৰ মনটো কিবা মৰামৰা দেখিছোঁ, কি হৈছে? মিনুই কিবা এটা ভাবি একো হোৱা নাই বুলি ক'লে।

স্কুললৈ যোৱাৰ সময়ত অৰ্জ্জুনে মাত লগালে—"মিনু আজি দেখোন শান্তজনী হ'লা হে, বৰ ভাল ছোৱালী হ'লা। মুখত দেখোন একো মাত বোল নাই। আজি তোমাৰ কি হ'ল" বুলি তাইৰ মুখৰ পিনে চোৱাত দেখিলে মিনুৰ দুগালেৰে চকুলো বাগৰিছে। অৰ্জ্জুনে "কিয় কান্দিছা" বুলি সোধাত মিনুই অৰ্জ্জুনৰ হাতত ধৰি ক'লে "তোমাক কৰ লগা মোৰ বহুতো কথা আছে। আজি আমি স্কুললৈ নেযাওঁ; বলা সেই মন্দিৰৰ আগত থকা পুখুৰীৰ পাৰত বহোঁগৈ। পুখুৰীৰ পাৰত বহি অৰ্জ্জুনে মিনুক সুধিলে কোৱাচোন কি হৈছে?

মিনুৱে ক'লে "তুমিতো জানাই মিছা মোকৰ্দমাত দেউতাৰ চাকৰি গ'ল। দেউতা আৰু ইয়াত নাথাকে। কালি পুৱাই আমি গুৱাহাটীলৈ গুচি যাম। মিনুৰ কথা শুনি অৰ্জ্জুনৰ মূৰত বিনা মেঘে বজ্ৰপাত

হ'ল। "মিনু, সঁচাকৈয়ে যাবা ? মোক এৰি সঁচাকৈয়ে গুচি যাবা। মই অকলে কেনেকৈ থাকিম ? তুমি যাব নেলাগে, ব'ল আজিয়েই আমি দুয়ো এক অচিনাকি ঠাইলৈ গুচি যাওঁ।" অৰ্জুন তেনে কথা নকবা ! আমি এতিয়াও কোনো উপাৰ্জনক্ষম হব পৰা নাই। গুচি গৈ আমি কি কৰি চলিম ?

অৰ্জুন— তেনেহলে সঁচাকৈয়ে মোক এৰি গুচি যাবা ! তুমি মোক পাহৰি যাবা ?

মিনু— তেনে কথা নক'বা অৰ্জুন ! মই যলৈকে নেযাওঁ কিয় তোমাক মই পাহৰিব নোৱাৰিম। তুমি যাতে মোক পাহৰি......

মিনুৰ কণ্ঠ ৰুদ্ধ হৈ গ'ল, কেৱল দুগালেৰে ধাৰাসাৰে চকুলো বাগৰি আহিল।

অৰ্জুনৰ আৰু সহ্য নহ'ল। মিনুৰ হাতত ধৰি মন্দিৰৰ ভিতৰত প্ৰবেশ কৰি দেৱতাৰ মূৰ্ত্তিৰ আগত থিয় হৈ মিনুৰ মূৰত হাত দি ক'লে— আজি দেৱতাক সাক্ষী ৰাখি শপত খালোঁ তোমাৰ বাহিৰে কোনো ছোৱালীকে মই বিয়া নকৰাওঁ আৰু সেই বিয়া হব সেই দিনা যিদিনা মই শিক্ষা আহৰণ কৰি উপাৰ্জ্জন কৰিবলৈ শিকিম। মিনু, তুমি সেই দিনটোলৈ জানো বাট চাই থাকিব পাৰিবা ?

মিনুৱে দুগালৰ চকুলো মোহাৰি কলে ময়ো দেৱতাক সাক্ষী ৰাখি ক'লো তোমাৰ শপতক মই আখৰে আখৰে পালন কৰিম। দুয়ো মূৰ্ত্তিৰ সমুখত আঠুকাঢ়ি প্ৰণাম জনাই ক'লে—ভগৱান, আমাৰ প্ৰতিশ্ৰুতি তুমি ৰক্ষা কৰিবা প্ৰভু !

পিছদিনা সকলো বয়-বস্তুৰে সৈতে মিনুহঁত গাড়ীত উঠিল। মিনুই সকলোকে দেখা পালে কিন্তু নেদেখিলে অৰ্জ্জুনক। গাড়ী এৰিবৰ সময়ত মিনুই অৰ্জ্জুনৰ মাত শুনিলে। অৰ্জুনক দেখাৰ লগে লগে মিনুৱে কান্দি পেলালে। গাড়ীৰ পৰা নামিব ধৰাত দেউতাকে ক'লে "মিনু, নেনামিবা ! ইহঁতে যেতিয়া আমাক ভাল নেপায় আমি সিহঁতক ভাল পাই কি হব ? ক্ষন্তেক পিছতেই আমি ইয়াৰ পৰা গুচি যাম। যত ধৰ্ম্ম-অধৰ্ম্মৰ কোনো পাৰ্থক্য নাই, সত্য-অসত্যৰ কোনো অৰ্থ নাই, যি ঠাইৰ মানুহে কোনো ভাল-বেয়া নুবুজে সেই ঠাইক, তাৰ মানুহক ভাল পাই আমাৰ কি লাভ হব ? যি সমাজত মানুহ, মানুহ হিচাবে জীয়াই থাকিবৰ অধিকাৰ নাই, সেইখন সমাজক মই ঘৃণাৰ চকুৰে চাওঁ। তথাপি মিনুৱে অৰ্জুনৰ হাতত ধৰি কান্দিব ধৰিলে। যতীন্দ্ৰ বৰুৱাই অৰ্জ্জুনৰ মূৰত হাত বুলাই ক'লে এই ঠাইৰ মানুহে যেতিয়া আমাক ভাল নেপায়, তুমি ভাল পাই কি কৰিবা ? দেউতাকে মিনুৰ হাতত ধৰি গাড়ীত উঠাৰ লগে লগে গাড়ীখন মন্থৰ গতিত চলিবলৈ ধৰিলে। এটা সময়ত গাড়ীখনে ইঞ্জনৰ পৰা সিজনক নেদেখা কৰিলে।

গুৱাহাটী পাই বৰুৱাই এটা সাধাৰণ ঘৰ ভাৰা কৰি থাকিবলৈ ললে। মিনু আৰু ৰঞ্জুক স্কুলত নাম লগাই দিলে। তেওঁৰ আশা ল'ৰা-ছোৱালী হালক মানুহ কৰিব। কিন্তু পিছ মুহূৰ্ত্তত তেওঁ ভাবে, তেওঁ কেনেকৈ মানুহ কৰিব, তেওঁৰ যে একো উপাৰ্জন নাই। এনেকৈ বছৰৰ পিছত বছৰ অতীতৰ গৰ্ভত লীন হৈ গ'ল। হঠাৎ বৰুৱাই সাংঘাতিক ধৰণৰ অসুখত ভুগিব লগা হ'ল। ইপিনে দুদিনৰ পৰা ল'ৰা-ছোৱালীহালৰ মুখত এমুঠি অন্নও দিব পৰা নাই। নানা কথা চিন্তা কৰি থাকোঁতেই ৰঞ্জু আৰু মিনু শুকান মুখেৰেই স্কুলৰ পৰা আহি ঘৰ সোমাল। ৰঞ্জুৱে ক'লে—' মা মোৰ

ৰৰ ভোক লাগিছে, খাবলৈ দিয়া।" মাকে ৰঞ্জুক কোলাতলৈ ক'লে—'বোপা! কি খাবলৈ দিম? ঘৰত এটাও—" আৰু ক'ব নোৱাৰি মাকে কান্দি উঠিল। ল'ৰা-ছোৱালী দুটাৰ কান্দোন সহ্য কৰিব নোৱাৰি যতীন্দ্ৰ বৰুৱাই ভাবিলে - কাৰোবাৰ পৰা কিবা এমুঠি খাব লৈ আনিব নেকি? আকৌ মনতে ভাবিলে, দিব কোনে? এই নগৰত মোৰ আপোন বুলিবলৈ যে কোনো নাই। আজি তেওঁ পৰি-স্থিতিৰ দাস হৈ ৰাস্তালৈ ওলাই আহিল ভিক্ষা কৰিবৰ মনেৰে। শৰীৰ দুৰ্বল খোজ কাঢ়িব নোৱাৰে তথাপি ওচৰৰ বাচ ষ্টেচনত গৈ ওলাল। ইপিনে ৰাতিৰ ঘোপ মৰা এন্ধাৰ নামি আহিছে। কিমান যে মানুহ ষ্টেচনত! কোনোবা আহিছে, কোনোবা গৈছে, কোনে তাৰ হিচাব ৰাখে। ওচৰতে এজন ভদ্ৰ মানুহ দেখি বৰুৱাই কঁপা কঁপা মাতেৰে ক'লে—"বাবু মোৰ ল'ৰা-ছোৱালী-বোৰ আজি দুদিনৰ পৰা খাবলৈ পোৱা নাই, মোক সহায় কৰক"। মানুহজনে খঙেৰে ক'লে — "এইবোৰ তোমালোকৰ ডাকতি, পইচালৈ মদ খাবা কিন্তু সেইটো নকৰা। পইচা নাই গুচি যোৱা।" যতীন্দ্ৰ বৰুৱা আৰু ৰ'ব নোৱাৰিলে। ভবিৰ তলৰ পৃথিৱীখন যেন কুমাৰৰ চাকৰ দৰে ঘূৰিবলৈ ধৰিলে। তেওঁ আৰু থিয় দি থাকিব নোৱাৰা হ'ল। তেওঁৰ অতীত জীৱনৰ কথাবোৰ ভাবি দুগালেৰে চকুলো বাগৰি আহিল যিজনে হাজাৰ হাজাৰ টকাৰ কোনো মূল্য দিয়া নাছিলোঁ আজি সেই টকাৰ কাৰণে মই মদাহী; সেই টকাৰ কাৰণে আজি মই পথৰ ভিক্ষাৰী, যাৰ কাৰণে মোৰ এনে অৱস্থা। যি ধনীনে দিয়া টকাক মই ভৰিৰ তলৰ ধুলি বনতকৈয়ো মূল্যহীন বুলি ভাবিছিলোঁ সেই টকাৰ কাৰণে আজি মই পৰৰ কটুবাক্য শুনিব লগা হৈছে। হে ভগৱান! আজি তুমি ক'ত?' এইবোৰ ভাবি থাকোঁতে মুৰ আচন্ৰাই কৰি ৰাস্তাৰ ওপৰত, পৰিবলৈ ধৰোতে মিনু আহি থাপ মাৰি সাৱটি ধৰি ক'লে—"দেউতা ঘৰলৈ বলক"। অসুস্থ শৰীৰ লৈ ইয়ালৈ কিয় আহিছে। এই সংসাৰত সৎ মানুহৰ স্থান নাই। সৎ মানুহক সহায় কৰিবলৈ কোনেও আগবাঢ়ি নাহে দেউতা! অসৎ, কু-চৰিত্ৰবান মানুহকহে সকলোৱে আজি সহায় কৰে। ঘৰত আহি দেউতাকক বিছনাত শুৱাই থৈ মিনুই ভাবিলে দেউতাই নিশ্চয় পেটৰ ভোকত ভিক্ষা কৰিবলৈ ওলাইছে। মই ক'লৈ যাওঁ, কৰপৰা অন্ন আনি দেউতাক খুৱাওঁ। হঠাতে শান্তিৰ কথা তাইৰ মনত পৰিল। শান্তিহঁতৰ ঘৰ মিনুহঁতৰ ঘৰৰ পৰা আধা কিলোমিটাৰ নিলগত। মিনুই ভাবিলে শান্তিহঁতৰ ঘৰলৈ গৈ শান্তিক সকলো কথা ভাঙি-পাতি ক'লে নিশ্চয় কিবা এটা উপায় কৰি দিব। মিনুক দেখাৰ লগে লগে শান্তি উচপ খাই উঠিল। লগতে শান্তিৰ মাকেও মিনুক দেখি ক'লে, ইমান ৰাতি অকলে আহিছা, ভয় খোৱা নাইতো? ইমান ৰাতি কিয় আহিছা আইজনী? মাৰাই খং কৰিছে নেকি? মিইনু ক'লে নহয় মাহীদেউ, আজি কেইবাদিনৰ পৰা দেউতাৰ অসুখ। ইপিনে ঘৰত খাবলৈ নাই। ঘৰৰ আটায়ে লঘোণে আছে। মাহীদেউ! দহটা মান টকা ধাৰে দি সহায় কৰিলে ভাল উপকাৰ কৰা হ'লহেঁতেন। দেউতাৰ অসুখ ভাল হ'লে টকা দহটা দি যাম। টকাৰ কথা শুনি শান্তিৰ মাকে মুখখন ওফন্দোৱাই "ঘৰত এটা ফুটাকড়িও নাই, ক'ৰ পৰা দিম" বুলি কৈ ৰান্ধনি ঘৰলৈ বুলি খোজ ললে।

শান্তি আৰু মিনু একেটা শ্ৰেণীতে পঢ়া ছোৱালী। শান্তিৰ বৰ বেয়া লাগিল। শান্তিয়ে মাকক ক'লে—"দিয়া না মা, টকা দহটা। একেবাৰেতো খোজা নাই। ধাৰলৈহে খুজিছে।" শান্তিৰ মাকে খঙতে ক'লে – "বৰ দানী ওলাইছ, আজি টকা দিলে কালি ক'ৰপৰা দিব। দেউতাকৰ কোনো উপাৰ্জনৰ পথ নাই। আনপিনে তেওঁ কগীয়া। মই দিব নোৱাৰোঁ।" শান্তিয়ে মনতে ভাবিলে তাইৰ পাঁচটা টকা আছে, তাকেই দিব। কিন্তু ইপিনে মিনুৱে শান্তিৰ মাকৰ সকলো কথা শুনি সহ্য নহৈ ঘৰৰ পৰা কেতিয়া-বাই ওলাই গ'ল। শান্তিয়ে টকা পাঁচটা আনি মিনু মিনু বুলি মতাতহে গম পালে যে মিনু ইতিমধ্যে গুচি গ'লগৈ।

মিনুৱে আহি আহি ৰাজ আলিবাটত ওলাই ঘৰৰ পিনে খোজ ল'লে। তাই নিৰাশাত ভাগৰি পৰিছে। তাই কি কৰিব, ক'লৈ যাব ঠিক কৰিব পৰা নাই। তাই যি পিনেই লক্ষ্য কৰিলে কেৱল ঘোৰ অন্ধকাৰহে দেখিবলৈ পালে। তাইৰ জীৱনৰ অন্ধকাৰেই যেন ৰাতিৰ অন্ধকাৰকো বেছি ঘন কৰি তুলিছে। আলিবাটত থকা বিজুলী চাকিৰ পোহৰেও যেন তাইক বাট দেখুৱাই দিব পৰা নাই। তাই যেন ঘন এন্ধাৰৰ মাজেৰে গৈ আছে, ক'লৈ গৈছে তাক কব নোৱাৰে। হঠাতে পিছ ফালৰ পৰা কোনোবাই কোৱা যেন শুনিলে 'যাবি নেকি।' মিনুৱে চমকখাই ক'লে 'ক'লৈ'। মানুহটোৱে কথাৰ বিপৰীত যেন দেখি অন্যপিনে খোজ ল'লে। মিনুৱে মানুহজনৰ কথাৰ অৰ্থ বুজনাকৈ নেথাকিল। তাই হতাশা-নিৰাশাৰে ভৰা ঘৰখনৰ কথা, দেউতাকে পেটৰ ভোকত ভিক্ষা কৰিবলৈ ওলোৱাৰ কথা মনত পৰিল আৰু মনত পৰিল সৰু ভাইটিৰ শুকান মুখখনিলৈ। যি শান্তিৰ মাকে অলপ আগতে তাইক "আই" বুলি সম্বোধন কৰিছিল, অভাৱৰ কথা শুনি পিছত সন্মুখৰ পৰা আঁতৰিয়েই গ'ল। চলচিত্ৰৰ কাহিনীৰ দৰে এটাৰ পিছত এটাকৈ সকলোবোৰ ঘটনা তাইৰ চকুৰ আগত ভাঁহি উঠিল। তাইৰ অন্তৰখন হঠাতে কঠিন হৈ গ'ল। তাইৰ দৰিদ্ৰ জীৱনৰ প্ৰতি ঘৃণা উপজিল। লাজ, অপমান, পাপ-পুণ্য, ধৰ্ম-অধৰ্ম সকলোবোৰ অন্তৰৰ পৰা ঠেলি পঠিয়াই মানুহজনক বিচাৰি ক'লে "ব'লা যাম"। মানুহজনৰ সৈতে টেক্সি এখনত উঠিল। টেক্সিখন এন্ধাৰৰ মাজেৰে গতি কৰিলে। এটা সময়ত মানুহজনে কুৰিটকীয়া নোট এখন দি ক'লে যোৱা। সদায় সেই ঠাইতে লগ দিবা। দুঘণ্টা পিছত নতুন মোনা এটাত কিবাকিবি বস্তুলৈ মিনু ঘৰ গৈ ওলাল। দেউতাকে ক'লে—"ইমান ৰাতি ক'লৈ গৈছিলি মা"। মিনুৱে দেউতাকৰ ঔষধ দি ক'লে—"দেউতা আগতে খোৱা; পিছত সুবিধা।" মিনুৰ হাতত ঔষধ! —যতীন্দ্ৰ বৰুৱাৰ দুচকুৰে চকুলো বাগৰি আহিল। মিনুৱে মাকক মাতিলে,—অ' মা এইবোৰ লোৱা। মাকৰ আগত চাউল আৰু কিবা-কিবা উলিয়াই দিলে। দেউতাকে সুধিলে মা মিনু এইবোৰ ক'ৰ পৰা আনিলি। মিনুৱে দেউতাকৰ মূৰ হাতেৰে পিহি ক'লে "শান্তিৰ দেউতাকৰ পৰা কুৰি টকা ধাৰ লৈছোঁ দেউতা। শান্তিৰ দেউতাকে আৰু কি ক'লে জানা দেউতা, কালি আবেলি চাৰিটা বজাত কিবা ইঞ্জিনিয়াৰিং ফাৰ্মত ইণ্টাৰভিউ হ'ব। মেট্ৰিক পাছ হলেও হব হেনো। মোক কালি যাবলৈ কৈছে। তেখেতে মোক এটা চাকৰি যোগাৰ কৰি দিব বুলি কৈছে।"

গভীৰ আশাৰে দেউতাকে ক'লে "সঁচাই কৈছ মিনু! সঁচাকৈয়ে তোক চাকৰি দিব? নিৰাশাৰ মাজত আশাৰ বন্তি দেখা পাই দেউতাকৰ দুগালেৰে আনন্দৰ চকুলো বাগৰি আহিল।

সেইৰাতি খাইবৈ সকলো নিদ্ৰাদেৱীৰ আশ্ৰয় ল'লে। কিন্তু আশ্ৰয় নেপালে মিনুৱে। মিনুৰ দুচকুত পৰ্বতৰ পৰা ওলোৱা নিজৰাৰ পানী বাগৰি অহাদি চকুলো বাগৰি আহিবলৈ ধৰিলে। হঠাৎ আজি অৰ্জ্জুনৰ কথা মনত পৰিল মিনুৰ। মনত পৰিল সেই মন্দিৰৰ দেৱতাৰ আগৰ প্ৰতিশ্ৰুতিৰ কথা। তাই ভাবিলে মই অৰ্জ্জুনৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলোঁ, কি কৰিম. এই পথ অবিহনে অন্যপথ আৰু মোৰ নাই। এইবোৰ কথাই তাইৰ মগজুত খুন্দা মৰাত কেতিয়া যে অজ্ঞান হৈ নিদ্ৰাদেৱীৰ কোলাত শুই পৰিল গমকে নেপালে। পিছদিনা চাৰিটামানত মিনু ইন্টাৰভিউ দিবলৈ ওলাল। দেউতাকে "ভগৱানে মঙ্গল কৰক" বুলি আশীৰ্বাদ কৰিলে। মিনুৰ অন্তৰত যোৱা নিশাৰ কথা উদয় হ'ল। কিন্তু তাইৰ আজি বেয়া নেলাগিল। তাই ভাবিলে ইয়েই মোৰ একমাত্ৰ কৰ্মপথ। এই পথেৰেই মই আগুৱাই যাব লাগিব। সেই নিশা ন মান বজাত তাই ঘৰ আহি ওলাল। দেউতাকে সুধিলে—"চাকৰি হ'লনে আই?" তাই মূৰ দুপিয়ালে। "আই ভগৱান নিশ্চয় আছে, দুখীয়াক নিশ্চয় সহায় কৰে। নহ'লেনো পৃথিৱীত দুখীয়াই জীয়াই থাকিব কেনেকৈ?" দেউতাকৰ মুখত ভগৱানৰ কথা শুনি তাইৰ অন্তৰখন কঠিন হৈ উঠিল। কিবা ক'বলৈ ধৰাত দেউতাকৰ মুখলৈ চাই ক'ব নোৱাৰিলে।

বপুৱে পঢ়াৰ পৰা আহি ক'লে—"বাইদেউ, তুমি চাকৰি কৰিবা আৰু মই পঢ়িম। মই ডাক্তৰ হ'ম, নহয়? "আমাৰ আৰু কিহৰ অভাৱ" হয় বপু! তুমি পঢ়ি শুনি ডাক্তৰ হ'বা, তেতিয়া মই চাকৰিৰ পৰা অৱসৰ ল'ম। তাইৰ অন্তৰ বেদনাৰে ভাৰাক্ৰান্ত হৈ যায়।

এইদৰেই মিনুৰ দিনবোৰ বাগৰি যায়। তাইৰ জীৱনলৈ কিমানজন আহিল, কিমানজন গ'ল তাৰ কোনো হিচাব মিনুৱে নেৰাখিলে। তাৰ লগতে কিমান দুখ-কষ্ট সহ্য কৰিব লগা হ'ল তাৰ কোনো হিচাব নাই। দেউতাকৰ করুণ নিঃসহায় মুখখন চাই আৰু বপুক মানুহ কৰিবৰ আশাৰে দুখকষ্টৰ মাজেৰে তাইৰ জীৱন একে পথেৰে গতি কৰি থাকিল। মিনুইত গোৱালপাৰাৰ পৰা গুচি অহাত অৰ্জ্জুনৰ কিছুদিন মিনুৰ কথা সঘনে মনত পৰিছিল। কিন্তু পিছত মনত নপৰা হ'ল। এটা কথা আছে চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ হয়। সময়ৰ সোঁতৰ লগে লগে অৰ্জ্জুনে বি, এ পাছ কৰি গুৱাহাটীত চাকৰিও পালে। হঠাৎ এদিন পাৰ্কলৈ যোৱাত এজনী ছোৱালীক দেখি তেওঁৰ মিনুৰ কথা মনত পৰিল। সেই দিনাৰ পৰা সঘনে মিনুৰ কথা মনত পৰা হ'ল। তেওঁৰ মনত পৰিল সেই মন্দিৰত শপত খোৱাৰ কথা। অৰ্জ্জুনে গুৱাহাটী চহৰত মিনুৰ সন্ধান কৰিবলৈ ধৰিলে; কিন্তু কোনো খা-খবৰ নেপালে। মিনুৰ "অৰ্জ্জুন! মোক পাহৰি নেযাবা", বুলি কোৱা কথাষাৰলৈ তেওঁৰ মনত পৰে। হয়তো তাইৰ বিয়া হৈ গ'ল। পিছ মুহূৰ্ততেই তেওঁ ভাবে, নহয়, মিনুৱে কেতিয়াও অইনক গ্ৰহণ কৰিব নোৱাৰে। তাই নিশ্চয় মোৰ বাবেই ৰৈ আছে। মই তাইক লগ পাবই লাগিব। যিদিনা মই মিনুক প্ৰথম লগ পাম, মই কম

"মিনু মই মোৰ প্ৰতিশ্ৰুতি পালন কৰি তোমাৰ ওচৰলৈ আহিছোঁ। তুমি জানো মোৰ অপেক্ষাত ৰৈ আছা।" মিনুক মই মৰমতে সাৱটি ধৰিম। ছিঃ লাজ লাগিব নহয়, তাই এতিয়া সৰু হৈ থকা নাই। তেনেহ'লে কি কৰিম? তাইৰ গালত এটা চিকুট মাৰি দিম। এনেকৈ ভাবি ভাবি অৰ্জ্জুন আনন্দত অধীৰ হৈ পৰে।

এদিন দেওবাৰে অৰ্জ্জুনে চাৰি বজাত পাৰ্কলৈ যাবৰ বাবে বাটেৰে গৈ আছে। এনেতে এখন হোটেলৰ সন্মুখত মিনুক দেখা পালে। তাই এজন মানুহৰ হাতত ধৰি ভিতৰত সোমাই গ'ল। তেওঁৰ মনটো আনন্দত নধৰা হৈ পৰিল। কিন্তু মুহূৰ্ত্তৰ ভিতৰতে তেওঁৰ আনন্দ-নিৰানন্দত পৰিণত হ'ল। তেওঁ মিনু বুলি বিশ্বাস কৰিবলৈ টান পালে। যদি মিনু হয়, তেন্তে এই সন্ধিয়া পৰত এইখন হোটেলত কিয়? গুৱাহাটীলৈ অহাৰ পৰাই দেখিছে হোটেলখন মদাহী আৰু বেশ্যাৰ আড্ডা। বহু কথা ভাবি তাই মিনু হয়নে নহয় তাক সঠিক উত্তৰৰ কাৰণে হোটেলৰ ভিতৰ সোমাল। হোটেলখন দুমহলীয়া। হোটেলত অৰ্জ্জুন সোমাই গৈ দেখিলে কেইজনমান মানুহে কোনোবা ছোৱালীৰ কথা আলোচনা কৰি আছে। কিন্তু সোমোৱা ছোৱালীজনীক দেখা নাপালে। অৰ্জ্জুন লাহে লাহে কথাপাতি থকা মানুহ কেইজনৰ কাষ চাপি ৰহিল। এজনক কোৱা শুনিলে, "এইমাত্ৰ সোমোৱা মিনু নামৰ ছোৱালীজনী আচলতে বেয়া নাছিল। তাইৰ দেউতাকে বোলে কিবা দাৰোগাৰ চাকৰি, কৰিছিল। মানুহে মানুহৰ ভাল দেখিব নোৱাৰে ভাই! কোনোবাই বোলে দাৰোগাক মিছা মোৰ্দ্দমাত পেলাই চাকৰিটো খাই দিলে। সিহঁত গুৱাহাটীলৈ আহিল। মিনুহঁতৰ দেউতাকৰ অসুখ আৰু অভাৱৰ বাবেই কিমান মানুহৰ ওচৰত সহায় বিচাৰিলে; কিন্তু সহায় নেপালে। অৱশেষত তাই নিজৰ দেহ মানুহৰ ওচৰত বিক্ৰী কৰি পৰিয়ালটো মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ কৰিছে।" এজনে ক'লে—"থৈ দিয়াহে, আজি-কালি দেহ বিক্ৰী কৰাটো এটা ব্যৱসায়ত পৰিণত হৈছে।" আন এজনে ক'লে—"সেই সময়ত তাইৰ এই পথ অবিহনে কোনো বিকল্প ব্যৱস্থা নাছিল। তাই নহলে গোটেই পৰিয়ালটো মহাকালৰ গৰ্ভত লীন হ'লহেঁতেন।" অৰ্জ্জুনৰ বুজিবলৈ আৰু বাকী নেথাকিল। তেওঁৰ ধৈৰ্য্যৰ সীমা চেৰাই গ'ল। তেওঁৰ কল্পনাৰ সোণোৱালী সপোন আজি ইয়াতেই ভাগি চুৰমাৰ হৈ গ'ল। অৰ্জ্জুনৰ ঘৃণা আহিল সমাজৰ মানুহৰ ওপৰত। খং উঠিল সেই ৰবীনৰ ওপৰত, যিয়ে এখন সোণৰ সংসাৰ ধ্বংস কৰি পেলালে। অৰ্জ্জুনৰ মনত ভাব হ'ল এতিয়া দৌৰি গৈ সেই ৰবীনক হত্যা কৰি সমাজৰ সকলো মানুহক জনাই দিব যে এই পাপীষ্ঠই এখন সোণৰ সংসাৰ ধ্বংস কৰিছে। এজনী সচ্চৰিত্ৰা ছোৱালীক বেশ্যা সজাইছে। অৰ্জ্জুনে ওপৰ মহলাৰ পিনে লক্ষ্য কৰাত দেখা পালে মিনুৰ লগত দেখা মানুহজন ঢলং-পগং কৰি চিৰিৰে তললৈ নামি আহিছে। অৰ্জ্জুনে একে দৌৰে ওপৰ মহলাত উঠি দেখিলে মিনু বেশ্যাৰ বেশত কোঠা এটাৰ দুৱাৰত থিয় হৈ আছে। অৰ্জ্জুনে চিঞৰি ক'লে—'মিনু আজি তোমাক কিহৰ বেশত দেখিছোঁ, তুমি জানো সেই মন্দিৰৰ দেৱতাৰ আগত শপত খোৱা মিনু নহয়?" অৰ্জ্জুনে মুখেৰে আৰু একো ক'ব নোৱাৰিলে। তাৰ কণ্ঠ যেন কোনোবাই চেপি ধৰিছে। মিনুৱে অৰ্জ্জুনক দেখি কোঠাৰ ভিতৰত

সোমাই দুৱাৰখন বন্ধ কৰি কান্দি কান্দি বাগৰি পৰিল। তাই আজি এই লাজ সহ্য কৰিব নোৱাৰে। গোটেই পৃথিৱীৰ মানুহৰ আগত তাই বেশ্যা ৰূপে চিনাকি দিব পাৰে, কিন্তু নোৱাৰে অৰ্জ্জুনৰ আগত। অৰ্জ্জুনে আজি নিজ চকুৰে বেশ্যাৰ ৰূপত দেখা পালে। তাইৰ কলঙ্কিত দেহা লৈ কেনেকৈ অৰ্জ্জুনৰ আগত ওলাব। তাই ভাবিব নোৱাৰি অজ্ঞান হৈ পৰিল। এটা সময়ত নিস্বৰে অৰ্জ্জুনক বাহৰত চিএঞৰি থকা শুনিবলৈ পালে—"মিনু দুৱাৰখন খুলি দিয়া মই তোমাৰ মুখখন চাও, মিনু তুমি জানো মোৰ সেই মিনু নোহোৱা? মই মোৰ প্ৰতিশ্ৰুতি পালন কৰিবলৈ তোমাৰ ওচৰলৈ আহিছো। তুমি মোৰ বুকুৰ মাজলৈ আহাঁ। মিনুই কান্দি কান্দি অৰ্জ্জুনক ক'লে—"মই যে আৰু তোমাৰ মিনু হৈ থকা নাই। মই আজি গুৱাহাটী চহৰৰ বেশ্যা। এই কলংকিত দেহা তোমাৰ প্ৰাপ্য নহয়। মোৰ প্ৰতিশ্ৰুতি মই ৰক্ষা কৰিব পৰা নাই। তুমি ইয়াৰ পৰা গুচি যোৱা। মই আৰু সহ্য কৰিব নোৱাৰো।" এটা সময়ত কোঠাটোৰ ভিতৰত সাৰি শব্দ নোহোৱা হ'ল। মিনুৱে আত্মহত্যা কৰা বুলি বলেৰে দুৱাৰখন খোলাত "আঃ" বুলি মাত্ৰ এটা শব্দ শুনিবলৈ পালে। কোঠাটো শূন্য, মাত্ৰ এখন খিড়িকি মেল খাই আছে। অৰ্জ্জুনে মিনু বুলি চিঞৰি তললৈ নামি আহি আলিবাটৰ ওপৰত তেজেৰে বাগুলি ক্ষত-বিক্ষত দেহাটি শেঁতা পৰি থকা দেখি বুজিলে কেতিয়াবাই মিনুৰ প্ৰাণবায়ু মহাশূন্যত মিলি গৈছে। মাত্ৰ মিনুৰ হাতত এটুকুৰা কাগজ দেখা গ'ল। তাত লিখা আছিল "অৰ্জ্জুন মোক ক্ষমা কৰিবা, মই এই জীৱনত তোমাৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলোঁ"।

অৰ্জ্জুনে মিনুৰ মুখৰ ওপৰত মুখ ৰাখি হুকু হুকাই কান্দিব ধৰিলে। বহুত মানুহ আহি গোট খালে। কোনোবাই ক'লে "আজি তাই কষ্টৰ পৰা হাত সাৰিলে"। কোনোবাই ক'লে নহয় তাই আজিৰ পৰা পৰিয়ালটোক অথাই সাগৰত পেলালে। লাহে লাহে সন্ধিয়াৰ এন্ধাৰে সকলোকে নেদেখা কৰি পেলালে।

বীৰেন আৰু মহেশ ধৰলৈ খোজ ললে। হায়! জীৱ শ্ৰেষ্ঠ মানৱ সমাজ!!



# ক্ষয়িষ্ণু

দীপেন্দ্ৰ পাঠক
স্নাতক মহলা

মই প্ৰায়েই ভাবোঁ। প্ৰায়েই নহয়, সদায় এটা সূৰ্যোদয়ৰ পৰা আন এটা সূৰ্যোদয়লৈ প্ৰতিটো ক্ষণত, প্ৰতিটো মুহূৰ্ত্তত বতাহ বলাৰ দৰে বুকুত ঢৌৰ অন্ত নোহোৱাৰ দৰে এটা মাথোঁ চিন্তাই জুৰি থাকে মোৰ সমগ্ৰ চিন্তাকাশ। মই ভাবি থাকোঁ। নহয়, মোক ভাবিবলৈ বাধ্য কৰাইছে। পাঠশালাৰ বুঢ়া পণ্ডিত মহোদয়ৰ চেকনিৰ ভয়ত পাঠ দিব নোৱাৰি ঘোপা অথচ ভয়াৰ্ত্ত কৰুণ চকুৰে কাণত ধৰি উঠ-বহ কৰোঁৱা একান্ত বাধ্য ছাত্ৰৰ দৰে আজন্ম ঘৃণা কৰি অহা অথচ মৃত্যুৰ পিছত বাপুদেউৰ নিৰ্দেশত সজল চকু আৰু শিশু সুলভ সৰলতাৰে নিৰ্দিষ্ট চিত্তে দেউতাকৰ শ্ৰাদ্ধত ফুল দলিওৱা ডেকাজনৰ দৰে মই মোৰ প্ৰতিটো উশাহত, প্ৰতিটো নিশাহত মাথোঁ ভাবোঁ, চিন্তা কৰোঁ। অহৰহ একুৰা তুঁহ জুই জ্বলি থাকে মোৰ বুকুৰ কোনত। পুৰি নিয়ে মোৰ দেহ, মোৰ মন, তাৰ ধোঁৱাই ঢাকি ধৰে মোৰ সমগ্ৰ সত্তা। তথাপি ভাবৰ শেষ নাই। অবিৰাম এটা ছটফটনি, বৰষা পৰি উখহি থকা চকুত এশ ভাগ শক্তিৰ "লোকোলা" দিয়াৰ দৰেই অহৰহ এটা পোৰণি। মুক্তি নাই। মথো ভাব আৰু ভাব। সেয়া যেন মোৰ কৰ্ত্তব্য, মোৰ ধৰ্ম্ম। ভৰিৰ তলুৱাত বিন্ধি থকা কাঁইট এডাল উলিয়াই নেপেলালে খোজে প্ৰতি পোৱা বেদনাটোৰ দৰে চিন্তা বিহনে যেন খেচ্‌খেচাই থাকিব মোৰ মনটো কিন্তু কাক কম? কেনেকৈ কম?' কোনে শুনিব?? মাথোঁ এটা বেদনা-কাতৰ অস্ফুট চিঞৰ..........................................

আৰু একো নাই।

সীমা আছে। পাৰাপাৰ নমনা সাগৰ, মহাসাগৰৰো সীমা আছে। সীমা আছে হয়তো দিগন্ত ৰেখাৰ আৰু হয়তো আছে মানুহৰ আকাঙ্ক্ষাৰ। সীমা পাৰ হলেই অশান্তি, বিৰাগ, বিতৃষ্ণা। মৰমৰো সীমা থাকিব লাগে, থকা উচিত। কিন্তু কেতিয়াবা কেতিয়াবা মৰমৰ সীমা নাথাকে, যিদৰে থকা নাই, মোৰ ক্ষেত্ৰত। মাক বুজাব পৰা নাই আৰু মায়েও বুজা নাই যে 'অত্যাধিক মৰমেও মানুহক আমুৱায়। পুত্ৰস্নেহত স্নেহান্ধ মাক মই কব পৰা নাই যে 'ইমান মৰমবোৰ সহ্যাতীত মা! মা স্নেহান্ধ, মা প্ৰেমান্ধ, নহলে ইটো খা, সিটো নেখাবি, ইটো কৰ সিটো নকৰিবি জাতীয় শব্দবোৰেৰে মোক আমনি কৰি নেথাকিলেহেঁতেন। মুখত দিলেই বমি হব খোজা মৰসিংহৰ পাতবোৰ পেটলৈ ভাল বুলি মোক জোৰকৈ খুৱাবলৈ নিবিচাৰিলেহেঁতেন। মোৰ ভাল লগা কিবা এটা মই চিন্তা কৰিব নোৱাৰোঁ। ছোৱালী চাবলৈ যোৱা মানুহে ছোৱালীক খুব সাবধানে আপাদমস্তক নিৰীক্ষা কৰাৰ দৰে মোৰ প্ৰতিটো অংগতে সাবধান দৃষ্টি ফুৰাই মাই কয়—"গা অসুখ কৰিছে নেকি বাবা?"

"নাই মা।"

বোৱতী নদীত ভেটা পৰ'ব দৰে ভাৱত বাধা পৰে। শব্দবোৰ পাৰ ভাঙি ওলাই আহিব বিচাৰে, অথচ মুখফুটাই একো এটা নকওঁ, কব নোৱাৰোঁ। মাৰ কৰুণ মুখখনিলৈ চাই থৰ হৈ যাওঁ। "তই এনেকৈ থাকিলে মই খুব কষ্ট পাওঁ বাবা"। অন্তৰৰ সকলোখিনি আবেগ সমস্ত আকুলতাৰে সৈতে ওলাই আহে মাৰ কণ্ঠস্বৰ। মূৰত থকা একমাত্ৰ ওকনিটো ধৰাৰ সতৰ্কতাৰে মাৰ হাতখনে মোৰ চুলিৰ মাজত বিচৰণ কৰে। মই জানো মায়ে মোক মৰম কৰে। কিন্তু এনেকৈ, এনেদৰে ইমান প্ৰকাশ্যে। বোবা বেদনাত মই ফাঁটি পৰোঁ। যুক্তিৰে বিচাৰ কৰি চাওঁ ইমানবোৰ মৰমৰ প্ৰয়োজন ক'ত? জীয়াই থাকিবলৈতো মানুহক ইমান মৰম, ইমান আব্দাৰৰ প্ৰয়োজন নাই। মইতো বিচৰা নাই। কিন্তু শান্তি নাই। কোঠাৰ বন্ধ দৰজাত ঢকিয়াই মায়ে কয় —'সন্ধিয়া শুই থাকিব নেপায় বাবা। উঠি বহ।" মোৰ চিঞৰি দিবৰ মন যায়। অথচ নোৱাৰোঁ। বিগত অতীতটোৱে দোলা দি যায় মনত।

মানস পটত ভাঁহি উঠে উজাগৰী নিশা-বোৰৰ কথা। যেতিয়া অসহ্য যন্ত্ৰণাত মাৰ বুকুত কুচি মুচি সোমাই পৰিছিলো। খোচমাৰি ধৰা নেদেখা শেলবোৰে বুকুখন চিৰাচিৰ কৰিব খোজোতে যেতিয়া বহি বহি মোকেই পৰ দি থকা মাৰ বুকুত পৰম প্ৰত্যয়েৰে মূৰটো গুজি দিছিলো, মাক সাৱটি ধৰিছিলো ঠিক এটা বান্দৰৰ পোৱালীৰ দৰেই। মাৰ সোতোৰা সোতোৰ গালৰ বহুত চকুপানী হেৰাই গৈছিল। কিমানবোৰ যে এনেকুৱা উজাগৰী নিশা পাৰ হৈ গৈছিল। মাৰ হা-হুমুনিয়াহবোৰে বতাহ জাক যে গধুৰ কৰি তুলিছিল, কোনেও নেজানে। "চুলিচিঙি কাতৰ কৰিছোঁ, বাবাক ভাল কৰি দিয়া প্ৰভু।" এনেকুৱা কিমানযে আকুল অস্ফুট বিননি নিদ্ৰামগ্ন প্ৰভুভাৰ্জীয়াৰ কাণত নৌ পৰোতেই বতাহত হেৰাই গৈছিল। মাজঘৰে ঘৰে কিমান গছ চাকি জ্বলি উঠিছিল আৰু শেষত নুমাই গৈছিল। ভাবি শিয়ৰি উঠোঁ, মাথো আচৰিত হওঁ। ইমানবোৰ যন্ত্ৰণা সহিও মই কেনেকৈ জীয়াই থাকিলো! জীয়াই থাকিলো নহয়, মোক জীয়াই ৰাখিছিল মাৰ মৰমে, মাৰ প্ৰেমে। মাৰ ওচৰত মই বৰ বেয়াকৈ হাৰি যাওঁ।

'পুত্ৰ পৰিবাৰ সবাই অসাৰ................."

বোলা গীতটো ৰেডিঅ'ত বাজিলেই খুব মনোযোগেৰে শুনি "এবা কোন কাৰ" বুলি দীঘল হুমুনিয়াহ পেলোৱা মাক মই কেনেকৈ কওঁ যে "গতিকে মোৰ বাবে চিন্তা নকৰিবি মা। কত অপাৰেশ্বন কৰিলে মানুহ ভাল নোহোৱাৰ কোনো মানে নাই!' উঠ, বহ, খা, শো, বোলেৰে মোক দিনটোৰ চৌবিশ ঘণ্টা আমনি কৰিলেও মই মাক কব নোৱাৰো,-'মা মোক অলপ অকলে থাকিবলৈ দে।" মাথো এটা বেদনাকাতৰ ভঙা-ভঙা অস্থিৰ চিঞৰ —'তই মোক এনেদৰে আমনি দি নাথাকিবি মা'।

আৰু ককাইদেউ। মৃণাল ককাইদেউ। সিও হয়তো বুজে যে মাত্ৰাধিক মৰমে কেতিয়াবা জুই হৈ কাৰোবাক পুৰিব পাৰে ঠিক মোক পোৰাৰ দৰেই। জনাহেঁতেন সি অকনমান শো, অলপ জিৰণি ল, বতাহ জাক বৰ বেয়া, চুৱেটাৰটো পিন্ধি ল' জাতীয় আলসুৱা শব্দবোৰেৰে মোক আমনি দি নেথাকিলহেঁতেন। আৰু মইও তাক হয়তো বুজাবলৈ চেষ্টা কৰিব নেলাগিলহেঁতেন

যে 'মই ভাল হৈছোঁ। ককাইদেউ, মাথোঁ মোৰ বাবে তই ইমান ব্যস্ত হৈ নাথাকিবি।' আৰু সেয়ে হয়তো ককাইদেউৱে মোক ভুল বুজা আৰম্ভ কৰি দিছে, 'মোৰ ওপৰত থকা তাৰ ককাইদেউ সুলভ কৰ্তৃত্বক অৱমাননা কৰা বুলি। হয়তো মোৰ কথা-বতৰা বা আচাৰত মই ফুটাই তুলিব পৰা নাই, প্ৰকাশ্যে ক'ব পৰা নাই যে ককাইদেউ তোক মই কাহানিও অৱমাননা কৰিব নোৱাৰোঁ। ক'ব পৰা নাই যে তোৰ সিমানবোৰ মৰম, কষ্ট পাহৰি যাব পৰাকৈ মই সিমান অকৃতজ্ঞ নহওঁ। মই জানো মাথোঁ মোৰ বাবেই ককাইদেউ সৰু হ'ব লগা হৈছিল বহুতৰে ওচৰত। দুৰ্গাপূজাৰ আৰতিত বজোৱা ঢোলটোৰ দৰে পেট্ৰিয়া চেহেৰাৰ সুদখোৰ মহাজনৰ ওচৰত মূৰ দোঁৱাই কব লগা হৈছিল 'এইবাৰ'ল চাওক দেউতা, নহ'লে সি নেবাচিব। কিন্তু মই ক'ব পৰা নাই যে 'মই এতিয়া সম্পূৰ্ণ সুস্থ ককাইদেউ। মই ভাল হৈছোঁ।'

'অসহ্য যন্ত্ৰণাত মাৰ বুকুত' মূৰ গুজি শুই থকা অৱস্থাত বহি বহি ঘৰৰ মাৰলিলৈ চাই চাই এটা সময়ত ওলাই আহিব খোজা চকুপানী লুকুৱা-বলৈ নিঃশব্দে ভাঁতৰি যোৱা ককাইদেউৰ চিন্তা-ক্লিষ্ট মুখখনৰ নিখুঁত প্ৰতিৰূপ এতিয়াও মোৰ স্পষ্ট মনত আছে। "ইয়াক বচাওক ডাক্তৰ, বচাওক..." বুলি ডাক্তৰৰ মেজত মূৰ খুন্দিয়াই হুৰুহুৰকাই কান্দি দিয়া ককাইদেউৰ অসহায় অৱস্থাটোৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰিম। মই জানো ককাই-দেউৰ ভয় ক'ত, দুৰ্বলতা কোনখিনিত। কিন্তু ককাইদেউৱে বুজা নাই, মানে বুজিও বুজা নাই যে মই ভাল হৈছোঁ। আৰু নহলেও মোৰ বাবে এতিয়া আৰু তাৰ কৰণীয় একোৱেই নাই।' ভাবি দুখ লাগে। ভাবি বেয়া লাগে যে মোৰ বাবেই ককাইদেউৰ বিয়া ঠিক হোৱা বছৰটো পাৰ হৈ তিনিবছৰ আগুৱাই গৈছিল। 'মোৰো দেহাই নাটানে, বোৱাৰী এজনীকে আন' বোলা মাৰ বহুদিনীয়া আপত্তিটো পূৰণ কৰি আজিলৈকে তাৰ বাবে এজনী ছোৱালী আনিব পৰা নাই। হ'বলগীয়া বিয়া-খন এবাৰ এবাৰকৈ দুবাৰ নোহোৱা হৈছে মাথো মোৰ বাবে। এবাতো, ঘৰত ৰোগী এজন থাকোঁতে কি শান্তিত বাৰু ককাইদেউৱে বিয়া পাতে। কিন্তু এতিয়া? ককাইদেৱে ভাবে যে মই এতিয়াও ভাল হোৱা নাই বা পুৰণি অসুখটোৱে পুনৰ গা-কৰি উঠিব পাৰে। অথচ মই ককাইদেউক ক'ব পৰা নাই যে মই ভাল হৈছোঁ ককাইদেউ, এতিয়া মোকো এজনী নবৌ লাগে।

মই নাৰ্চিং হোমত থাকোঁতে বিশ বছৰীয়া চিষ্টাৰৰ ওচৰত মাথোঁ মোৰ বাবেই ভাইটি যেন হৈ পৰা সাতাইশ বছৰীয়া ককাইদেউক, অপাৰেশ্যনৰ পিছত প্ৰথম চকু মেলি মোৰ মূৰ শিতানত বহি থকা আৰু মোক ঘূৰাই পোৱাৰ আনন্দত কিবা এটা ক'ব খুজিও, অলপ হাঁহিব খুজিও হঠাৎ সজল হৈ উঠা চকুজুৰিৰে বকলৈহে পৰা ককাইদেউৰ মুখ-খন এতিয়াও মই পাহৰা নাই। অথচ মোৰ বৰ্তমান সুস্থ অৱস্থাতো ছাঁৰ দৰে ককাইদেউ মোৰ লগত লাগি থাকে। এইবোৰ ভাবি কেতিয়াবা হেঁপাহ পলুৱাই কান্দি দিবৰ মন যায়। কান্দিলে হেনো মনৰ দুখবোৰ পাতলে। এবা, এবাৰ চকু-পানীৰে মোৰ প্ৰতি থকা ককাইদেউৰ মৰমৰ খৰ-স্ৰোতা নদীখনৰ সোঁতটিক অৱপমান বাধা দিব পৰা হলে!

হয়, সেইবাবেই মই সেইদিনা ককাইদেউক হেনে-

মই কৈছিলোঁ…… ……। দৰে ক'ব লগা হৈছিল। যাওক সেইবোৰ, মোৰ জ্ঞাতে তাক মনত আঘাত দিব পৰা কোনো ধৰণৰ কথা মই আজিলৈকে কোৱা নাই। সেইদিনা বাৰু কৈছিলো নেকি ? যদি কৈছিলোঁ সেয়া হয়তো মোৰ অৱচেতন মনত প্ৰভাৱ। জীৱনৰ ভাল লগা, বেয়া লগা, তিতা, কেঁহা, মিঠা কথাবোৰ হয়তো অৱচেতন মনত লুকাই জীপালৈ থাকে নিজৰে অজ্ঞাতে। আৰু সেইবোৰেই বোধহয় পৰিবেশ আৰু পৰিস্থিতি অনুযায়ী চেতন মনত জাপ দিয়ে আৰু নক'বলগীয়া বা অথচ অপ্ৰিয় কিবা এটা কৰি পেলালোঁ। এৰা, বোধহয় সেইয়াই। কিন্তু নকলে যে মোৰ পৰিত্ৰাণ নাছিল। সঁচি ৰখা কথাবোৰ যে বুকুখনত গোটমাৰি থাকিলহেঁতেন।

সন্ধিয়াৰ অলপ নীলা, বেচি ৰঙা, খুব সুন্দৰ কোনোবা অজানত মাটিৰ সৈতে মিলি যোৱা আকাশেৰে ডেউকা কোৱাই ধীৰ, মন্থৰ গতিত উৰি উৰি সকলো পৰা সকহে এটা সময়ত নেদেখা হৈ যোৱা নীৰমুখী বিহগ-বিহগীলৈ চাই চাই শিল চটাত বহি তন্দ্ৰামগ্ন কৰি দিব পৰা, সঙ্গীহীনক সঙ্গী দিব পৰা, মনত ভাবৰ জোঁৱাৰ তুলিব পৰা, কবিতাত ছন্দ দিব পৰা এচলীয়া পাহাৰখনৰ গাৰে বৈ অহা জুৰিটিৰ চেঁচা পানীত ভৰি নচুৱাই থাকোঁতে অদূৰৰ বননিৰ পৰা বিনি বিনি ভাঁহি অহা কোনোবা গৰখীয়াৰ বনগীত শুনি যেতিয়া তন্ময় হৈছিলো, অব্যক্ত অয়োল্লাসত শেষ হৈ যাব বিচাৰি-ছিলো। এক অবুজ বুজাব নোৱাৰা প্ৰশান্তিত যেতিয়া চকুৰ পতা হুটা জাপ খাই আহিব খুজিছিল ককাইদেউৰে মৃদু ভয়মনা চেপা চেপা চিঞৰেৰে পৰিবেশৰ গাঢ়তাই মুক্ত কৰি দিয়া তন্দ্ৰামগ্ন মোৰ মনৰ নিবিড় নীৰৱতা কিয় ভাঙিছিল ? কিয়, নিজকে নিজাকৈ পাবলৈ মোক নিজাববীয়াকৈ অকনমান নীৰৱতা নেলাগে জানো ? নিজকে নিৰপেক্ষভাবে পাবলৈ নিজকে জুকিয়াই চাবলৈ মোক অলপ নিবিড় নিৰ্জনতা লাগে। ককৰকাই থকা ভাৱবোৰ, ক'ব লগা কথাবোৰ বুকু ফাটি ওলাই আহিব বিচাৰিছিল আৰু ওলাই আহিছিল এটা ভগা ভগা চেপি ৰাখিব খোজা কণ্ঠস্বৰ। এৰা সেইবাবেই বোধহয় ককাইদেৱে মোক ভুল বুজিবলৈ লৈছে। কিন্তু ককাইদেৱে সেইদিনা কিয় 'মই ক'ত,' 'কেতিয়া,' 'কিয়' প্ৰশ্নবোৰ চকুত লৈ সাৱধানী, সন্ধানী চাৱনিৰে হাঁহাকাৰ কৰি মোক অতিষ্ঠ কৰি তুলিছিল। কিয়, মোৰোতো এটা সুকীয়া সত্তা আছে। মই ককাইদেউক বুজাব খুজিছিলো আৰু সেইয়াই ক্ৰিয়া নকৰি প্ৰতিক্ৰিয়া কৰিলে। সেইদিনা ককাইদেউৱে কান্দি কান্দি মাক কোৱা শুনিছিলোঁ। 'তাক আৰু মই একো নকওঁ মা। সি মোৰ একো নহয়।' ককাইদেউৱে হয়তো মোৰ চকুত দেখিছিল তাক পুৰি ছাই কৰিব পৰা একুৰা জুই। বোধহয় খঙত, বেদনাত কঠিন হৈ পৰা মোৰ মুখমণ্ডলত পাইছিল অৱমাননাৰ ইংগিত। কিন্তু কল্পনাতীত যন্ত্ৰণাত যেতিয়া চিঞৰি চিঞৰি কান্দি মাক বিচাৰিছিলোঁ, যেতিয়া বাস্তৱৰ নিষ্ঠুৰতাই মোৰ এখন হাঁহি ভৰা মুখ দেখা তোৰ কোমল কুঠাৰাঘাত কৰিছিল তেতিয়া মৰি মৰি জীয়াই থকা মোক দেখি তয়েইতো চিঞৰি উঠিছিলি—'মই আৰু নোৱাৰোঁ মা তাক কিবা এটা খাই মৰি থাকিবলৈ দে।' কিন্তু মোৰ প্ৰতি তোৰ কিয় সেই মমতা, সেই আকুলতা। সেই বাবেই মই তোক সেই দিন বুজাব খুজিছিলো যে তোৰ পৰা মই অকনমান মুক্তি বিচাৰোঁ। তই মোক এনেদৰে অৱহেলা

আমনি কৰি নেথাকিবি। মই কৈছিলো—'মই শাস্তি বিচাৰোঁ ককাইদেউ, মোক অলপ অকলে থাকিবলৈ দে।' অ.ক তই ভাবি ললি যে তোক মই সহ্য কৰিব নোৱাৰোঁ। তোৰ মৰম মই নিবিচাৰোঁ। মই অকৃতজ্ঞ।

সেইদিনাৰ পৰা ককাইদেউ সম্পূৰ্ণ নীৰৱ। কিন্তু মই মাত্ৰ অলপ মুক্তি বিচাৰিছিলোঁ। মই বিচৰা নাছিলোঁ মোৰ প্ৰতি ককাইদেউৰ ইমান উদাসীনতা, ইমান নিৰ্লিপ্ততা। বুজাব খুজিছিলোঁ যে ইমান প্ৰকাশ্যে কৰা মৰম মই সহিব নোৱাৰোঁ।

এতিয়া বন্ধ এন্ধাৰ কোঠাত দিনটো শুই থাকিলেও ককাইদেৱে নকয় 'লাইটটো জ্বলাই ল'। দুদিন নোখোৱাকৈ থাকিলেও নোসোধে 'কিয় খোৱা নাই' বুলি। কিন্তু মই ককাইদেউক ক'ব পৰা নাই যে মই তাৰ পৰা এনেদৰে মুক্তি বিচৰা নাছিলোঁ। মাথোঁ এটা বেদনাকাতৰ অস্ফুট চিঞৰ, 'তই মোক ভুল নুবুজিবি ককাইদেউ, মই শেষ হৈ যাম।'

...... কাঞ্চন। কানু। মোৰ মানস প্ৰতিমা। নাভাবোঁ বুলি ভাবিও যাৰ কথাই মই ভাবোঁ। যাক মই অৱদমিত কৰিব পৰা নাই আৰু নোৱাৰিমও। ভাবোঁ কানু আহক। মোৰ কোটৰগত চকু দুটালৈ চাই কানুৰ চকুজুৰি সজল হওক। কিবা এটা ক'বলৈ গৈ বতাহত কুঁহিপাত কঁপাদি ওঁঠজুৰি কঁপি উঠক। মোৰ মূৰত হাত ফুৰাওক আলফুলে লাহে লাহে আৰু মোৰ চকুজুৰি মুদখাই আহক গভীৰ প্ৰশান্তিত। মোৰ বুকুত মূৰ থৈ শুনক মোৰ হৃদয়ৰ কথাবোৰ। অনুভৱ কৰক মোৰ যাতনাবোৰ। কিন্তু কানু অহা নাই। হয়তো নাহিবও।

অথচ নিৰিবিলি আবেলি পৰত, নাৰিকলৰ চিৰলা-চিৰলি পাতবোৰৰ মাজেৰে বদবোৰ আহি যেতিয়া মোৰ কোঠাত মায়াজাল তৰে তেতিয়াই মাথোঁ ভাবোঁ কানুৰ বাথা। নাৰ্চিং হোমৰ 'চিকবেডত' শুইও ভাবিছিলোঁ আৰু এতিয়াও ভাবোঁ কানু আহক। লাজত তলমুৱাহৈ নখেৰে মাটি লেখিবলৈ গৈ নীৰৱতাবোৰ বেছি নিবিড় কৰি পকী মজিয়াত এটা মৃদুশব্দ কৰক। কিন্তু চিৰ আকাঙ্ক্ষিত কল্পনাৰ মুহূৰ্তবোৰ বাস্তৱায়িত কৰিবলৈ কানু অহা নাই। হয়তো নাহিবও।

কিন্তু কানু, মই তোমাক কিমান ভাল পাওঁ সেইটো ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল তোমাৰ প্ৰতি থকা মোৰ ভালপোৱাবোৰ কেনেকৈ প্ৰকাশ কৰিম। কিন্তু সেইকণ সুবিধা আজিলৈকে তুমি মোক নিদিলা। অৱশ্যে নিদিয়াটোও স্বাভাৱিক। মই ভালপোৱাৰ দৰে তুমি মোক ভাল পাব পৰা নাই. অৱশ্যে বেয়াও পোৱা নাই। ভাবি বেয়া লাগে কানু, তুমি মোক বুজা নাই আৰু বুজিবলৈ চেষ্টাও কৰা নাই। মইতো তোমাৰ পৰা একো বিচৰা নাই। মাথোঁ এটা মিঠা চাঁৱনি আৰু অলপ হাঁহি আৰু হয়তো কিবা। যিটো হয়তো মই নিজেও নাজানোঁ। আৰু হয়তো সেয়াই মোৰ প্ৰেম মোৰ ভাল পোৱা। কিন্তু এইবোৰ শুনি তুমি অহা নাই হয়তো, নাহিবাও।

মই হয়তো ভাবিব পৰা নাই যে প্ৰেমৰ আন এটা নাম তোষামোদ। কানুৰ সামান্য উঠঙা নাকটোও, হয় মই কব পৰা নাই বাঁহীৰ নিচিনা বুলি। দিনে দিনে শকত হৈ অহা কানুৰ দেহটো বা পুৱঠ হৈ অহা মুখখনলৈ চাই হয়তো ক'ব পৰা নাই, 'কানু তুমি ইম্—মা—ন ক্ষীণাইছা'। হয়তো কেঁঞাবনৰ লগত কানুৰ কঁকালৰ মই একো সাদৃশ্য

নেদেখিলোঁ হয়তো এয়া হয়, হয়তো নহয়। আৰু হলেও মোৰ কব লগা একো নাই। নিজকতো মই ফাঁকি দিব নোৱাৰোঁ। কাহুক মই প্ৰতাৰণা কৰিব নোৱাৰোঁ। তোমালোকেৰে কাৰোবাৰ পৰা কিবা এটা আদায় কৰিব খোজাৰ দৰে নিৰ্লজ্জ অপচেষ্টা মোৰ নাই।

কিন্তু কি জানা কাহু, সঁচা অথচ একপক্ষীয়, উপেক্ষিত প্ৰেমৰ তেজবৰঙা স্মৃতিৰে মোৰ হৃদয় ক্ষত-বিক্ষত হ'লেও মই পাগল হৈ নেযাওঁ! মই জানো মোৰ প্ৰেমক প্ৰগল্‌ভতা বা দুঃসাহস বুলি তুমি হাঁহা। আৰু এনেদৰেই তোমাৰ হাঁহিৰ খোৰাক হৈ মই জীয়াই থাকিম তোমাৰ অন্তৰত। জীৱনত আটাইতকৈ বেয়া দিনটো মনত থকাৰ দৰে তুমি মোক পাহৰিব নোৱাৰা। আৰু সেইদৰেই তুমি জীয়াই থাকিবা মোৰ হৃদয় বেদীত। এনেকি মৃত্যুৰ সিপাৰে যদি কিবা আছে তাতো। এৰা, তোমাক কথাবিলাক কব পৰা হ'লে!

কিন্তু অন্তৰৰ সমস্ত আকুতিৰে ভৰা মোৰ প্ৰেমৰ সঁহাৰি নিদিলেও কিয় জানো কাহু আৰু মোৰ বাবে এটা ব্যতিক্ৰম? কাহুৰ খোজত পদুম নুফুলিলেও কেটকুল ফুলে। হাঁহিৰ মুকুতা নসৰিলেও মনৰ গোপন কোণ জোকাৰি যাব পৰাকৈ ধুমুহা বয়। কাহুৰ চকুজুৰি সাগৰৰ পৰা তুলি অনা দুচামুচ নীলা পানী নহ'লেও আকাশৰ পাতল নীলা বুলি ক'ব পাৰি। কাহুক লৈ কবিতা লিখিব নোৱাৰিলেও ডায়েৰীৰ পৃষ্ঠা ভৰাই লিখিব পাৰি। বেয়া লাগিলে নিজানত বহি ঘণ্টাৰ পিছত ঘণ্টা কাহুৰ কথা ভাবি থাকিব পাৰি। কিন্তু কাহুৱে নুবুজে, বুজিবও নোখোজে।

ভাবোঁ, কাহু আহক। "তুম মুখাতীৰভী হো, কৰিব্‌ তি হো তুমকো দেখুকী তুমসে বাত্‌ কৰু" দৰে মোৰ মনত থৌকিবাথৌ লগাবলৈ কাহু আহক। নাই কাহু অহা নাই, হয়তো নাহিবও, কিন্তু এদিন আহিব, যিদিনা কাহুৱে উপলব্ধি কৰিব যে একেটা ভাৰত দুজন ডেকাক এখন অন্তৰ কেতিয়াও সমানে ভগাই দিব নোৱাৰি, সঁচাকৈ ভাল পাব নোৱাৰি ঠিক কাহুৱে প্ৰত্যুৎ আৰু অনবক ভাল পোৱাৰ দৰেই। সেইদিনা হয়তো অনুতাপৰ জুইত দহি পুৰি কাহুৱে মোক বিচাৰিব যেতিয়া লগন উকলি যাব। কিন্তু কাহু, বৰ্তমান, মোৰ বৰ্তমানটো খুব নিষ্ঠুৰ, তুমি আহা। কিন্তু কাহু অহা নাই। হয়তো নাহিবও।

তুমুনিয়াহবোৰে বতাহজাক গধুৰ কৰে। আৰু এটা বেদনা কাতৰ অস্ফুট চিঞৰ—'তোমাক ভাল পাবলৈ, তোমাৰ ভাল পোৱাত নিঃশেষ হৈ যাব পৰাকৈ মোৰো এটা কেঁচা মন আছে। তোমাক ভাল পাই তোমাৰ অজ্ঞাতে অন্তৰৰ সকলাখিনি ভালপোৱা তোমাৰেই গালে মুখে সানি দি ৰিক্ত হৈ যাব পৰা মানসিক প্ৰস্তুতি মোৰ আছে।

কিন্তু মন্দিৰাক মই কাহানিও ক্ষমা কৰিব নোৱাৰিম। মোৰ ওপৰত বাৰু কিয় মন্দিৰা ইমান খং ইমান বিতৃষ্ণা! কি?? মইতো মন্দিৰাক কাহানিও কোৱা নাই যে ভালপোৱা পাপ। কোৱা নাই কামনা-বাসনাবোৰ হৃদয়ত ধৰ্‌ফৰাই থাকক বুলি। আৰু কোৱা নাই যে সেই মানুহজনক ...... । এৰা সেই মানুহজন! খুউব ধুনীয়া নহলেও বেয়া বুলি কব নোৱাৰোঁ। ওখকৈ লংপেণ্ট চাৰ্ট পিন্ধা সেই মানুহজন প্ৰায়েই আহে আমাৰ ঘৰলৈ। প্ৰায়েই কিয়, সদায়েই আহে বুলি ক'ব পাৰি। কেতিয়াবা মা আৰু ককাইদেউ দুপৰীয়া শোৱাৰ সময়ত।

কেতিয়াবা মা গোঁসাইঘৰত আৰু ককাইদেউ বাহিৰত থকা সময়ত সন্ধিয়া। মানে মন্দিৰা যেতিয়া অকলে থাকে। মানুহজনে মোক সদায় দেখে। 'ভালনে', 'বহি আছে', জাতীয় দুই এটা অৰ্থহীন, অপ্ৰয়োজনীয় কথাৰ বাহিৰে মোক একো নোসোধে আৰু মইও সম্মতিসূচক ভংগিৰে মূৰ দুপিওৱাৰ বাহিৰে একো নকওঁ।

মানুহজন আহিলেই মন্দিৰাৰ কোঠাৰ দুৱাৰখন বন্ধ হৈ যায়। মন্দিৰাতকৈ সৰু বশিয়ে এইবোৰ একো বুজা হোৱা নাই। বুজোঁ মই। অথচ একো নকওঁ, কব নোৱাৰোঁ। মই জানোঁ সিহঁত দুয়ো দুয়োকে ভাল পায়। কিন্তু বন্ধ কোঠাৰ ভালপোৱা ......। মন্দিৰাই মানুহজনক বিদায় দিওতে মই সদায় মানুহজনলৈ চাই থাকোঁ আৰু চাই থাকোঁ মন্দিৰালৈ। কিন্তু মন্দিৰাৰ চকুৰ ক্ৰুৰ চাৱনিটোৱে মোক কিয় কয়, 'এই তেনেকৈ নিলাজৰ দৰে মোলৈ চাবলৈ বেয়া নেলাগে?'' কিয়? মইতো মন্দিৰাক কোৱা নাই যে 'মানুহজনক আহিবলৈ নিদিবি, তাক তই ভাল পাব নোৱাৰ।' তেনেহলে কিয়?

মন্দিৰা বহুদূৰ আগুৱাইছিল। আৰু তাইৰ সম্ভাব্য পৰিণতিৰ কথা ভাবি মই এদিন শিয়ঁৰি উঠিছিলোঁ। হয়তো সেইবাবেই কৈছিলোঁ, মই কবলৈ বাধ্য হৈছিলোঁ। অথচ মন্দিৰাই নুবুজিলে। বুজিলে কিন্তু ভুলকৈ।

সদায় মানুহজন আহিলেই মন্দিৰাৰ কোঠাৰ 'জিৰো' পাৱাৰৰ লাইটটো জ্বলি উঠে। মোৰ কাণত ঠেকা খায় চেপা হাঁহিৰ টুকুৰা টুকুৰ ঢৌ। কিচ্‌ফিচিয়া কথাৰ স্পষ্ট টুকুৰা।

"মন্দিৰা"

"........."

"মণি"—

"হু"—

"কিবা এটা কোৱা"—

" .........."—

"উহু"—

"সঁচা" —

"মিছা" —

"ধেৎ,তুমি যে কি"—

"তুমি মই"—

"মই তুমি"—

"সঁচা"—

"মিছা"—

লগে লগে উচ্ছল হাঁহিৰ ঢৌ। মই স্পষ্ট শুনোঁ সিহঁতৰ ঘন ঘন উশাহৰ শব্দ। দেখা পাওঁ কোঠাৰ একমাত্ৰ ক্ষীণ পোহৰৰ লাইটটোও নুমাই যোৱা। মানসপটত ভাহি উঠে এটা আন্ধাৰ কোঠা। দুটা দেহ আগুৱাই গৈছে সৰীসৃপ গতিৰে উভয়ে উভয়ৰ কাষলৈ। আৰু এটা সময়ত সিহঁতৰ মাজত সামান্য ব্যৱধানকণো নাইকিয়া হৈ গৈছে। চৰম ঘৃণাত নাক-মুখ কোঁচ খাইছিল। সিহঁতৰ বন্ধ কোঠাৰ দৰজাখন ভাঙি দিয়াৰ তাড়নাত হাতৰ মুঠি দুটা টান হৈ আহিছিল। মায়ে এইবোৰ নুবুজে। ককাইদেৱে নেজানে। কিন্তু মই জানোঁ। আৰু সেইবাবেই মন্দিৰাক সেইদিনা কৈছিলো,— "মন্দিৰা কিছুমান ভুলৰ শুধৰণি নাই। মাথোঁ আছে জীৱন জুৰি একুৰা জুঁই।" প্ৰথমতে মন্দিৰাই সেই চিনাকি চাৱনিটোৰেই মোলৈ চাইছিল। আৰু হঠাৎ ক্ৰুদ্ধ বাঘিনীৰ দৰে গৰ্জি উঠিছিল। পৰা হ'লে মোক যেন ডিঙি মুচৰি মাৰি পেলালেহেঁতেন। একোখন মঞ্চত, এজনেই মাথোঁ দৰ্শকৰ সন্মুখত একে

পটভূমিত সদায় এটা জঘন্য দৃশ্য চাই চাই মই অসহ্য হৈ গৈছিলোঁ। আৰু সেয়ে মন্দিৰাক তাই কৰি থকা ভুলটোক শোধৰাই দিব খুজিছিলোঁ। কিন্তু মন্দিৰাৰ ভাষাত তাইৰ ককায়েক হোৱাৰ যোগ্যতা মোৰ নাই। তাইৰ 'কোনোকামতে হকা-বধা কৰাৰ অধিকাৰ নাই। মই পঙ্গু, মই ৰোগী, মই নিলাজ।' অথচ মন্দিৰাক মই কব পৰা নাই বুজাব পৰা নাই যে 'তই মোক ভুল বুজিছ।' মাথোঁ এটা বেদনাকাতৰ অস্ফুট চিঞৰ। 'তই মোক এনেদৰে আৰু নজ্জলাবি মন্দিৰা।'

মাৰ মৰম, ককাইদেউৰ ভুল, কান্নুৰ উপেক্ষা আৰু মন্দিৰাৰ অৱমাননা। যেন চাৰিডাল বিষাক্ত ভাইপাৰ, কোঁচকোঁচাই থাকে মোৰ চাৰিওফালে অহৰহ, অবিৰাম আৰু ভয়, খং, বিতৃষ্ণা, শংকা আশংকাত মই বোবা হৈ যাওঁ। বুকুখন হমহমাই থাকে। মায়ে নুবুজে, ককাইদেৱে ভুল বুজে, কান্নুৱে বুজিবলৈ চেষ্টা নকৰে আৰু মন্দিৰাই মোৰ কৰ্তৃত্ব অস্বীকাৰ কৰে। কাক কম? কোনে শুনিব??

কথাবোৰ জমা হৈ হৈ বুকুখন গধুৰ হয়। হয়তো এই দৰেই মই হৈ পৰিছোঁ পলায়নবাদী, আত্ম-কেন্দ্ৰিক। নিঃসংগতা নিবিড় নীৰৱতা, নিৰ্জনতা আজি-কালি মোৰ ভাল লাগে। এক্ষাৰবোৰ বুকুত সাবটি ধৰোঁ। মই মূকবধিৰ, যেন এচটা নিস্পন্দ নিষ্প্ৰাণ শিল। আবেগ থাকিব নোৱাৰে, অনুভূতি থাকিব নোৱাৰে, আৰু থাকিব নোৱাৰে স্বপ্ন কল্পনা। মই বাৰু ঘূৰাই পামনে মোৰ মানসিক সুস্থতা? ঘূৰাই পামনে মোৰ পৌৰুষত্ব?? মাথো ভাবোঁ। নিষ্ফল আক্ৰোশত কঠিন হৈ অহা হাতৰ মুঠি দুটা এটা সময়ত শিথিল হৈ যায়। বেদনাবোৰ চকুপানী হৈ বৈ থাকে নিৰবধি। কথাবোৰ মনৰ ভিতৰতে পাক ঘূৰণি খাই অসংখ্য প্ৰশ্নবোধক চিন হয়। এটা বেদনাকাতৰ অস্ফুট চিঞৰ আৰু একো নাই............. ।



# ৰোমন্থন

মোঃ কবিৰ হুছেইন
স্নাতক মহলা

হঠাৎ সাৰ পালোঁ। শৰতৰ জোনাক নিশা। মনটো উল্লাসত নাচি উঠিল। হাঃখন আগবঢ়াই-ছিলো। মনটো হাঁহাকাৰ কৰি উঠিল, শুচৰত কোনো নাই। অকলে মই। উজ্জল চকুযুৰি আকৌ মেমেৰি উঠিল। মনক ২হু সান্ত্বনা দিলোঁ, কিন্তু বৃথা। মনৰ মাজতে আৰম্ভ হ'ল তুমুল বাক-বিতণ্ডা।

হঠাৎ শুনা গ'ল উন্মাদ জনতাৰ এক বিৰাট ধ্বনি। মাথো শুনিছো "শত্রু আহিছে সাজু হোৱা" "ইনক্লাব জিন্দাবাদ" "উদয়াচল জিন্দাবাদ।" দুয়ো কালৰ পৰা অহা অগণন জনতাৰ শব্দধ্বনি বতাহৰ মাজত ভেটা-ভেটি হৈছে। কোনেও কাৰো অস্তি-ত্ব চেৰ পেলাব নোৱাৰাৰ বাবে প্রতিধ্বনিৰ সৃষ্টি হৈছে। নাজানো মানুহবোৰে কিয় এইদৰে জোং-থাঠিলৈ ওলাই আহিছে প্রতিধ্বনিৰ আৰ্ত্তনাদত নে আনক উচ্ছেদ কৰি নিজকে প্রতিষ্ঠাৰ প্রত্যাশাৰে?

ল'ৰা-তিৰোতাৰ কান্দোনৰ ৰোল উঠিল। কোন কাৰ তাৰ কোনো পৰিচয় নেথাকিল। সকলো নিজকে লৈ ব্যস্ত। কিমান মূল্যবান বস্তু পুৰিলে : কিমান হেৰাল কোনে হিচাব ৰাখিছে।

দুয়ো পক্ষই দুকালে মাৰ বান্ধিছে। আজি কাৰো শত্রু বিদেশী নহয়। সেয়ে বোধহয় গড়ৰ আৱশ্যক হোৱা নাই। লাচিতে মোগলৰ বিপক্ষে যুঁজ দিবলৈ অহা নাই। একালে হিন্দু আনকালে মুছলমান। কিন্তু দুয়ো পক্ষই অসমীয়া। একালে জনজাতি আনকালে উচ্চ হিন্দু-আটায়ে অসমীয়া। ছেগবুজি বুধিয়ক বিহাৰী, বঙালীয়ে পক্ষ লৈছে। মাজতো যুঁজ চলিছে। হেজাৰ হেজাৰ নৰ-নাৰী ল'ৰা বুঢ়াৰ তেজেৰে সেউজী আই অসমীৰ বুকু ৰাঙলী হৈছে। কিন্তু কিছুমান ঠাইত পূর্ব্বৰ দৰেই চলি আহিছে। শংকৰ মাধৱৰ দিনৰ পৰাই একেডাল সংস্কৃতিৰ জৰীৰে বান্ধ খোৱা বিভিন্ন জাতিক লৈ গঢ়ি উঠা অসমীয়া জাতিৰ সংহতিৰ এনাজৰীডাল কুটিব খোজা এন্দুৰ জাকৰ বিৰুদ্ধে কি ব্যৱস্থা লয় নাজানো? কিন্তু দোষীক উপযুক্ত শাস্তি দিয়া আমাৰ আৱশ্যক। নহলে ইতিহাসৰ পাতত অসমৰ লজ্জা-জনক কাহিনীয়ে সদায় এই সহজ সৰল অসমীয়াক বিদ্রূপ কৰি থাকিব। তেতিয়া জানো আমাৰ পিছৰ পুৰুষ সৱলে আমাক ঘিণ নকৰিব?

সকলো নিমাত। ব্যক্তি ভেদে চেহেৰাও বিভিন্ন হৈছে। কিছুমানে ভয়ত পেপুৱা লাগিছে। চকু লৈতা হৈছে। মুখ-মণ্ডল ফুটি উঠিছে আগন্তুক মৃত্যুৰ ছাঁয়া পৰিছে। শত্রু আহিলে কলৈ পলাব? কি কৰিব বেদনা। আদি চিন্তাত ভোক পিয়াহ সকলো নোহোৱা হ'ল। চকু মুদিলেই সপোনতে শত্রু চকুত টোপনি নাই।

দেখি চিঞৰি উঠে। এই শ্ৰেণীৰ লোকৰ সংখ্যা সৰহ যদিও বহুতে লাজতে প্ৰকাশ কৰা নাই। সিহঁতে কিছু সাহস গোটাই মাথো থিবেৰে আছে। কিছুমানৰ চকু ৰঙা। ৰণচণ্ডীবেশেৰে সজ্জিত শত্ৰু নিধনৰ প্ৰবল শক্তিৰে। আজি আৰু বুঢ়া সকলে মেল মাৰি পুথি পঢ়া নাই। সকলোৱেই ব্যস্ত নিজৰ জাতি আৰু জন্মভূমিৰ অস্তিত্ব ৰক্ষাৰ বাবে। সন্ধিয়া গাঁৱৰে কোনোবা ৰেডিঅ' থকা ঘৰৰ জুহালত ল'ৰাই বুঢ়াই বেঢ়ি ধৰিছে। ক'ত কি ঘটিছে শুনাৰ উৎকণ্ঠাত সকলো উদ্‌গ্ৰীৱ। হাতত জ্বলি থকা ধপাত হাততে শেষ হৈছে। ৰাতিৰ শেষ হোৱাত বহুতে বহুত মন্তব্য দিছে। দুই এজন উগ্ৰপন্থীৰ মাজত তৰ্ক-বিতৰ্কও হৈ যায়। সমাজৰ দিন মজুৰি কৰি খোৱা সকলৰ যে কিমান অসুবিধা হৈছে কোনে ক'ব? সিহঁতে অৱশ্যে খোৱাৰ বাবেই বেছিকৈ চিন্তা কৰিব লগাত পৰিছে।

এনে এটি দিনতে মৃত্যু হৈছিল ৰূপালী, দীপালী, নিলী, ছফিয়া, চহিদা, ৰমেশ, গকুল, মইনুদ্দিন আৰু বহুতৰ। সিহঁতৰ বাবে এতিয়া কোনে দুখ কৰিব? দুদিন পিছত সকলোৱে পাহৰি যাব। কিছুমানে নিজৰ আপোনজনক হেৰুওৱাৰ বেদনাত হয়তো নীৰৱ, হয়তো উন্মাদ হৈ পৰিছে।

মহেনে আজিৰ নিজৰ অতিকৈ আপোন চফিয়া জনীক হেৰুওৱাৰ বেদনাত নীৰৱ হৈ পৰিছে। সকৰে পৰা একেখন গাঁৱঁতে ডাঙৰ-দীঘল হৈ আহিছে। সিহঁতৰ পূৰ্ব্বপুৰুষো ইয়াতেই মৰিছে। কোন হিন্দু কোন মুছলমান তাৰ একো চিনচাব নোহোৱা হৈছে। ঈদ আহিলে সকলোৱে যোগদান কৰিছে অপাৰ আনন্দ স্ফূৰ্ত্তিৰে, বছৰে বছৰে বিহুক আদৰিছে ভেদভাৱ সকলো পাহৰি সকলো এক হৈ পৰিছে। মহেন আৰু ছফিয়াই একেখন পঢ়াশালীতে পঢ়িছিল। সেই/দৰা-কইনা খেলাৰ দিনৰে পৰা সিহঁতৰ চিনাকি। পঢ়া-জীৱন বাদ দি সিহঁত ঘৰুৱা বনত ব্যস্ত যদিও সদায় সিহঁতৰ দেখা-দেখি। একেখন পথাৰতে মহেনে হাল বায়, ছফিয়াই মাটি কৰে, কি যে আনন্দময় সিহঁতৰ জীৱন। গাঁৱৰ ইমুৰ সিমুৰ হ'লেও সদায় অহা যোৱা। এদিন মহেনে ছফিয়াক নেদেখিলে তাৰ যে কিমান বেয়া লাগে। পিছদিনা দেখা দেখি হলে এজনে আন-জনৰ ওচৰত অভিমান কৰে। আপোনজনৰ অভিমান ভাঙিব পাৰিলে কিমান যে ভাল লাগে। হয়তো অভিমান কৰোঁতাই পিছত লাজুক লাজুক মাতেৰে কয় "কিয় আহিছ আজি। মানুহে যে ইমানকৈ পাহৰিব পাৰে জনাই নাছিলোঁ।" সেয়েহে হয়তো ভালপোৱাত বিচ্ছেদ আহিলে মানুহৰ জীৱনবোৰ দুৰ্ব্বহ হৈ পৰে। সিহঁতৰ বন্ধুত্বই দুয়োখন ঘৰৰ মাজতো বন্ধুত্ব গঢ়ি তুলিছে। এঘৰৰ বিপদ হ'লে আন এঘৰে সহায় কৰে। ঈদ, বিহুত পৰস্পৰে পৰস্পৰক নিমন্ত্ৰণ কৰে। বিহুত বিহুৱান, ঈদত মাতি আনি এসাজ খুৱাই, নিজ হাতেৰে বোৱা গামোছা হওঁক বা এখন ৰুমালেই হওক নিজৰ ভালপোৱাজনৰ হাতত দি চফিয়াই লাভ কৰিছিল পৰম আনন্দ। মহেনেও নিজৰ উপা-ৰ্জ্জনেৰে বিহুৰে সংক্ৰান্তীয়ে নিজে নতুন বস্ত্ৰ কিনি দি পৰম তৃপ্তি লভে। এয়ে সহজ-সৰল অসমীয়া ডেকা গাভৰুৰ ভাল পোৱাৰ চানেকি।

দিন যায় ৰাতি আহে। এইদৰে চক্ৰীয় গতিত দিনৰ পাছত মাহ, মাহৰ পিছত বছৰ বাগৰিয়েই আছে। মানুহে সময় গণিছেহে ধৰি ৰাখিব পৰা নাই। সময়ৰ সোঁত চিৰন্তন, বিৰামহীন। এমাহ 'ৰমজানৰ ৰোজা' (ব্ৰত) পালনৰ পিছত এইবাৰ ঈদ আহিল। কেইদিনমান আগৰ পৰাই মহেনে কামবন কৰিব পৰা

নাই। খাবৰ ইচ্ছাও নোহোৱা হৈছে। চকুৰ টোপনি কোনোৱাই হৰি নিছে। নিস্তব্ধতাই তাক গহীন কৰি তুলিছে। তাৰ মনত একুৰা জুই জ্বলিছে। সি যেন এই জুইত দহি পুৰি মৰিব।

অসমত চলা বিদেশী বিতাৰণৰ আন্দোলনক আমাৰ দিল্লীৰ চৰকাৰে মৌলিক সমস্যা বুলি স্বীকাৰ কৰিলে। ১৯৭৯ চনৰ পৰা ১৯৮৪ চনলৈ চৰকাৰে একো সমাধান দিব নোৱাৰিলে। শান্তিকামী আন্দোলনকাৰীৰ ওপৰত চলালে পুলিচ, চি-আৰ পিৰ পাশবিক অত্যাচাৰ। পুলিচৰ গুলীত বহুতেই প্ৰাণ এৰিলে। চি-আৰ-পিৰ পাশবিক অত্যাচাৰে শ, শ যুৱতী ছোৱালীৰ জীৱনত কালিমা সানিলে। পুতেকৰ দোষত দেউতাকক বান্ধি নিলে। এয়ে আমাৰ স্বাধীন দেশৰ গণতান্ত্ৰিক নাগৰিকৰ মৌলিক অধিকাৰ। অন্যায়ৰ বিৰুদ্ধে মাতমাতিব নোৱাৰে। শাসকৰ শোষণ বোধিব নোৱাৰে। সেয়ে হয়তো বহুতে প্ৰত্যক্ষদৰ্শীয়ে ৰিঙিয়াই ক'লে— "বৃটিছৰ শাসনতো ইমান নিষ্ঠুৰতা নাছিল। সকলো উৎপীড়ন অসমীয়াই নীৰৱে সহ্য কৰিলে। সকলোৱে বাটচাই থাকিল এটি নিৰ্ভৰযোগ্য সমাধানৰ আশাত। কিন্তু সমস্যাৰ সমাধান নকৰি অসমবাসীৰ ওপৰত জাপি দিলে অবৈধ নিৰ্বাচন। সংবিধানৰ সকলো পবিত্ৰতা ভৰিৰে মোহাৰিলে। সহজ সৰল মানুহৰ মাজত বিভেদৰ বীজ সুমুৱাই দি ঘৰতে সৃষ্টি কৰি দিলে কুৰুক্ষেত্ৰৰ ৰণাঙ্গণ। আৰু হেজাৰ হেজাৰ নিৰীহ প্ৰাণীৰ ওপৰত তেজেৰে "ভোট দেৱীৰ" চৰণ ধুৱালে। অসমৰ এনে দুৰ্দিনতে মহেন আৰু ছফিয়াহতৰ মানুহখিনিও এক শ্ৰেণীৰ কু-চক্ৰান্তকাৰী, ৰাজনীতিৰ নামত টকা-ঘটা সমাজৰ ৰবমুৰীয়া, মুখাপিন্ধা লোকৰ ফুচলনিৰ পৰা হাত সাৰিব নোৱাৰিলে। ইমান দিনৰ পৰা গঢ়ি উঠা সংভাব, সমন্বয়ৰ সৌধটি খানবান হৈ গ'ল।

দুদিন পিছত হলেও সমাজলৈ বুজাপৰা আহিব। সমাজ আগৰ দৰেই চলিব। কপালী, দীপালী, ছফিয়া, গকুল, মইনুদ্দিনক সকলোৱেই পাহৰি যাব। মাথো পাহৰিব নোৱাৰিব মহেনৰ দৰে দুৰ্ভগীয়াহঁতে। সেয়ে হয়তো আজি ঈদৰ আগৰাতি সি সপোন দেখিছে। ছফিয়াই তাক আগৰ দৰেই মাতিবলৈ আহিছে, তাৰ কাষতে বিছনাতে বহি মৰমেৰে কৈছে। "মহেন ককাইদেউ! তই অহাকালি আমাৰ ফালে এপাক যাবি। নগলে মাইঁতে বেয়া পাব।" "কিয়, কিয় আহিছ আজি। মানুহে যে ইমানকৈ পাহৰিব পাৰে জনাই নাছিলোঁ" - তাৰ চকুৰেদি আনন্দাশ্ৰু বাগৰি আহিব খোজে।



"তুমি বিচাৰি যোৱা, তুমি প্ৰচেষ্টা চলোৱা, তুমি আয়ত্ব কৰা, কিন্তু কোনো কোনো অৱস্থাতে সেও নামানিবা।"

(এটি আৰবী প্ৰবাদ-বাক্য)

"মানুহে নিজৰ নিজৰ অৱস্থাৰ বাবে পৰিবেশক জগৰীয়া কৰে। মই পৰিবেশত বিশ্বাস নকৰোঁ।। যিসকল মানুহে পৃথিৱীত কৃতকাৰ্যতা লাভ কৰে, নিজে পৰিবেশ বিচাৰি লয় আৰু যদি বিচাৰি নেপায় তেন্তে নিজে তৈয়াৰ কৰি লয়।"

। জৰ্জ বাৰ্নাৰ্ডশ্ব।



ইংৰাজী ১২।২।৮৪ তাৰিখ দেওবাৰে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ মুখ্য-ভৱনৰ আধাৰ-শিলা স্থাপন কৰি ভাষণৰত অৱস্থাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক শ্ৰীযুত মহেশ চন্দ্ৰ ভূঞাদেৱ।

# সূচীপত্ৰ

১। বছৰটিৰ অন্যান্য দিশত এটি দৃষ্টিপাত
২। মহাবিদ্যালয়ৰ ভিতৰ-চ'ৰাত এভুমুকি
৩। সাক্ষাৎকাৰ

১। অধ্যাপক এম, হবিব উল্লাহ।
২। অধ্যাপক ৰঞ্জিত কুমাৰ বৰা।
৩। দীপেন্দ্ৰ পাঠক।
পবিত্ৰ কুমাৰ পাঠক।

---

"চৰিত্ৰ হ'ল গছ আৰু সুনাম তাৰ ছাঁ;
ছাঁ মানে গঢ়া বস্তু, গছডালহে আচল।"

॥ আব্ৰাহাম লিঙ্কন ॥

# বছৰটিৰ অন্যান্য দিশত এটি দৃষ্টিপাত

প্ৰযোজনাত : অধ্যাপক এম, হৰিব উল্লাহ
অধ্যাপক ৰঞ্জিত কুমাৰ বৰা

ইংৰাজী ১৯৮৩-৮৪ চনৰ শিক্ষা বছৰটিৰ ভিতৰতে আমাৰ মহাবিদ্যালয়ত চিৰাচৰিত শিক্ষাদান ব্যৱস্থাৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধন কৰিবলৈ বিভিন্ন বিভাগৰ তৎপৰতাত কেইটিমান বিশেষ অনুষ্ঠান সুকলমে আৰু উৎসাহপূৰ্ণভাৱে সমাপন কৰা হয়। উল্লেখযোগ্য যে এই অনুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অংশগ্ৰহণে এক সজীৱতা প্ৰদান কৰে। ইয়াৰোপৰি এই বছৰটোতে মহাবিদ্যালয়ৰ মুখ্য-ভৱনৰ আধাৰশিলা স্থাপন দিবসটিও নিৰ্বিঘ্নে পাৰ হৈ যায়। আমাৰ এই সংখ্যা আলোচনীৰ এই শিতানতে তাৰে এটি থূলমূল ধাৰাবাহিক বিৱৰণী আগবঢ়োৱাৰ এটি বিনম্ৰ প্ৰয়াস কৰিছোঁ।

॥ শিক্ষাবিভাগৰ উদ্যোগত আয়োজিত আলোচনা চক্ৰ ॥

বিষয় :- প্ৰচলিত পৰীক্ষা-পদ্ধতি আৰু ইয়াৰ আনুষঙ্গিক সমস্যাৱলী।

ইংৰাজী ২১-১২-৮৩ তাৰিখে অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱৰ সঞ্চালনাত, চমৰীয়া উন্নয়ন-খণ্ডৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয় পৰ্য্যায়ৰ পৰা মহাবিদ্যালয় পৰ্য্যায়লৈকে শিক্ষানুষ্ঠানসমূহৰ শিক্ষকসকলৰ প্ৰতিনিধিত্বমূলক অংশগ্ৰহণ আৰু আমাৰ মহাবিদ্যালয়ৰ শিক্ষাবিভাগৰ সম্মান তথা সাধাৰণ পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় সহযোগত উপৰ্যুক্ত বিষয়ে এখনি আলোচনা-চক্ৰ অনুষ্ঠিত হৈ যায়।

আলোচনা-চক্ৰখনি মুকলি কৰি নগৰবেৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক শ্ৰীউদয় তালুকদাৰদেৱে কয় যে এজন শিক্ষাৰ্থীয়ে কোনো এটা বিষয়ত লাভ কৰা জ্ঞান নিৰ্দিষ্ট প্ৰশ্নাৱলীৰ যোগেদি নিৰ্দিষ্ট সময়ৰ ভিতৰতে নীতি-নিয়মৰ মাজেৰে লিখি দিয়াটোৱেই পৰীক্ষাৰ প্ৰচলিত প্ৰথা। কিন্তু বৰ্তমানে পৰীক্ষা-গৃহত দেখা দিয়া ব্যাপক দুৰ্নীতি আৰু অৰাজকতাৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰি তেখেতে কয় যে বৰ্তমানে পৰীক্ষা-গৃহত দেখা দিয়া কেতবোৰ ছাত্ৰ-ছাত্ৰীৰ অসৎ আচৰণে— সৎ, নিজু আৰু মেধাবী ছাত্ৰ-ছাত্ৰীৰ মনত গভীৰ হতাশাৰ সৃষ্টি কৰিছে আৰু আদৰ্শ আৰু নিষ্ঠাবান শিক্ষক সমাজক বিব্ৰত কৰি তুলিছে। এই সন্দৰ্ভত প্ৰতিকাৰৰ ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰি তেখেতে বিশ্ববিদ্যালয়ৰ প্ৰশ্নভাণ্ডাৰ, বজাৰৰ প্ৰশ্নোত্তৰ পুথিৰ বিক্ৰী, সহায়িকা আদি অতি সোনকালে বন্ধ কৰাৰ মত পোষণ কৰে। মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মূৰব্বী অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ

দাসদেৱে ব্যক্তিগত অভিজ্ঞতাৰে বৰ্তমানে পৰীক্ষা-গৃহত দেখা দিয়া দুৰ্নীতি আৰু তাৰ প্ৰতিকাৰৰ বিষয়ে এটি আলোচনা দাঙি ধৰে। শিক্ষাৰ বিভিন্ন দিশ আলোচনা কৰি শ্ৰীদাসদেৱে এটা নিকা পৰীক্ষা-পদ্ধতি প্ৰৱৰ্তনত গুৰুত্ব আৰোপ কৰে। তেখেতৰ মতে পৰীক্ষাসমূহ এনে ধৰণে পৰিচালিত হ'ব লাগে যাতে ই শিক্ষাৰ ফলপ্ৰসূ মাধ্যমহে হয়, যাৰ জৰিয়তে নতুন কথা শিকাৰ, ছাত্ৰ-ছাত্ৰীৰ নিজৰ ভুল-ত্ৰুটি বুজি পোৱাৰ আৰু নতুন অভিজ্ঞতা আহৰণৰ সুযোগ ওলায়। প্ৰসঙ্গক্ৰমে তেখেতে আভ্যন্তৰীণ পৰীক্ষা ব্যৱস্থা প্ৰৱৰ্তন আৰু অভিজ্ঞ তথা উপযুক্ত পৰীক্ষক নিযুক্তিত গুৰুত্ব আৰোপ কৰে। আলোচনা চক্ৰত অংশ গ্ৰহণ কৰি স্থানীয় শহৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক শ্ৰীৰবিলোচন ঠাকুৰীয়া আৰু দোকুছি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীঅশ্বিনী কুমাৰ দাসে পৰীক্ষা-ব্যৱস্থাত দেখা দিয়া সমস্যা সম্পৰ্কে আলোচনা কৰি ছাত্ৰ-সমাজ, অভিভাৱক আৰু সচেতন নাগৰিকৰ প্ৰতি সমস্যাসমূহ দুৰীকৰণৰ বাবে দৃষ্টি আকৰ্ষণ কৰে। পিজুপাৰা নিবাসী শিক্ষক শ্ৰীক্ষিৰোদ চন্দ্ৰ মেধিদেৱেও আলোচনাত অংশগ্ৰহণ কৰি সজীৱতা প্ৰদান কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা সুধৰ মধুৰ ডেকা, জলিমউদ্দিন আহমেদ, কুমাৰী ভূমিজা বৰ্মণ, মহঃ কবিৰ হুছেইন, বিভূতি ঠাকুৰীয়া আৰু ৰত্নেশ্বৰ কলিতাই আলোচন-চক্ৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে আৰু এই সন্দৰ্ভত নিজা নিজা মত দাঙি ধৰি পৰীক্ষা-গৃহত ঘটি থকা দুৰ্নীতি-সমূহ আঁতৰাই পৰীক্ষা-পদ্ধতিক নিকা কৰাৰ হকে বলিষ্ঠ অভিমত আগবঢ়ায়। তদুপৰি অধ্যাপক ভাৰত কলিতা, অধ্যাপক নীল কমল বৰদলৈ আৰু ছাত্ৰৰ ফালৰ পৰা দীনেশ কলিতা আৰু তৈৰৱ বয়ে পৰিপূৰক প্ৰশ্নাৱলী উত্থাপনৰ মাধ্যমেৰে আলোচনা-চক্ৰৰ গতি-প্ৰবাহত সহায় কৰে। আলোচন-চক্ৰত উদ্ভৱ হোৱা বিভিন্ন পৰিপূৰক প্ৰশ্নাৱলীৰ প্ৰয়োজন-সাপেক্ষে সমিধান দি উদ্যোক্তা তথা বিভাগীয় প্ৰধান অধ্যাপক শ্ৰীবীৰেন্দ্ৰ কুমাৰ দাস আৰু বিভাগীয় অধ্যাপক শ্ৰীবীৰেণ নেওগদেৱে আলোচনা-চক্ৰখনি সাফল্যমণ্ডিত কৰি তোলে।

আলোচনা-চক্ৰখনিৰ সামৰণিত সঞ্চালক অধ্যক্ষ শ্ৰীদেৱপ্ৰসাদ শইকীয়া দেৱে সমূহ আলোচকৰ বক্তব্যসমূহ পৰ্য্যালোচনা কৰি এটা সিদ্ধান্তলৈ আহে। সিদ্ধান্ত মতে বৰ্তমান পৰীক্ষাসমূহত চলা দুৰ্নীতি আৰু পৰীক্ষাৰ নিম্নগামী মানদণ্ডৰ বাবে অকল ছাত্ৰ সমাজেই যে দায়ী নহয়; ইয়াৰ বাবে শিক্ষক, অভিভাৱক আৰু সমাজ ব্যৱস্থাও যে সমানেই জগৰীয়া এই ঐক্যমত পোষণ কৰা হয়। সেয়ে, এটা সম্পূৰ্ণ বাস্তৱধৰ্মী শিক্ষা-ব্যৱস্থা প্ৰৱৰ্তন নোহোৱা পৰ্যন্ত বৰ্তমানৰ পদ্ধতিকেই নিকা ৰূপত চলাই নিয়াৰ বাবে সকলোৰে আন্তৰিক প্ৰচেষ্টা কামনা কৰি সঞ্চালক শইকীয়া দেৱে আলোচনা-চক্ৰখনিৰ মোখনি মাৰে। সদৌশেষত উদ্যোক্তা অধ্যাপক শ্ৰীবীৰেন্দ্ৰ কুমাৰ দাসে উপস্থিত সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায়।

**॥ অসমীয়া বিভাগৰ যোজনাত অনুষ্ঠিত: কবি-সন্মিলনী ॥**

ইংৰাজী ১-২-৮৪ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱৰ পৰিচালনাত আৰু ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক অধ্যাপিকাসকলৰ সহযোগত পোনপ্ৰথমবাৰৰ বাবে আমাৰ মহাবিদ্যালয়ত এখনি কবি-সন্মিলন অনুষ্ঠিত হৈ যায়। কবি-সন্মিলনখনিৰ

পদূলি মুখতে অনুষ্ঠানটিৰ উদ্যোক্তা তথা অসমীয়া বিভাগৰ প্ৰধান অধ্যাপক শ্ৰীৰঞ্জিত কুমাৰ বৰা ৰচিত "শুভ-লগনৰ পদূলিতে আজি তোমাক প্ৰণাম" শীৰ্ষক সমবেত সঙ্গীতেৰে উপস্থিত কাব্যানুৰাগী দৰ্শক-শ্ৰোতাক আদৰণি জনোৱা হয়।

কবি-সন্মিলনখনিৰ শুভাৰম্ভ কৰ হয় স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰ শ্ৰীপবিত্ৰ কুমাৰ পাঠকৰ 'সভ্যতা আৰু সৰু মানুহ'; 'নিতু, বীণা আৰু মই' নামৰ স্বৰচিত কবিতা দুটিৰে। ইয়াৰ পিছতে মহঃ কবিৰ হুছেইনে (স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ) 'মুক্তিৰ গান', শ্ৰীকন্দৰ্প কলিতাই, (স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰ) 'কবি মই নহওঁ', 'শক্তিশেল', 'ক্লান্ত কবি', 'শেষ নিশাৰ বনৰীয়া হাঁহজাক', 'ৰঙা চাবুক' আৰু 'মই মৰি গৈছোঁ' নামৰ এমুঠি মিনি কবিতা; মহঃ মুক্তাৰ হুছেইনে (পি. ইউ. ২য় বাৰ্ষিকৰ ছাত্ৰ) 'মইনা', কুমাৰী মিনতি শৰ্মাই (স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰী) 'ন পুৰুষলৈ আহ্বান' আৰু 'তোমালৈ' প্ৰভৃতি স্বৰচিত কবিতা আবৃত্তি কৰি শুনায়। অধ্যাপক—অধ্যাপিকাৰ ফালৰ পৰা শ্ৰীভাৰত কলিতাই 'জীৱনৰ শীতল সৰোবৰলৈ', 'নিৰ্জনতাৰ পাণ্ডুলিপি' আৰু 'পৃথিৱীখন কবিতাৰ দৰে'; শ্ৰীউমেশ চন্দ্ৰ দাসে 'অভেদ্য', 'হেৰাই যোৱাৰ আনন্দ' আৰু ব্যঙ্গ কবিতা 'মই এজন দেশ নেতা'; শ্ৰীনীলকমল বৰদলৈয়ে 'উপলব্ধি' আৰু 'বিকল্প'; নূৰণ নাহাৰ বেগমে 'অপেক্ষা'; শ্ৰীদয়ানন্দ কুমাৰ দাসে 'আমি অসমীয়া'; এম. হবিব উল্লাহে 'সংকল্প-শিখা' আৰু দুটি ব্যঙ্গ-কবিতা 'সময় সঁফুৰা' আৰু 'হেতালি খেল'; শ্ৰীৰঞ্জিত কুমাৰ বৰাই 'অনিৰ্বাপিত অগ্নি' আৰু 'আইলৈ এখনি চিঠি' প্ৰভৃতি স্বৰচিত কবিতা পৰিবেশন কৰে। অধ্যাপক আব্দুছ ছামাদ আলিৰ 'পুণ্য ভাৰত ভূমি' আৰু অধ্যাপিকা শ্ৰীমতী কল্যাণী দাসৰ 'জিৰণি কোঠা' আৰু 'সন্ধান' নামৰ দুটি স্বৰচিত কবিতা তেখেতসকলৰ অনুপস্থিতিত ক্ৰমে অধ্যাপক ফণীধৰ তালুকদাৰ আৰু অধ্যাপক ৰঞ্জিত কুমাৰ বৰাই পাঠ কৰি শুনায়। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে অধ্যাপক ফণীধৰ তালুকদাৰে 'আধুনিক অসমীয়া কবিতা' শীৰ্ষক প্ৰবন্ধ আৰু অধ্যাপক ভাৰত কলিতাই 'আধুনিক কবিতা' শীৰ্ষক এটি নাতিদীৰ্ঘ প্ৰবন্ধ উক্ত অনুষ্ঠানত পাঠ কৰে।

অনুষ্ঠানটিৰ শেষত অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱে পাঠ কৰা সমূহ কবিতাৰ বিষয়ে এটি সাৰুৱা আলোচনা আগবঢ়ায় আৰু কয় যে কবিতা সমাজৰ সকলোৰে কাৰণে নহয়;—এচাম সহৃদয় আৰু সংবেদনশীল লোকৰ বাবেহে। মহৎ কবিতা ৰচনা কৰিবলৈ হলে কবিৰ মানৱ-জীৱন সম্পৰ্কে বিস্তৃত অধ্যয়ন আৰু অভিজ্ঞতাৰ প্ৰয়োজন। পৰিচালক অধ্যক্ষদেৱে এই কবি-সন্মিলনখনি অনুষ্ঠিত কৰাৰ প্ৰচেষ্টাক আদৰণি জনাই অনুষ্ঠানটিৰ সামৰণি মাৰে। সদৌশেষত উদ্যোক্তা অধ্যাপক শ্ৰীৰঞ্জিত কুমাৰ বৰাই সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায়।

**॥ অসমীয়া বিভাগৰ সৌজন্যত আয়োজিত আলোচনা-চক্ৰ॥ বিষয়বস্তু : প্ৰচীন অসমীয়া গদ্য-সাহিত্যৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ ধাৰা ॥**

ইংৰাজী ২৪-২-৮৪ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়া দেৱৰ সঞ্চালনাত উপৰ্যুক্ত বিষয়ে এখনি আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনা-চক্ৰৰ পাতনি তৰি অসমীয়া বিভাগীয় প্ৰধান অধ্যাপক শ্ৰীৰঞ্জিত কুমাৰ বৰাই শ্ৰীমন্ত শঙ্কৰদেৱৰ সময়ৰ পৰা 'অৰুণোদই' যুগলৈকে প্ৰাচীন অসমীয়া

গদ্য-সাহিত্যৰ এটি থূলমূল বিৱৰণ দাঙি ধৰে। প্ৰসঙ্গক্ৰমে অধ্যাপক বৰাই অসমৰ বিভিন্ন অঞ্চলত প্ৰচলিত থলুৱা মাত-কথা, শব্দৰাজি আৰু ফকৰা-যোজনা আদি বিস্মৃতিৰ গৰ্ভত হেৰাই যোৱাৰ আগতেই সংগ্ৰহ কৰি অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তি সমৃদ্ধিশালী কৰি তোলাত গুৰুত্ব আৰোপ কৰে। আলোচনা-চক্ৰত স্নাতক ২য় বাৰ্ষিকৰ অসমীয়া সন্মান পাঠ্যক্ৰমৰ ক্ৰমে শ্ৰীপবিত্ৰ কুমাৰ পাঠক, শ্ৰীহৰকুমাৰ কলিতা আৰু কুমাৰী মিনতি শৰ্মাই আলোচ্য বিষয়-বস্তুৰ বিষয়ে একোটিকৈ প্ৰবন্ধ পাঠ কৰে। উপস্থিত সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন প্ৰশ্নাৱলীৰ যথাযথ উত্তৰ তেওঁলোকে দিবলৈ চেষ্টা কৰে। প্ৰশ্নোত্তৰ প্ৰসঙ্গত অধ্যাপক শ্ৰীফণীধৰ তালুকদাৰ, অধ্যাপক শ্ৰীভাৰত কলিতা আৰু অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাসে অংশ গ্ৰহণ কৰি আলোচনা-চক্ৰখনি ফলপ্ৰসূ কৰি তোলাত যথেষ্ট অৰিহণা যোগায়।

আলোচনাৰ শেষত সঞ্চালক শইকীয়াদেৱে আলোচ্য বিষয়ে এটি বিশ্লেষণাত্মক অভিমত দাঙি ধৰে। তেখেতে প্ৰাচীন অসমীয়া সাহিত্যৰ বিভিন্ন শ্ৰেণীৰ গদ্যৰ পৰিপূৰ্ণ আলোচনা আজি পৰ্যন্ত নোহোৱাত আক্ষেপ কৰে। আমাৰ মহাবিদ্যালয়-খনিত ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাসকলৰ বৌদ্ধিক বিকাশ ঘটোৱাত সহায় কৰা এনে ধৰণৰ ফলদায়ক বিদ্যায়তনিক আলোচনা সঘনাই হোৱাটো কামনা কৰি সঞ্চালক মহোদয়ে আলোচনা-চক্ৰখনিৰ ইতিৰেখা টানে।

**॥ সাংস্কৃতিক ক্ষেত্ৰ অধ্যয়ন : লক্ষ্য চমৰীয়া সত্ৰ ॥**

মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আমাৰ ওচৰে-পাঁজৰে থকা থলুৱা সাংস্কৃতিক কেন্দ্ৰ, দৌল-দেৱালয়, মছজিদ-মাজাৰৰ স্থাপত্য-ভাস্কৰ্য, প্ৰাচীন স্মৃতিচিহ্ন আৰু শিল-মোহৰ আদিৰ লেখ লোৱা আৰু অধ্যয়ন কৰাৰ মানসেৰে পোনপ্ৰথমবাৰৰ বাবে নগৰবেৰাৰ পৰা ( বকো হৈ ) প্ৰায় ৫০ কিলোমিটাৰ দক্ষিণ-পূব দিশত অৱস্থিত চমৰীয়া সত্ৰলৈ যোৱাটো থিৰ কৰা হয়। দিনটো আছিল ১৯৮৪ চনৰ '৯ ফেব্ৰুৱাৰী, দেওবাৰ। উক্ত আঁচনিৰ উদ্যোক্তা অধ্যাপক শ্ৰীৰঞ্জিত কুমাৰ বৰাৰ লগতে বিভাগীয় অধ্যাপক শ্ৰীফণীধৰ তালুকদাৰ আৰু অধ্যাপিকা কুমাৰী দীপ্তিৰেখা পাঠকৰ উপৰিও অধ্যাপক-অধ্যাপিকাসকলৰ মাজৰ পৰা সৰ্বশ্ৰী — কল্যাণী দাস, উৎসৱানন্দ দাস, দেৱেশ দাস, ভাৰত কলিতা, মেঘনাদ সিংহ আৰু সুবোধ চৌধুৰী প্ৰমুখ্যে মহা-বিদ্যালয়ৰ প্ৰায় পঞ্চাশজনীয়া ছাত্ৰ-ছাত্ৰীৰ এটি দল এখন বাছেৰে ৰাতিপুৱা ৯-৩০ বজাত নগৰবেৰাৰ পৰা চমৰীয়া অভিমুখে যাত্ৰা কৰে। দলটিত স্থানীয় বয়োবৃদ্ধা আইতা শ্ৰীবসুমতী মেধি আৰু অধ্যক্ষ-পত্নী শ্ৰীমতী বিষ্ণুপ্ৰিয়া শইকীয়াও সহযাত্ৰীৰূপে অংশগ্ৰহণ কৰে। দলটিয়ে বকো গৈ পোৱাত গাড়ী ৰখোৱা হয় আৰু বকো উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা চমৰীয়া সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত অচ্যুতানন্দ অধিকাৰীদেৱকো লগতে লোৱা হয়। দিনৰ ১১-৩০ মান বজাত দলটোৱে গৈ অসমৰ এখনি প্ৰাচীন সত্ৰ-চমৰীয়াত পদাৰ্পণ কৰে। গৈ পোৱাত চমৰীয়াবাসী ৰাইজে দলৰ আটাইকে আন্তৰিক মৰম-চেনেহ আৰু অভ্যৰ্থনাৰে আপ্যায়িত কৰে।

সত্ৰাধিকাৰ শ্ৰীযুত অধিকাৰীদেৱে দলটিক সত্ৰৰ যাৱতীয় প্ৰাচীন সম্পদাদি ভালদৰে চোৱাৰ ব্যৱস্থা

কৰি দিয়ে। দলটিয়ে সত্ৰখনিত চলি থকা ধৰ্মীয় আচাৰ-নীতি, প্ৰাচীন তুলাপাত আৰু সাঁচিপাতৰ বিভিন্ন পুথি আদি চাই বিস্ময়ত অভিভূত হয়। সত্ৰত মজুত থকা বিভিন্ন পুথি-পাঁজিৰ এখনি তালিকা এই আপাহতে তলত উল্লেখ কৰা হ'ল—

**তুলাপাতৰ পুথি :** (১) অযোধ্যাকাণ্ড ৰামায়ণ, (২) উত্তৰাকাণ্ড ৰামায়ণ, (৩) অৰণ্যকাণ্ড ৰামায়ণ, (৪) আদিকাণ্ড ৰামায়ণ, (৫) বলিচৰণ (বলিচলন), (৬) নিমিনৱসিদ্ধ সংবাদ, (৭) ভক্তি ৰত্নাকৰ, (দুখন), (৮) নাম-মালিকা, (৯) জন্ম ৰহস্য।

**সাঁচিপাতৰ পুথি :** (১) আদিকাণ্ড ৰামায়ণ, (২) লঙ্কাকাণ্ড ৰামায়ণ, (৩) ভাগৱত দ্বিতীয় স্কন্ধ, (৪) ভক্তি ৰত্নাৱলী (দুখন), (৫) অজামিল উপাখ্যান, (৬) নিমিনৱসিদ্ধ সংবাদ, (৭) কীৰ্ত্তন-ঘোষা (দুখন), (৮) ভাগৱত দশম স্কন্ধ, (৯) নামঘোষা, (১০) ভক্তি-প্ৰদীপ, (১১) ৰাজসূয়, (১২) বৰগীতৰ পুথি (১৯৬ টা গীত সম্বলিত), (১৩) হৰিশ্চন্দ্ৰ উপাখ্যান।

চমৰীয়া সত্ৰৰ বৰদেউৰী তথা অন্যান্য মুখীয়াল লোকৰ সৈতে হোৱা আলোচনাৰ পৰা সত্ৰখনিৰ আৰু কিছুমান কথা সংগ্ৰহ কৰা হয়। সত্ৰখনিত বছৰেকীয়া তিথি হিচাবে শ্ৰীমন্ত শঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ, বৰবিষ্ণু আতা, জন্মোৎসৱ (শ্ৰীকৃষ্ণ আৰু শ্ৰীশঙ্কৰদেৱৰ), কাকুৱা উৎসৱ, নাৰায়ণ দাস ঠাকুৰ আতা, বহুলা পদ্ম আতা আৰু মথুৰা দাস বুঢ়া আতাৰ তিথি পালন কৰা হয়। মাধৱদেৱে নিজ হাতে লিখা 'নাম মালিকা' পুথিখন ইয়াৰ গুৰু আসনত স্থাপন কৰি থোৱা হৈছে। পুথিখন কাকো চাবলৈ দিয়া নহয়। মাধৱদেৱে নিজহাতে নিৰ্মাণ কৰা এখন কাঠৰ আসনো তাত দেখিবলৈ পোৱা যায়। সত্ৰৰ চৌহদত থকা বৰবিষ্ণু আতাৰ থৰম, মুৰৰ পাগুৰীৰ ধূলি, কট্যাৰী আৰু টেমী সংৰক্ষণ কৰা নৱনিৰ্মিত ঘৰটিৰ বেৰত এখনি শিলৰ ফলি লগাই থোৱা আছে। সেই শিলালিপিৰ পাঠোদ্ধাৰ কৰিব পৰা হোৱা নাই। তদুপৰি তাত এখনি তামৰ ফলিও পোৱা গৈছে। ফলিখনৰ শেষত লিখা আছে "শ্ৰীশ্ৰীযুক্ত নাৰায়ণ দেৱশ্ৰী লক্ষ্মী সিংহনৰে শৰাণাঃ ." উল্লেখযোগ্য যে ফলিখনৰ এঠাইত "চাম্বৰিয়া বিল" নামটি পোৱা গৈছে। ইয়াৰ লগত চমৰীয়া নামটোৰ কিবা সম্পৰ্কও থাকিব পাৰে। ফলিখন ১৬৯৩ শকৰ আৰু ফলিখনিত পাখি থকা সিংহৰ প্ৰতীক অংকণ কৰা আছে। চমৰীয়া সত্ৰত থূলমূলভাৱে আমি ওপৰত দিয়া তথ্যপাতিখিনিকে পালোঁ আৰু ইয়াৰ যোগেদি অনুসন্ধিৎসুজনৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

সন্ধ্যা নামি অহাৰ আগজাননী পাই আমাৰ সাংস্কৃতিক ক্ষেত্ৰ অধ্যয়নকাৰী দলটি চমৰীয়াবাসী ৰাইজৰ মিঠা মৰম আৰু আদৰ-সাদৰৰ স্মৃতি বুকুত বান্ধি অন্তৰেৰে চমৰীয়া সত্ৰলৈ ভকতিৰ প্ৰণাম জনাই ঘৰমুৱা যত্ৰাৰে বাহত উঠিলোঁ। নগৰবেৰা যেতিয়া আহি পালোঁহি, সন্ধ্যা তেতিয়া সাত বাজিছে।

॥ সাংস্কৃতিক ক্ষেত্ৰ অধ্যয়নৰ ২য় অভিযান : পাহাৰপাৰাৰ বুঢ়া গোঁসাই থান ॥

দিনটো আছিল ১৯৮৪ চনৰ ২৬ ফেব্ৰুৱাৰী, ৰবিবাৰ। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সৌজন্যত অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সমন্বিতে প্ৰায় পঞ্চাশজনীয়া এটি দল এইবাৰ আমাৰ নিচেই কাষতে জলজলী নদীৰ সিপাৰে থকা ইতিহাসৰ নীৰৱ সাক্ষী পাহাৰপাৰাৰ বুঢ়া গোঁসাই থানৰ ঐতিহ্য বিচাৰি যাত্ৰা কৰিলোঁ। জলজলী পাৰ হৈ আমি দিনৰ প্ৰায় দহটা বজাত পাহাৰৰ নামনিত অৱতীৰ্ণ হওঁ।

পাহাৰৰ নামনিত দেখা পালোঁ। পাহাৰৰ চূড়াৰ পৰা নমাই আনি নতুনকৈ স্থাপন কৰা বুঢ়া গোঁসাই থান। কাষতেই এটি বিৰাট পুখুৰী। সেই পুখুৰী দীঘলে ১১৮ মিটাৰ আৰু পথালিয়ে ৮৬ মিটাৰ ৭০ চেন্টিমিটাৰ। বৰ্তমান নামনিত থকা মন্দিৰৰ সমুখত কেইটিমান মূৰ্ত্তি সজাই থোৱা আছে। এটা মূৰ্ত্তি গণেশৰ, মূৰটো ছিগা। মূৰ্ত্তিটো শিলত কাটি উলিয়াইছে। এটা মূৰ্ত্তি হাতযোৰ কৰি থকা অৱস্থাত আছে, কিহৰ মূৰ্ত্তি ঠাৱৰ কৰিব পৰা নগ'ল। অইন ছুটা মূৰ্ত্তি একেলগে একেটা শিলত কাটি উলিওৱা হৈছে, কিন্তু মূৰটো নাই। বাওঁফালে থকাটো এটা বান্দৰৰ মূৰ্ত্তি যেন অনুমান হয় আৰু সোঁফালে থকাটো কি ভঙ্গীত আছে, সেইটো ঠাৱৰ কৰিব পৰা নগ'ল। স্থানীয় লোকৰ পৰা জানিব পাৰিলোঁ যে এই মূৰ্ত্তিবোৰ আগতে থকা পাহাৰৰ চূড়াত থকা এটি মন্দিৰৰ ভগ্নাৱশেষ। তাৰ পমখেদি আমি পাহাৰৰ শিলনি বগাই পাহাৰৰ চূড়াত এটা গাঁতত বিছুমান শিল জাপি, পুতি থোৱা দেখা পালোঁ। দেখিয়েই অনুমান কৰিব পাৰি যে তাত এটি মন্দিৰ থকা কথাটো সঁচা। চৌদিশে শিলাকুটিয়ে কটা শিলৰ বহুতো টুকুৰা অনাদৃত ভাৱে পৰি আছে। খাপকটা কেইবাটাও শিল দেখিলোঁ। —বোধহয় খটখটিৰ বাবে ব্যৱহাৰ কৰা হৈছিল। জনশ্ৰুতিমতে আগতে এই মন্দিৰটো গহীন অৰণ্যৰে পৰিবেষ্টিত হৈ আছিল। তলত থকা পূজাৰীয়ে সদায় পাহাৰলৈ লুঙলুঙীয়া বাটেৰে উঠি গৈ পূজা কৰিছিল। এবাৰ তেনে এজন পূজাৰীক বাঘে খোৱাত আৰু কোনো পূজাৰী তালৈ নোযোৱা হ'ল। তেনেতে হেনো স্বপ্ন দেখুৱালে যে তেওঁ (ইষ্টদেৱতা) তললৈ নামি আহিব; তলত তেওঁক আনুষ্ঠানিকভাৱে স্থাপন কৰিব লাগে। এয়া অৱশ্যে লোক-কথাহে। অনুমান হয় ওপৰত থকা মন্দিৰটি কোনো প্ৰাকৃতিক দুৰ্যোগত ধ্বংসপ্ৰাপ্ত হয় আৰু অনুৰাগী ভকতসকলে সেই মন্দিৰৰ ভগ্নাৱশেষ তললৈ আনি বৰ্তমানৰ মন্দিৰটি গঢ় দিয়ে। শিৱৰাত্ৰিত এই থানত ডাঙৰ উৎসৱ হয়। ওচৰ-পাঁজৰৰ ভক্তবৃন্দই বছৰৰ যিকোনো সময়তে তালৈ গৈ পূজা আগবঢ়োৱাৰ ৰীতি আজিকোপতি চলি আছে।

পাহাৰৰ চূড়াৰ পৰা নামি আহি আমি দলটিয়ে পাহাৰপৰীয়া বাইজৰ সহযোগত আনন্দমনেৰে চাহ-জলপান গ্ৰহণ কৰোঁ। অনুৰাগী ছাত্ৰ-ছাত্ৰীয়ে মন্দিৰত ধূপ-ধুনা জ্বলাই সেৱা যাচে। আমাৰ এই অভিযানটিৰ আয়োজন কৰিছিল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ৰঞ্জিত কুমাৰ ৰৰাই আৰু তেওঁৰ লগত সহযাত্ৰী হৈ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়া, অধ্যাপক এম হবিব উল্লাহ আৰু অধ্যাপক শ্ৰীভাৰত কলিতাই। আমাৰ এই অভিযানটিৰ পথ-প্ৰদৰ্শক হিচাবে সহায় আগবঢ়াইছিল পাহাৰপাৰাৰে অধ্যাপক শ্ৰীদয়ানন্দ কুমাৰ দাসদেৱে। পাহাৰ বগোৱাৰ আনন্দময় স্মৃতি বোকোচাত লৈ আমি যেতিয়া ঢলজলী পাৰ হৈ ইপাৰত ভৰি দিওঁ, তেতিয়া ঘড়ীত আবেলি পাঁচ বাজি কেইমিনিটমানহে গৈছে।······

॥ মহাবিদ্যালয়ৰ মুখ্য ভৱনৰ আধাৰশিলা স্থাপন ········ ॥

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ শিক্ষাদান, প্ৰশাসনীয় কাৰ্য্যালয় আদিকে ধৰি যাবতীয় কাম-কাজ চলাবলৈ বৰ্ত্তমানৰ থকা ভৱন কেইটিয়ে যে যথেষ্ট নহয়, সেইকথা মহাবিদ্যালয় পৰিচালনা সমিতিয়ে বহুদিনৰ পৰা অনুভৱ কৰি আহিছে।

মহাবিদ্যালয়খনিত ক্ৰমে বাঢ়ি অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, নতুন নতুন বিষয়ৰ প্ৰৱৰ্ত্তন, বিজ্ঞান শাখা খোলাৰ পৰিকল্পনা আদিৰ প্ৰতি সচেতন হৈ এটি নতুন ভৱন নিৰ্মাণৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই সিদ্ধান্ত লয়। সেই উদ্দেশ্যে ইংৰাজী ১২।২।৮৪ তাৰিখে আহুত এটি উৎসৱমুখৰ অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক শ্ৰীযুত মহেশ চন্দ্ৰ ভূঞাঁই নাম-প্ৰসঙ্গ, শঙ্খ-ঘন্টা আৰু উৰুলিকৃত ধ্বনিৰ মাজেৰে মহাবিদ্যালয়ৰ মুখ্য ভৱনৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত মুকলি সভাত পৌৰোহিত্য কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি শ্ৰীযুত পঞ্চানন মেধিদেৱে। মুখ্য অতিথি আৰু নিৰ্দিষ্ট বক্তাৰ আসন গ্ৰহণ কৰে ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় উন্নয়ন পৰিষদৰ সঞ্চালক শ্ৰীযুত হেমেন বৰঠাকুৰ আৰু অসম চৰকাৰৰ শিক্ষা পৰিকল্পনা শাখাৰ সহকাৰী সঞ্চালক শ্ৰীযুত চন্দ্ৰ শৰ্মা ডাঙৰীয়াদ্বয়ে। কামৰূপ জিলাৰ পশ্চিম সীমান্তৰ অৱহেলিত অঞ্চলৰ এই মহাবিদ্যালয়খনিক পূৰ্ণাংগ পৰ্য্যায়লৈ উন্নীত কৰাৰ বিষয়টোত বিভাগীয় ব্যক্তি কেইগৰাকীয়ে গুৰুত্ব আৰোপ কৰাত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰে। একেদিনাই মহাবিদ্যালয়ৰ বছৰেকীয়া-সপ্তাহ উৎসৱৰ বঁটা বিতৰণী অনুষ্ঠানটিও সুকলমে অনুষ্ঠিত হৈ যায়।

## বছৰেকীয়া উৎসৱৰ পৰিধিত·········

### ॥ ফাতেহায়ে-দোৱাজ-দাহম উৎসৱ উদ্‌যাপন ॥

বিগত বছৰ সমূহৰ দৰে এইবেলিও বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত হজৰত মোহাম্মদৰ (চাঃ) জন্ম আৰু পৰলোক গমনৰ তিথি পবিত্ৰ 'ফাতেহায়ে-দোৱাজ দাহম' উৎসৱটি যথেষ্ট গাম্ভীৰ্য-পূৰ্ণ পৰিৱেশত উদ্‌যাপিত হৈ যায়। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ ফালৰ পৰা হাছেন আলী আহমেদ আৰু শ্ৰীপ্ৰাণেশ্বৰ কলিতাক যুটিয়া আহ্বায়ক হিচাবে লৈ এখনি এঘাৰজনীয়া সদস্যৰে "উৎসৱ উদযাপন সমিটি"ও গঠন কৰা হয়। উৎসৱৰ কাৰ্যসূচী অনুসৰি ইংৰাজী ২৪-১২-৮৩ তাৰিখ শনিবাৰে অনুষ্ঠিত হোৱা মুকলি সভাত পৌৰোহিত্য কৰে নগৰবেৰা আঞ্চলিক বজাৰ কমিটিৰ সভাপতি জোনাব আফাজ উদ্দিন আহমেদ চাহাবে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে স্নাতক মহলাৰ ছাত্ৰ চৰবত্‌ আলী আহমেদে। বৰ্ত্তমান স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ মহঃ মুকল ইছলামৰ কোৰআন পাঠেৰে সভাৰ কাম আৰম্ভ হয়। অনুষ্ঠানত মিলাদ মহফিল পৰিচালনা কৰে নগৰবেৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বয়োজ্যেষ্ঠ আৰু ধৰ্ম-পৰায়ণ আৰবী শিক্ষক মৌলবী আব্দুছ শুকুৰ চাহাবে। উক্ত অনুষ্ঠানত নিৰ্দিষ্ট বক্তা আৰু মুখ্য অতিথি-ৰূপে ক্ৰমে মাওলানা আবু জাফৰ আৰু মৌলবী আব্দুল গফুৰ ডাক্তাৰ চাহাবদ্বয় উপস্থিত থাকি হজৰত মোহাম্মদৰ (চাঃ) জীৱনৰ বিভিন্ন দিশ আৰু সাৰ্বজনীন শিক্ষাৰ ওপৰত সাৰগৰ্ভ ভাষণ দান কৰে। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীদেৱপ্ৰসাদ শইকীয়া আৰু নগৰবেৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীগোবিন্দ চন্দ্ৰ নাথ মহোদয় দ্বয়েও সমজুৱা-ৰূপে দিয়া ভাষণত দিনটোৰ তাৎপৰ্য সম্পৰ্কে দুআষাৰকৈ কয়। সভাপতিৰ ভাষণত জোনাব আফাজ উদ্দিন আহমেদ চাহাবে মুখ্যতঃ সমাজত শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰকৃত সাধু আৰু সন্তসকলৰ সুশিক্ষা আৰু আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ নিজৰ জীৱন গঢ় দিবলৈ সকলোলৈকে আহ্বান জনায়। মাওলানা আবু জাফৰ চাহাবৰ পৰিচালনাত সমূহীয়া মোনাজাতেৰে অনুষ্ঠানৰ সামৰণি পৰে। পৰিশেষত

উৎসৱ উদ্যাপন সমিতিৰ সভাপতি অধ্যাপক এম. হৰিৰ উল্লাহে উপস্থিত সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায়।

**বাগ্‌দেৱী বীণাপাণিৰ পূজা :**

চিৰাচৰিত ৰীতি হ'লেও বেং উলহ-মালহ আৰু উদ্দীপনাৰ মাজেদিয়েই আমাৰ মহাবিদ্যালয়ত বাক্‌দেৱী সৰস্বতীৰ পূজা-ভাগ ইংৰাজী ১৯৮৪ চনৰ ৭ ফেব্ৰুৱাৰী মঙ্গলবাৰৰ দিনা সুকলমে অনুষ্ঠিত হৈ যায়। পূজাৰ আগদিনাখন হৰ্ষোল্লাস-ধ্বনিৰ মাজেৰে 'প্ৰতিমা আনয়ন' কৰা হয়। পূজাৰ দিনা ভক্তি সহকাৰে আৰু মাঙ্গলিক নীতি-নিয়মেৰে প্ৰতিমা আনি বেদীত স্থাপন কৰা হয় আৰু যথাবিহিত কাৰ্যসূচীৰে পূজা-ভাগ আৰম্ভ কৰি পাছদিনা প্ৰতিমা বিসৰ্জনেৰে সমাপন কৰা হয়। মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত পূজা উৎসৱটি পৰিচালনা কৰে "সৰস্বতী পূজা উদযাপন সমিতি"য়ে। উদ্‌যাপন সমিতিৰ সভাপতি আছিল অধ্যাপক ৰবীলোচন ঠাকুৰীয়া, উপদেষ্টা আছিল অধ্যাপিকা মীনা কুমাৰী বৰ্ধন আৰু আহ্বায়কদ্বয় আছিল ছাত্ৰ শ্ৰীদীনেশ কলিতা আৰু শ্ৰীকন্দৰ্প কলিতা।

* * *

---

"সাক্ষৰতা আৱশ্যকীয়; কিন্তু কেৱল সাক্ষৰতাই শিক্ষা নহয়, যদি মানুহৰ শিক্ষাৰ লগত জ্ঞানৰ সংযোগ নাথাকে তেনেহলে তেনে শিক্ষা অভিশাপ স্বৰূপহে হয়।"

॥ ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণ ॥

"জুই নুমাবলৈ পানী লাগে—অন্যায়ৰ জুই জ্বলিলে তাক নুমাবৰ বাবে মৰমৰ চকুপানী লাগে। যিসকলে অন্যায় কৰে সেইসকলৰ অন্তৰৰ অনুতাপ লাগে।"

॥ ডঃ জগদীশ চন্দ্ৰ মেধি ॥

---

# মহাবিদ্যালয়ৰ ভিতৰ-চ'ৰাত এভূমুকি

সংকলয়িতা { অধ্যাপক এম, হৃক্কি উল্লাহ
অধ্যাপক ৰঞ্জিত কুমাৰ বৰা

নগৰবেৰাত পোনপ্ৰথমে আবাসিক-বিজ্ঞান-মহাবিদ্যালয় স্থাপনৰ প্ৰস্তুতি আৰু আচ'নিৰে গঠিত নিম্নলিখিত তদৰ্থ কমিটিয়ে ইংৰাজী ২১-৯-৬৬ তাৰিখে গোহাৰি-পত্ৰ ছপাই ৰাইজৰ মাজত প্ৰচাৰ আৰু অৰ্থ-সংগ্ৰহৰ কামত ব্ৰতী হৈছিল।

তালিকা : (ক)

॥ তদৰ্থ-কমিটি ॥

(১) শ্ৰীকৃষ্ণ কান্ত শৰ্মা, (সভাপতি)
(২) " ঘনশ্যাম চৌধুৰী, (সম্পাদক)
(৩) " খগেন্দ্ৰ নাৰায়ণ চৌধুৰী (সহঃসম্পাদক)
(৪) " উদয় শঙ্কৰ ঠাকুৰীয়া (সদস্য)
(৫) " উমেশ চন্দ্ৰ পাঠক "
(৬) " গজেন্দ্ৰ নাৰায়ণ দাস "
(৭) স্বৰ্গীয় হেমচন্দ্ৰ পাঠক "
(৮) স্বৰ্গীয় শৰৎ চন্দ্ৰ দাস (সদস্য)
(৯) শ্ৰীজয়চন্দ্ৰ কলিতা "
(১০) আফাজুদ্দিন আহমেদ "
(১১) নঈমুদ্দিন মুন্সী "
(১২) কাছেম আলী দেৱানী "
(১৩) ফতেলুৰ ৰহমান "

ইংৰাজী ২০।১।৭২ তাৰিখে আহুত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সাধাৰণ সভাৰ ১ম অধিবেশনত গঠিত হোৱা 'মহাবিদ্যালয় উদ্যোক্তা কমিটি' [Sponsoring Body] আৰু উক্ত কমিটিৰ আশাশুধীয়া প্ৰচেষ্টাত বৰ্তমানৰ মহাবিদ্যালয়খনি স্থাপনৰ সপোনে বাস্তৱ-ৰূপ পায়।

তালিকা : (খ)

(মহাবিদ্যালয়-উদ্যোক্তা কমিটি) [College-Sponsoring Body]

১। স্বৰ্গীয় প্ৰবীন কুমাৰ চৌধুৰী, সভাপতি
(বকো সমষ্টিৰ তদানীন্তন বিধায়ক)
২। শ্ৰীকৃষ্ণ কান্ত শৰ্মা, উপ-সভাপতি
৩। শ্ৰীউদয় শঙ্কৰ ঠাকুৰীয়া, সম্পাদক
৪। মহঃ আব্দুল কাদিৰ, সহঃ সম্পাদক
৫। শ্ৰীনগেন ঠাকুৰীয়া, সদস্য
৬ ড. কুলেন্দু পাঠক, "
৭। মহঃ ৰবিউল হুছেইন, "
৮। নঈমুদ্দিন মুন্সী, "
৯। চোৰহাব আলী মুন্সী, "
১০। আইজল হক মৌলবী, "
১১। গোপেন বসুমতাৰী, "
১২। ৰামমোহন পাঠক, "
১৩। চবুৰ উদ্দিন দেৱানী সদস্য
১৪। পঞ্চানন মেধি, "
১৫। ধীৰেণ দাস, "
১৬। ঘনশ্যাম চৌধুৰী, "
১৭। শৰৎ চন্দ্ৰ চৌধুৰী, "
১৮। মৰহুম হাজী উচমান গণি চৌধুৰী, (সদস্য)
১৯। নগেন দাস সদস্য
২০। ভূপেন দাস "
২১। মহিম বৰা "
২২। নিৰঞ্জণ দাস "
২৩। ইন্তাজ আলী চৰকাৰ "
২৪। কাছেম দেৱানী "
২৫। কেশৱ ঠাকুৰীয়া "

## বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ জন্ম-লগ্নৰ পৰা বিভিন্ন সময়ত গঠিত প্ৰাৰম্ভিক তদৰ্থ কমিটি / উদ্যোক্তা কমিটি / পৰিচালনা সমিতিৰ সদস্যবৃন্দৰ নামৰ তালিকা :

[ নগৰবেৰা আঞ্চলিক মৌজা কমিটিৰ পৃষ্ঠপোষকতাত ইং ১৯৬৬ চনত গঠিত মহাবিদ্যালয়ৰ প্ৰাৰম্ভিক তদৰ্থ কমিটি, ইং ২০।৮।৭১ তাৰিখে বহলভিত্তিত গঠিত মহাবিদ্যালয় কমিটিৰ সদস্য তালিকা আৰু বিভিন্ন সময়ত গঠিত সমিতি-উপ-সমিতি'ৰ সদস্য তালিকাক মূল নথি হিচাবে লৈ যথেষ্ট সাৱধানতা অৱলম্বন কৰি নিম্নোক্ত তালিকাখন প্ৰস্তুত কৰা হৈছে। আমাৰ এই বিনম্ৰ প্ৰয়াসত যদি কোনো সদাশয় ব্যক্তিৰ নাম অনিচ্ছাকৃতভাৱে বাদ পৰি গৈছে নাইবা অন্যান্য ত্ৰুটি-বিচ্যুতি ঘটিছে, তাৰ বাবে সংশ্লিষ্ট সকলোলৈকে আমি ক্ষমা বিচাৰিছোঁ— সংকলয়িতাদ্বয়। ]

তালিকা : [গ]

| ক্ৰমিক নং | ব্যক্তিৰ নাম/পৰিচয় | বাব/পদ | ঠিকনা |
|---|---|---|---|
| ১। | ৺প্ৰবীন কুমাৰ চৌধুৰী (বিধায়ক বকো সমষ্টি) | সভাপতি | গুৱাহাটী |
| ২। | শ্ৰীকৃষ্ণ কান্ত শৰ্মা | উপ-সভাপতি | নগৰবেৰা |
| ৩। | শ্ৰীউদয়শঙ্কৰ ঠাকুৰীয়া | সম্পাদক | " |
| ৪। | মহঃ আব্দুল কাছিৰ | সহঃ সম্পাদক | " |
| ৫। | ঘনশ্যাম চৌধুৰী | সদস্য | " |
| ৬। | ক্ষীৰোদ চৌধুৰী | " | " |
| ৭। | ভূবেন্দ্ৰ নাৰায়ণ পাঠক | " | " |
| ৮। | আফাজুদ্দিন আহমেদ | " | " |
| ৯। | খগেন্দ্ৰ নাৰায়ণ চৌধুৰী | " | " |
| ১০। | আজিজুৰ ৰহমান | " | " |
| ১১। | দেবেন চৌধুৰী | " | " |
| ১২। | ফতেহুৰ ৰহমান | " | " |
| ১৩। | সুবোধ চৌধুৰী | " | " |
| ১৪। | খালেহুৰ ৰহমান | " | " |
| ১৫। | উদয়শঙ্কৰ মেধি | " | " |
| ১৬। | মীৰ কাচিম | " | " |
| ১৭। | গজেন্দ্ৰ নাৰায়ণ পাঠক | " | নগৰবেৰা বজাৰ |
| ১৮। | গৌৰমোহন চাগ | সদস্য | নগবেৰা বজাৰ |
| ১৯। | ৰতনলাল কোঠাৰী | " | " |
| ২০। | মনীন্দ্ৰ চন্দ্ৰ বসাক | " | " |
| ২১। | গাজীউৰ ৰহমান | " | " |
| ২২। | দীলবৰ হুছেইন | " | " |
| ২৩। | চিত্তৰঞ্জন দাস | " | " |
| ২৪। | নৰেন্দ্ৰ চন্দ্ৰ বৈশ্য পাঠক | " | " |
| ২৫। | মৰহুম হাজী উচমান গণিচৌধুৰী | " | সোণতলী |
| ২৬। | আজমল হক চৰকাৰ | " | " |
| ২৭। | স্বৰ্গীয় লম্বোধৰ ঠাকুৰীয়া | " | পথালিপাৰা |
| ২৮। | হেম চন্দ্ৰ চৌধুৰী | " | " |
| ২৯। | কুলধৰ বৰুৱা | " | " |
| ৩০। | যতীন্দ্ৰ মোহন মেধি | " | মেধিপাৰা |
| ৩১। | মুকুন্দ মেধি | " | " |
| ৩২। | ৰামমোহন পাঠক | " | " |
| ৩৩। | সৰ্ব্বেশ্বৰ মণ্ডল | " | " |
| ৩৪। | গজেন্দ্ৰ নাৰায়ণ দাস | " | কালুবাৰী |
| ৩৫। | গোপাল চন্দ্ৰ দাস | " | " |

| ক্ৰমিক নং | ব্যক্তিৰ নাম/পৰিচয় | বাব/পদ | ঠিকনা |
|---|---|---|---|
| ৩৬। | নগেন দাস | সদস্য | কালুবাৰী |
| ৩৭। | খগেন্দ্ৰ নাৰায়ণ পাঠক | ” | ” |
| ৩৮। | উদয় তালুকদাৰ | ” | ” |
| ৩৯। | কৰ্মেশ্বৰ দাস | ” | ” |
| ৪০। | কেশৱ ঠাকুৰীয়া | ” | ” |
| ৪১। | ডাঃ প্ৰহ্লাদ পাঠক | ” | ” |
| ৪২। | কনক মেধি | ” | ” |
| ৪৩। | ভাৰত দাস | ” | মালকা |
| ৪৪। | হৰিশ চন্দ্ৰ গাওঁবুঢ়া | ” | ” |
| ৪৫। | ভোগীৰথ পাঠক | ” | ” |
| ৪৬। | যোগেশ চন্দ্ৰ কলিতা | ” | ” |
| ৪৭। | সাগৰ আলী মণ্ডল | ” | পলাহৰটাৰী |
| ৪৮। | জয়নুদ্দিন মুন্সী | ” | ” |
| ৪৯। | তছকদ্দিন মুন্সী | ” | ” |
| ৫০। | উমেদ আলী | ” | ” |
| ৫১। | ইন্‌ছাৰ আলী মুন্সী | ” | নায়টৰ |
| ৫২। | ফজল আলী পৰমানিক | ” | ” |
| ৫৩। | স্বৰ্গীয় শৰৎ চন্দ্ৰ দাস | ” | পাহাৰপাৰা |
| ৫৪। | শৰৎ চন্দ্ৰ চৌধুৰী | ” | ” |
| ৫৫। | নাৰায়ণ চন্দ্ৰ পাঠক | ” | ” |
| ৫৬। | স্বৰ্গীয় হেমচন্দ্ৰ পাঠক | ” | দোকুছি |
| ৫৭। | ,, মদন মেধি | ” | ” |
| ৫৮। | ,, হৰিমল ঠাকুৰীয়া | ” | ” |
| ৫৯। | শ্ৰীভূপেন দাস | ” | ” |
| ৬০। | ,, লক্ষেশ্বৰ দাস | ” | ” |
| ৬১। | ,, ৰজনীকান্ত গাওঁবুঢ়া | ” | ” |
| ৬২ | ,, গোষ্টবিহাৰী চৰকাৰ | ” | ” |

| ক্ৰমিক নং | ব্যক্তিৰ নাম/পৰিচয় | বাব/পদ | ঠিকনা |
|---|---|---|---|
| ৬৩। | ,, জয়চন্দ্ৰ কলিতা | ” | পুখুৰীপাৰা |
| ৬৪। | ,, জ্ঞানেশ্বৰ কলিতা | ” | ” |
| ৬৫। | স্বৰ্গীয় দিনবন্ধু তালুকদাৰ | ” | পিজুপাৰা |
| ৬৬। | শ্ৰীপৰমানন্দ ঠাকুৰীয়া | ” | ” |
| ৬৭। | ,, উমেশ চন্দ্ৰ পাঠক | ” | ” |
| ৬৮। | ,, ক্ষীৰোদ মেধি | ” | ” |
| ৬৯। | ,, সুৰেণ পাঠক | ” | ” |
| ৭০। | ,, উত্তম ঠাকুৰীয়া | ” | ” |
| ৭১। | ,, ভদ্ৰেশ্বৰ কলিতা | ” | ” |
| ৭২। | ,, সৰ্বেশ্বৰ দাস | ” | ” |
| ৭৩। | ,, নিবাস চাহা | ” | ” |
| ৭৪। | মহঃ মাহমুদ আলী মুন্সী | ” | জামলাই |
| ৭৫। | আব্দুল লতিফ চৰকাৰ | ” | ” |
| ৭৬। | কুতুমুদ্দিন মাষ্টাৰ | ” | ” |
| ৭৭। | চাহেদ আলী দেৱানী | ” | ” |
| ৭৮। | মিয়াৰ আলী মুন্সি | ” | ” |
| ৭৯। | মুচু মুন্সী | ” | ” |
| ৮০। | মহঃ ইছমাইল হুছেইন | ” | ” |
| ৮১ | ভোলানাথ চৰকাৰ | ” | বিদ্যানগৰ |
| ৮২। | নঈমুদ্দিন মুন্সী | ” | ৰঙ্গেশ্বৰী |
| ৮৩। | আশ্ৰফ আলী | ” | ” |
| ৮৪। | আবুল হুছেইন | ” | ” |
| ৮৫। | শুকুৰ মামুদ মাষ্টাৰ | ” | ” |
| ৮৬। | আব্দুছ ছাত্তাৰ মুন্সী | ” | ” |
| ৮৭। | ওমৰ আলী মিঞা | ” | ” |
| ৮৮। | জুৰুপ আলী | ” | ” |
| ৮৯। | মজিবৰ ৰহমান | ” | টুপামাৰী |

| ক্ৰমিক নং | ব্যক্তিৰ নাম/পৰিচয় | বাব/পদ | ঠিকনা |
|---|---|---|---|
| ৯০। | মকৰম আলী দেৱানী | সদস্য | টুপামাৰী |
| ৯১। | আব্দুল গফুৰ মুন্সী | ,, | ,, |
| ৯২। | জবান আলী মুন্সী | ,, | ,, |
| ৯৩। | আব্দুল কুদ্দুছ | ,, | ,, |
| ৯৪। | আব্দুছ ছামাদ | ,, | ,, |
| ৯৫। | তৈয়ব আলী | ,, | ,, |
| ৯৬। | আইজল হক মৌলবী | ,, | ভখুৰদিয়া |
| ৯৭। | আব্দুল কাদেৰ মুন্সী | ,, | ,, |
| ৯৮। | নাজিমুদ্দিন মাষ্টাৰ | ,, | ,, |
| ৯৯। | কাজিতুল্লাহ দেৱানী | ,, | ,, |
| ১০০। | আব্দুল ৰহমান খান | ,, | ,, |
| ১০১। | মহৰ আলী ফকিৰ | ,, | ,, |
| ১০২। | ওমৰ আলী মোল্লা | ,, | হলঙ্গাপাৰ |
| ১০৩। | মৰহুম সাগৰ আলী আকন্দ | | মৈৰাদিয়া |
| ১০৪। | আব্দুল গফুৰ আকন্দ | ,, | ,, |
| ১০৫। | আবেদ আলী মৌলবী | ,, | মাজৰ চৰ |
| ১০৬। | চাবান আলী চৰকাৰ | ,, | পাথিমাৰী |
| ১০৭। | ওমৰ আলী | ,, | ,, |
| ১০৮। | ময়েজুদ্দিন মাষ্টাৰ | ,, | ,, |
| ১০৯। | ইস্মাজ আলী চৰকাৰ | ,, | আলোপতি |
| ১১০। | ইয়াকুব আলী মাষ্টাৰ | ,, | ,, |
| ১১১। | বছিৰ উদ্দিন চৰকাৰ | ,, | চৰখোলাবান্ধা |
| ১১২। | আবুল আহাম্মদ | ,, | খোলাবান্ধা |
| ১১৩। | কাছেম দেৱানী | ,, | ৰাঙ্গাপানী |
| ১১৪। | নাছেৰ উদ্দিন ভাঙ্গি | ,, | উত্তৰৰাঙ্গা পানী |
| ১১৫। | ছফৰ উদ্দিন দেৱানী | ,, | কাছুমাৰা |
| ১১৬। | কচিম উদ্দিন দেৱানী | সদস্য | বদলা |
| ১১৭। | কাচিম আলী মোল্লা | ,, | আন্দাভাঙ্গা |
| ১১৮। | তাৰ' চৰকাৰ | ,, | মাহতলী |
| ১১৯। | আবুল হুছেইন মাষ্টাৰ | ,, | কলাতলী |
| ১২০। | হাজী আব্দুল জব্বাৰ | ,, | বগুৰীগুৰি |
| ১২১। | হাজী বাবুৰ আলী | ,, | ,, |
| ১২২। | চফিউৰ ৰহমান | ,, | বাঘমাৰা |
| ১২৩। | আছৰুদ্দিন দেৱানী | ,, | ঠিয়াপাৰা |
| ১২৪। | চোৰহাব আলী মুন্সী | ,, | কিচমত-কাথমী |
| ১২৫। | হাক দেৱানী | ,, | মালিৰ বী-পথাৰ |
| ১২৬। | নিৰঞ্জন দাস | ,, | হেকেৰা |
| ১২৭। | স্বৰ্গীয় জানিৰাম ঠাকুৰীয়া | ,, | ,, |
| ১২৮। | জিতেন কলিতা | ,, | যোগীপাৰা |
| ১২৯। | ধৰ্মকান্ত চক্ৰবৰ্ত্তী | ,, | তেলীপাৰা |
| ১৩০। | নাচেৰ আলী | ,, | ,, |
| ১৩১। | পৰমানন্দ পণ্ডিত | ,, | বাগডোবা |
| ১৩২। | পৰমানন্দ কলিতা | ,, | খুটাবৰী |
| ১৩৩। | হৰকান্ত মেধি | ,, | মালিবাৰী |
| ১৩৪। | ঈন্দ্ৰমণি পাল | ,, | ,, |
| ১৩৫। | মিনাৰ উদ্দিন দেৱানী | ,, | বামুণবড়ী |
| ১৩৬। | ছহৰ উদ্দিন দেৱানী | ,, | ,, |
| ১৩৭। | শান্তিনাথ মেধি | ,, | শিনগীতোলা |
| ১৩৮। | প্ৰাণবন্ধু মেধি | ,, | ,, |
| ১৩৯। | কৰ্মেশ্বৰ মহাজন | ,, | কাহিবাৰী |
| ১৪০। | থানেশ্বৰ পণ্ডিত | ,, | আমবাৰী |
| ১৪১। | কৰ্মেশ্বৰ নাথ পণ্ডিত | ,, | টিপলাই |

| ক্ৰমিক নং | ব্যক্তিৰ নাম/পৰিচয় | বাব/পদ | ঠিকনা |
|---|---|---|---|
| ১৪২ | গোবিন্দ চন্দ্ৰ নাথ | সদস্য | ,, |
| ১৪৩ | উদ্ধৱ শৰ্ম্মা | ,, | ,, |
| ১৪৪ | পুলিন চৰকাৰ | ,, | ত্ৰিলোচন |
| ১৪৫ | মহেশ্বৰ কলিতা | ,, | ,, |
| ১৪৬ | অমৰ কলিতা | ,, | গকচতকা |
| ১৪৭ | চিৰাজুল হক | ,, | ,, |
| ১৪৮ | দলবীৰ সিং | ,, | শালপাৰা |
| ১৪৯ | গোপেন বসুমতাৰী | ,, | তালুকজুলী |
| ১৫০ | লক্ষীকান্ত মহন্ত | ,, | ৰংজুলি |
| ১৫১ | দ্বীজেন বৰুৱা | ,, | ৰংজুলি |
| ১৫২ | পবিত্ৰ ৰয় | ,, | ধনুভাঙা |
| ১৫৩ | ভবেন ৰাভা | ,, | ,, |
| ১৫৪ | ইছমাইল হুছেইন | ,, | ধূপধৰা |
| ১৫৫ | বলোৰাম চৰকাৰ | ,, | ,, |
| ১৫৬ | গোবিন্দ কলিতা | ,, | শাখাতি |
| ১৫৭ | যোগেন বড়ো | ,, | ,, |
| ১৫৮ | কান্তেশ্বৰ দাস | ,, | ধনতোলা |
| ১৫৯ | তীৰ্থলোচন মজুমদাৰ | ,, | ,, |
| ১৬০ | জনাৰ্দন শৰ্ম্মা | ,, | বকো |
| ১৬১ | অচ্যুতানন্দ অধিকাৰী | ,, | ,, |
| ১৬২ | কাতিৰাম ৰাভা | ,, | ,, |
| ১৬৩ | বিপিন তালুকদাৰ | ,, | ,, |
| ১৬৪ | পূৰ্ণ চৌধুৰী | ,, | ,, |
| ১৬৫ | বলোৰাম বড়ো | ,, | ,, |
| ১৬৬ | নবীন কলিতা | ,, | ,, |
| ১৬৭ | ললিত বৰা | ,, | ছমৰীয়া |
| ১৬৮ | ৰঘুনাথ ভট্টাচাৰ্য | ,, | ,, |
| ১৬৯ | হৰেণ বায়ন | ,, | ,, |

| ক্ৰমিক নং | ব্যক্তিৰ নাম/পৰিচয় | বাব/পদ | ঠিকনা |
|---|---|---|---|
| ১৭০ | সূৰ্য্য কলিতা | সদস্য | কুকুৰমাৰা |
| ১৭১ | ৰত্নেশ্বৰ দাস | ,, | দলগোমা |
| ১৭২ | গোলক ঠাকুৰীয়া | ,, | গোৱালপাৰা |
| ১৭৩ | পঞ্চানন মেধি (মূলতঃ নগৰবেৰাবাসী) | ,, | চাপটগ্ৰাম |
| ১৭৪ | নগেন ঠাকুৰীয়া | ,, | গুৱাহাটী |
| ১৭৫ | ড° কুলেন্দু পাঠক | ,, | ,, |
| ১৭৬ | অশ্বিনী পাঠক | ,, | ,, |
| ১৭৭ | আকবৰ আলী | ,, | ,, |
| ১৭৮ | মনমোহন দাস | ,, | ,, |
| ১৭৯ | মাধৱ দাস | ,, | ,, |
| ১৮০ | মহিম চন্দ্ৰ বৰা | ,, | ,, |
| ১৮১ | প্ৰিয়দাৰঞ্জন দাস (মূলতঃ পিজুপাৰা নিবাসী) | ,, | লক্ষীমপুৰ |
| ১৮২ | ধীৰেণ দাস | ,, | চিলং |
| ১৮৩ | ছোলেমান আলী এডভোকেট (মূলতঃআন্দাভাঙ্গা নিবাসী) | ,, | নগাওঁ |
| ১৮৪ | ৰবিউল হুছেইন (আঞ্চলিক পঞ্চায়ত কাৰ্যালয়) | ,, | নগৰবেৰা |
| ১৮৫ | পুণীৰাম বৰো (খণ্ড উন্নয়ন বিষয়া) | ,, | ছমৰীয়া |
| ১৮৬ | বিজয় চক্ৰৱৰ্ত্তী (") | ,, | ,, |
| ১৮৭ | ডা: ঘন বৰা ( ৰাজ্যিক চিকিৎসালয় ) | ,, | নগৰবেৰা |
| ১৮৮ | সভাপতি, চমৰীয়া আঞ্চলিক পঞ্চায়ত | ,, | নগৰবেৰা |

| ক্ৰমিক নং | ব্যক্তি/অনুষ্ঠান/প্ৰতিষ্ঠান | বাব/পদ | ঠিকনা |
|---|---|---|---|
| ১৮৯। | গড়কাপ্তানী সংমণ্ডল বিষয়া | সদস্য | বকো |
| ১৯০। | সংমণ্ডল বিষয়া, ৰাষ্ট্ৰীয় ঘাইপথ | ,, | ,, |
| ১৯১। | সংমণ্ডল বিষয়া, বান্ধ আৰু খাল খনন বিভাগ | ,, | ,, |
| ১৯২। | আৰক্ষী নিবাসৰ ভাৰপ্ৰাপ্ত | ,, | ,, |
| | বিষয়া | ,, | ,, |
| ১৯৩। | খণ্ড উন্নয়ন বিষয়া | ,, | ,, |
| ১৯৪ | উপ-প্ৰতি সমাহৰ্তা বিষয়া | ,, | ছয়গাওঁ চক্ৰ |
| ১৯৫। | গড়কাপ্তানী কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া | ,, | নগৰবেৰা |
| ১৯৬। | আভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া | ,, | ,, |
| ১৯৭। | ভাৰপ্ৰাপ্ত বিষয়া, আৰক্ষীচকী ( বৰ্তমানৰ আৰক্ষী নিবাস ) | ,, | নগৰবেৰা |
| ১৯৮। | প্ৰধান শিক্ষক, হেকেৰা উচ্চ (বৰ্তমানৰ উচ্চতৰ) মাধ্যমিক বিদ্যালয় | ,, | হেকেৰা |
| ১৯৯। | প্ৰধান শিক্ষক, সোণতলী উচ্চ (বৰ্তমানৰ উচ্চতৰ) মাধ্যমিক বিদ্যালয় | সদস্য | মাহতলী |
| ২০০। | প্ৰধান শিক্ষক, ধুপধৰা উচ্চ (বৰ্তমানৰ উচ্চতৰ) মাধ্যমিক বিদ্যালয় | ,, | ধুপধৰা |
| ২০১। | প্ৰধান শিক্ষক, ছমৰীয়া উচ্চ মাধ্যমিক বিদ্যালয় | ,, | ছমৰীয়া |
| ২০২। | প্ৰধান শিক্ষক, টিপলাই উচ্চ মাধ্যমিক বিদ্যালয় | ,, | টিপলাই |
| ২০৩। | প্ৰধান শিক্ষক, শিমলীতোলা উচ্চ মাধ্যমিক বিদ্যালয় | ,, | শিমলীতোলা |
| ২০৪। | প্ৰধান শিক্ষক, টুপামাৰী উচ্চ মাধ্যমিক বিদ্যালয় | ,, | টুপামাৰী |
| ২০৫। | প্ৰধান শিক্ষক, বাগডোবা উচ্চ মাধ্যমিক বিদ্যালয় | ,, | বাগডোবা |
| ২০৬। | প্ৰধান শিক্ষক, শিংৰা উচ্চ মাধ্যমিক বিদ্যালয় | ,, | শিংৰা |

## বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ বৰ্তমান পৰিচালনা সমিতি : তালিকা ঃ [ঘ]

১। শ্ৰীউপেন্দ্ৰ চন্দ্ৰ দাস — সভাপতি [বকো সমষ্টিৰ বিধায়ক]
২। শ্ৰীদেৱপ্ৰসাদ শইকীয়া — অধ্যক্ষ, সম্পাদক
৩। আইজুল হক মৌলবী সদস্য
৪ আফাজুদ্দিন আহমেদ ,,
৫। শ্ৰীউদয় শঙ্কৰ ঠাকুৰীয়া ,,
৬। শ্ৰীউমেশ চন্দ্ৰ পাঠক ,,
৭। শ্ৰীমতী ৰেণুকা চৌধুৰী সদস্য
৮। শ্ৰীগোবিন্দ চন্দ্ৰ নাথ — সদস্য
৯। শ্ৰীখগেন্দ্ৰ নাৰায়ণ পাঠক ,,
১০। শ্ৰীকেশৱ ঠাকুৰীয়া — ,,
১১ সাগৰ আলী মণ্ডল — ,,
১২। অধ্যাপক আব্দুল হাকিম ,,
১৩। অধ্যাপক নীলকমল বৰদলৈ ,,

## মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সময়ৰ পৰা বৰ্ত্তমানলৈকে বিভিন্ন কাৰ্যনিৰ্বাহকৰ সম্পাদক/সভাপতিসকল :

তালিকা : [ঙ]

[১]

ঘাটি মঞ্জুৰীপ্ৰাপ্ত অৱস্থাৰ আগৰ 'মহাবিদ্যালয় উদ্যোক্তা কমিটি' :

সম্পাদক — শ্ৰীউদয় শঙ্কৰ ঠাকুৰীয়া।

সভাপতিসকল ক্ৰমেঃ —

১। স্বৰ্গীয় প্ৰবীন কুমাৰ চৌধুৰী
( বকো সমষ্টিৰ তদানীন্তন বিধায়ক )

২। শ্ৰীকৃষ্ণ কান্ত শৰ্মা বি. এ.
( ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত তথা নগৰবেৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ-প্ৰাপ্ত প্ৰধান শিক্ষক )

৩। নঈমুদ্দিন মুন্সী চাহাব।

[২]

ঘাটি মঞ্জুৰী প্ৰাপ্ত অৱস্থাৰ 'মহাবিদ্যালয়ৰ পৰিচালনা সমিতি' :

সম্পাদক — অধ্যক্ষ শ্ৰীদেৱপ্ৰসাদ শইকীয়া

সভাপতিসকল ক্ৰমেঃ—

১। অধ্যাপক উমেশ চন্দ্ৰ দাস
(বকো সমষ্টিৰ বিধায়ক থকাকালীন।)

২। শ্ৰীপঞ্চানন মেধি বি.এ.বি.টি.
(ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত তথা চাপটগ্ৰাম উচ্চ মধ্যামিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক )

৩ শ্ৰীউপেন্দ্ৰ চন্দ্ৰ দাস।
( বকো সমষ্টিৰ বিধায়ক )

## মহাবিদ্যালয় পৰিচালনা সমিতিৰ বিভিন্ন কাৰ্যনিৰ্বাহৰত ইতিমধ্যে প্ৰতিনিধিত্ব কৰি অহা অধ্যাপক-সদস্যবৃন্দ :

তালিকা [ চ ]

১। অধ্যাপক আব্দুছ ছামাদ আলী।
২। অধ্যাপক উৎসৱানন্দ দাস।
৩। অধ্যাপক নিবোদ বৰণ দাস।
৪। অধ্যাপক ৰঞ্জিত কুমাৰ বৰা।
৫। অধ্যাপক উমেশ চন্দ্ৰ দাস।
৬। অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস।
৭। অধ্যাপক এম. হবিব উল্লাহ।
৮। অধ্যাপক দয়ানন্দ কুমাৰ দাস।
৯। অধ্যাপক ভাৰত কলিতা।

**মহাবিদ্যালয়ৰ অবৈতনিক অধ্যক্ষ :** শ্ৰীযুত কৃষ্ণকান্ত শৰ্মা, বি. এ.

কাৰ্যকাল : ইং ২-৮-৭২ তাৰিখৰ পৰা ইং ৪-৯-৭২ তাৰিখলৈকে

**মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু অধ্যাপক মণ্ডলী :**

অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া, এম. এ ( ইংৰাজী আৰু বুৰঞ্জী )
অধ্যাপক বীৰেন্দ্ৰ কুমাৰ ৰাভা, এম. এ ( অসমীয়া বিভাগ )
অধ্যাপক নিবোদ বৰণ দাস, এম. এ ( অৰ্থনীতি বিজ্ঞান বিভাগ )
অধ্যাপক গৌৰীধৰ কলিতা, এম. এ ( ৰাজনীতি বিজ্ঞান বিভাগ )
অধ্যাপক আব্দুছ ছামাদ আলী, এম. এ. বি. টি ( বুৰঞ্জী বিভাগ )
অধ্যাপক উমেশ চন্দ্ৰ দাস, এম. এচ, চি ( ভূগোল বিভাগ )
অধ্যাপক সন্ধিয়া ৰয়, ম. এ ( শিক্ষা বিভাগ )

## বৰ্ত্তমানৰ দৃষ্টিত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকা মণ্ডলী :

অধ্যক্ষ শ্ৰীদেৱপ্ৰসাদ শইকীয়া, এম এ (ডবল)

**অৰ্থনীতি বিজ্ঞান বিভাগ :**

অধ্যাপক নিৰোদ বৰণ দাস, এম. এ (বিভাগীয় প্ৰধান)

অধ্যাপক উৎসৱানন্দ দাস, এম. এ

অধ্যাপক ভবেন লহকৰ এম. এ

**ৰাজনীতি বিজ্ঞান বিভাগ :**

অধ্যাপক দয়ানন্দ কুমাৰ দাস, এম. এ (বিভাগীয় প্ৰধান)

অধ্যাপিকা নূৰণ নাহাৰ বেগম, এম. এ

অধ্যাপক আব্দুল হাকিম, এম. এ

**শিক্ষা বিভাগ :**

অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস, এম. এ (বিভাগীয় প্ৰধান)

অধ্যাপক বীৰেণ নেওগ, এম. এ

**অসমীয়া বিভাগ :**

অধ্যাপক ৰঞ্জিত কুমাৰ ৰৰা, এম এ (বিভাগীয় প্ৰধান)

অধ্যাপক ফণীধৰ তালুলদাৰ, এম. এ

অধ্যাপিকা দীপ্তিৰেখা পাঠক, এম. এ

অধ্যাপক নগেন্দ্ৰ নাৰায়ণ দেৱান, এম. এ

**ভূগোল বিভাগ :**

অধ্যাপক উমেশ চন্দ্ৰ দাস, এম. এচ চি (বিভাগীয় প্ৰধান)

অধ্যাপক ভাৰত কলিতা, এম. এচ. চি

অধ্যাপক নীলকমল বৰদলৈ, এম. এচ. চি

অধ্যাপক গীতেশ কলিতা, এম. এচ চি

**আৰবী বিভাগ :**

অধ্যাপক এম, হবিব উল্লাহ, এম. এ (বিভাগীয় প্ৰধান)

অধ্যাপক এম. ছফুৰ আলী, এম. এ

**ইংৰাজী বিভাগ :**

অধ্যাপিকা কল্যাণী দাস, এম. এ (বিভাগীয় প্ৰধান)

অধ্যাপক উমেশ চন্দ্ৰ কৰ, এম. এ

অধ্যাপক শিশিৰ কুমাৰ দাস, এম. এ

**বুৰঞ্জী বিভাগ :**

অধ্যাপক আব্দুছ ছামাদ আলী, এম. এ. বি. টি (বিভাগীয় প্ৰধান)

অধ্যাপক দেবেশ চন্দ্ৰ দাস, এম. এ. বি. টি

**অংক বিভাগ :**

অধ্যাপক নৰবাহাদুৰ চেত্ৰী এম. এচ. চি (বিভাগীয় প্ৰধান)

অধ্যাপক মেঘনাদ সিংহ, এম. এচ. চি

**পৰিসংখ্যা বিজ্ঞান বিভাগ :** অধ্যাপক ৰমানন্দ ৰাজবংশী, এম. এচ. চি.।

## বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ কাৰ্য্যালয় সহায়ক-মণ্ডলী আৰু কৰ্মচাৰীবৃন্দ :

১। শ্ৰীসুবোধ কলিতা বি.এ. (মুখ্য কাৰ্যালয় সহায়ক

২। শ্ৰীনৃপেন কলিতা বি.এ. (সহকাৰীকাৰ্যালয় সহায়ক

৩ শ্ৰীবসন্ত ঠাকুৰীয়া (কণিষ্ঠ কাৰ্যালয়-সহায়ক)

৪। শ্ৰীধীৰেণ তালুকদাৰ বি. এ. (পুথিভঁৰালী)

৫। শ্ৰীযোগেশ্বৰ গোস্বামী (সহকাৰী পুথিভঁৰালী)

৬। শ্ৰীজগন্নাথ ঠাকুৰীয়া (পুথিভঁৰাল—সহায়ক)

৭। শ্ৰীঅমৰেন্দ্ৰ দাস (কৰ্মচাৰী)

৮। শ্ৰীকালীচৰণ পাঠক "

৯। শ্ৰীদীপক কলিতা "

১০। মহঃ খলিলুৰ ৰহমান "

১১। শ্ৰীসুধনা পাঠক "

### মহাবিদ্যালয়ৰ বিভিন্ন শিক্ষান্ত পৰীক্ষাত কৃতিত্বসহকাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ নামৰ তালিকা

#### প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী :

| ক্ৰমিক নং | পৰীক্ষাৰ্থীৰ নাম | উত্তীৰ্ণ হোৱা বছৰ | উত্তীৰ্ণ হোৱা বিভাগ |
|---|---|---|---|
| ১। | মোঃ তমছেৰ আলী | ১৯৭৬ | ১ম বিভাগ |
| ২। | শ্ৰীমতী নমিতা ভট্টাচাৰ্য | ১৯৭৮ | ,, |
| ৩। | শ্ৰীচন্দ্ৰমোহন কলিতা | ,, | ,, |
| ৪। | শ্ৰীমতী হিমানী মেধি | ,, | ,, |
| ৫। | শ্ৰীভবেন চন্দ্ৰ দাস | ১৯৮০ | ,, |
| ৬। | আব্দুল জলিল মিঞা | ,, | 'আৰবী বিষয়ত' গড়ে ৮৪ % নম্বৰ লাভ। |

#### স্নাতক মহলা :

| ক্ৰমিক নং | পৰীক্ষাৰ্থীৰ নাম | সাধাৰণ / সন্মানৰ বিষয় | বছৰ | শ্ৰেণী/স্থান | মন্তব্য |
|---|---|---|---|---|---|
| ১। | চাইফুদ্দিন আহমেদ | ডিষ্টিংশ্বন | ১৯৭৮ | | |
| ২। | শ্ৰীনিৰ্মল কলিতা | ৰাজনীতি বিজ্ঞান | ১৯৮১ | ২য়/২য় | |
| ৩। | ৺ৰূবী চৌধুৰী | ,, | ,, | ২য়/৮ম | |
| ৪। | মহঃ হজৰত আলী | ,, | ,, | ২য় | |
| ৫। | মহঃ আফাজ উদ্দিন খান | ,, | ,, | ২য় | |
| ৬। | মহঃ আব্দুৰ ৰাশিদ | ,, | ,, | ২য় | |
| ৭। | মহঃ চাহ আলম | অৰ্থনীতি বিজ্ঞান | ,, | ২য় | |
| ৮। | মহঃ ৰাজ মাহমুদ হুছেইন | ,, | ,, | ২য় | |
| ৯। | শ্ৰীভবেন চন্দ্ৰ দাস | ৰাজনীতি বিজ্ঞান | ১৯৮৩ | ১য়/২য় | ১ম শ্ৰেণী কোনেও পোৱা নাছিল। |
| ১০। | মাজিদা খাতুন | ,, | ,, | ২য় | |
| ১১। | শ্ৰীগোপীনাথ দাস | ,, | ,, | ২য় | |
| ১২। | মঃ আবু বক্কৰ চিদ্দিক | ,, | ,, | ২য় | |
| ১৩। | চাহজাহান আলী আহমেদ | ,, | ,, | ২য় | |
| ১৪। | শ্ৰীদীপেন কৈৱৰ্ত্ত | ,, | ,, | ২য় | |
| ১৫। | মহঃ হবিবুৰ ৰহমান | ,, | ,, | ২য় | |
| ১৬। | মহঃ চোলেমান আলী | অসমীয়া | ,, | ২য়/৯ম | |
| ১৭। | মহঃ আব্দুল মজিদ মোমিন | ,, | ,, | ২য় | |
| ১৮। | শ্ৰীনিৰ্মল কলিতা | অৰ্থনীতি বিজ্ঞান | ,, | ২য় | |

| ক্রমিক নং | পৰীক্ষাৰ্থীৰ নাম | সন্মানৰ বিষয় | বছৰ | শ্ৰেণী স্থান | মন্তব্য |
|---|---|---|---|---|---|
| ১৯। | শ্ৰীউপেন্দ্ৰ চন্দ্ৰ ৰাভা | অসমীয়া | ১৯৮৪ | ২য়/৭ম | |
| ২০। | শ্ৰীদিলীপ কুমাৰ শৰ্মা | " | " | ২য় | |
| ২১। | শ্ৰীনগেন্দ্ৰ নাথ মেধি | " | " | ২য় | |
| ২২। | শ্ৰীমতী মীৰাভা মেধি | " | " | ২য় | |
| ২৩। | কুমাৰী প্ৰতিভা বায়ন | " | " | ২য় | |
| ২৪। | শ্বাহ নেওৱাজ ৰাহমাতুল্লাহ | " | " | ২য় | |
| ২৫। | এম, নুৰ আলম | ৰাজনীতি বিজ্ঞান | " | ২য়/দ্বাদশ | |
| ২৬। | কুমাৰী জানকী দাস | " | " | ২য় | |
| ২৭। | শ্ৰীব্ৰজেন ঠাকুৰীয়া | " | " | ২য় | |
| ২৮। | শ্ৰীজয়চন্দ্ৰ কলিতা | " | " | ২য় | |
| ২৯। | মহ : হবিবুৰ ৰহমান | " | " | ২য় | |

## ॥ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ শিক্ষণীয় বিষয় সমূহ ॥

প্ৰাক্-বিশ্ববিদ্যালয়/উচ্চতৰ মাধ্যমিক শ্ৰেণী : ইংৰাজী, অসমীয়া, অৰ্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান, শিক্ষা বিজ্ঞান, ভূগোল বিজ্ঞান, আৰবী, অংক, বুৰঞ্জী আৰু পৰিসংখ্যা বিজ্ঞান।

স্নাতক শ্ৰেণী : সাধাৰণ (Pass/General) : ইংৰাজী, অসমীয়া, অৰ্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান, শিক্ষা বিজ্ঞান, ভূগোল বিজ্ঞান, আৰবী, অংক আৰু বুৰঞ্জী।

স্নাতক শ্ৰেণী : সন্মান (Honours/Major) : অসমীয়া, অৰ্থনীতি বিজ্ঞান ৰাজনীতি বিজ্ঞান, শিক্ষা বিজ্ঞান, ভূগোল বিজ্ঞান আৰু আৰবী।

---

"মানুহৰ ওচৰ নচপাকৈ আমি সদায় একোটাইত বিৰূপ ধাৰণা বহু সময়ত কৰি বহি থাকোঁ। তাৰ পাছত ক্ৰমাগত যেতিয়া ওচৰ চপা যায়, মনৰ ভাৱৰ আদান-প্ৰদান কৰা যায়, তেতিয়াহে অন্য এক ৰূপ, অন্য এখন ছবি ধীৰে ধীৰে আমাৰ মনৰ জগতত প্ৰতিভাত হৈ উঠে।"

—"দেৱী" উপন্যাস ॥ নিৰোদ চৌধুৰী ॥

---

# সাক্ষাৎকাৰ..........................

[অসমীয়া গীতৰ বাকু সুৰকাৰৰ অভাৱ নেকি ? পেনেডীত শিল্পীসকলে বিয় বেছি গুৰুত্ব দিয়া যেন দেখা গৈছে ?? 'ডিস্কো' গীত অসমীয়া গীতৰ বাবে ভাল লক্ষণ নে ?!? প্ৰত্যেকজন অসমীয়া সঙ্গীত প্ৰেমীৰ অন্তৰত থকা এনেকুৱা কিছুমান প্ৰশ্নৰ উত্তৰ বিচাৰি আমি ১৫।৫।৮৪ ইং তাৰিখে এটা উৎসৱ মুখৰ পৰিৱেশ (ৰঙালী বিদায়)ত লগ পাইছিলোঁ বাইদেউ ৰাণী হাজৰিকাক। ব্যস্ততাৰ মাজতো আমাৰ প্ৰশ্ন সমূহৰ উত্তৰ দি তেখেতে কিছু ত্যাগ কৰাৰ বাবে তেখেতলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।]

? গায়ক হিচাপে সফলতা লাভ কৰিবলৈ নাইবা প্ৰতিষ্ঠিত হবলৈ কি কি গুণৰ আৱশ্যক বুলি আপুনি ভাবে ?

• গায়ক হিচাপে সফলতা লাভ কৰিবলৈ নাইবা প্ৰতিষ্ঠিত হবলৈ প্ৰথমতে সাধনা কৰিবই লাগিব। প্ৰথমতে তেওঁ 'কণ্ঠৰ' সাধনা কৰিব লাগিব। তাৰ পিছত গীতৰ কথাৰ ওপৰত লক্ষ্য ৰাখিব যাতে গীতৰ কথা আৰু সুৰৰ মাজত সামঞ্জস্য থাকে। এই বিলাকৰ ওপৰত চকু দি যদি গীত গায় তেনে। হ'লে তেওঁ সফলতা লাভ কৰিব বা প্ৰতিষ্ঠিত হ'ব পাৰিব বুলি মই ভাবোঁ।

? আপোনাৰ শিল্পী জীৱনত কোনোৱা বিশেষ ব্যক্তিৰ প্ৰভাৱ পৰিছে নেকি ?

• সেই বিষয়ে কবলৈ হ'লে মই প্ৰথমতে মোৰ গুৰুৰ কথাকে কব লাগিব। মই প্ৰথমতে তেজপুৰৰ মীৰা দাসৰ ওচৰত শিকিছিলোঁ। পিছত গহন গোস্বামীৰ পুত্ৰ শ্ৰীযুত পুণ্যব্ৰত গোস্বামীৰ ওচৰত শিকিছিলো। এবাৰ মোৰ গীত শুনি তেওঁ ভাল পাই মই শিকিলে শিকাম বুলি ক'লে। তেওঁ মোক বৰগীতৰ লগতে আন আন গীত গোৱাৰ পদ্ধতি কিছুমান শিকাইছিল। তেখেতে ৰেডিঅ'ত বৰগীত পৰিবেশন কৰে আৰু তেজপুৰত থকা 'কলাগুৰু' সঙ্গীত মহাবিদ্যালয়ৰ অধ্যক্ষ।

? অনাতাঁৰ যোগে গোৱা আপোনাৰ প্ৰথম গীতটো কি বাৰু ?

• প্ৰথম দুটি-গীত একেলগে ৰেকৰ্ড কৰিছিলো। প্ৰথম গীত দুটি 'সুৰৰ শৰাই'ত গাইছিলোঁ। অৱশ্যে খগেন মহন্তৰ লগত একেলগে গাইছিলো। এটি হ'ল পুৰুষোত্তম দাসৰ "মোহ ভঙ্গ মনৰ পদুলিত উঠিছে কিহৰ গৰ্জন" আৰু আনটি হ'ল ইন্দ্ৰপ্ৰসাদ শইকীয়াৰ "তুমি কোৱা কথাখিনি বতাহেও কয়।"

? আপুনি কেনে ধৰণৰ গীত গাই বেছি ভাল পায় ?

• ৰাগ ভিত্তিক গীত মই বেছি ভাল পাওঁ। কৰুণ সুৰৰ গীতবোৰ বেছি ভাল হয় নেকি! মই ভাবোঁ আৰু এনেয়ে সকলো ধৰণৰ গীতেই গাওঁ।

? এটা ভাল গীত বুলিলে আচলতে আমি কি বুজা উচিত ?

• প্ৰথমেই গীতৰ সুৰটো কাণত পৰে আৰু তাৰ পিছতহে কথা গীতৰ কথাৰ গাম্ভীৰ্য্যৰ লগত

সুৰৰ গহীনতা মিলি যাব লাগিব। যেনে ধৰ', প্ৰকৃতিৰ ওপৰতে ৰচনা কৰা হৈছে তেতিয়া গীত শুনি আমাৰ মানস পটত সুৰে এটা প্ৰাকৃতিক পৰিবেশৰ সৃষ্টি কৰিব পাৰিব লাগিব। বিপ্লৱী ধৰণৰ গীত হ'লে সুৰ বেলেগ হব। আকৌ ব্যৰ্থতাৰ গীত বোৰৰ সুৰ আবেগিক হ'ব লাগিব। অৱশে' গীতৰ কথা আৰু সুৰৰ লগতে বাদ্যও মিলি যাব লাগিব। আৰু কথাখিনি তৰল হ'লে সুৰটোও তৰল হ'ব লাগিব।

? আপুনি বাৰু গীতৰ সুৰ আগতে দিয়ে নেকি?

• নহয়। আগতে গীতটো পঢ়ি লওঁ। তাৰ পিছতহে সুৰ।

? বহুতেই গীতৰ সুৰৰ ওপৰত প্ৰাধান্য দিয়ে। আপুনি............?

• মই কিন্তু কথা আৰু সুৰ দুয়োটাৰ ওপৰত সমানে প্ৰাধান্য দিওঁ।

? বৰ্ত্তমান আমাৰ উঠি অহা গায়ক-গায়িকা সকলে আধুনিক গীত আৰু পেৰেডীত বিশেষ গুৰুত্ব দিয়া যেন অনুমান হয়। ইয়াৰ কাৰণ আপুনি কি বুলি ভাৱে?

• আ......ধু......নি......ক......গী......ত আৰু পেৰেডী! আধুনিক গীত শুনি শ্ৰোতাই ভাল পায় আৰু পেৰেডী কৰিলে, মানে কথাখিনি অলপ ব্যঙ্গাত্মক হয়তে',তেতিয়া শ্ৰোতাই শুনি আমোদ পায় আৰু সেয়ে শ্ৰোতাক সহজে আকৰ্ষণ কৰিব পাৰিব বুলি ভাবি পেৰডী গায় বুলি মই ভাবো।

? আমোদ দিয়াই গীতৰ.........?

• আচলতে ভাল মানে উচ্চস্তৰৰ আমোদ এটা দিব পাৰিব লাগিব। কিন্তু কিছুমানে হেৰি মানে 'লাইট্‌লি' লয় আৰু......।

? ডিস্কো গীতৰ সৰু-সুৰা ঢৌ এটি অসমীয়া সঙ্গীত সাগৰতো দেখা গৈছে। ই অসমীয়া সঙ্গীতৰ বাবে কেনে ধৰণৰ লক্ষণ বাৰু?

• ডিস্কো (এটা মৃদু হাঁহি)! এতিয়া মানে ......নতুনকৈ ওলাইছেতো আৰু মানুহেও শুনি ভাল পোৱা হৈছে। সেয়ে শিল্পীবিলাকে তেনে-ধৰণে সুৰ কৰি গাইছে আৰু! কিন্তু ই বেছি দিন নাথাকে। কিছুদিন পিছতে যাবগৈ' বুলি মই ভাবোঁ। অন্যাৰ্থত খুব এটা ভাল লক্ষণ নহয় আৰু।

? আমি অসমীয়া গীতত সুৰকাৰৰ অভাৱ বুলি ভাবোঁ। আপুনি......?

• সুৰকাৰৰ অভাৱ অ'চলতে নহয়। আছেতো ভাল ভাল সুৰকাৰ। ৰমেন বৰুৱায়ে ভাল সুৰ সংযোজনা কৰে। খগেন মহন্তয়ে' ভাল সুৰ কৰিছে কেইটামান গীতৰ। আৰু ৰাজেশ্বৰ বৰুৱৈয়েও ভাল সুৰ কৰে।

? গীতৰ সুৰ আপুনি নিজে দিয়ে নেকি?

• মই নিজে সুৰ কম কৰিছো, বেছি কৰা নাই। দুটামান কৰিছোঁ আৰু......।

? জাতীয় চেতনা জাগৰণৰ বাবে সঙ্গীতৰ ওপৰত কিমান নিৰ্ভৰ কৰিব পাৰি?

• বহু পৰিমাণে পাৰি। কাৰণ মানুহে কথা শুনাতকৈ সঙ্গীত বেছি শুনে বা শুনি ভাল পায়। বক্তৃতা এটা দি মানুহক যিমান আকৰ্ষণ কৰিব পাৰি সঙ্গীতেৰে তাতোকৈ বহু বেছি সহজে আকৰ্ষণ কৰিব পাৰি। জাতীয় চেতনাৰ ওপৰত যদি এটি গীত লিখি ভাল সুৰ দি গোৱা হয় তেতিয়া শ্ৰোতাই সহজে লব। জাতীয় চেতনাৰ বাবে কিছুমান কথা যদি সুৰেৰে গোৱা হয় শ্ৰোতাই শুনিব আৰু এইবোৰ শ্ৰোতাৰ মনত সুমুৱাই দিব পৰা যায়। ভূপেন হাজৰিকাৰ কিছুমান গীতে মানুহক খুব আকৰ্ষণ কৰে। তেনে ধৰণৰ গীত গাই মানুহৰ জাতীয় চেতনা জগাব পাৰি।

? মানে জাতীয় চেতনা জাগৰণৰ গীত বিশেষকৈ কথাৰ ওপৰত……?

o নিশ্চয়। এই ধৰণৰ গীত বিশেষকৈ কথাৰ ওপৰত নিৰ্ভৰ কৰে।

? ভাৰতৰ অন্যান্য ভাষাৰ সুগম সঙ্গীত জগতৰ তুলনাত আমাৰ অসমীয়া সঙ্গীত কোনটো স্তৰত আছে ?

o আগতে অসমীয়া গীত সিমান এটা উন্নত নাছিল। এতিয়া কিন্তু যথেষ্ট উন্নত হৈছে আগতে তেনেকৈ সাধনা কৰা নাছিল আৰু শিকাওঁতা ছিল। কিন্তু আজি কালি বহুত সঙ্গীত স্কুলো হৈছে আমাৰ অসমত। বহুতেই শিকিছেও। স্বৰৰ জ্ঞান হৈছে শিল্পী বিলাকৰ। সেয়ে গোৱাৰ ঢংটো উন্নত হৈছে। হ'লেও মানে কলিকতা, বোম্বাইৰ সমান হোৱাটো দিগদাৰ। কিন্তু আগতকৈ বহুত উন্নত হৈছে।

? আপোনাৰ প্ৰিয় শিল্পী কোন বাৰু ?

o মোৰ প্ৰিয় শিল্পী হ'ল লতা মঙ্গেশকাৰ। কাৰণ বিভিন্ন শ্ৰেণীৰ শ্ৰোতাক তেওঁ আমোদ দিব পাৰে। তাৰে পৰা আজি ত্ৰিশ বছৰ ধৰি একেধৰণেই তেওঁ গান গাই আছে।

? আপোনাৰ প্ৰিয় ৰাজনৈতিক নেতা……?

o ৰাজনৈতিক নেতা……না ……ই। (হাঁহি)

? আপুনি নিজকৈ ৰেকৰ্ড কৰিছে নেকি ?

o মই তেনেকৈ ৰেকৰ্ড কৰা নাই। ৰেডিওত গাই আছোঁ। ৰেকৰ্ড হিচাবে মই কোৰাচ এটিত অংশ গ্ৰহণ কৰিছোঁ। মই Faculty Schoolত কাম কৰিছিলোঁ। তাৰ পৰা এখন ৰেকৰ্ড উলিয়াইছিল। তাত কাবৰী গীত দুটা, বাড়া গীত দুটা, বড়ো গীত তিনিটা, মিচিং গীত দুটা, ঝুমুৰ এটা, গোৱালপৰীয়া গীত এটা আৰু অসমীয়া কোৰাচ এটা আছে। এই অসমীয়া কোৰাচটোত মই অংশ গ্ৰহণ কৰিছো।

? আপুনি গীত নিজে লিখে নেকি ?

o নিজে নিলিখোঁ, সুৰহে দিছোঁ।

? কোন কেইটা গীতৰ বাৰু ?

o "ৰজনী গন্ধাৰ কোমল পাহিত নিয়ৰ কণিকা"… আৰু এটা হ'ল অমিত চৰকাৰৰ "গীততো নহয় গোৱা নেথাকিলে সুৰ………।"

? নেপথ্যত গাবৰ বাবে কোনো থিয়েটাৰ নাইবা বোলছবিত কিবা সুবিধা পাইছে নেকি ?

o এবাৰ 'বিষ্ণুজ্যোতি থিয়েটাৰে' মোক কৈছিল। কিন্তু তেতিয়া মোৰ ঘৰুৱা অসুবিধা কিছুমান হ'ল আৰু নেপথ্যত গালে যে লগত ঘূৰি ফুৰিব লাগে। অ' আৰু মই তেতিয়া পঢ়িও আছিলোঁ নহয়!

? গীত ৰেকৰ্ডিঙৰ ক্ষেত্ৰত আপোনালোক কি কি অসুবিধাৰ সন্মুখীন হ'ব লগা হয় ?

o ৰেকৰ্ডিঙৰ ক্ষেত্ৰত অসুবিধা বহুত। কাৰণ এখন ৰেকৰ্ড কৰিবলৈ বহুত খৰছ পৰে আৰু যথেষ্ট খৰছ হ'লেহে খৰছটো উঠে। গায়ক বা গায়িকা এগৰাকীয়ে ভাল পোৱাৰ ওপৰতেই সকলো কথা নিৰ্ভৰ নকৰে। তাত কিছুমান যান্ত্ৰিক অসুবিধাৰো কথা আছে। ইমানখিনি টকা খৰছ কৰি নিজেই সম্পূৰ্ণ দায়িত্ব লবলৈ অসমীয়া শিল্পী সকলৰ আৰ্থিক অৱস্থা বেচ টনকিয়াল নহয়।

? আপোনাৰ জীৱনৰ স্মৰণীয় দিনটোৰ কথা ক'ব নেকি ?

o স্মৰণীয় দিন হিচাবে এইটো কব পাৰোঁ। এবাৰ মই দিল্লীলৈ গৈছিলোঁ। ১৯৭২ চনত। মোৰ

দেউতাই P. & T. ত কাম কৰে। P. & T. ৰ পৰা সদৌ অসম ভিত্তিত প্ৰতিযোগিতা হয়। বৰ্থক আৰু শাস্ত্ৰীয় বিষয়ত যি কেইজন প্ৰথম হয় তেওঁলোকৰ সৰ্বভাৰতীয় প্ৰতিযোগিতালৈ মতা হয় সেইবাৰ মই প্ৰথম হৈছিলোঁ। দিল্লীৰ 'কামানী হলত' প্ৰতিযোগিতা হৈছিল হলটো খুব ধুনীয়া। আমাৰ অসমত তেনেকুৱা হ'ল নাই নেকি? তাত আথবা কৰা বনটো মঞ্চৰ তলত। তলত হুলস্থুল হলেও ওপৰলৈ নাহে।

? ... ... ... ... ....

• দুতৰপীয়া।

? আপোনাৰ লগত কথা হৈ ভাল লাগিল। শেষত আমাৰ মহাবিদ্যালয়ৰ বিদ্যাৰ্থী সকলৰ বাবে…

• নিশ্চয়, নিশ্চয়। তোমালোকক লগ পাই ভাল লাগিল। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ শুভেচ্ছা থাকিল। মহাবিদ্যালয়খনৰ উন্নতি কামনা কৰিছোঁ।

[সাক্ষাৎ গ্ৰহণ কৰিলে—দীপেন্দ্ৰ পাঠক আৰু পবিত্ৰ কুমাৰ পাঠকে]

---

"মনে মনে মই থাকিব পাৰোঁ, কিন্তু
মই ভাবি আছোঁ।
কথা মই নাপাতিব পাৰোঁ, কিন্তু
তুমি মোক এখন দেৱাল বুলি ভুল নকৰিবা।"

॥ জাপানী কবিতা ॥

" মানুহ মৰিব পাৰে, জাতিৰ উত্থান-পতন হব পাৰে,
কিন্তু ভাব চিৰন্তন ; ভাবৰ স্থায়িত্ব মৃত্যুহীন।"

॥ জন. এফ. কেনেডি ॥

# ছাত্র-একতা সভাৰ বিষয়ববীয়া সকলৰ বছৰেকীয়া প্ৰতিবেদন সমূহ ঃ

## বছৰ ঃ ১৯৮৩-৮৪ ইংৰাজী

আহ্বায়কদ্বয়ৰ প্ৰতিবেদন ॥
সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন ॥
সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন ॥
সংগীত বিভাগৰ সম্পাদকীয় প্ৰতিবেদন ॥
খেল-বিভাগৰ সম্পাদকীয় প্ৰতিবেদন ॥
গুৰু-খেল বিভাগীয় সম্পাদকীয় প্ৰতিবেদন ॥
লঘুখেল বিভাগীয় সম্পাদকীয় প্ৰতিবেদন ॥
সমাজ-সেৱা বিভাগীয় সম্পাদকীয় প্ৰতিবেদন ॥

॥ শ্যামাচৰণ ঠাকুৰীয়া, জলিম উদ্দিন আহমেদ ॥
॥ দীপেন্দ্ৰ পাঠক ॥
॥ ভৈৰব ৰয়, কবিৰ হুছেইন ॥
॥ পবিত্ৰ কুমাৰ পাঠক ॥
॥ প্ৰাণেশ্বৰ কলিতা, নুৰুল উদ্দিন আহমেদ ॥
॥ বাহাৰুল হক ॥
॥ বিপুল কুমাৰ মেধি ॥
॥ বিভূতি ঠাকুৰীয়া ॥

# মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন সমিতি আৰু নৱাগত আদৰণি সভাৰ আহ্বায়কদ্বয়ৰ প্ৰতিবেদন

প্ৰতিবেদনৰ জয় জয়তে বিমলা প্ৰসাদ মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, মাননীয় অধ্যাপক মণ্ডলীক আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীক আন্তৰিক মৰম নিবেদিছোঁ। নানান আপৈ-আহুকালৰ বাবে এই বছৰৰ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভা গঠন কৰিব নোৱাৰা হেতুকে ১৯৮৩-৮৪ চনৰ নৱাগত আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন সমিতিৰ আহ্বায়ক হিচাবে মনোনীত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী-সকলৰ প্ৰতি সেৱা আগবঢ়াবলৈ সুযোগ প্ৰদান কৰাত আমি সকলোকে কৃতজ্ঞ। সেই হেতুকে অধ্যক্ষ মহোদয়, অধ্যাপক মণ্ডলী, আৰু ছাত্ৰ-ছাত্ৰীলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অৱশ্যে আমি আহ্বায়কৰ গুৰু দায়িত্ব পাই এই দায়িত্বক কিমান ত্ৰুটিহীন ভাবে পালন কৰিব পাৰিছোঁ তাত আমাৰ সন্দেহ। সেয়েহে যদি আমাৰ দায়িত্ব পালনত কিবা ত্ৰুটি হৈ গৈছে তাৰ বাবে অধ্যক্ষ মহোদয়, অধ্যাপক মণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

### নৱাগত আদৰণি সভা :

আহ্বায়ক হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই নৱাগত আদৰণি সভাৰ গুৰুদায়িত্ব আমাৰ ওপৰত আহি পৰে। একদিনীয়া কাৰ্য্যসূচীৰে এই নৱাগত আদৰণি সভা উলহ-মালহেৰে অনুষ্ঠিত হৈ যায়। এই বছৰৰ নৱাগত আদৰণি সভাৰ মুকলি অধিৱেশনত সভাপতিত্ব কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি শ্ৰীযুত পঞ্চানন মেধিদেৱে। মুখ্য অতিথিৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰেণী-সমূহৰ সচিব শ্ৰীযুত শ্ৰদ্ধানন্দ হুৱৰা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ-কল্যাণ বিভাগৰ সঞ্চালক শ্ৰীযুত ভূপেন দাসদেৱে যোগদান কৰি তেওঁলোকৰ বহু-মূলীয়া ভাষণত সমূহ ছাত্ৰ-ছাত্ৰীক ঐক্য, সংহতি অটুট ৰাখি জীৱনৰ ভেটি গঢ়ি তুলিবলৈ উপদেশ দিয়ে।

### মহাবিদ্যালয় সপ্তাহ :

আমি আহ্বায়কৰ গুৰু দায়িত্ব গ্ৰহণ কৰাৰ পিছত ১৯৮৪ চনৰ ৯,১০,১১ আৰু ১২ জানুৱাৰীত চাৰিদিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ সমাৰোহ অনুষ্ঠিত হৈ যায়। সুখৰ বিষয় যে এইবেলি বছৰেকীয়া খেল-ধেমালিত প্ৰতিযোগীৰ সংখ্যা অধিক পৰিমানে হোৱা পৰিলক্ষিত হয়। লগতে আমাৰ মহাবিদ্যালয়ৰ প্ৰতিজন অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা সহায় সহযোগিতা পূৰ্ণ উদ্যমেৰে পোৱা যায়। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ শেষৰ দিনা মুকলি সভা বিশেষ কাৰণত অনুষ্ঠিত নোহোৱাৰ ফলত ১২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়। এই সভাত সভাপতিত্ব কৰে

মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীপঞ্চানন মেধিয়ে। সেই একে দিনাই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ মূল ঘৰৰ আধাৰ শিলা স্থাপন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক শ্ৰীযুত মহেশ ভূঞা ডাঙৰীয়াই। ভূঞাদেৱে ভাষণৰ মাধ্যমত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি আধাৰশিলা স্থাপন কৰে। মুকলি সভাৰ সভাপতিয়ে বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক যোগ্যতাৰ প্ৰমাণ পত্ৰসহ পুৰস্কাৰ প্ৰদান কৰে আৰু তেখেতৰ ভাষণৰ মাধ্যমত আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে ক্ৰীড়া জগতত যাতে উন্নতি সাধন কৰিব পাৰে তাৰ কাৰণে মঙ্গল কামনা কৰে।

## অভাৱ-অভিযোগ :

আমাৰ মহাবিদ্যালয়খন যদিও ঘাটি মঞ্জুৰী প্ৰাপ্ত হৈছে তথাপি এতিয়াও বহুত অভাৱ অভিযোগৰ দ্বাৰা জৰ্জৰিত। এই অভাৱ পূৰণৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক বিভিন্ন ধৰণে অৱগত কৰি আহি কিছু পৰিমাণে সফল হ'লেও এতিয়াও বহুতো অসুবিধা দূৰ কৰিব পৰা নাই। ভৱিষ্যতে পিছৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে দূৰ কৰিব বুলি আশা ৰাখিলোঁ। এই অভাৱ সমূহ প্ৰতিবেদনত উল্লেখ কৰি মহাবিদ্যালয় কৰ্তৃপক্ষক পূৰণ কৰিবৰ বাবে অনুৰোধ জনালোঁ।

(ক) আমাৰ মহাবিদ্যালয়ত দূৰ দূৰণিৰ পৰা অহা ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এতিয়ালৈকে কৰ্তৃপক্ষই ছাত্ৰীনিবাস স্থাপন কৰি দিব পৰা নাই। যাৰ ফলত বহুত ছাত্ৰী অতি দুখ কষ্টৰে অধ্যয়ন কৰি আছে। ছাত্ৰাবাস এটি আছে যদিও ছাত্ৰ সংখ্যা অনুপাতে আসনৰ সংখ্যা তেনেই তাকৰ।

(খ) আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে পুথিভঁৰালৰ কিতাপৰ সংখ্যা তেনেই কম। যাৰ ফলত বহু দুখীয়া ছাত্ৰ-ছাত্ৰীয়ে কিতাপৰ অভাৱত অধ্যয়নৰ পৰা বঞ্চিত হব লগা হৈছে।

(গ) আমাৰ মহাবিদ্যালয়ত বিজ্ঞান শাখা নথকা বাবে বহুত দুখীয়া পৰিয়ালৰ চোকা বুদ্ধিৰ ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান শিক্ষাৰ পৰা বঞ্চিত হৈ আছে।

(ঘ) আমাৰ মহাবিদ্যালয়ত দুটি আহল-বহল ছাত্ৰ আৰু ছাত্ৰীৰ জিৰণি কোঠাৰ অতি প্ৰয়োজন। কিয়নো যি দুটি জিৰণি কোঠা আছে সেই দুয়োটা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাতকৈ বহু সৰু।

## শোক তৰ্পণ :

চকুলোৰে সুঁৱৰিছোঁ যে আমাৰ মহাবিদ্যালয়ৰ পৰা অধ্যয়ন কৰি স্নাতক মহলাৰ দেওনা (অনাৰ্চ-সহকাৰে) পাৰ হৈ যোৱা ছাত্ৰী ৺স্কৰী চৌধুৰী আৰু স্নাতক মহলাৰ ২য় বাৰ্ষিকৰ ছাত্ৰবন্ধু ৺কামাখ্যা কলিতাৰ অকাল বিয়োগত আমি গভীৰ শোক প্ৰকাশ কৰি মৃতকৰ আত্মাৰ সদগতি কামনা কৰোঁ।

## কৃতজ্ঞতা :

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা নথকা হেতুকে আমাক আহ্বায়কৰ গধুৰ দায়িত্ব দি আমাক সুচাৰুৰূপে সকলো কাম চলাই নিয়াত সৰ্বতোপ্ৰকাৰে সহায় কৰা সকললৈ আমাৰ কৃতজ্ঞতা আগবঢ়াইছোঁ। পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয় তথা নৱাগত আদৰণি ও মহাবিদ্যালয় উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়া, উপ-সভাপতিদ্বয় শ্ৰীযুত নিবোধ বৰন দাস, শ্ৰীযুত উমেশ চন্দ্ৰ দাস মহোদয়ে কাৰ্যসূচী তৈয়াৰ তথা অধ্যাপক-অধ্যাপিকা মণ্ডলীয়ে আমাক সততে দিয়া সজ উপদেশ আৰু দিহা

পৰামৰ্শৰ বাবে যেখেত সকললৈ আমি ভক্তিপূৰ্ণ কৃতজ্ঞতা নিবেদিছোঁ। নবাগত আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহ উদ্‌যাপনৰ দিন কেইটিত সহায় সহযোগিতা আগবঢ়োৱা বিভিন্ন বিষয়-বৰ্কীয়াসকলৰ প্ৰতি শলাগ লোৱাৰ লগতে আমাক বিভিন্ন ভাবে সহায় সহযোগ কৰা আমাৰ বন্ধু সৰ্ব্ব শ্ৰীপদ্ম দাস, অপূৰ্ব্ব ঠাকুৰীয়া, ভৈৰৱ দাস, দিলীপ শৰ্মা, জয়ন্ত ঠাকুৰীয়া তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছোঁ—

॥ জয় আই অসম ॥

শ্ৰীশ্যামাচৰণ ঠাকুৰীয়া


জলিম উদ্দিন আহমেদ

যুটীয়া আহ্বায়ক,

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়

নৱাগত আদৰণি আৰু মহাবিদ্যালয়

সপ্তাহ উদ্‌যাপন সমিতি।



# সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদন লিখাৰ প্ৰাক্ মুহূৰ্ত্ততে মই ভাৰপ্ৰাপ্ত অধ্যাপক ৰঞ্জিত কুমাৰ বৰা, অধ্যাপক ফনীধৰ তালুকদাৰ আৰু বৎস (পবিত্ৰ)ক কৃতজ্ঞতা নজনালে মোক পাপে চুব। মোক মোৰ কাম পৰিচালনাৰ বা দিহা পৰামৰ্শ দি সহায় কৰা বাবে তেওঁলোকক মই সদায় মনত ৰাখিম।

গতানুগতিক ভাৱে এইবাৰো মোৰ বিভাগত বিভিন্ন প্ৰতিযোগিতা হৈছিল। কিন্তু মোৰ বিশ্বাস এইবাৰ 'কুইজ প্ৰতিযোগিতা' অইন বছৰতকৈ কিছু উন্নত হৈছিল। অৱশ্যে ভাবি বেয়া লাগে যে প্ৰতিযোগীৰ সংখ্যা আছিল নিচেই তাকৰ। হলেও একে সময়তে বিভিন্ন বিষয়ৰ প্ৰতিযোগিতাৰ লগতে সাহিত্য বিভাগৰ প্ৰতিযোগিতাও অনুষ্ঠিত হয় বাবে ইচ্ছুক প্ৰতিযোগীসকলে যোগদান কৰিব নোৱাৰাটোৱেই স্বাভাৱিক। কিন্তু তথাপি......। অৱশ্যে এয়াও মই অৱদমিত কৰিব নোৱাৰোঁ যে গল্প, কবিতা প্ৰবন্ধ ইত্যাদি লেখাৰ প্ৰতি যেন ছাত্ৰ-ছাত্ৰী সকলৰ উৎসাহ বা আগ্ৰহ নাই। "Pen is mightier than sword" সেয়ে দেশৰ সাম্প্ৰতিক পৰিস্থিতিত তেওঁলোকে অন্ততঃ কলমৰ শক্তি উপলব্ধি কৰাটো উচিত। সমাজ পৰিবৰ্ত্তনৰ ক্ষেত্ৰত লেখনিৰ ভূমিকা কিমান সেয়া ফৰাচী বিপ্লৱত 'ৰুছো, ভল্টেয়াৰ আদিৰ লেখনিৰ অৱিহনালৈ চালেই সহজে বুজিব পাৰি।

অৱশ্যে এই বিলাকৰ দ্বাৰা মই কাকো উপদেশ দিবলৈ প্ৰয়াস কৰা নাই। সেই দুঃসাহস বা ধৃষ্টতা মোৰ নাই। সেয়ে কোনোৱাই মোৰ এই প্ৰতিবেদনক তেওঁলোকক উপদেশ দিয়াৰ প্ৰগল্‌ভতা বুলি ভাবি তেওঁলোকৰ সংকীৰ্ণ মনৰ পৰিচয় নিদিলেই মোৰ ভাল লাগিব।

সদৌ শেষত আমাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বলাবলৈ অহা ছাত্ৰ-ছাত্ৰী সকলক মৰম আৰু শুভেচ্ছা জনোৱাৰ লগতে পুৰনি সকললৈ মোৰ সংগ্ৰামী শুভেচ্ছা জনাই প্ৰতিবেদন সামৰিছোঁ—।

জয়তু বিমলা প্ৰসাদ চলিহা
মহাবিদ্যালয়
জয়তু ভাষা জননী
"জয় আই অসম"
দীপজ্যোতি পাঠক
সম্পাদক, সাহিত্য আৰু তৰ্ক বিভাগ

# সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

১৯৮৪ চনৰ জানুৱাৰী মাহৰ ৯ তাৰিখৰ পৰা ১২ তাৰিখলৈ অনুষ্ঠিত হৈ যোৱা "মহাবিদ্যালয় সপ্তাহ" উদযাপন সমিতিৰ হৈ আমি দুজনে 'সাংস্কৃতিক বিভাগৰ' সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিলো। সম্পাদক পদত অধিষ্ঠিত হৈ বিষয়টো সুচাৰুৰূপে চলাই নিবলৈ আমি সক্ষম হৈছো নে নাই সেইটো আমি সঠিক ভাৱে কব নোৱাৰিলো। তথাপিও আমাৰ এই মহান দায়িত্ব পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিলো। চেষ্টাৰ ত্ৰুটি যদি আমাৰ অজ্ঞাতসাৰে হৈ গৈছে, তাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো। এই দায়িত্বপূৰ্ণ বিষয়টোৰ স্পষ্ট তাৎপৰ্য্য আৰু বিশ্লেষণ দিয়াটো আমাৰ বাবে তেনেই এক গভীৰ চিন্তাৰ বিষয়।

লিখিবলৈ হাতত কলম ললো যদিও মনলৈ ভাষা নাহে, হৃদয়ত ছন্দৰ নিজৰা নবয়। তথাপি পৃথিবীৰ আন আন দেশৰ বাস্তৱ অগ্ৰগতিলৈ উন্নুকিয়াই ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত নিচেই নিছলা দেশ অসমকো জানোচা এক বাস্তৱ আৰু দৃঢ় ভেটিত গঢ় দিব পাৰো, তাৰ বাবে প্ৰতিজন নৈতিকতাপূৰ্ণ অসম শুভাকাঙ্ক্ষী পুত্ৰ-জীয়ৰীয়ে অতীতৰ পৰা বৰ্তমানলৈ সংস্কাৰৰ পথত অশেষ দুখ-যন্ত্ৰণাৰ বোজা কঢ়িয়াই চেষ্টা চলাই আহিছে। বহুতে হয়তো পথভ্ৰষ্ট হৈ পথৰ মাজ মানতে নিজৰ নৈতিকতাক বলি দি ব্যক্তিগত স্বাৰ্থ পূৰণ কৰিলে, তাৰো নিদৰ্শন কম নহয়। আমি নিজৰ দেশ বা জাতিক নীলা চকুৰে পৰ্য্যবেক্ষণ তথা সূত্ৰেৰে নাম-কৰণ কৰিব বিচৰা নাই। আমি বিচাৰো প্ৰকৃত সত্যৰ দৃষ্টি-ভঙ্গীৰে এক পৰিপক্ক সত্য সমাধান বা পথ।

দেশ এখনৰ উন্নতিৰ অন্তৰালত থাকে ইয়াৰ অৰ্থনৈতিক, ৰাজনৈতিক, সাহিত্য, কলা, সাংস্কৃতিক আদিৰ সুদৃঢ় ভেটি। জাতীয় চেতনাৰ গঢ় লয় জাতীয় সাহিত্য কলা-সংস্কৃতিৰ ওপৰত। এই সকলো বিলাক চিৰজীৱিত কৰি ৰখাৰ দায়িত্ব প্ৰতিজন ব্যক্তিয়েই বহন কৰিব লাগিব। আমাৰ অসম দেশ বিভিন্ন সংস্কৃতিৰে পৰিপূৰ্ণ দেশ। অসম দেশৰ সৰহ সংখ্যক মানুহেই দুখীয়া নিচলা আৰু অতীতৰ আমাৰ শুভাকাঙ্ক্ষী ব্যক্তি সকলৰ অৱহেলাতেই হওক বা অৱচেতন মনৰ প্ৰভাৱতেই হওক, পৃথিবীৰ নালাগে ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ তুলনাত শিক্ষা-সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত তেনেই পিছপৰা। এইহেন এখন দেশৰ উন্নতিৰ কাৰণে আমি উঠি অহা প্ৰতিজন শিক্ষিত ডেকা-গাভৰুৱে চেষ্টা চলাব লাগিব। এই চেষ্টাৰ সোঁত যাতে সদায় বোৱতী নৈৰ পানীৰ দৰে বৈ থাকে, তাক যদি আমাৰ প্ৰতিখন নিম্নৰ পৰা উচ্চস্তৰৰ শিক্ষানুষ্ঠানৰ জৰিয়তে বোৱাই নিব পৰা যায়; তেনেহ'লে আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীৰ

মনত পঢ়াৰ এক আনুসঙ্গিক পাঠ্য হৈ প্ৰতিজন অসমবাসীৰ বাবে ই আদৰ্শ হৈ ৰ'ব। তাৰ বাবে যাতে আমাৰ স্কুল-কলেজ সমূহত প্ৰতি বছৰে ছাত্ৰ-ছাত্ৰীৰ অভিৰুচি আৰু মনৰ পৰিচয় প্ৰদানৰ বাবে এবেকোখনকৈ বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়।

আমাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলো ইয়াৰ বিপৰীত নহয়। ১৯৮৪ চনৰ যোৱা জানুৱাৰীৰ ৯ তাৰিখৰ পৰা ১২ তাৰিখলৈকে চাৰিদিনীয়া কাৰ্য্যসূচীৰে আমাৰ মহাবিদ্যালয় সপ্তাহ উদযাপন কৰা হয়। বিভিন্ন প্ৰতিযোগিতাৰ লগতে যোৱা মহাবিদ্যালয় সপ্তাহত আমাৰ সাংস্কৃতিক বিভাগৰ ফালৰ পৰা এখনি বিশেষ প্ৰদৰ্শনী পতা হৈছিল। তাৰ বিষয়-বস্তু আছিল হস্তকৰ্ম। এনে প্ৰতিযোগিতা আমাৰ মহাবিদ্যালয়ৰ বাবে এয়ে প্ৰথম আছিল। প্ৰথম বাৰৰ বাবে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে ফুটাই তুলিছিল তেওঁলোকৰ শিল্পীসুলভ মনৰ নিদৰ্শন।

আৰু এইবাৰ গতানুগতিকতাৰ পৰা কিছু ফালৰি কাটি আহি বেশভূষা প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছিল। যি বেশভূষাৰ প্ৰতিযোগীসকলক মঞ্চত দিখাৰ লগে লগে বিভিন্ন জাতি-জনজাতিৰ বাসভূমি অসমখন দেখা যেন ভাব হৈছিল। প্ৰতিযোগীসকলৰ উৎসাহ সঁচাকৈয়ে প্ৰশংসনীয়।

আমাৰ দেশৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ এনেকুৱা উৎসাহমূলক প্ৰচেষ্টাকেই আমি সাদৰেৰে আৰু উদ্দীপনাৰে সমৰ্থন কৰিলোঁ, যাতে তেওঁলোকে ভৱিষ্যতে অসমক আগবঢ়াই নিব পাৰে তাৰ বাবে আশীৰ্বাদ আৰু শুভেচ্ছা থাকিল।

শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ উৎসাহ উদ্দীপনা আগবঢ়াই শুভাশীষ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত ভাৰপ্ৰাপ্ত অধ্যাপক, অধ্যাপিকা ক্ৰমে, ফণীধৰ তালুকদাৰ আৰু দীপ্তিৰেখা পাঠকক আমাৰ কাম নিয়াৰিকৈ চলাবলৈ দিহা পৰামৰ্শ দিয়া বাবে আমাৰ কৃতজ্ঞতা জনাইছোঁ। –

"জয় আই অসম"
সম্পাদক দ্বয়
শ্ৰীভৱব্ৰত ৰয়
মোঃ কবিৰ হুছেইন।

# সংগীত বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

সংগীত বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণীতে মই আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী ভাই-ভনী সকলোলৈ মোৰ বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছো।

আমাৰ মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হোৱাৰ কেইদিনমানৰ আগেয়ে মই মহাবিদ্যালয়ৰ সংগীত বিভাগৰ সম্পাদক ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। গতিকে সম্পাদক হৈয়েই মই সন্মুখীন হ'ব লগীয়া হ'লোঁ এক বিৰাট সমস্যাৰ। সংগীত প্ৰেমী বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সংগীত প্ৰতিযোগীতাত যোগদান কৰে। সচাকৈ তেওঁলোকৰ উৎসাহ প্ৰশংসনীয়। এই সুযোগতে মই তেওঁলোকলৈ মোৰ শুভেচ্ছা জনাইছোঁ।

মহাবিদ্যালয়ৰ সম্পাদক এজন হৈ যিখিনি সুবিধা পাব লাগিছিল সেই কণ সুবিধা সংগীত বিভাগৰ সম্পাদক হিচাপে মই পোৱা নাই। বিয়েই নহওক এজন সম্পাদক হিচাপে কৰ্তৃপক্ষই আগবঢ়াই দিয়া এটা খোল, এযোৰ তবলা আৰু বিহুঢোলটো মোৰ হাতত পৰিল অস্থি-চৰ্মহীন কংকাল সদৃশে। কোনোমতে ডাক্তৰ কবিৰাজ লগাই সেইখিনি প্ৰস্তুত কৰিলোঁ যদিও সমস্যা হ'ল হাৰমনিয়ামৰ। খাদাভাৰত জৰ্জৰিত হাৰমনিয়ামে মুখ মেলি কথাকে ক'ব নোখোজে। যাৰ বাবে অইনৰ পৰা খুজি অনা হাৰমনিয়ামলৈ মই মোৰ কাৰ্যত আগবাঢ়িবলগীয়াত পৰিছিলোঁ। আৰু যে কত আলৈ-আহুকানৰ সন্মুখীন হ'ব লগীয়া হৈছিল সেইবোৰৰ বহল ব্যাখ্যা মই কৰিব নোখোজোঁ। কিন্তু বৰ্ত্তমানৰ লগত খাপ খুৱাব পৰাকৈ আৰু উন্নতমান বিশিষ্ট কেইবিধমান বাদ্যযন্ত্ৰৰ যোগান ধৰিবলৈ মই মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ কৰিছোঁ। কাৰণ উত্তৰ পুৰুষৰ প্ৰতিভা যেন প্ৰতিভাত হোৱাত তেওঁলোকে সহায় কৰে। উন্নত মান বিশিষ্ট বাদ্যযন্ত্ৰই উৎসাহী সংগীত প্ৰেমী ছাত্ৰ-ছাত্ৰীক বহু গুণে উৎসাহিত কৰিব বুলি মোৰ বিশ্বাস আৰু তেওঁলোকৰ উন্নতি আমি আশা কৰিব পাৰো। মই ন-দি ক'ব পাৰো যদি কেতিয়াবা আমাৰ মহাবিদ্যালয়ে "আন্তঃ মহাবিদ্যালয় মহোৎসৱ"ত যোগদান কৰাৰ সুযোগ পায় তেনেহলে আমি আমাৰ সংগীত বিভাগৰ ৰূপটোক এক অনন্য ৰূপত প্ৰকাশিত হয়তো কৰিব পাৰিম।

ইয়াৰ মাজতে আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সৌজন্যত পতা "কবি সন্মিলনী" তথা মহাবিদ্যালয়ৰ মুখ্যভৱনৰ আধাৰ শিলা স্থাপন উৎসৱত আমাৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে অনুষ্ঠান দুটিৰ সৌষ্ঠৱ বঢ়ায়। উক্ত সমবেত সংগীত পৰিৱেশনত যি সকলে অংশগ্ৰহণ কৰিছিল, তেওঁলোকলৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মই পৰিচালনা কৰা সকলোবোৰ কামতে উৎসাহ আৰু দিহা-পৰামৰ্শ দি মোক প্ৰেৰণা দিয়া বাবে শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় আৰু ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত নীলকমল বৰদলৈ দেৱলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। ইয়াৰোপৰি বন্ধু-বান্ধৱসকলৰ বহুতে কৰা কষ্ট স্বীকাৰৰ শলাগ লবই লাগিব।

সদৌশেষত বি.পি.চি, মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত জ্ঞাত বা অজ্ঞাতসাৰে কৰি অহা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ। মহাবিদ্যালয় সংগীত বিভাগৰ উন্নতি আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয় আই অসম"

শ্ৰীপবিত্ৰ কুমাৰ পাঠক

সম্পাদক

সংগীত বিভাগ।

## খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

জয় জয়তে আমি এই প্ৰতিবেদন লিখিবলৈ গৈ মহাবিদ্যালয়ৰ ন-পুৰণি সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। ১৯৮৪ চনৰ দেশৰ এক অস্থিৰ ৰাজনৈতিক আৱহাৱাৰ মাজতো আমি নগৰবেৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বৃন্দই তিনি বছৰে নীৰৱে থকাৰ পিছত ১৯৮৪ চনত [বাৰ্ষিকী] "মহাবিদ্যালয় সপ্তাহ" অনুষ্টুপীয়াকৈ উদযাপিত কৰিলোঁ। ৰাজনৈতিক আৱহাৱাৰ পৰা ছাত্ৰ-ছাত্ৰী সকল মুক্ত। 'ছাত্ৰানং অধ্যয়নং তপ:' যদিও ভাৰতীয় ৰাজনীতি যি গতিৰে ধাৱিত [বিশেষকৈ অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ ঔপনিৱেশিক শোষণ নীতিৰ বিৰুদ্ধে ছাত্ৰ-শক্তি থিয় হোৱাটো অপৰিহাৰ্য্য হোৱা হেতুকে ছাত্ৰ-শক্তি, ছাত্ৰৰ পৱিত্ৰ কৰ্ত্তব্যৰ বাটৰ পৰা পিছলি পৰিব লগা হৈছে] সেই গতিৰোধ কৰিবলৈ বিৰোধী দল সমূহ অক্ষম।

বিগত চাৰি বছৰে অসমৰ জাতীয় উৎসৱ বিহুকে ধৰি অসমৰ সংস্কৃতিৰ স্বাক্ষৰ বহন কৰা বিভিন্ন সাংস্কৃতিক কৰ্মৰ দিনবোৰ প্ৰায় ম্লান হৈ ৰৈছে। আৰু তাৰ দ্বাৰা অসমৰ বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে আমাৰ মহাবিদ্যালয়খনো প্ৰভাৱিত।

পৃথিৱীত জনসংখ্যাৰ ফালৰ পৰা দ্বিতীয় বৃহত্তম এই ভাৰতবৰ্ষ। কিন্তু জনসংখ্যাৰ গুণগত মানত ভাৰত তৃতীয়া। অসম সদায় অৱহেলিত। তাতে নগৰবেৰা গ্ৰাম্য অঞ্চল। দেখাযায় ভাৰতৰ গ্ৰাম্য অঞ্চলবোৰত খেলৰ অনুশীলনৰ বাবে আচুতীয়াকৈ সংগঠিত হোৱা কোনো বলিষ্ঠ সংগঠন [ Sports club ] নাই। শিক্ষানুষ্ঠান সমূহে মৰি যাব নিদিয়াকৈ এই খেলধেমালিবোৰক জীয়াই ৰাখিছে। আমাৰ মহাবিদ্যালয়খনো ইয়াৰ ব্যতিক্ৰম নহয়।

মানুহৰ মানসিক উৎকৰ্ষৰ উপৰিও শাৰিৰীক বিকাশ তথা উৎকৰ্ষৰো প্ৰয়োজন নুই কৰিব নোৱাৰি। সন্দেহ নাই খেলধেমালিয়ে শাৰিৰীক উৎকৰ্ষৰ প্ৰধান মাধ্যম। শাৰিৰীক বিকাশ নহলে মানসিক বিকাশো সম্ভৱ নহয়। সেয়েহে এৰিষ্টট'লে কৈ গৈছে 'সুস্থ দেহত সুস্থ মন'। যদিও উনবিংশ শতিকালৈ খেলা-ধূলা বহিঃপাঠ্যক্ৰম হিচাপেই বিবেচিত হৈছিল কিন্তু বৰ্ত্তমান ইয়াৰ গুৰুত্ব উপলব্ধি কৰিয়েই সহ-পাঠ্যক্ৰম হিচাবে গৃহীত হৈছে।

অসমৰ গ্ৰাম্য অঞ্চলৰ শিক্ষানুষ্ঠান সমূহে খেলৰ অনুশীলনৰ বাবে ন্যুনতম সা-সুবিধা খিনিৰ পৰাও ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত। বৰ্ত্তমান ভাৰতত খেলৰ অনুশীলনৰ পৰিবৰ্ত্তে ৰাজনীতিৰ অনুশীলনতহে ৰাজনৈতিক নেতাসকলক গুৰুত্ব দিয়া দেখা গৈছে। ইয়াৰ জলন্ত উদাহৰণ ১৯৮৪ চনৰ অলিম্পিকত ভাৰতৰ চৰম ব্যৰ্থতা।

১৯৮৪ চনৰ জানুৱাৰী মাহৰ ৯ তাৰিখৰ পৰা ১২ তাৰিখলৈ বিভিন্ন বিভাগীয় কাৰ্য্যক্ৰমনিকাৰে আমাৰ 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হৈছিল। খেলা-ধূলাৰ পৰ্বও ইয়াৰ মাজতে চলি গ'ল। আধুনিক

তথা বৈজ্ঞানিক চিন্তাচৰ্চ্চাৰে খেলা-ধূলাৰ অনুশীলনৰ অভাৱ হেতুকে খেলৰ মানদণ্ড উন্নত হোৱা নাছিল। তদুপৰি উপযুক্ত খেল পথাৰ, খেলৰ সামগ্ৰী আদিৰ অভাৱেও এই ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি কৰিছিল। আশাকৰোঁ কৰ্ত্তৃপক্ষই আগন্তুক মহাবিদ্যালয় সপ্তাহবোৰত এইবোৰ অসোঁৱাহ দূৰ কৰিবলৈ যত্নপৰ হ'ব। দুখেৰে সৈতে জনাই থওঁ যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল খেল-ধেমালিৰ প্ৰতি অমনোযোগী। 'মহাবিদ্যালয় সপ্তাহ'ত প্ৰতিযোগীৰ সেৰেঙা যোগদানেই তাৰ উদাহৰণ। ছাত্ৰীসকল এই ক্ষেত্ৰত বাককৈয়ে উদাসীন। খেল-ধেমালিত যোগদানৰ বেলিকা ছাত্ৰীসকল লাজ কৰাত খুববেছি জোৰ দিয়া গৈছিল। আশাকৰোঁ আগলৈ কৰ্ত্তৃপক্ষৰ লগতে ছাত্ৰ-ছাত্ৰী সকলেও খেল-ধেমালিৰ প্ৰতি পিঠি নিদিব।

তাকৰীয়া দিনৰ প্ৰস্তুতিৰে চলোৱা উক্ত মহাবিদ্যালয় সপ্তাহৰ বহিঃদ্বাৰ খেলবিভাগৰ দায়ত্ব আমাৰ ওপৰত ন্যস্ত হোৱাত আমি বিভাগীয় কামকাজবোৰ সুকলমে পৰিচালিত কৰিব পাৰিলোনে নাই তাৰ বিচাৰ আপোনালোকৰ ওপৰত। এই ক্ষেত্ৰত বহিঃদ্বাৰ খেল বিভাগৰ তত্বাৱধায়ক মাননীয় অধ্যাপকদ্বয় শ্ৰীবীৰেণ নেওগ আৰু শ্ৰীদেবেশ দাসৰ সহায় সহযোগিতা, পৰামৰ্শ তথা তৎপৰতাৰ কথা সুঁৱৰিবই লাগিব। শেষত তেওঁলোক প্ৰয়োজনলৈ কৃতজ্ঞতা জনাই যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে আমাৰ বিভাগীয় খেল পৰিচালনাত সহায়ৰ হাত আগবঢ়ালে তেওঁলোকলৈ পুনঃ পুনঃ সুঁৱৰিছোঁ। ইতি —

শ্ৰীপ্ৰাণেশ্বৰ কলিতা

এম, সুৰুজ উদ্দিন আহমেদ

যুটীয়া সম্পাদক

বহিঃখেল বিভাগ

বি,পি,ছি মহাবিদ্যালয় সপ্তাহ।

# গুৰু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

আদিতে মই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ বিদ্যাৰ্থীকে মোক গুৰু খেল বিভাগৰ সম্পাদক হিচাবে কাম কৰিবলৈ দিয়া বাবে মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। কাৰণ তেওঁলোকৰ সহায়-সহযোগিতা নহলে মই হয়তো মোৰ কাম ভালদৰে কৰিব নোৱাৰিলোঁহেতেন। মোৰ অকৃত্ৰিম কৃতজ্ঞতা হ'ব যদিহে মই বন্ধুবৰ ৰজনী কলিতা, নজিৰ উদ্দিন আহমেদ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় ভাৰত কলিতাক বিশেষ ভাৱে কৃতজ্ঞতা নজনাওঁ

নিলিখি নোৱাৰিলোঁ যে আমাৰ মহাবিদ্যালয়ত যি কোনো খেলতে মহিলা প্ৰতিযোগীৰ সংখ্যা উল্লেখনীয় ভাৱে কম। আজি এই কুৰি শতিকাতো যে তেওঁলোকে কি ভাবি খেলা-ধূলাত অংশ গ্ৰহণ নকৰে সেয়া মোৰ ভাৱাতীত। এই এয়া মই নিলিখিলেও মই নিজকে ফাঁকি দিয়া হ'ব যে আমাৰ মহাবিদ্যালয়ত থাকিবলগীয়া খেলৰ সামগ্ৰী আৰু সা-সুবিধাৰ অভাৱ। কিন্তু বিদ্যাৰ্থীসকলৰ শাৰীৰিক তথা মানসিক উন্নতিৰ বাবে খেল-ধূলা অতীৱ প্ৰয়োজনীয়। সেয়ে মহাবিদ্যালয়ত খেলা-ধূলাৰ পৰিবেশ এটা গঢ়ি তোলাটো দৰকাৰ; যাতে শৰীৰ আৰু মন উভয়ে উভয়ক নিমন্ত্ৰণ কৰিব পাৰে।

মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যাতে খেলৰ সা-সামগ্ৰী সমূহ যোগান ধৰি আৰু 'নাই মোমাইতকৈ কণা মোমাই……' যেন হৈ থকা খেল পথাৰৰ কিছু উন্নতি সাধন কৰি বিদ্যাৰ্থীসকলৰ এটা মহৎ স্বাৰ্থ পূৰণ কৰে।

ভাবি দুখ লাগে যে যথেষ্ট সংখ্যক প্ৰতিভাবান বিদ্যাৰ্থী থকা সত্বেও মহাবিদ্যালয়ে "আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতা"ত অংশ গ্ৰহণ কৰিব পৰা নাই। যাৰ ফলত মহাবিদ্যালয়ৰ প্ৰতিভা সমূহ কোনেও নেদেখাকৈ শেষ হৈ যাবলৈ ধৰিছে। সেই বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক আকৌ অনুৰোধ জনাওঁ যাতে আমাৰ মহাবিদ্যালয়ে এই প্ৰতিযোগিতাত যোগদান কৰাৰ সুযোগ পায়।

মই মোৰ কাম কেনেকৈ শেষ কৰিলোঁ। সেয়া আপোনালোকেহে জানিব। নাজানি কৰা ভুলৰ বাবে সমূহ বিদ্যাৰ্থী তথা অধ্যাপক-অধ্যাপিকা বৰ্গৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

শেষত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনাৰে—।

"জয় আই অসম"  
বাহাৰুল হক।  
সম্পাদক,  
গুৰু খেল বিভাগ।

# লঘু খেল বিভাগৰ সম্পাদকৰ
# প্ৰতিবেদন

জয় জয়তে সমূহ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা জনাই মোৰ প্ৰতিবেদন নিবেদন কৰিছোঁ। এনে এখন ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠানৰ লঘু খেল বিভাগৰ সম্পাদক হিচাপে বাছনি কৰাত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ; লগতে লঘু ক্ৰীড়াৰ মহাবিদ্যালয় সন্মুখীন হোৱা অসুবিধাসমূহ উপস্থাপন কৰিবলৈ বিচাৰিছোঁ।

লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ কাৰণে যিখিনি যোগ্যতাৰ দৰকাৰ সেইখিনি মোৰ আছিল নে নাই সেয়া আপোনালোকৰ বিচাৰ্য্য, কিন্তু মই যত্নৰ ক্ৰুটি কৰা নাছিলোঁ। নগৰবেৰা অঞ্চলৰ একমাত্ৰ মহাবিদ্যালয় হিচাবে যিমান খিনি সুবিধা থকা দৰকাৰ সিমান খিনি নাই বুলিব পাৰি। লঘু খেল বুলিবলৈ মাথোঁ কেৰম, ডাবা আৰু বেডমিণ্টন। ইমানবোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মাত্ৰ দুখন কেৰম, দুখন ডাবা আৰু দুই ছেট বেডমিণ্টন উক্ত সামগ্ৰীৰ দ্বাৰা খেল চলোৱাত যথেষ্ট অসুবিধা হৈছিল। তদুপৰি অনুকূল বতৰ নোহোৱা বাবে বেডমিণ্টন খেল উন্নত মানৰ হোৱা নাছিল। এই খিনিতে মই এই প্ৰতিবেদনৰ যোগেদি উল্লিখিত খেলৰ অসুবিধা সমূহ অনতিপলমে দূৰ কৰিবলৈ কৰ্তৃপক্ষৰ ওচৰত দাবী জনালোঁ।

সামৰণিত মোৰ শ্ৰদ্ধাভাজন ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীনৱবাহাদুৰ ছেত্ৰীদেৱক তেখেতৰ বহুমূলীয়া দিহা পৰামৰ্শৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ; লগতে সকলো শিক্ষাগুৰুলৈ, যি সকলে মোক দিহা পৰামৰ্শ দি সহায় কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সদৌ শেষত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে

শ্ৰীবিপুল কুমাৰ মেধি

সম্পাদক, লঘু খেল বিভাগ।

# সমাজ সেবা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

এই সুযোগতে মই প্ৰথমে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকা সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ, এই কাৰণেই যে তেওঁলোকে মোৰ ওপৰত এই বিভাগৰ দায়িত্ব ন্যস্ত কৰিছিল।

মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগ—এই বাক্যাংশটোৱে দৰাচলতে যি অৰ্থ বহন কৰে তাক যে মই সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰিব পাৰিছোঁ তাত মোৰ নিজৰেই সন্দেহ। কাৰণ গতানুগতিক কামখিনিৰ বাহিৰে অইন বিশেষ একো কাম যে হোৱা নাই, সিও নিঃসন্দেহ। বোধহয় আমাৰ বেছিভাগ মহাবিদ্যালয়তে, 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে এই বিভাগটোৱে সাধাৰণভাৱে কিছু কাম কৰাত বাহিৰে অইন একো নকৰে। আমাৰ মহাবিদ্যালয়তো ইয়াৰ কোনো ব্যতিক্ৰম হোৱা নাই। কিন্তু কথা হ'ল, সেইখিনিয়ে জানো যথেষ্ট ? মই আশাকৰোঁ মহাবিদ্যালয়ৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰী একত্ৰিত হৈ এই বিভাগটোৰ জৰিয়তে বাইজৰ মাজত বিভিন্ন গঠন মূলক কাম কৰি সেৱাৰ এক বৈপ্লৱিক চেতনাৰ জন্ম দিব পৰাটোহে বিভাগৰ সাৰ্থকতা নিৰূপণ কৰিব। আজি সকলোতে কথাহে বেছি, কাম একো নাই ধৰণৰ অৱস্থা বিৰাজ কৰিছে। মই আশা কৰিছিলোঁ ছাত্ৰ-বন্ধুসকলৰ মাজত বিভিন্ন কাম-কাজৰ জৰিয়তে গতানুগতিকতা ভঙ্গ কৰি কিবা এটা নতুনত্বৰ জন্ম দিম। কিন্তু সীমিত সুযোগে আৰু অৰ্থভাৱে মোৰ কামো সীমিত কৰিলে। আমাৰ উঠি অহা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনসাধাৰণক সেৱা কৰাৰ নতুন এক উদ্যমৰ জন্ম হয়, যিটো আমাৰ দেশৰ সকলো ক্ষেত্ৰতে অকৰ্য্যকৰী হৈ মৰহি যোৱা দেখা যায়। আমাৰ উঠি অহা চামৰ মাজত যাতে কলেজীয়া নাইবা স্কুলীয়া জীৱনৰ পৰাই জনসাধাৰণৰ প্ৰতি সেৱাৰ মনোভাৱৰ সৃষ্টি হয় আৰু তেওঁলোকৰ ভৱিষ্যত বৃত্তি যাতে জনসাধাৰণৰ বিৰুদ্ধে ষড়যন্ত্ৰ নহৈ জনসাধাৰণৰ কল্যাণাৰ্থে হয় ইয়াকে কামনা কৰিলোঁ। এই ক্ষেত্ৰতে হৈ যোৱা মহাবিদ্যালয় সপ্তাহৰ সমাজ সেৱা বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল উল্লেখ কৰি মোৰ প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

১ম: হৰমোহন নাথ (স্নাতক ২য় বাৰ্ষিক)

২য়: নওশাদ আলী আহমেদ
(পি, ইউ, পৰীক্ষাৰ্থী)

৩য়: কুমাৰী নুৰ নাহাৰ বেগম
(পি, ইউ, ২য় বাৰ্ষিক)

বিভূতি ঠাকুৰীয়া ঐ

॥জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়॥

**বিভূতি ঠাকুৰীয়া**
সম্পাদক
সমাজ সেৱা বিভাগ

# মহাবিদ্যালয়-সপ্তাহ-সমাৰোহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ

## সাহিত্য বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

অসমীয়া কবিতা আবৃত্তি :

১ম—কুমাৰী মিনতি শৰ্মা (স্নাতক, ২য় বাৰ্ষিক)
২য়—দ্বিপেন পাঠক ( ঐ )
৩য়—পবিত্ৰ পাঠক ( ঐ )
কুমাৰী ভূমিজা বৰ্মন (স্নাতক, ১ম বাৰ্ষিক)

ইংৰাজী কবিতা আবৃত্তি :

১ম—কবিৰ হুছেইন (স্নাতক, ১ম বাৰ্ষিক)
দ্বিপেন পাঠক (স্নাতক, ২ বাৰ্ষিক)
২য়—কুমাৰী কল্পনা ভাগৱতী (পি,ইউ, ২য় " )
কুমাৰী মিনতি শৰ্মা। (স্নাতক, ২য় বাৰ্ষিক)
৩য়—পবিত্ৰ পাঠক ( ঐ )
ভূমিজা বৰ্মন (স্নাতক, ১ম বাৰ্ষিক)

আকস্মিক কবিতা ৰচনা :

১ম—দ্বিপেন পাঠক (স্নাতক, ২য় বাৰ্ষিক
পবিত্ৰ পাঠক ( ঐ )
২য়—কুমাৰী মিনতি শৰ্মা ( ঐ )
৩য়—প্ৰাণেশ্বৰ কলিতা (স্নাতক, পৰীক্ষাৰ্থী)
উদগনি বঁটা-কবিৰ হুছেইন (স্নাতক ১ম বাৰ্ষিক)

অসমীয়া প্ৰবন্ধ ৰচনা :

১ম —বাহনিত হুঠিল।
২য়—প্ৰফুল্ল কুমাৰ ৰাভা (পি, ইউ, পৰীক্ষাৰ্থী)
৩য়—পবিত্ৰ পাঠক (স্নাতক ২য় বাৰ্ষিক)

অসমীয়া গল্প ৰচনা :

১ম প্ৰাণেশ্বৰ কলিতা (স্নাতক পৰীক্ষাৰ্থী)
২য় কবিৰ হুছেইন (স্নাতক ১ম বাৰ্ষিক)
৩য়—কুমাৰী মিনতি শৰ্মা (স্নাতক ২য় বাৰ্ষিক)

অসমীয়া আলোচনা চক্ৰ :

বিষয় : অসমীয়া সমাজ আৰু সংস্কৃতিলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱৰ ভূমিকা।

১ম—কবিৰ হুছেইন (স্নাতক ১ম বাৰ্ষিক)
২য়—শ্যামাচৰণ ঠাকুৰীয়া (স্নাতক পৰীক্ষাৰ্থী)
৩য় ভৈৰৱ ৰয় (স্নাতক ২য় বাৰ্ষিক)
ৰফিকুল হাছান (পি, ইউ, ২য় বাৰ্ষিক)

অসমীয়া তৰ্ক : বিষয় —

ভাৰতবৰ্ষৰ ৰাজ্য সমূহক আৰু অধিক ক্ষমতা প্ৰদান কৰিলে ৰাষ্ট্ৰীয় ঐক্য বিনষ্ট হ'ব।

১ম —ৰফিকুল হাছান (পি, ইউ, ২য় বাৰ্ষিক)
২য় —ভৈৰৱ ৰয় (স্নাতক ,, ,,)
৩য়—শ্যামাচৰণ ঠাকুৰীয়া (স্নাতক পৰীক্ষাৰ্থী)

ইংৰাজী তৰ্ক :

১ম বাহনিত হুঠিল।
২য় ভূপতি দাস ( স্নাতক ২য় বাৰ্ষিক )
৩য় কবিৰ হুছেইন ( স্নাতক ১ম বাৰ্ষিক )
উদগনি—ভৈৰৱ ৰয় ( স্নাতক ২য় বাৰ্ষিক )

আকস্মিক বক্তৃতা :

১ম ৰফিকুল হাছান ( পি ইউ. ২য় বাৰ্ষিক )
২য় শ্যামাচৰণ ঠাকুৰীয়া ( স্নাতক পৰীক্ষাৰ্থী )
৩য় ভৈৰৱ ৰয় ( স্নাতক ২য় বাৰ্ষিক )

কুইজ' .

১ম দল (ক) দ্বিপেন পাঠক ( " )
পবিত্ৰ পাঠক ( " )
ভৈৰৱ ৰয় ( " )
দীনেশ কলিতা ( " )
(খ) কবিৰ হুছেইন (স্নাতক ১ম বাৰ্ষিক)
কুমাৰী ভূমিজা বৰ্মন ( " )
প্ৰাণেশ্বৰ কলিতা (স্নাতক পৰীক্ষাৰ্থী)
কুমাৰী ৰীৰা মেধি (পি.ইউ, পৰীক্ষাৰ্থী)
২য় দল (গ) ৰূপচান্দ আলী (স্নাতক ২য় বাৰ্ষিক)
জুৰুল ইছলাম (স্নাতক ১ম বাৰ্ষিক)
ৰফিকুল হাচান (পি ইউ ২য় বাৰ্ষিক)
নওশাদ আলী আহমেদ
( পি.ইউ. পৰীক্ষাৰ্থী)
(ঘ) ভূদেৱ দাস (স্নাতক ২য় বাৰ্ষিক)
দিলীপ কলিতা ( " )
সুধৰ ডেকা ( " )
লক্ষ্যধৰ পাঠক ( " )

বছৰটোৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী :
কবিৰ হুছেইন ।

সঙ্গীত বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল :

বৰগীত—

১ম : শ্ৰীদীপেন্দ্ৰ পাঠক ( স্নাতক, ২য় বাৰ্ষিক )
২য় : " উমানন্দ পাঠক ( স্নাতক পৰীক্ষাৰ্থী )
৩য় : " প্ৰাণেশ্বৰ কলিতা ( স্নাতক পৰীক্ষাৰ্থী )

জ্যোতি সঙ্গীত—

১ম : কুমাৰী ভূমিজা বৰ্মণ ( স্নাতক ১ম বাৰ্ষিক )
২য় : শ্ৰীপবিত্ৰ পাঠক ( স্নাতক ২য় বাৰ্ষিক )
৩য় : শ্ৰীধ্যানেন্দ্ৰ ৰয় ( পি.ইউ.২য় বাৰ্ষিক )

ভজন —

১ম : শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া (পি.ইউ. ২য় বাৰ্ষিক)
২য় : কুমাৰী কল্পনা ভাগৱতী ( ঐ )
৩য় : শ্ৰীহেৰম্ব তালুকদাৰ ( ঐ )

বিহুগীত —

১ম : শ্ৰীগকুল মেধি ( ঐ )
২য় { কুমাৰী নমিতা কলিতা ( ঐ )
কুমাৰী প্ৰমিলা মেধি ( ঐ )
কুমাৰী জ্যোতি ঠাকুৰীয়া (পি, ইউ, পৰীক্ষাৰ্থী) }
৩য় : শ্ৰীমহেন্দ্ৰ নাথ (পি·ইউ· ২য় বাৰ্ষিক)

কামৰূপী লোকগীত —

১ম : শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া ( ঐ )
২য় : " উমানন্দ পাঠক (স্নাতক পৰীক্ষাৰ্থী)
৩য় : " ধ্যানেন্দ্ৰ ৰয় (পি.ইউ.২য় বাৰ্ষিক)

গোৱালপৰীয়া লোকগীত—

১ম : শ্ৰীপবিত্ৰ পাঠক (স্নাতক ২য় বাৰ্ষিক)
" মৃত্যুঞ্জয় ঠাকুৰীয়া (পি.ইউ. ২য় বাৰ্ষিক)
২য় : শ্ৰীগুৰুচৰণ দাস (পি.ইউ. পৰীক্ষাৰ্থী)
৩য় : মুক্তাৰ হুছেইন (পি.ইউ. ২য় বাৰ্ষিক)
শ্ৰীভূপেন মেধি ( ঐ )

বিষ্ণুৰাভা সঙ্গীত —

১ম : কুমাৰী ভূমিজা বৰ্মণ স্নাতক, ১ম বাৰ্ষিক)
২য় : শ্ৰীহেৰম্ব তালুকদাৰ (পি·ইউ. ২য় বাৰ্ষিক)
৩য় : " পবিত্ৰ পাঠক (স্নাতক, ২য় বাৰ্ষিক)

**আধুনিক গীত—**

১ম : শ্ৰীধ্যানেন্দ্ৰ ৰয় (পি.ইউ. ২য় বাৰ্ষিক)
২য় : " মৃত্যুঞ্জয় ঠাকুৰীয়া ( ঐ )
৩য় : " প্ৰাণেশ্বৰ কলিতা (স্নাতক পৰীক্ষাৰ্থী)
" হেৰম্ব তালুকদাৰ (পি.ইউ. ২য় বাৰ্ষিক)

**দ্বৈত সঙ্গীত—**

১ম : শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া (পি. ইউ. ২য় বাৰ্ষিক)
আৰু
কুমাৰী কল্পনা ভাগৱতী ( ঐ )
২য় : শ্ৰীধ্যানেন্দ্ৰ ৰয় ( ঐ )
আৰু
শ্ৰীহেৰম্ব তাকলুকদাৰ ( ঐ )
৩য় : " পবিত্ৰ পাঠক (স্নাতক ২য় বাৰ্ষিক)
আৰু
শ্ৰীমনোৰঞ্জন শৰ্মা (স্নাতক পৰীক্ষাৰ্থী)

**গজল—**

১ম : বাছনিত নুঠিল।
২য় : নুৰুল ইছলাম (পি.ইউ. ২য় বাৰ্ষিক)
৩য় : মুক্তাৰ হুছেইন ( ঐ )
ইজাব হুছেইন (স্নাতক, ২য় বাৰ্ষিক)
উদগনি বঁটা : শ্ৰীটিকেন দাস পি.ইউ. পৰীক্ষাৰ্থী)

**যন্ত্ৰ সঙ্গীত :**

বাঁহী : (মানবিশিষ্ট) শ্ৰীধ্যানেন্দ্ৰ ৰয়
(পি, ইউ, ২য় বাৰ্ষিক)

**মাউথ অৰ্গেন :**

যুটীয়া ভাবে শ্ৰীমৃত্যুঞ্জয় ঠাকুৰীয়া ( ,, )
শ্ৰীপবিত্ৰ পাঠক (স্নাতক ২য় বাৰ্ষিক )

**মেণ্ডোলিন :**

উদগনি পুৰস্কাৰ : শ্ৰীমনোৰঞ্জন শৰ্মা
(স্নাতক পৰীক্ষাৰ্থী)

**আইনাম:**

প্ৰথম : বাছনিত নুঠিল।
দ্বিতীয় দল : কুমাৰী প্ৰভাৱতী ঠাকুৰীয়া
(পি, ইউ, ১ম বাৰ্ষিক)
কুমাৰী তুলসী কলিতা ,,
কুমাৰী নিলীমা কলিতা ,,
কুমাৰী কল্যাণী তালুকদাৰ ,,
কুমাৰী অমিয়া দাস ,,

**বিয়ানাম :**

উদগনি বঁটা : কুমাৰী নমিতা দাস (পি.ইউ, ১ম বা:)
কুমাৰী নমিতা তালুকদাৰ ,,
কুমাৰী প্ৰমীলা মেধি ,,
কুমাৰী বিষ্ণুমণি ঠাকুৰীয়া ,,
কুমাৰী মামনি ঠাকুৰীয়া ,,
কুমাৰী কল্পনা ভাগৱতী ,,
কুমাৰী গীতা সাহা ,,

**ক্ৰীয়া-প্ৰতিযোগিতাৰ ( Athletics ) ফলাফল:**

( ল'ৰাৰ বাবে দৌৰ )

১০০ মিটাৰ দৌৰ
১ম : শ্ৰীধ্ৰুৱ দাস ( পি, ইউ, পৰীক্ষাৰ্থী )
২য় : মজিবৰ ৰহমান (পি, ইউ, ২য় বাৰ্ষিক
৩য় : গকুল মেধি ( ,, )

১০০ মিটাৰ বাধা দৌৰ
১ম : নওশাদ আলী আহমেদ (পি,ইউ,পৰীক্ষাৰ্থী)
২য় : মুকুন্দ ৰয় ( ,, )
৩য় : প্ৰফুল্ল ৰাভা ( " )

২০০ মিটাৰ দৌৰ
১ম : শ্ৰীধ্ৰুৱ দাস ( " )
২য় : ৰূপচান্দ আলী (স্নাতক ২য় বাৰ্ষিক)
৩য় : মজিবৰ ৰহমান (পি, ইউ, ২য় বাৰ্ষিক)

১০০ মিটাৰ পশ্চাৎ দৌৰ

১ম : হৰমোহন নাথ (স্নাতক ২য় বাৰ্ষিক)

২য় : নওশ্বাদ আলী আহমেদ (পি.ইউ, পৰীক্ষাৰ্থী)

৩য় : শ্ৰীধ্ৰুৱ দাস ( ,, )

৪০০ মিটাৰ দৌৰ

১ম : গকুল মেধি (পি.ইউ, ২য় বাৰ্ষিক)

২য় : প্ৰফুল্ল ৰাভা (পি. ইউ, পৰীক্ষাৰ্থী)

৩য় : শ্যামাচৰণ ঠাকুৰীয়া (স্নাতক পৰীক্ষাৰ্থী)

১৬০০ মিটাৰ দৌৰ

১ম : জিতেন তালুকদাৰ (পি,ইউ, ২য় বাৰ্ষিক)

২য় : জলিমউদ্দিন আহমেদ (স্নাতক পৰীক্ষাৰ্থী)

৩য় : প্ৰফুল্ল ৰাভা (পি, ইউ, পৰীক্ষাৰ্থী)

৪ৰ্থ : ৰূপচান্দ আলী (স্নাতক ২য় বাৰ্ষিক)

জাপ

ওখ জাপ

১ম: মৃগেন দাস (পি.ইউ পৰীক্ষাৰ্থী) ১.৫ চে:মি:

২য়: মোছলেম উদ্দিন আহমেদ (ঐ) ১.৪৯ চে:মি:

৩য়: শ্ৰীধ্ৰুৱ দাস (ঐ) ১.৪৫ ,, ,,

দীঘল জাপ

১ম: মৃগেন দাস (পি.ইউ. পৰীক্ষাৰ্থী) ৪.৯৪ ,, ,,

২য়: ধ্ৰুৱ দাস ( ঐ ) ৪.৮০ ,, ,,

৩য়: বাহাৰুল হক (পি.ইউ. ২য় বাৰ্ষিক) ৪.৭৯ ,, ,,

ৰূপচান্দ আলী (স্নাতক ২য় বাৰ্ষিক) ৪.৭৯ ,, ,,

মাৰী জাপ

১ম: আলিমুদ্দিন আকন্দ

(পি.ইউ.২য় বাৰ্ষিক) ২.৫৯ ,, ,,

২য়: হজৰত আলী ( ঐ ) ২.৪৬ ,, ,,

[দলিওৱা]

ওজন দলিওৱা

১ম: প্ৰাণেশ্বৰ কলিতা

(স্নাতক পৰীক্ষাৰ্থী) ৮.৫৬ ,, ,,

২য়: বিভূতি দাস

(পি.ইউ. পৰীক্ষাৰ্থী) ৭.৬৫ চে মি:

৩য়: মৃগেন দাস ( ঐ ) ৫.৬১ ,, ,,

ক্ৰীড়া চক্ৰকাঁহী দলিওৱা

১ম: প্ৰাণেশ্বৰ কলিতা

(স্নাতক পৰীক্ষাৰ্থী) ২২ মিটাৰ

২য়: ধ্ৰুৱ দাস (পি.ইউ. পৰীক্ষাৰ্থী) ১৮ ,,

৩য়: তমেজউদ্দিন আকন্দ

(স্নাতক, ২য় বাৰ্ষিক) ১৭.৮০ চে:মি:

ক্ৰীড়া-যাঠি দলিওৱা

১ম: বিভূতি দাস

(পি.ইউ. পৰীক্ষাৰ্থী) ৩৮.৫১ ,, ,,

২য়: ৰূপচান্দ আলি

(স্নাতক ২য় বাৰ্ষিক) ৩৭.৫৪ ,, ,,

৩য়: প্ৰাণেশ্বৰ কলিতা

(স্নাতক পৰীক্ষাৰ্থী) ৩৫.৬৬ ,, ,,

[ গতি ]

মন্থৰ চাইকেল চালন

মানবিশিষ্ট : শ্ৰীবিপুল কুমাৰ মেধি (স্নাতক ২য় বাৰ্ষিক)

[ ছোৱালীৰ বিভাগ ]

: দৌৰ :

১০০ মিটাৰ দৌৰ

১ম: কুমাৰী নমিতা কলিতা (পি.ইউ. ২য় বাৰ্ষিক)

২য়: কুমাৰী গীতা সাহা ( ঐ )

১০০ মিটাৰ পশ্চাৎ দৌৰ

১ম: কুমাৰী দময়ন্তী পাঠক ( ঐ )

২য়: কুমাৰী নমিতা কলিতা ( ঐ )

৩য়: কুমাৰী মামনি চৌধুৰী (স্নাতক, ২য় বাৰ্ষিক)

### ২০০ মিটাৰ দৌৰ

১ম : কুমাৰী প্ৰভাৱতী ঠাকুৰীয়া (পি, ইউ, ২য় বাৰ্ষিক)

২য় : কুমাৰী নমিতা কলিতা ( ঐ )

৩য় : কুমাৰী গীতা সাহা ( ঐ )

### ৪০০ মিটাৰ দৌৰ

১ম : কুমাৰী প্ৰভাৱতী ঠাকুৰীয়া ( ঐ )

২য় : কুমাৰী গীতা সাহা ( ঐ )

৩য় : কুমাৰী নীলিমা কলিতা ( ঐ )

উদগনি বঁটা : কুমাৰী দময়ন্তী পাঠক ঐ )

### [ জাপ ]

### দীঘল জাপ

১ম : কুমাৰী নমিতা কলিতা (পি. ইউ. ২য় বাৰ্ষিক)

২য় : কুমাৰী ভূমিজা বৰ্মণ (স্নাতক, ১ম বাৰ্ষিক)

৩য় : কুমাৰী গীতা সাহা (পি ইউ. ২য় বাৰ্ষিক

### [ দলিওৱা ]

### ওজন দলিওৱা

১ম : কুমাৰী দময়ন্তী পাঠক (পি, ইউ, ২য় বা:)

২য় : কুমাৰী প্ৰভাৱতী ঠাকুৰীয়া ,,

৩য় : কুমাৰী কনকলতা পাঠক ,,

### ক্ৰীড়া-চক্ৰকাঁহী দলিওৱা

১ম : কুমাৰী মামনি চৌধুৰী (স্নাতক ২য় বাৰ্ষিক)

২য় : কুমাৰী প্ৰমিলা মেধি (পি,ইউ, ২য় বাৰ্ষিক)

৩য় : কুমাৰী মামনি ঠাকুৰীয়া ( ,, )

### ক্ৰীড়া-যাঠি দলিওৱা

১ম : কুমাৰী সৰোজিনী মেধি (স্নাতক ২য় বাৰ্ষিক)

২য় : কুমাৰী হীৰা মেধি (পি, ইউ, পৰীক্ষাৰ্থী)

৩য় : কুমাৰী দময়ন্তী পাঠক (পি,ইউ, ২য় বাৰ্ষিক)

### অঙ্গাঘাত

মানবিশিষ্ট : কুমাৰী প্ৰভাৱতী ঠাকুৰীয়া ( ,, )

### সংগীত-চকী

১ম : কুমাৰী নমিতা কলিতা (পি,ইউ, ২য় বাৰ্ষিক)

২য় : কুমাৰী সবিতা নাথ ( ,, )

### আমোদ খেল

### ১৫০ মিটাৰ বিস্কুট খাই দৌৰ

১ম : কুমাৰী নুৰ নাহাৰ বেগম (পি,ইউ ২য় বা:)

২য় : কুমাৰী দময়ন্তী পাঠক ( ,, )

৩য় : কুমাৰী অমিয়া দাস ( ,, )

### গুৰু খেল (বল) প্ৰতিযোগিতাৰ ফলাফল

ফুটবল [দলগতভাবে]

১ম : প্ৰাক্ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক।

২য় : প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষাৰ্থী শ্ৰেণী।

### ভলীবল [দলগতভাবে]

১ম : স্নাতক ২য় বাৰ্ষিক।

২য় : প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষাৰ্থী শ্ৰেণী।

### শ্ৰেষ্ঠ ফুটবল খেলুৱৈ :

শ্ৰীৰজনী দাস (২য় বাৰ্ষিক পি, ইউ)

### শ্ৰেষ্ঠ ভলীবল খেলুৱৈ :

এম, আবুলকালাম আজাদ (২য় বাৰ্ষিক স্নাতক)

### লঘু খেল প্ৰতিযোগিতাৰ ফলাফল

### (ল'ৰাৰ বিভাগ)

বেডমিন্টন : ১ম : শ্ৰীবিপুল কুমাৰ মেধি (স্নাতক ২য় বাৰ্ষিক)

২য় : শ্ৰীদিলীপ কলিতা

ডাবা : ১ম : এম ৰূপচান্দ আলী (স্নাতক ২য় বাৰ্ষিক)

২য় : শ্ৰীবিপুল কুমাৰ মেধি ,,

কেৰম : ১ম : হৰকুমাৰ কলিতা ,,

২য় : শ্ৰীবিপুল কুমাৰ মেধি ,,